● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

www.dainikagradoot.in

**দিগ্‌দৰ্শন**

মই সদায়ে মোৰ হৃদয়ক অনুশৰণ কৰো আৰু সপোনৰ পম খেদো, আৰু মই কল্পনা কৰো যে মানুহে ইয়াক প্ৰেৰণাদায়ক বুলি ভাবে।

ব্ৰিটনী স্পিয়েৰ্ছ
*আমেৰিকান গায়িকা*

৭ প্ৰদূষণত ২০১৯ত ২৩.৫ লাখ লোকৰ মৃত্যু ভাৰতত
১৫ ইংলণ্ড ভ্ৰমণত অনিশ্চিত ৰাহানে
৪ অনিশ্চয়তাৰ গহ্বৰত মহাবিদ্যালয়ৰ সহ-অধ্যাপক নিযুক্তি

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২১৮তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ৪ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৯ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 19 May 2022 মূল্য ঃ ৯.০০ টকা

■ প্ৰয়োজনত অসমে অধিক পুঁজিৰ বাবে যোগাযোগ কৰিব ঃ মুখ্যমন্ত্ৰী ■ ডিমা হাছাও-হোজাই-বৰাক সৰ্বাধিক ক্ষতিগ্ৰস্ত ■ বান সাহায্যলৈ এহেজাৰ কোটি টকাত অনুমোদন কেন্দ্ৰীয় চৰকাৰৰ

# উত্তৰ প্ৰদেশৰ পৰা কিনিব ৪৯৫ মেগাৱাট বিদ্যুৎ

**আধাৰ নথকা প্ৰাৰ্থীয়ে লাভ কৰিব নিয়োগ বিনিময় কেন্দ্ৰৰ প্ৰমাণপত্ৰ ঃ কেবিনেটৰ সিদ্ধান্ত**

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ মে' ঃ** বছৰৰ প্ৰথমটো বানতে জুৰুলা হোৱা অসমক বান সাহায্যৰ বাবে কেন্দ্ৰীয় চৰকাৰে এহেজাৰ কোটি টকা ব্যয় কৰিবলৈ অনুমোদন দিছে। আজি দিছপুৰত কেবিনেট বৈঠকৰ অন্তত এক সংবাদমেলত এই তথ্য সদৰী কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অনুমোদিত পুঁজিৰ ডেৰশ কোটি টকা ইতিমধ্যে উপায়ুক্তসকলক ব্যয় কৰিব পৰাকৈ মোকলাই দিয়া হৈছে। তদুপৰি তেওঁ কয়, 'পুঁজিৰ অসুবিধা নাই। কালি গৃহমন্ত্ৰী অমিত শ্বাহে অসমৰ বান পৰিস্থিতিৰ বুজ লোৱাৰ সময়তে ৰাজ্যখনক বান সাহায্যৰ বাবে পৰ্যাপ্ত পুঁজিৰ যোগান ধৰা হ'ব বুলি কৈছে। গতিকে প্ৰয়োজনত আমি অধিক পুঁজিৰ বাবে যোগাযোগ কৰিম।' মুখ্যমন্ত্ৰীয়ে জনোৱা মতে, ইতিমধ্যে ৰাজ্যৰ ২৬ খন জিলা বানৰ কৱলত পৰিছে। ইয়াৰ ভিতৰত ডিমা হাছাও, বৰাক উপত্যকা আৰু হোজাই জিলা অধিক ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যবাসীক আতংকিত নহ'বলৈ আহ্বান জনাই মুখ্যমন্ত্ৰীয়ে কয় যে খাদ্য সামগ্ৰীকে ধৰি সকলো প্ৰয়োজনীয় সামগ্ৰী ৰাজ্যত পৰ্যাপ্ত পৰিমাণে ১০ পৃষ্ঠাত চাওক

## ছদিন শাৰী পাতিও অটল অমৃতৰ সুবিধা নোপোৱাত ক্ষোভৰ সৃষ্টি

আঁচনিৰ অভাৱত অস্ত্ৰোপচাৰ-ৰেডিয়েচন কৰিব পৰা নাই দৰিদ্ৰ ৰোগীৰ পৰিয়ালে

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ মে' ঃ** দেশৰ দৰিদ্ৰ জনতাৰ চিকিৎসাৰ ক্ষেত্ৰত সহায়ক হোৱাকৈ কেন্দ্ৰীয় চৰকাৰে ৰূপায়ণ কৰা অটল অমৃত আৰু আয়ুষ্মান ভাৰত আঁচনিৰ কাম-কাজ বিগত ছদিন ধৰি বন্ধ হৈ থকাৰ ফলত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে দৰিদ্ৰ ৰোগীৰ পৰিয়ালসমূহৰ মাজত। এই আঁচনিৰ সুবিধা আদায়ত ব্যৰ্থ হোৱাৰ ফলত চিকিৎসাত ব্যাঘাত জন্মা একাংশ ৰোগীৰ পৰিয়ালে আজি মহানগৰীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠান উত্তপ্ত কৰি তোলে আৰু ১০ পৃষ্ঠাত চাওক

■ মন্ত্ৰী মহন্ত-পীযুষৰ বানপীড়িত অঞ্চল পৰিদৰ্শন ■ পানীৰ তলত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথ ■ কপিলীৰ বানে সৰ্বকালৰ ইতিহাস ভংগ কৰিলে

## বানপীড়িতক উদ্ধাৰ অভিযানত নামিল সেনা, পৰিস্থিতি অপৰিৱৰ্তিত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ মে' ঃ** ৰাজ্যত আগতীয়াকৈ অহা প্ৰথমটো বানে সংহাৰীৰূপ অব্যাহত ৰাখিছে। আজি চতুৰ্থ দিনাও বান পৰিস্থিতি ৰাজ্যখনত অপৰিবৰ্তিত হৈয়ে আছে। এই পৰ্যন্ত চৰকাৰী তথ্য অনুসৰি ৰাজ্যখনৰ মুঠ ২৭ খন জিলাৰ ১৪১৩খন গাঁও প্লাবিত হোৱাৰ বিপৰীতে ২,৯২,৬৭৮ জন লোক আক্ৰান্ত হৈছে। চৰকাৰী তথ্য অনুসৰি, বজালী, বাগ্‌সা, বৰপেটা, বিশ্বনাথ, বঙাইগাঁও, কাছাৰ, চৰাইদেউ, দৰং, ধেমাজি, ডিব্ৰুগড়, ডিমা হাছাও, গোৱালপাৰা, হাইলাকান্দি, হোজাই, কামৰূপ, কামৰূপ (মহানগৰ), কাৰ্বি আংলং (পশ্চিম), কৰিমগঞ্জ, কোকৰাঝাৰ লখিমপুৰ, মাজুলী, মৰিগাঁও, নগাঁও, নলবাৰী, শোণিতপুৰ, তামুলপুৰ আৰু আঠ পৃষ্ঠাত চাওক

## অ'এনজিচিৰ ভুৱা বিষয়া ৰাণা পগাগক মাজুলীত জেৰা

তিনিটা বেংক একাউণ্ট জব্দ ঃ পাঁচ দিনৰ জিম্মাত

অগ্ৰদূত বাৰ্তা
**কমলাবাৰী, ১৮ মে' ঃ** নগাঁও আৰক্ষী থানাৰ উপ-পৰিদৰ্শক জোনমণি ৰাভাই ভাবী স্বামী ৰাণা পগাগক প্ৰৱঞ্চক বুলি অভিযোগ কৰি নগাঁও আৰক্ষী থানাত তৰা গোচৰ অনুসৰি গ্ৰেপ্তাৰ কৰা পগাগক আজি আদালতে পাঁচদিনৰ আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। তেল আৰু প্ৰাকৃতিক গেছ নিগম (অ'এনজিচি)ৰ বিষয়া হিচাপে চিনাকি দি পগাগে বিভিন্ন ঠিকা-ঠুকলি আৰু অন্যান্য সংস্থাপনেৰে প্ৰলোভিত কৰি ১০ পৃষ্ঠাত চাওক

**পৌৰ নিগমৰ সোপাটিলা নীতি-নিষ্ক্ৰিয়তাৰ বাবেই দিনক দিনে কদৰ্য ৰূপ লৈছে আবৰ্জনাই**

## নাগৰিকক দোষ জাপি দায় সৰাৰ চেষ্টা নিগমৰ

■ অসচেতন নাগৰিকে নৰ্দমাতে পেলায় জাৱৰ-জোঁথৰ

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী ১৮ মে' ঃ** ডাষ্টবিনত পৰিণত হৈছে গুৱাহাটী মহানগৰীৰ নৈ তথা নলা-নৰ্দমাসমূহ। ইয়াৰ বাবে গুৱাহাটী পৌৰ নিগমৰ সোপাটিলা মনোভাৱৰ লগতে বহু পৰিমাণে দায়ী একাংশ বাসিন্দাও। পৌৰ নিগমৰ একাংশ বিষয়াৰ মতে, গুৱাহাটীৰ অধিকাংশ লোকে ডাষ্টবিনৰূপে ব্যৱহাৰ কৰে ইয়াৰ সংলগ্ন অথবা মাজেৰে বৈ যোৱা মুঠ পাঁচখন নৈ তথা ৪৭৬ টা নলা-নৰ্দমাক। য'ৰ পৰা বিগত পাঁচটা মাহত নিষ্কাশন কৰা হৈছে সৰ্বমুঠ ৯৬,২৪৪ টন আৱৰ্জনা। এই তথ্য প্ৰকাশ কৰিছে গুৱাহাটী পৌৰ নিগমে। প্ৰাপ্ত তথ্য অনুসৰি যোৱা চাৰি ডিচেম্বৰৰ পৰা চলিত মাহৰ প্ৰথম সপ্তাহলৈ ১০ পৃষ্ঠাত চাওক

■ প্ৰাচীন কামৰূপৰ ৰজাৰ দিনৰ পৰা অসমৰ বাসিন্দা ■ 'ডি' ভোটাৰৰ নামত হাৰাশাস্তি নকৰিবলৈ আৰক্ষীৰ নিৰ্দেশ ■ অসম গোৰ্খা সন্মিলনৰ সভাত ক'লে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই

## গোৰ্খাক বিদেশী বুলি অপমান কৰিব নালাগে

অগ্ৰদূত বাৰ্তা
**মুছলপুৰ, ১৮ মে' ঃ** 'যদি মৰিবলৈ ভয় নকৰা জাতি আছে তেনেহ'লে সেই জতিটোৱে হৈছে গোৰ্খাসকল। তেওঁলোক অসমীয়া জাতিৰ এটা অবিচ্ছেদ্য অংগ। অসমত বসবাস কৰা বিভিন্ন খিলঞ্জীয়া জাতিসকলৰ ভিতৰত গোৰ্খাসকল অতি পুৰণি জনগোষ্ঠী। গোৰ্খাসকলক একাংশ লোকে বিদেশী বুলি ক'ব বিচাৰে; কিন্তু এয়া ভুল কথা।' এই মন্তব্য মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ। বাগ্‌সাৰ নিকাছিত অনুষ্ঠিত অসম গোৰ্খা সন্মিলনৰ ২৭ সংখ্যক অধিবেশনৰ মুকলি সভাত অংশ লৈ মুখ্যমন্ত্ৰী ড° শৰ্মাই এইদৰে উল্লেখ কৰি পুনৰ কয় যে মানৱ আক্ৰমণৰ বিৰুদ্ধে যুঁজ দিয়াৰ দিনৰে পৰা ইংৰাজৰ বিৰুদ্ধে কৰা স্বাধীনতা আন্দোলনলৈ গোৰ্খাসকলৰ অৱদান অনস্বীকাৰ্য। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'হেজাৰ বছৰ আগতে ১০ পৃষ্ঠাত চাওক

## গ্ৰেচ্যুইটিৰ দাবীত অংগনৱাড়ী কৰ্মী-সহায়িকাৰ প্ৰতিবাদ

অৱসৰৰ বয়স ৬৫ বছৰলৈ বৃদ্ধিৰ দাবী

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ মে'ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশ অনুসৰি অংগনৱাড়ী কৰ্মী-সহায়িকাক গ্ৰেছুইটিসহ অৱসৰকালীন সাহায্য প্ৰদান কৰাৰ দাবীত আজি ৰাজ্যৰ অংগনৱাড়ী কৰ্মী সহায়িকাই গুৱাহাটীৰ সমাজ কল্যাণ সঞ্চালকালয়ৰ কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে ১০ পৃষ্ঠাত চাওক

■ ৩১ বছৰৰ কাৰাবাসৰ অন্তত মুকলি আকাশৰ তললৈ পেৰাৰিভালন ■ প্ৰধানমন্ত্ৰী মোদীক আক্ৰমণ

## ৰাজীৱ গান্ধীৰ হত্যাকাৰীক মুক্তিৰ উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত ব্যথিত কংগ্ৰেছ

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৮ মে' ঃ** ৩১ বছৰ কাৰাবাসৰ অন্তত অৱশেষত উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশত মুকলি কৰি দিয়া হ'ল দেশৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ হত্যাকাৰী পেৰাৰিভালনক। ইয়াৰ পূৰ্বে তামিলনাড়ু চৰকাৰে তেওঁৰ মুক্তিৰ বাবে আবেদন কৰিছিল। উচ্চতম ন্যায়ালয়ে বিশেষ অধিকাৰ প্ৰয়োগ কৰি এই আবেদন মঞ্জুৰ কৰে। বৰ্তমান জামিনত কাৰাগাৰৰ বাহিৰত আছে পেৰাৰিভালন। স্থায়ী মুক্তিৰ বাবে কৰা আবেদনত তেওঁ লিখিছে, 'মই ৩১ বছৰ ধৰি কাৰাগাৰত আছো। গতিকে মোক এইবাৰ মুকলি কৰি দিয়া হওক।' ২০০৬ ত তামিলনাড়ুৰ চৰকাৰৰ কেবিনেটে তেওঁক মুকলি কৰি দিয়াৰ সিদ্ধান্ত লৈছিল। ৰাজ্যপালে কেবিনেটৰ এই সিদ্ধান্ত বিবেচনাৰ বাবে ৰাষ্ট্ৰপতিলৈ প্ৰেৰণ কৰে। তাৰ পাছৰে পৰা পেৰাৰিভালনৰ মুক্তিৰ গোচৰ স্থবিৰ হৈ ১০ পৃষ্ঠাত চাওক

## প্ৰাক্তন মন্ত্ৰী নীলমণিক কংগ্ৰেছৰ পৰা বহিষ্কাৰ

লাচিত বৰফুকনৰ নীতিৰে সিদ্ধান্ত গ্ৰহণ ঃ ভূপেন বৰা

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ মে' ঃ** দলবিৰোধী কাৰ্যত লিপ্ত নোহোৱাৰ প্ৰতিশ্ৰুতি দিও পুনৰ তাক ভংগ কৰাৰ অপৰাধত আজি প্ৰদেশ কংগ্ৰেছে বহিষ্কাৰ কৰে প্ৰাক্তন মন্ত্ৰী নীলমণি সেন ডেকাক। বহিষ্কৃত হোৱাৰ সময়ত ডেকা অসম প্ৰদেশ কংগ্ৰেছ কমিটী (এপিচিচি)ৰ কাৰ্যকৰী সদস্য আছিল। এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশনত উল্লেখ কৰা হৈছে যে ডেকাই বাৰম্বাৰ দলীয় অনুশাসন ভংগ কৰি আহিছে। ইয়াৰ পূৰ্বেও ডেকাই দলৰ ১০ পৃষ্ঠাত চাওক

■ বনকৰ্মী আৰু বন মাফিয়াৰ মাজত সংঘাত ■ পলায়ন কৰিবলৈ সক্ষম হ'ল চোৰাং বেপাৰীৰ দল

## দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানতে চোৰাং কাঠৰ বেহা ঃ গুলীয়াগুলিৰ ঘটনা

**নামৰূপ, ১৮ মে' ঃ** দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ আভ্যন্তৰত অব্যাহত আছে অবৈধ বন ধ্বংস যজ্ঞ। কালি মাজনিশা উদ্যানৰ জয়পুৰ বনাঞ্চলিক বিষয়াৰ কাৰ্যালয়ৰ অন্তৰ্গত শুকানজুৰি খণ্ডৰ অধীনৰ বাসৱনলা অঞ্চলত চোৰাং বেপাৰী আৰু বনকৰ্মীৰ মাজত গুলীয়াগুলিৰ ঘটনা সংঘটিত হয়। জয়পুৰ বনাঞ্চলিক বিষয়া পুষ্পধৰ বৰগোহাঁয়ে সদৰী কৰা মতে, যোৱা নিশা শুকানজুৰি খণ্ডৰ পৰা বাসৱনলা অঞ্চললৈ পদপথেৰে যোৱা বন বিষয়া আৰু বন সুৰক্ষা কৰ্মীৰ এটা টহলদাৰী দলে বনাঞ্চলৰ ভিতৰচ'ৰাৰ পৰা যন্ত্ৰচালিত কৰতৰ শব্দ ভাহি অহা শুনি সেই শব্দ অনুসৰণ কৰি নিশাৰ আন্ধাৰত লুংলুঙীয়া বাটেৰে আগবাঢ়ি যায়। বনকৰ্মীৰ ১০ পৃষ্ঠাত চাওক

## গোৰালপাৰাত গ্ৰেপ্তাৰ বাংলাদেশী যুৱকক

অগ্ৰদূত বাৰ্তা
**মাটিয়া, ১৮ মে' ঃ** গোৱালপাৰা জিলাৰ শোলমাৰীত যোৱা নিশা আৰক্ষীয়ে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা এজন বাংলাদেশৰ যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজন হ'ল বাংলাদেশৰ বগুৰা জিলাৰ গাবতলী আৰক্ষী থানাৰ অন্তৰ্গত ভোলগুৰীৰ জাহিদুৰ ৰহমানৰ পুত্ৰ সাকু মিঞা। উল্লেখ্য যে যোৱা নিশা গোৱালপাৰা ১০ পৃষ্ঠাত চাওক

## অসমত আপ, তৃণমূল কংগ্ৰেছৰ বাবে নতুন প্ৰত্যাহ্বান

জুনত চিন্তন বৈঠক অসমত

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ মে' ঃ** ধাৰাবাহিকভাৱে ইটোৰ পাছত সিটো নিৰ্বাচনী বিপৰ্যয়ৰ সন্মুখীন হোৱা কংগ্ৰেছৰ বাবে অসমত বিজেপিতকৈও ডাঙৰ প্ৰত্যাহ্বান হৈছে মূৰ দাঙিবলৈ চেষ্টা কৰা একাধিক বিৰোধী দল। দলটোৰ নেতৃত্বই বিজেপিৰ বিৰুদ্ধে সৰৱ হৈ আহিছে অথবা মূল প্ৰতিদ্বন্দ্বী বুলি দাবী কৰি আহিছে যদিও বাস্তৱত পৰিৱেশ তাৰ বিপৰীতহে। দলৰ অসমৰ ৰাষ্ট্ৰীয় তত্ত্বাৱধায়ক জিতেন্দ্ৰ সিঙৰ উপস্থিতিত ১০ পৃষ্ঠাত চাওক

■ সৰ্বাধিক সুশাসনৰ চৰকাৰৰ শ্ল'গান ধোৱাচাঙত তুলিছে একাংশই

## চৰকাৰী কাৰ্যালয়ত কাম কৰাবলৈ আজিও সাধাৰণ জনতাৰ তাঁতবাটি

ষ্টাফ ৰিপ'ৰ্টাৰ
**গুৱাহাটী, ১৮ মে' ঃ** ৰাজ্যৰ বিজেপি নেতৃত্বাধীন মিত্ৰজোটৰ চৰকাৰৰ কাৰ্যকালত এখন নথিৰ বাবে সাধাৰণ নাগৰিকে বিশেষকৈ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ ছয়-সাতদিন ঢাপলি মেলিবলগীয়া হৈছে। এখন নথিৰ বাবে সংশ্লিষ্ট কাৰ্যালয়ত এজন নাগৰিকে উপস্থিত হৈ যাৰতীয় কাম-কাজ সম্পূৰ্ণ কৰাৰ পাছতে বিষয়াৰ এটা স্বাক্ষৰৰ বাবে পৰ দি দি ভাগৰি পৰাত কৰ্মচাৰীক যদি প্ৰশ্ন কৰে, সম্প্ৰতি মাথোঁ এটাই উত্তৰ, 'ছাৰ ফিল্ডত আছে, কাইলৈ আহক।' উল্লেখ্য যে ৰাজ্যৰ অধিকাংশ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়তে সম্প্ৰতি এনে পৰিৱেশ। স্বয়ং ৰাজধানী দিছপুৰৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত সাধাৰণ নাগৰিকে একোখন লাগতিয়াল নথিৰ বাবে চাৰি-পাঁচদিনকৈ ঢাপলি মেলিবলগীয়া হৈছে। ৰাজহ বিভাগৰ নিৰ্ভৰযোগ্য সূত্ৰ অনুসৰি, এটা ৰাজহ চক্ৰৰ কাৰ্যালয়ত মাটি সম্বন্ধীয় বিষয়, দুৰ্যোগ প্ৰশমন সম্বন্ধীয় বিষয়ৰ উপৰি জন্ম-মৃত্যুৰ প্ৰমাণ-পত্ৰ, স্থায়ী বাসিন্দাৰ ১০ পৃষ্ঠাত চাওক

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৩° |
| ডিব্ৰুগড় | ২৬° | ২২° |
| দিল্লী | ৪০° | ৩০° |
| কলকাতা | ৩৪° | ২৯° |
| মুম্বাই | ৩৩° | ২৮° |
| চেন্নাই | ৩৩° | ২৮° |
| বাংগালুৰু | ২৮° | ২১° |
| শ্বিলং | ২৪° | ১৮° |

*১৮ মে', ২০২২*

চেঙা তেল

*মন্ত্ৰী হোৱাৰ মজাটো পালে নহয়! গোটেই ৰাতি উজাগৰে থাকক, কেতিয়া ফোন আহে ঠিকনা নাই!*

■ মুকলি আকাশৰ তললৈ অহাৰ পথ প্ৰশস্ত ■ ছবছৰ ছমাহ কাৰাবন্দী হৈ আছে শ্বীনা বৰাৰ চাঞ্চল্যকৰ হত্যাৰ অভিযুক্ত ■ কাৰাবাসকালীন বিবাহ বিচ্ছেদ হ'ল স্বামী পিটাৰ মুখাৰ্জীৰে

## উচ্চতম ন্যায়ালয়ৰ জামিন মঞ্জুৰ ইন্দ্ৰাণীক

■ নিউজ ব্যুৰ'
**নতুন দিল্লী, ১৮ মে' ঃ** কন্যা শ্বীনা বৰাক ২০১২ত পৰিকল্পিতভাৱে হত্যা কৰাৰ অভিযোগত কাৰাবন্দী হোৱা ইন্দ্ৰাণী মুখাৰ্জী মুকলি আকাশৰ তললৈ ওলাই অহাৰ পথ প্ৰশস্ত হ'ল। উচ্চতম ন্যায়ালয়ৰ এক নিৰ্দেশৰ পাছতে এতিয়া জামিনত মুক্তি লাভ কৰিব ইন্দ্ৰাণীয়ে। দেশৰ সৰ্বোচ্চ ন্যায়ালয়ে আজি এক নিৰ্দেশত কয়, 'আমি ইন্দ্ৰাণী মুখাৰ্জীৰ জামিন মঞ্জুৰ কৰিছো। ছবছৰ ছমাহ এক অতি দীঘলীয়া সময়। ২০১৫ৰ পৰা মুম্বাইৰ কাৰাগাৰত বন্দী হৈ আছে ইন্দ্ৰাণী।' চিবিআইৰ বিশেষ আদালতে বাৰম্বাৰ জামিন আবেদন নাকচ কৰাত তেওঁ যোৱা ফেব্ৰুৱাৰীত উচ্চতম ন্যায়ালয়ৰ কাষ চাপে। তেওঁৰ হৈ আদালতত যুক্তি দৰ্শোৱা মুকুল ৰোহটগীয়ে কয় যে তেওঁ ইতিমধ্যে কাৰাগাৰত এক দীঘলীয়া সময় অতিবাহিত কৰিছে। দেশ ১০ পৃষ্ঠাত চাওক

**জ্যোতিষী**

আপুনি কেনেকুৱা সমস্যাত ভুগিছে? সমস্যা যিমান কঠিন নহওক কিয় ১০০ শতাংশ **Guarantee** সহ সমাধান পাবই। মায়ং প্ৰশিক্ষণ জ্যোতিষী।
আচাৰ্য ডি শৰ্মা
**(M) 8099336044.**

**ASTROLOGY/ জ্যোতিষী**

ত্ৰিকাল মহাভৈৰৱ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- **9954021556, 9947066469.**

**DECLARATION**

I, Kashmiri Deka D/o Late Jayram Deka resident of Vill+Po. Maharipara Dist-Tamulpur declard that my name is Kashmiri Deka and the same has been recorded in my all documents/recaords/ educational Certificate, I applied for PAN Card and the same was issued against my name, vide No ITUPS999P and in the PAN Card my name has been recarded as Kashmiri Sarania instead of Kasmiri Deka and I also declared that I have another PAN Card No. Vide No. MIWPS4961C and in the PAN Card my name has recorded as Kashmiri Sarania instead of Kashmiri Deka.
Kashmiri Deka
Maharipara
Tamulpur.

*No.A/HFD/35/5/Auction/355* *Dtd.13/05/2021*

**SHORT SALE NOTICE**

Auction Sale of 04 (Four) Nos. Lots Volume -14.379 $m^3$ Unclaimed Seized & Wind Fallen Non-Sal Timber Logs under Haltugaon Division Kokrajhar 2022-23 vide DFO.s order No.32. **dtd.** 13-05-2022.

Auction Sale Dated:- 19-05-2022.

Sd/-
Divisional Forest Officer
Haltugaon Division, Kokrajhar.

*IPR(BTC)-47/2022*

No. CE/CC/WR/NIT/2019-20/1003/141

**PRESS NOTICE FOR BID**

Chief Engineer, Water Resources Department, Basistha, Guwahati-29, on behalf of Governor of Assam invites **Tender** for the following works.

| Sl. No. | Name of W.R. Division | Name of Scheme | Approx. amount in lakh (Rs.) | HOA |
|---|---|---|---|---|
| 1. | Morigaon | M&R to protection of B/dyke at Goroimari area for the year 2021-22 | 45.00 | M&R |

Details may be seen at website- *https://assamtenders.gov.in/*

1. The interested registered Contractor/ Bidders of WRD who are experienced in the execution of works under Water Resources and possess required technical and financial strength may obtain the SBD which can be downloaded from the website *https://assamtenders.gov.in/*. Amendment/Addendum to the SBD, if any, and further notifications shall appear in this website.
2. The Contractor/bidder must be registered with the Electronic Tendering System (ETS) of the Govt. of Assam website *https://assamtenders.gov.in/* Contractors can download documents free of cost. Contractors have to necessarily down load the bidding document from the ETS using their own ID (Digital Signature Certificate). Bid documents not procured (downloaded) through the ETS/not using the contractor's own user ID will be considered invalid and summarily rejected. Contractors have to submit copy of the documents of technical bid bids online. The bidder, if he chooses may submit a hard copy of the bid along with the soft copy before the expiry of the sequence 'Online Bid Preparation & Submission' in the tender schedule. Bid will be rejected/ cancelled if Financial Bid submitted off-line/hard copy.
3. All the interested bidders are requested to read the Bid Document carefully before submission of their bid.
4. For any e-tendering related quarries please mail to *etenderingcewrd@gmail.com*

Chief Engineer,
Water Resources Department
Assam, Basistha, Guwahati-29

Janasanyog/C/2550/22

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

1. **N.I.T. No.** AEGCL/DGM/TTC/TEZ/T-20/2022/156 Dated: 19.05.2022
2. **Name of Work:** Renovation & repairing of IB at 132 KV Rowta GSS, AEGCL
3. **Cost of Bid document: Rs. 1,000.00**
4. **Tender start date and time: 11.00 Hrs. of 19.05.2022**

Interested bidders may download the bidding documents from AEGCL's website: www.aegcl.co.in

Sd/- Deputy General Manager
Tezpur T&T Circle, AEGCL

**ASSAM ELECTRICITY GRID CORPORATION LIMITED**

**NOTICE INVITING TENDER**

**1. NIT No:**AEGCL/DGM/TTC/TEZ/T-20/2022/156, Dated: 19.05.2022
**2. Name of Work: Procurement, Erection, Testing and commissioning of one (1) no. of 220kV DC 400AH Battery Bank with Charger for 220kV Samaguri GSS, AEGCL.**
**3. Cost of Bid document** : ₹ 1000.00
**4. Tender start date and time** : 10:00 Hrs. of 19.05.2022

Interested bidders may download the bidding documents from AEGCL's website www.aegcl.co.in

Sd/-, Deputy General Manager,
Tezpur T&T Circle, AEGCL, Tezpur

## আজিৰ দিনটো

**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১

### ৪ জেঠ বৃহস্পতিবাৰ ১৯ মে'

**সূৰ্যোদয় ঃ** ঘঃ ৪।৩৭।১৪, **সূৰ্যাস্ত ঃ** ঘঃ ৫।৫৭।২২। **তিথি ঃ** কৃষ্ণা, চতুৰ্থী, দং ৪৯।১৪।২৭ ৰাঘঃ ১২।১৯।১। **নক্ষত্ৰ ঃ** মূলা, দং ১১।২।৩৪ ঘঃ ৯।১৯।২২। ৰাঘঃ ৬।৪৪।৫৯। **যোগ ঃ** সাধ্য, দং ৩৫।১৯।২২ ৰাঘঃ ৬।৪৪।৫৯। **কৰণ ঃ** বৱ। **জন্মত ঃ** ধনুৰাশি, ক্ষতিয়বৰ্ণ মতান্তৰে বৈশ্যবৰ্ণ দেৱাৰিগণ, গন্ধৰ্বৰ অস্থি, বৰুণযোগ, অষ্টোত্তৰী শনি, বিংশোত্তৰী কেতুৰ দশা, ঘঃ ৯।২।১৬ যোৱাত মনুষ্যগণ, অষ্টোত্তৰী বৃহস্পতিবাৰ, বিংশোত্তৰী শুক্ৰৰ দশা। **আদ্যঋতু হ'লে ঃ** তিনিমহীয়া পতিহীনা যোগ। **মৰণত দোষঃ** নাই। **যোগিনী ঃ** নৈঋতকোনত, ৰাঘঃ ১২।১৯।১ যোৱাত দক্ষিণত। **যাত্ৰা ঃ** নাই, ৰাঘঃ ১২।১৯।১ যোৱাত শুভ অমৃতযোগ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** মূলা, ৰাঘঃ ১২।১৯।১ যোৱাত বেল, খোৱা নিষেধ।

*দিনটোৰ ৰাশিফল*

**মেষ ঃ** শুভ ৰং গেৰুৱা, শুভ সংখ্যা-৩, অচিনাকি ব্যক্তিৰ লগত মিলামিচা নকৰিব ক্ষতিৰ আশংকা আছে। খং দমাই ৰাখক। ঘৰুৱা কন্দলৰ বাবে সমস্যাত পৰিব পাৰে। হাতলৈ টকা-পইচা আহিব।

**বৃষ ঃ** শুভ ৰং হালধীয়া, শুভ সংখ্যা-৬, মাটি বাৰীৰ সিমা জনিত সমস্যা হ'ব পাৰে। আজি যুতিয়া ব্যৱসায় আৰম্ভ নকৰিব। স্বাস্থ্যৰ প্ৰতি যত্ন ল'ব।

**মিথুন ঃ** শুভ ৰং বেঙুণীয়া, শুভ সংখ্যা-৮, দুৰ্ঘটনাৰ সম্ভাৱনা দেখা যায়। টকা-পইচা লেন-দেন কৰোতে সাৱধান হ'ব। চাকৰিয়ালৰ পদোন্নতিৰ যোগ আছে। ভিক্ষাৰী এজনক জলপান কৰাই বগা বস্তু দান কৰিব।

**কৰ্কট ঃ** শুভ ৰং নীলা, শুভ সংখ্যা-৬, চাকৰি কৰা জাতকে ধৈৰ্যৰে সকলো কাম কৰিব অন্যথা ক্ষতি হ'ব। সন্তানৰ ভৱিষ্যতৰ কাৰণে কোনো ভাল কাম আজি আৰম্ভ হ'ব। ঋণ মুক্ত হ'ব পাৰে। সূৰ্য লৈ চাই প্ৰণাম কৰিব।

**সিংহ ঃ** শুভ ৰং হালধীয়া, শুভ সংখ্যা-৫, ঘৰৰ মূল ব্যক্তি অসুস্থ হ'ব পাৰে। আনক উপকাৰ কৰি সন্মান লাভ কৰিব। পুত্ৰই কৰা ভাল কামে গৌৰৱ বঢ়াব। চাকৰিয়ালৰ কৰ্মত বাধা আছে। সূৰ্যক প্ৰণাম কৰি ওলাব।

**কন্যা ঃ** শুভ ৰং ৰঙা, শুভ সংখ্যা-৪। ব্যৱসায়ীসকলৰ ধনাগমনৰ যোগ শত্ৰুৰ দ্বাৰা ক্ষতি হোৱাৰ ভয়। টকা-পইচা সংক্ৰান্তিয় সমস্যা আহিব পাৰে। সন্তান শুভ। লক্ষ্মী নাৰায়ণৰ ধ্যান কৰিব।

**তুলা ঃ** শুভ ৰং গুলপীয়া শুভ সংখ্যা-৯, অচিনাকি ব্যক্তিয়ে সমস্যাত পলাব পাৰে। সন্তানৰ ভুলে অৰ্থ হানি কৰিব। কৰ্ম সংস্থাপন হ'ব। পাৰিবাৰিক সমস্যাই অসুবিধাত পেলাব। ভিক্ষাৰিক খোৱা বস্তু দান কৰিব।

**বৃশ্চিক ঃ** শুভ ৰং গেৰুৱা, সংখ্য-৩, শুভ কাম আজি আৰম্ভ কৰক ভাল ফল পাব। আনৰ সহায়েৰে উপকৃত হ'ব। চাকৰিৰ খবৰ পাব পাৰে। অলপ সাৱধানে চলাফুৰা কৰিব আঘাত পোৱাৰ সম্ভাৱনা।

**ধনু ঃ** শুভ ৰং নীলা, শুভ সংখ্যা-৫, বিবাহ সংক্ৰান্তিয় আলোচনাৰ আজি সুফল লাভ কৰিব। ব্যৱসায়ীৰ নতুন ব্যৱসায়ৰ পথ ওলাব। পিচলি পৰি হাত-ভৰিত আঘাত পাব পৰে। শিৱ মন্দিৰত ধূপ চাকি জলাই শিৱক ধ্যান কৰক।

**মকৰ ঃ** শুভ ৰং ৰঙা, শুভ সংখ্যা-৩, কৰিম বুলি ভবা কাম আজি আৰম্ভ কৰক। ব্যৱসায়ত লাভ কৰিব পাৰিব। বন্ধু বিচ্ছেদ হোৱাৰ সম্ভাৱনা আছে। ভাল কাম কৰি থোৱাৰ ফল আজি লাভ কৰিব পাৰে।

**কুম্ভ ঃ** শুভ ৰং সেউজীয়া, শুভ সংখ্যা-৮। আজি কোনো নতুন কামত হাত নিদিব। পুৰণা ৰোগত ভোগা সকলৰ স্বাস্থ্যৰ অৱনতি হোৱাৰ আশংকা আছে। চাকৰিৰ স্থান পৰিৱৰ্তন হ'ব পাৰে। সন্তানৰ শুভ।

**মীন ঃ** শুভ ৰং নীলা, শুভ সংখ্যা-৪, ব্যৱসায়িৰ অৰ্থ লাভৰ যোগ দেখা যায়। সন্তানৰ পৰা সুখ লাভ কৰিব। সমস্যা বাঢ়িব। আত্মীয়ৰ পৰা ক্ষতি হ'ব পাৰে। শিক্ষাৰ্থীৰ শুভ ফল প্ৰাপ্তিৰ যোগ। গাধুই সূৰ্য প্ৰমাণ কৰি জল অৰ্পণ কৰিব।

## শব্দ-বেহু ঃ ১৯ মে ২০২২



**পথালিয়ে ঃ**

৩। ইতিকিং, উপলুঙা, ঠাট্টা (৪)
৫। শুৰাই পৰ,সংগত বুলি প্ৰতিপন্ন হ (২)
৬। খাস্তা, ভাঙি-ছিঙি নষ্ট কৰা, লণ্ডভণ্ড (৪)
৭। পকী ঘৰৱালি সাজিবৰ কাৰণে প্ৰধান সামগ্ৰীৰূপে ব্যৱহাৰ কৰা ,বচি মচৰুমালি পুৰি শিলৰ দৰে টান কৰা বালি মিহলি মাটিৰ ঢপলা (২)
৮। ভাগৰত লালকাল হোৱা (৪)
১০। হাতীৰ দৰে গহীন-গম্ভীৰ খোজৰ গতি, এবিধ আঠ আকৰীয়া হুদ (৪)
১৪। টান যোলাৰ এবিধ ফল (৪)
১৫। লাভৰ উপায় বা উৎস, পোৱাৰ বাট (৪)
১৭। আঠ হাত পৰিমাণ, আগৰিৰ দৰে তুণ (২)
১৮। আগিয়াবুটি, ক্ৰমে ঠেক হৈ জলভাগৰ মাজলৈ আগবাঢ়ি যোৱা স্থলভাগ (৪)
২০। কৰ্কাল আবিত চকলা বাছি খজুৰতি তোলা আৰু লাহে লাহে বহল হোৱা এবিধ ঘা (২)
২১। বড়ো সকলৰ এবিধ লোকনৃত্য (৪)

**থিয়কৈ ঃ**

১। গলগ্ৰহ, এবিধও নোবোৱা ধৰিবও নোৱৰা আপদ (৪)
২। চাদৰ, বিহা আদিৰ আঁচলৰ আগৰ ঝীঁচলা সূতা (২)
৩। খোৱা মানুহে খোজ কঢ়াতে সহায় হ'বলৈ ব্যৱহাৰ কৰা লাখুটি বিশেষ (২)
৪। আঠান দৰে গুণযুক্ত, সহজে এবিধ নোখোজা (৩)
৬। থনবান কৰা, ছেদেলি-ভেদেলি (৪)
৭। ইয়াতে অন্ধ, সামৰণি (২)
৯। বেপাৰ, বস্তু বেচা-কিনা কৰা কাৰ্য্য (২)
১০। ডিঙি, কষ্ট বা মাত, টেঁটু (২)
১১। মাছ ধৰা সঁজুলি, আচলৰ অনুকৰণত অনেক ঠাইলৈ প্ৰস্তুত কৰা সামগ্ৰী (২)
১২। শাও, আনৰ অনংগল কামনা কৰি কোৱা বাক্য (৪)
১৩। দাম,মূল্যৰ একক্ত প্ৰকাশিত বস্তুৰ মূল্য (২)
১৪। কথা কওঁতে মাজে মাজে লগোৱা অনাবশ্যক শব্দ, সঙ্গুলিৰ হাতেৰে ধৰিবলৈ লগাই লোৱা অংশ (২)
১৬। নখৰ কোণত হোৱা ঘা (৪)
১৭। নাইবা, নহ'লে (৩)
১৮। কাশীৰাজাৰ জেষ্ঠা কন্যাৰ নাম, ঈশানী (২)
১৯। হাৰমনিয়ামৰ হি আংশত আঙুলি বুলাই শব্দৰ সৃষ্টি কৰিব পাৰি (২)

**উত্তৰ অহা সংখ্যাত**

**১৮ মে ২০২২ সংখ্যাৰ উত্তৰ ঃঃ**
**পথালিয়ে ঃ** ২। পৰাগধানী ৪। জানানা ৫। কাঠমাণ্ডু ৭। বিনচ ১০। মজাবলি ১২। কলাকে ১৪। জৰীপ ১৬। উপদ্বীপ ১৯। জবকা ২০। হিতাসিকাৰী
**থিয়কৈ ঃ** ১। জলাছবি ২। পঞ্জিকা ৩। গবকা ৬। মাবলি ৮। চলং ৯। পাম ১১। জাবজা ১২। কমল ১৩। কশা ১৫। পত্ৰবন্ধু ১৭। পৰিধি ১৮। দুৰবী

# ড° ৰাতুল চন্দ্ৰ বৰালৈ 'সমাজ সৌৰভ' বঁটা প্ৰদান

**অগ্ৰদূত বাৰ্তা**

**বৰুৱাবামুণগাঁও, ১৮ মে' ঃ** সেউজী ধৰণী ধুনীয়া প্ৰকল্প'ৰ সঞ্চালক তথা বিশিষ্ট গৱেষক, যোৰহাট কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক, যোৰহাট জিলা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল চন্দ্ৰ বৰাক তেওঁৰ ওপজা ভূমি কুৰালগুৰিৰ শিঙৰাজান গাঁৱত গুৱাহাটীৰ 'অসম জ্ঞান ৰত্ন সমন্বয় গোষ্ঠী' নামৰ এটি সামাজিক সংগঠনে যোৱা ১৭ মে'ত প্ৰদান কৰে 'সমাজ সৌৰভ' বঁটা। এই উপলক্ষে 'সেউজ ধৰণী ধুনীয়া প্ৰকল্প'ৰ ব্যৱস্থাপনাত শিঙৰাজান সাংস্কৃতিক ভৱনত অৱসৰপ্ৰাপ্ত শিক্ষক তথা কুৰালগুৰি সাহিত্য সভাৰ প্ৰাক্তন সভাপতি পুৰঞ্জয় গোস্বামীৰ সভাপতিত্বত এখন বিশেষ সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি 'সেউজ ধৰণী প্ৰকল্প'ৰ সচিব দেৱজিৎ কলিতাই ওৰে জীৱন শিক্ষাদানৰ দৰে মহান বৃত্তিত জড়িত হৈ থকাৰ সমান্তৰালকৈ সমাজৰ বিভিন্ন ক্ষেত্ৰৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ সমাজৰ কল্যাণৰ নিমিত্তে অহোপুৰুষাৰ্থ কৰি অহা ড° ৰাতুল চন্দ্ৰ বৰাক সমাজ সৌৰভ বঁটা প্ৰদান কৰিবলৈ সুদূৰ গুৱাহাটীৰ পৰা কুৰালগুৰি অঞ্চললৈ অহা অসম জ্ঞান ৰত্ন সমন্বয় গোষ্ঠীৰ সভাপতি হেম চন্দ্ৰ বৰ্মনৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত উক্ত গোষ্ঠীৰ সভাপতি হেমচন্দ্ৰ বৰ্মনে অসম জ্ঞানৰত্ন সমন্বয় গোষ্ঠীৰ লক্ষ্য আৰু উদ্দেশ্য সম্পৰ্কত ব্যাখ্যা দাঙি ধৰি ৰাজ্যখনৰ বিভিন্ন দিশত নিৰন্তৰভাৱে বৰঙণি আগবঢ়াই অহা বুলি বিভিন্ন দিশৰ প্ৰতিভাসম্পন্নসকলৰে অসম জ্ঞানৰত্ন বঁটা আগবঢ়াই অহাৰ অংশৰূপে ড° ৰাতুল বৰালৈ এই বঁটা আগবঢ়োৱাৰ বিষয়ে অৱগত কৰি এক মনোগ্ৰাহী ভাষণ প্ৰদান কৰে।

**পদ খালী**

**Direct Posting** গুৱাহাটীৰ কোম্পানীত মেনেজাৰ, ছুপাৰভাইজাৰ আৰু পেকেজিং কাম কৰাৰ বাবে বহুত যুৱকৰ প্ৰয়োজন। থকা-খোৱা **Free**। দৰমহা ৩০,০০০/- টকালৈকে।
**Perfect Jobsite**
**Dispur**
**9864020419, 8011007148**

No. MCH/HMS/AAA/PMJAY/2020/PART1/170

**CORRIGENDUM CUM ADDENDUM AND EXTENSION NOTICE**

In partial modification of the original "Invitation For Bid" vide tender No. MCH/HMS/AAA/PMJAY/2020/229/PART1/103, dated 04/05/2022 which was uploaded in the e-procurement website i.e. www.assamtenders.gov.in on 05/05/2022 and also published in Newspapers on 06/05/2022 for Supply Of Various Medicines, Surgical items, Implants and Accessories required for the Department of CTVS, GMCH, Assam under Annual Rate Contract (ARC) basis (Package Wise). The following additions and amendments are made:-

1. The revised package wise items list (Annexure I) will be available at www.assamtenders.gov.in, can be viewed and downloaded from 18-05-2022.
2. Package wise list of medicines and consumables published earlier hereby stands cancelled.
3. The bidders are requested to quote as per the revised items list.
4. The last date of submission of the tender has been extended up to 2.00 PM of 07-06-2022.
5. The date of Bid Opening has been rescheduled to 12 Noon of 08-06-2022.
6. The date for Sample Verification has been rescheduled to 2:00 PM of 09-06-2022.
7. All the other terms and conditions will remain the same.

The above revisions are made as per the Minutes of the Pre-Bid Meeting held on 10-05-2022.

Superintendent cum Member Secretary,
HMS, Gauhati Medical College Hospital, Guwahati-32

Janasanyog/C/2559/22

File No. AYUSH/ASCIM/35/2014/1199

**NOTICE**

In pursuance of the letter no. 23-04/2022-ABDM dated 03.03.2022 issued by National Commission for Indian System of Medicine (NCISM), it is hereby informed to all the Registered Medical Practitioners (Ayurveda) under Assam State Council of Indian Medicine that the Health Authority of India (Government of India) has decided to promote **digitalization in the healthcare system through the Ayushman Bharat Digital Mission (A.B.D.M)** with the **aim of developing a "Digital Health Ecosystem"** in the Country, as its implementation is expected to significantly improve the efficiency, effectiveness, and transparency of health service delivery overall.

**Benefit of Healthcare Professional Registry:-**

1. **Online presence & Discoverability** – by adding your details & after verification by respective medical councils, you get a verified profile on a National Health platform which can be used for a search & connect facility on any digital health app in future.
2. **Better clinical decision making** – Patients can share their longitudinal health records with you if, you are registered on HPR.
3. **Tele- communication to patients** – You can reach more patients and provide Tele- communication to patients for remote consultations.
4. **Quicker services** – Going forward various Govt. Agencies/Entities shall be integrated with the HPR. You will get the benefit of faster registration, renewal and issuance of No Objection Certificate or NOC by any other governing bodies.
5. **Tracking CME Credits in future**– Going forward the medical Council use HPR to keep track of CME credit.

**Process of Registration is as follows:-**

Click on the link (https://ndhm.gov.in) → Scroll down the page and click on "HPR"→
Click on " Register on HPR " → Register for new user → Generate your Health Professional I.D. via Aadhaar / Driving License & Processed by filling your details.

All the Registered Practitioners under Assam State Council of Indian Medicine are hereby requested to register themselves as soon as possible. The Registration process is completely free & easy. **Only after this registration, doctors can become a part of the newly developing "Digital Health Ecosystem" in the Country.**

Registrar cum Deputy Director
Assam State Council of Indian Medicine,
Office of the Directorate of AYUSH, Assam

Janasanyog/D/3547/22

**পঞ্জাব নেশ্যনল বেংক punjab national bank**

**নগাঁও শাস্ত্ৰ কাৰ্যালয়, হলধৰ ভূঞা পথ, নগাঁও-৭৮২০০৩**

দূৰভাষ ঃ (০৩৬৭২)-২৩০৩৯৯, ২৫২৫৪২, ফেক্স-০৩৬৭২-২৫২৫৪২, ই-মেইল ঃ cs8287@pnb.co.in

**অধিগ্ৰহণ জাননী (পুনৰীক্ষণ এছ আই-১০ এ)**

একেজন প্ৰাধিকৃত বিষয়াৰ দ্বাৰা এজনতকৈ অধিক ঋণ লওঁতাৰ স্থাৱৰ সম্পত্তিৰ উমৈহতীয়া অধিগ্ৰহণ জাননী (স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু,

পঞ্জাব নেচনেল বেংক/পঞ্জাব নেচনেল বেংকৰ প্ৰাধিকৃত বিষয়াই আমানত আৰু বিত্তীয় সম্পদৰ পুনৰ গঠন ও বিত্তীয় সুদ বলৱৎকৰণ আইন, ২০০২ৰ অধীনত আৰু আমানত সুদ (বলৱৎকৰণ) নিয়মাৱলী, ২০০২ৰ ধাৰা ১৩ৰ অধীনত প্ৰদান কৰা ক্ষমতাৱলীৰ দ্বাৰা প্ৰতিটো একাউন্টৰ বিপৰীতে উল্লেখ কৰা তাৰিখসমূহত দাবী জাননী জাৰি কৰিছে প্ৰতিটো একাউন্টৰ বিপৰীতে উল্লেখ কৰা ধন উক্ত জাননী লাভ কৰা ৬০ দিনৰ ভিতৰত পুনৰ আদায় দিবলৈ জাননী জাৰি কৰিছে।

**ঋণ লওঁতাজনে উক্ত পৰিমাণৰ ধনৰাশি পুনৰ আদায় দিবলৈ অসমৰ্থ হোৱাৰ ফলস্বৰূপে, ইয়াৰ দ্বাৰা ঋণ লওঁতা আৰু জনসাধাৰণক সাধাৰণভাৱে জাননী দিয়া হৈছে যে নিম্ন-স্বাক্ষৰিতই আমানত সুদ বলৱৎকৰণৰৰ নিয়মাৱলী, ২০০২ৰ নিয়ম ৮ৰ ধাৰা ১৩ৰ উপ-ধাৰা (৪)ৰ অধীনত প্ৰদান কৰা ক্ষমতাৱলীৰ দ্বাৰা নিম্ন-উল্লিখিত সম্পত্তিসমূহৰ অধিগ্ৰহণ কৰিছে।**

**উপলব্ধ সময়ৰ ভিতৰ আমানত সম্পদৰ পুনৰ স্বত্ব লাভ কৰিবলৈ আইনৰ ধাৰা ১৩ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থাৱলী অনুসৰি ঋণ লওঁতা/প্ৰতিশ্ৰুতিদাতা/বন্ধকীদাতাৰ ধ্যান আকৰ্ষণ কৰা হৈছে।**

ইয়াৰ দ্বাৰা ঋণ লওঁতাক বিশেষভাৱে আৰু জনসাধাৰণক সাধাৰণভাৱে সম্পত্তি/সম্পত্তিসমূহৰ স'তে কোনো ধৰণৰ লেনেদেন নকৰিবলৈ আৰু সম্পত্তি/সম্পত্তিসমূহৰ স'তে যিকোনো লেনদেন পঞ্জাব নেচনেল বেংকৰ ধনৰাশি আৰু ইয়াৰ ওপৰত প্ৰযোজ্য সুদসহ বিচাৰাধীন হ'ব।

| ক্ৰ. নং | শাখাৰ নাম | একাউন্টৰ নাম | (ক) ঋণ লওঁতা (খ) প্ৰতিশ্ৰুতিদাতা (গ) সম্পত্তিৰ গৰাকীৰ নাম | বন্ধকী সম্পত্তিৰ বিৱৰণ | দাবী জাননীৰ তাৰিখ | সংযোজিত অধিগ্ৰহণ জাননীৰ তাৰিখ | দাবী জাননীৰ তাৰিখত বকেয়া ধনৰ পৰিমাণ | প্ৰাধিকৃত বিষয়াৰ নাম |
|---|---|---|---|---|---|---|---|---|
| ১ | বালিপাৰা | ৰমনী মোহন দাস | (ক) শ্ৰীযুত ৰমনী মোহন দাস আৰু শ্ৰীমতী মামনী দাস। (খ) শ্ৰীযুত হিৰণ্য মেচ, পিতা-স্বৰ্গীয় পোনাৰাম মেচ। (গ) শ্ৰীযুত ৰমনী মোহন দাস, পিতা- মতিৰাম দাস | মাটি আৰু ঘৰ সামৰি ২ বিঘা, ১ কঠা, ৫ লেচা, দাগ নং-৩১৫, পট্টা নং-৯১ৰ অন্তৰ্গত। গাঁও- বাকলা পথাৰ, মৌজা/থানা- চাবিদুৱাৰ, জিলা- শোণিতপুৰ, অসম। | ০৯-০৩-২০২২ | ১৩-০৫-২০২২ | ৪,৬০,৫২৩.০০ টকা | মিঃ ৰাজেশ কুমাৰ |
| ২ | মিচন চাৰিআলি | ভবেশ হাজৰিকা | (ক) শ্ৰীযুত ভবেশ হাজৰিকা, পিতা- শ্ৰীযুত অতুল হাজৰিকা আৰু শ্ৰীযুত অতুল হাজৰিকা, পিতা- স্বৰ্গীয় মানিক হাজৰিকা (খ) --- (গ) শ্ৰীযুত অতুল হাজৰিকা, পিতা- স্বৰ্গীয় মানিক হাজৰিকা | মাটি আৰু ঘৰ সামৰি ১ বিঘা, ৩ লেচা, দাগ নং-০৫, পট্টা নং-৬৩ৰ অন্তৰ্গত। গাঁও- ডেকা চুবুৰী, কুন্দাৰবাৰী, মৌজা- হলেশ্বৰ, জিলা- শোণিতপুৰ, অসম। | ২৩-১২-২০২১ | ১৩-০৫-২০২২ | ৩,৬৪,১১৬.৪৩ টকা | মিঃ ৰাজেশ কুমাৰ |
| ৩ | মিচন চাৰিআলি | ফইজুল হক | (ক) মঃ ফইজুল হক, পিতাঃ স্বৰ্গীয় ছইদুৰ ৰহমান (খ) নিজাম আহমেদ, পিতা ঃ জন্তৰ আহমেদ (গ) মঃ ফইজুল হক, পিতাঃ স্বৰ্গীয় ছইদুৰ ৰহমান | মাটি আৰু ঘৰ সামৰি ১ কঠা, দাগ নং-৯৩৮, পট্টা নং-১০৫ৰ অন্তৰ্গত। গাঁও- সোপৰা চুবুৰী, মৌজা- ভৈৰৱপদ, ৰাজহচক্ৰ ঃ তেজপুৰ, জিলা-শোণিতপুৰ, অসম। | ০৯-০৩-২০২২ | ১৩-০৫-২০২২ | ১৪,৬১,৬৬৮.৯০ টকা | মিঃ ৰাজেশ কুমাৰ |
| ৪ | তেজপুৰ মেডিকেল কলেজ | মজিবুৰ ৰহমান | (ক) মজিবুৰ ৰহমান, পিতাঃ স্বৰ্গীয় দিলৰাৰ হুছেইন। (খ) ----- (গ) মজিবুৰ ৰহমান, পিতাঃ স্বৰ্গীয় দিলৰাৰ হুছেইন। | মাটি আৰু ঘৰ সামৰি ৪ কঠা, ৯ লেচা, দাগ নং-৭৬৯, পট্টা নং-২১৬ৰ অন্তৰ্গত। গাঁও- লিখকগাঁও, মৌজা-বিহুগুৰি থানা ঃ তেজপুৰ, জিলা- শোণিতপুৰ, অসম। | ০৬-১২-২০২১ | ১৩-০৫-২০২২ | ৮,৯২,৮৮৬.০০ টকা | মিঃ ৰাজেশ কুমাৰ |

তাৰিখ ঃ ১৯-০৫-২০২২
স্থান ঃ নগাঁও

স্বাক্ষৰ/- প্ৰাধিকৃত বিষয়া,
পঞ্জাব নেচনেল বেংক

দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৯ মে', ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## জবকাৰ্ডধাৰী শ্ৰমিকে এনৰেগাত এশ দিনৰ কাম নোপোৱাৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**
**গৌৰীসাগৰ, ১৬ মে' ঃ** পঞ্চায়তীৰাজ ব্যৱস্থাৰ জৰিয়তে গ্ৰামোন্নয়নৰ সপোন দেখা মহাত্মা গান্ধীৰ উদ্দেশ্য আৰু লক্ষ্যক অংগুষ্ঠ প্ৰদৰ্শন কৰি শিৱসাগৰ জিলাৰ গৌৰীসাগৰ উন্নয়ন খণ্ড কাৰ্যালয়ৰ অধীনৰ গৰিষ্ঠ সংখ্যক পঞ্চায়তত অনিয়ম আৰু দুৰ্নীতি সংঘটিত হোৱাৰ অভিযোগ উত্থাপিত হৈছে। ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিত আঁচনি চমুকৈ এম জি এনৰেগা আঁচনি ৰূপায়ণৰ নামত ইয়াৰ গৰিষ্ঠ সংখ্যক পঞ্চায়তত অতি কৌশলেৰে দুৰ্নীতি সংঘটিত কৰি অহা পঞ্চায়ত প্ৰতিনিধিবৰ্গক সাৰ পানী যোগাইছে উন্নয়ন খণ্ড কাৰ্যালয়ৰ নিয়োজিত খণ্ড উন্নয়ন বিষয়া আৰু ছয় পৃষ্ঠাত চাওক

### শ্ৰমিকৰ ওপৰত চলা নিৰ্যাতন বন্ধ-নিৰাপত্তা নিশ্চিত কৰাৰ দাবী

# উচ্ছেদৰ প্ৰতিবাদত ৰাজ্যজুৰি আটছাৰ ধৰ্ণা

*মাইক্ৰ'ফাইনেন্সৰ ঋণৰ ৰেহাইৰ চেক সংগ্ৰহৰ বাবে প্ৰচণ্ড ৰ'দত মহিলাৰ দীঘলীয়া শাৰী দিছপুৰ ৰাজহচক্ৰ বিষয়াৰ কাৰ্যালয়ত, বুধবাৰে।*

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী ঃ ১৮ মে' ঃ** কাছাৰ জিলাৰ ডলু চাহ বাগিচাৰ চাহ শ্ৰমিকৰ ম্যাদী ভূমি উচ্ছেদ কৰাৰ প্ৰতিবাদত অসম চাহ জনজাতি ছাত্ৰ সন্থাই ৰাজ্যজুৰি ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে।

**নগাঁওৰ বিশেষ সংবাদদাতা ঃ** অসম চাহ জনজাতি ছাত্ৰ সন্থাৰ নগাঁও জিলা সমিতিয়ে আজি নগাঁৱত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। চাহ জনজাতি ছাত্ৰ সন্থা আৰু অসম চাহ জনজাতি মহিলা সমিতি, নগাঁও জিলা সমিতি উদ্যোগত ছাত্ৰ-ছাত্ৰী আৰু মহিলাসকলে নগাঁও চহৰৰ নেহেৰুবালিৰ পৰা সমদল কৰি আহি নগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে ডলু চাহ বাগিচাৰ উচ্ছেদ বন্ধ কৰক, চাহ শ্ৰমিকৰ ওপৰত চলা নিৰ্যাতন বন্ধ কৰক, উন্নয়ন তথা বিকাশৰ নামত চাহ বাগিচা ধ্বংস কাৰ্য বন্ধ কৰক, বিজেপি গ'বেক, চাহ শ্ৰমিকৰ নিৰাপত্তা নিশ্চিত কৰক আদি বিভিন্ন শ্ল'গান দি পৰিৱেশ উত্তাল কৰে। ধৰ্ণা কাৰ্যসূচীৰ অন্তত চাহ জনজাতি ছাত্ৰ সন্থাৰ নগাঁও ছয় পৃষ্ঠাত চাওক

### কেঁচা চাহপাত চোৰৰ উপদ্ৰৱত অতিষ্ঠ কৃষক

## চাহপাতৰ উৎপাদন হ্ৰাস পোৱাত শ্ৰমিকে পোৱা নাই কাম

**অগ্ৰদূত বাৰ্তা**
**তালাপ, ১৮ মে' ঃ** চলিত বৰ্ষৰ প্ৰথম ভাগৰ পৰাই প্ৰাকৃতিক দুৰ্যোগৰ ফলত কেঁচা চাহপাতৰ উৎপাদন অভাৱনীয়ভাৱে হ্ৰাস পাই আহিছে। ফলত চলিত বৰ্ষত বৰ্তমানলৈকে অস্থায়ী শ্ৰমিকে বাগিচাত কাম কৰিবলৈ সুবিধাই পোৱা নাই। প্ৰাকৃতিক দুৰ্যোগৰ মাজতো যি অলপ চাহ গছত চাহপাত ওলাইছিল তাকো দুষ্কৃতিকাৰীয়ে চুৰি কৰি লৈ গ'লে কৃষকজনৰ কি প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব তাক সকলোৰে অনুমেয়। তেনে ঘটনাই সংঘটিত হৈ আহিছে তিনিচুকীয়া জিলাৰ তালাপ আৰক্ষী চকীৰ অন্তৰ্গত গাখীৰভেটি অঞ্চলত। তালাপ-গাখীৰভেটি অঞ্চলটোৰ বৃহৎ, মধ্যমীয়া চাহ কোম্পানীসমূহত দুষ্কৃতিকাৰীয়ে চাহপাত চুৰি কৰি অহাটো সাধাৰণ ঘটনাৰ দৰে হৈ পৰিছে। চাহ বাগিচাসমূহত চাহপাত চুৰি হোৱা সম্পৰ্কত আৰক্ষীৰ ওচৰত এজাহাৰ দাখিল কৰিলেও কোনো এজন চাহপাত চোৰকে ধৰা পেলাই আটক কৰিবলৈ সক্ষম হোৱা নাই বুলি অভিযোগ উঠিছে। চোৰৰ অতপালি দিনক দিনে বৃদ্ধি পাই সম্প্ৰতি গাখীৰভেটি অঞ্চলৰ গ্ৰামাঞ্চলৰ ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ খেতিয়কৰ চাহ ছয় পৃষ্ঠাত চাওক

## কলীয়াভোমোৰা দলঙত ড্ৰাগছসহ কৰায়ত্ত দুই সৰবৰাহকাৰীক

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৮ মে' ঃ** তেজপুৰত এটাৰ পাছত এটা ড্ৰাগছৰ সৰবৰাহৰ ঘটনা পোহৰলৈ আহি থকাৰ লগতে ইতিমধ্যে ভালেসংখ্যক লোক আৰক্ষীৰ জালত পৰিছে। কালি মাতৃ-পুত্ৰসহ তিনিজনক ড্ৰাগছ সৰবৰাহ তথা বিক্ৰীৰ অভিযোগত তেজপুৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰাৰ পাছত যোৱা নিশা পুনৰ আৰক্ষীয়ে আন এক ড্ৰাগছ বিৰোধী অভিযানত সফলতা লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে যোৱা নিশা স্থানীয় বৰঘাট আৰক্ষীয়ে তেজপুৰ নগাঁও সংযোগী কলীয়াভোমোৰা দলঙত চলোৱা তালাচী অভিযানত ড্ৰাগছসহ দুই সৰবৰাহকাৰীক কৰায়ত্ত কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে নগাঁৱৰ ৰূপহীৰ পৰা এ এছ ১২৮৫৩৩ নম্বৰৰ চাৰিচকীয়া বাহনত তেজপুৰলৈ আহি থকা অৱস্থাত কলীয়াভোমোৰা দলঙত আৰক্ষীৰ জালত পৰে তেজপুৰ ছটাই চাপৰিৰ ছফিকুল ৰহমানৰ পুত্ৰ আনোৱাৰ হুছেইন (১৮) আৰু ভোজখোৱা চাপৰিৰ নৌসাদ আলীৰ পুত্ৰ আনাৰ হুছেইন (২১)। দুয়োৰে পৰা আৰক্ষীয়ে ২৭টা সন্দেহজনক হেৰ'ইনভৰ্তি পাত্ৰ উদ্ধাৰ কৰে। উল্লেখ্য যে তেজপুৰলৈ নগাঁৱৰ পৰা ড্ৰাগছ সৰবৰাহ হোৱাৰ বিষয়ে ইতিমধ্যে কৰায়ত্ত হোৱা একাধিক ড্ৰাগছ সৰবৰাহকাৰীয়ে আৰক্ষীৰ আগত প্ৰকাশ কৰিছে। তেজপুৰৰ লগতে শোণিতপুৰ বিভিন্ন স্থানলৈ এনেদৰে নগাঁৱৰ বিভিন্ন ছয় পৃষ্ঠাত চাওক

## লাহৰীঘাটত ড্ৰাগ্ছসহ আটক এজন

**অগ্ৰদূত বাৰ্তা**
**লাহৰীঘাট, ১৮ মে' ঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত টেঙাগুৰিত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই এজন ড্ৰাগ্ছ সৰবৰাহকাৰীক আটক কৰে। মৰিগাঁও আৰক্ষীৰ বিশেষ শাখা আৰু লাহৰীঘাট আৰক্ষীৰ যুটীয়া অভিযানত টেঙাগুৰিৰ আবুল কাছেম (৩৫) ৰ ঘৰত অভিযান চলাই আটক কৰাৰ লগতে তেওঁৰ জিম্মাৰ পৰা ১০টা ড্ৰাগ্ছ ভৰ্তি কণ্টেইনাৰ আৰু ১৪টা বিলাতী মদৰ বটল উদ্ধাৰ কৰে। আজি যুৱকজনক আদালতত হাজিৰ কৰাত জেললৈ প্ৰেৰণ কৰে।

## মাজুলী দক্ষিণপাট ৰাজ্যিক চিকিৎসালয়ত নাই চিকিৎসক-ফাৰ্মাছিষ্ট-নাৰ্ছৰ আৱাস

**অগ্ৰদূত বাৰ্তা**
**কমলাবাৰী, ১৮ মে' ঃ** ১৯৫২ তে প্ৰতিষ্ঠা হোৱা দক্ষিণপাট ৰাজ্যিক চিকিৎসালয়খন বৃহত্তৰ দক্ষিণপাট অঞ্চলৰ একমাত্ৰ মানৱ সেৱা প্ৰতিষ্ঠান। যিখন প্ৰতিষ্ঠানে উজনি শালমৰা-বেচামৰাক সামৰি দুই নম্বৰ কঢ়ৰ্লি গাঁও, অফলামুখ, দক্ষিণপাট কৈৱৰ্ত গাঁও, দিঘলী গাঁও, পুৰণি সত্ৰ, নাওশালী গাঁও, কলিতা গাঁও, কুমাৰ গাঁও, চেক বান্ধ, ওপৰ চুমৈমাৰী, কৰৈয়নীআটী, বচাদলনীসহ শ্ৰীশ্ৰীদক্ষিণ পাট সত্ৰ আৰু আলিমুৰ গাঁও আদি কৰি প্ৰায় ১৫ খন গাঁৱৰ সৰ্বমুঠ ১০ হেজাৰ অধিক জনসাধাৰণৰ মাজত দীৰ্ঘদিনে স্বাস্থ্য আৰু চিকিৎসা সেৱা আগবঢ়াই থাকে। মাজুলী জিলা সদৰৰ পৰা ২০ কিলোমিটাৰ পূব-দক্ষিণত অৱস্থিত চিকিৎসালয়খন বান বিধস্ত অঞ্চলত অৱস্থিত। যাতায়াত-যোগাযোগৰ সুচল নথকা অঞ্চলটোত দক্ষিণপাট ৰাজ্যিক চিকিৎসালয়খনেই ৰাইজৰ একমাত্ৰ ভৰসাৰ স্থল। দক্ষিণপাট সত্ৰৰ পৃষ্ঠপোষকতাত আজিৰ পৰা ৭০ বছৰৰ আগতে স্থাপন কৰা ৰাজ্যিক পৰ্যায়ৰ চিকিৎসালয়খন এতিয়ালৈকে কোনো ধৰণৰ উচ্চ স্তৰলৈ উন্নতি নহ'ল। ৰাইজে প্ৰতিখন চৰকাৰক চিকিৎসালয়খন প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ উন্নীত কৰাৰ উপৰি একোজন আৱাসিক স্বাস্থ্য চিকিৎসা বিষয়াক নিযুক্তি ছয় পৃষ্ঠাত চাওক

## মাৰ্ঘেৰিটাত বিশুদ্ধ খোৱাপানীৰ নামত কোটি কোটি টকা অপচয়

**অগ্ৰদূত বাৰ্তা**
**মাৰ্ঘেৰিটা, ১৮ মে' ঃ** তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটা মহকুমা। এই মহকুমাটোৰ ৰাইজে এতিয়া এটুপি খোৱাপানীৰ বাবে হাহাকাৰ কৰিব লগীয়া হৈছে। কাৰণ স্বাধীনোত্তৰ কালৰে পৰা এটুপি বিশুদ্ধ খোৱাপানীৰ বাবে সমষ্টিবাসী অৱহেলিত হৈ আছে। বিশেষকৈ মাৰ্ঘেৰিটাৰ ৰাইজক বিশুদ্ধ খোৱাপানী যোগানৰ নামত ২০০৬ৰ পৰা ২০১৬ লৈকে কাগজে-কলমে ন কোটি, ২৮ লাখ, ২৯ হেজাৰ টকা খৰছ কৰা বুলি অভিযোগ উঠে যদিও সংশ্লিষ্ট ছয় পৃষ্ঠাত চাওক

## বিজনীত যুৱতী সন্ধানহীন

**অগ্ৰদূত ব্যুৰ'**
**বঙাইগাঁও, ১৮ মে' ঃ** চিৰাং জিলাৰ বিজনী চহৰৰ চাৰি নম্বৰ ৱাৰ্ডৰ পুৰণি গৰু বজাৰৰ কালী মন্দিৰৰ সমীপৱৰ্তী নন্দিতা দাস (৩৩) নামৰ যুৱতীগৰাকী ৰহস্যজনকভাৱে সন্ধানহীন হৈ থকাত পৰিয়ালৰ লোকে চিন্তিত হৈ পৰিছে। যোৱা আঠ মে'ৰ পৰা যুৱতীগৰাকীয়ে সন্ধানহীন হোৱাত পৰিয়ালৰ লোকে বিজনী আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে যদিও কোনো শুংসূত্ৰ পোৱা নাই। যুৱতীগৰাকীৰ কোনো শুংসূত্ৰ পালে পৰিয়ালৰ লোকৰ স'তে যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## বৰঘুলি চুবুৰিৰ বিধ্বস্ত পথে জীয়াতু ভোগাই ৰাইজক

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ১৮ মে' ঃ** হাজো বিধানসভা সমষ্টিৰ অধীনস্থ আৰু বাৰাংহাটী গাঁও পঞ্চায়তৰ গড়পোট গাঁৱৰ বৰঘুলি চুবুৰিৰ একমাত্ৰ পথটোৰ বিধস্ত ৰূপ দীৰ্ঘদিনৰ পৰা চুবুৰিবাসীক যন্ত্ৰণা ভোগাই আহিছে। বৰ্তমান কে'বাদিনো ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ বাবে পথটো ছয় পৃষ্ঠাত চাওক

## ফকিৰাগ্ৰামত বিষাক্ত কাঠফুলা খাই অসুস্থ চাৰি

**অগ্ৰদূত বাৰ্তা**
**দোতমা, ১৮ মে' ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰামত আজি বিষাক্ত কাঠফুলা খাই চাৰিগৰাকী পুৰুষ-মহিলা অসুস্থ হয়। উল্লেখ্য যে জংঘলৰ পৰা অনা কাঠফুলাৰ আঞ্জা খাই অসুস্থ হোৱা লোককেইগৰাকী হ'ল মনাকোছা গাঁৱৰ সোণাথি ব্ৰহ্ম, অলংবাৰ ব্ৰহ্ম, বানু ব্ৰহ্ম আৰু যদুমণি গাঁৱৰ ধ্বজেন ৰায়। পাছত লোককেইজনক ফকিৰাগ্ৰামৰ চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও উন্নত চিকিৎসাৰ বাবে চিকিৎসকে আটাইকেইগৰাকীকে কোকৰাঝাৰৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

### পৰীক্ষা নিদিয়াকৈ উভতিৰ লগীয়া হ'ল পৰীক্ষৰ্থী

## বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ স্নাতক যাণ্মাসিকৰ বুৰঞ্জী বিষয়ৰ পৰীক্ষাত বিসংগতি

**অগ্ৰদূত বাৰ্তা**
**জালাহ, ১৮ মে' ঃ** বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ অধীনত চলি থকা স্নাতক প্ৰথম যাণ্মাসিকৰ আজি বুৰঞ্জী বিষয়ৰ প্ৰশ্ন কাকতত বিসংগতি হোৱাত পুৰণি (ৰিপিত) পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহৰ পৰা বিফল মনোৰথেৰে উভতি আহিবলগীয়া হয়। উল্লেখ্য যে আজি স্নাতক প্ৰথম যাণ্মাসিকৰ বুৰঞ্জী বিষয়ৰ প্ৰশ্ন কাকতৰ কেৱল নতুন পাঠ্যক্ৰমৰ বিষয় (ভাৰতৰ বুৰঞ্জী)ৰ প্ৰশ্ন সংযোগ কৰাত যিসকল পুৰণি পাঠ্যক্ৰমৰ ৰিপিত পৰীক্ষাৰ্থী আছিল (ভাৰতত পৰিৱেশ অধ্যয়ন) তেওঁলোকৰ বিষয় প্ৰশ্ন কাকতত অন্তৰ্ভুক্ত নোহোৱাত একাংশ পৰীক্ষাৰ্থীৰ মাজত হাহাকাৰৰ অৱস্থাৰ সৃষ্টি হয়। নিয়ম অনুসৰি প্ৰশ্ন কাকতত নতুন আৰু পুৰণি দুয়োটা বিষয়ৰ পাঠ্যক্ৰমৰ প্ৰশ্ন অন্তৰ্ভুক্ত হ'ব লাগিছিল যদিও বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ হেমাহিৰ বাবে একাংশ পৰীক্ষাৰ্থীয়ে পৰীক্ষা নিদিয়াকৈয়ে উভতিব লগীয়া হয়। বিশ্ববিদ্যালয়ৰ এনে হঠকাৰী সিদ্ধান্তৰ বাবে শৈক্ষিক মহলত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

## শালকোচাত দুই চোৰাং চিকাৰীসহ দুটা মৃত কেটেলা পহু উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**চাপৰ, ১৮ মে'ঃ** মানুহৰ হঠকাৰিতাৰ বাবেই ক্ৰমাৎ অস্তিত্ব বিপন্ন হোৱা কেটেলা পহু, বনৰৌ, কেকো সাপ আদি প্ৰাণীসমূহ নিচ্ছিন্ন হোৱাৰ পৰিণতিত চাপৰ-শালকোচা অঞ্চলৰ চহকী জৈৱ বিচিত্ৰৰ প্ৰতি ভাবুকিৰ সৃষ্টি হৈছে। আজি বিয়লি শালকোচা আৰক্ষীয়ে আৰক্ষী চকীখনৰ সন্মুখতে ১৭নম্বৰ ৰাষ্ট্ৰীয় পথত ৰুটিন মাফিক তালাচী অভিযান চলাই থকাৰ সময়তে শালকোচা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাৰ নেতৃত্বত আৰক্ষীৰ দলে দুজন মটৰ চাইকেল আৰোহীৰ পৰা দুটা দুষ্প্ৰাপ্য কেটেলা পহু মৃত অৱস্থাত উদ্ধাৰ কৰে। লগতে আৰক্ষীয়ে দুটা চোৰাং চিকাৰী ক্ৰমে মনো মুছাহাৰী, মুথুপাৰা, কোকৰাঝাৰ আৰু একে গাঁৱৰে কাৰ্তিক মুছাহাৰীক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে চোৰাং চিকাৰী দুটাই কেটেলা পহুহাল বধ কৰি মটৰ চাইকেলেৰে বিলাসীপাৰাতলৈ গৈ বিক্ৰী কৰিবলৈ যোৱাৰ সময়তে আৰক্ষীৰ জালত পৰে। অন্ধ বিশ্বাসৰ বশৱৰ্তী হৈ চোৰাং চিকাৰীদ্বয়ে কেটেলা পহুদুটাৰ দেহৰ মূল শোভা কাঁইটসমূহ উভালি নিয়ে। ইতিমধ্যে আৰক্ষীয়ে মৃত কেটেলা পহু দুটা বন বিভাগক গতাই দিছে।

## সৰ্থেবাৰীত পথ দুৰ্ঘটনাৰ প্ৰতিবাদত ৰাইজৰ পথ অৱৰোধ

### দোষীক কঠোৰ শাস্তি প্ৰদানৰ দাবী

**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ১৮ মে'ঃ** যোৱা ১৬ মে'ত সৰ্থেবাৰীৰ সমীপৰ নামশালা গাঁৱত সংঘটিত শোকাবহ পথ দুৰ্ঘটনাৰ প্ৰতিবাদত আৰু এই ঘটনাৰ লগত জড়িতক কঠোৰ শাস্তি প্ৰদানৰ দাবীত স্থানীয় ৰাইজে আজি এক পথ অৱৰোধ কাৰ্যসূচী ৰূপায়ণ কৰে। অৱৰোধৰ কালছোৱাত প্ৰতিবাদকাৰী সকলে 'এই দুৰ্ঘটনাৰ বিচাৰ লাগে, নিহত পৰিয়ালক নিয়াই দিয়ক, দোষীক কঠোৰ শাস্তি প্ৰদান কৰক, জলপৰী ধাবা বন্ধ কৰক, অবৈধ মদৰ ব্যৱসায় বন্ধ কৰক' আদি বিভিন্ন শ্ল'গান দি ছয় পৃষ্ঠাত চাওক

## শ্ৰীৰামপুৰত ম্যানমাৰৰ চুপাৰিসহ গ্ৰেপ্তাৰ দুই

**অগ্ৰদূত বাৰ্তা**
**শ্ৰীৰামপুৰ, ১৮ মে' ঃ** অসম-বংগ সীমান্তৱৰ্তী গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত যোৱা নিশা আৰক্ষীয়ে বৃহৎ পৰিমাণৰ ম্যানমাৰ চুপাৰি জব্দ কৰে। আৰক্ষীয়ে গোসাঁইগাঁৱৰ শিমুলটাপু আৰক্ষী চকীৰ অন্তৰ্গত ৩১ নম্বৰ (গ) ৰাষ্ট্ৰীয় পথৰ ভাৰত পেট্ৰ'ল পাম্পৰ বিপৰীতে থকা পাৰ্কিঙত যোৱা নিশা ৰখাই থোৱা জেকে-২২ বি-৬০৩৮ নম্বৰৰ এখন ট্ৰাকত তালাচী চলাওতেই অবৈধভাৱে কঢ়িয়াই অনা চুপাৰিখিনি উদ্ধাৰ কৰে। উল্লেখ্য যে ট্ৰাকখনৰ ৬৯ বস্তাত ভৰাই অনা চুপাৰিখিনি ইম্ফলৰ পৰা গুৱাহাটীলৈ অনা হৈছিল। চুপাৰিখিনি গুৱাহাটীলৈ আনিবলৈ এজন লোকে চালকজনক এক লাখ ৪০ হেজাৰ টকা দিয়াৰ বন্দবস্তি কৰিছিল। কিন্তু নিৰ্ধাৰিত পৰিমাণৰ ধনৰ মাত্ৰ ২০ হেজাৰ টকা চালকক আদায় দিয়াৰ পাছত বাকী ধন উক্ত লোকজনে নিদিয়াত চালকজনে ট্ৰাকখন শ্ৰীৰামপুৰলৈ আনি চোৰাংভাৱে বিক্ৰীৰ পৰিকল্পনা কৰিছিল। এই বিষয়ে আৰক্ষীয়ে জানিব পাৰি তালাচী চলাওতেই চুপাৰিখিনি জব্দ হয়। ইপিনে, ট্ৰাক চালকজনে চুপাৰিখিনি কাশ্মীৰলৈ নিয়াৰ পৰিকল্পনা কৰা বুলিও আৰক্ষীক স্বীকাৰোক্তি দিয়ে। আৰক্ষীয়ে ঘটনা সন্দৰ্ভত চালকসহ জম্মু কাশ্মীৰৰ বাসিন্দা মোজামিল আহমেদ আৰু চাকুৰ গুহেইৰক গ্ৰেপ্তাৰ কৰে। উল্লেখ্য যে জব্দকৃত চুপাৰিখিনিৰ বজাৰ মূল্য প্ৰায় ৩৫ লাখ টকা হ'ব। আৰক্ষীয়ে উক্ত ঘটনাৰ স'তে স্থানীয় চক্ৰ এটা জড়িত থকাৰ সন্দেহ কৰিছে।

## বাগ্সা-নলবাৰী সীমান্তৱৰ্তী গড়ভিতৰত মাছমৰীয়াই উদ্ধাৰ কৰিলে ঐতিহাসিক সম্পদ

**অগ্ৰদূত বাৰ্তা**
**ঘগ্ৰাপাৰ, ১৮ মে' ঃ** বাগ্সা আৰু নলবাৰী জিলাৰ সীমান্তৱৰ্তী গড়ভিতৰ গাঁৱত আজি কিছুমান ৰজাদিনীয়া সামগ্ৰী উদ্ধাৰ হয়। আজি দুপৰীয়া গাঁওখনৰ একাংশ লোকে উল্টাখান্দা জানত মাছ মাৰি থাকোতে ঐতিহাসিক সম্পদকেইপদ উদ্ধাৰ কৰে। অৱশ্যে বৰ্তমানলৈকে এই সম্পদকেইবিধ চিনাক্ত কৰিব পৰা হোৱা নাই। উল্লেখ্য যে এসময়ত উক্ত গাঁওখনত ফেঙুৱাই ৰজাই ৰাজত্ব কৰিছিল। জনশ্ৰুতি অনুসৰি ৰজাজনে গাঁওখনৰ চাৰিওফালে গড় নিৰ্মাণ কৰিছিল। সেই বাবে গাঁওখনৰ নাম গড়ভিতৰ হোৱা বুলি ৰাইজে বিশ্বাস কৰে। ৰজাই নিজৰ সুবিধাৰ্থে উক্ত গাঁওখনত কে'বাটাও পুখুৰী খান্দিছিল। এই পুখুৰীসমূহ আজিও বিদ্যমান হৈ আছে।

## একশৰণ ভাগৱতী সমাজ তেজপুৰত শ্ৰীশ্ৰীমাধৱদেৱৰ ৫৩৪ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৮ মে' ঃ** মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৪ সংখ্যক জন্মজয়ন্তী প্ৰাদেশিক ভিত্তিক পালন কৰে একশৰণ ভাগৱতী সমাজ, অসমে। তেজপুৰৰ বালিচাপৰিস্থিত শ্ৰীমন্ত শংকৰ-মাধৱ পাল নাম সত্ৰত ১৬ মে'ৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৪ সংখ্যক জন্মজয়ন্তী উদ্‌যাপন উপলক্ষে মহাপাল নাম কীৰ্তন আৰু তেজপুৰ জিলা শাখাৰ ৩৯ সংখ্যক বাৰ্ষিক অধিবেশনত ৰাজ্যখনৰ গুৱাহাটী, দৰং, মৰিগাঁও, নগাঁও, শোণিতপুৰ, গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, লখিমপুৰ, বিশ্বনাথ, তিনিচুকীয়া আদি বিভিন্ন জিলাৰ পৰা অহা সহস্ৰাধিক ৰাইজৰ নাম-কীৰ্তনৰে মুখৰিত হয় পালনাম সত্ৰ। প্ৰথমদিনা পুৱা চাৰি বজাত ৰমেন বড়োৰ প্ৰাতঃপ্ৰসংগ, আঠ ছয় পৃষ্ঠাত চাওক

### সাম্প্ৰতিক সময়ত আলফাত যোগদান কৰাৰ পৰিণতি ভয়ানক ঃ সাংসদ শৰণীয়া

**অগ্ৰদূত**
**তামুলপুৰ, ১৮ মে' ঃ** 'আলফাত যোগদান কৰাৰ আগতে ১০-১২ ভাৱক। সাম্প্ৰতিক সময়ত আলফাত যোগদান কৰাৰ পৰিনতি ভয়াবহ হ'ব।' এই মন্তব্য সাংসদ নৱ কুমাৰ শৰণীয়াৰ। কালি বান পৰিস্থিতিৰ বুজ ল'বলৈ আহি সাংসদজনে তামুলপুৰৰ নিজ বাসভৱনত এইদৰে কয়। আলফাত থকা ২৫ বছৰৰ প্ৰতিটো ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ৪ জেঠ ১৪২৯ ভাস্কৰাব্দ ১৯ মে' ২০২২



# দাম বৃদ্ধিৰ জুই

দেশৰ বিভিন্ন ৰাজ্যৰ লগতে অসমতো অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ লগতে অন্যান্য সামগ্ৰীৰো দাম আকাশলংঘী হৈছে। আলু-পিঁয়াজকে ধৰি শাক-পাচলিৰ দাম বৃদ্ধি যোৱা মাৰ্চ-এপ্ৰিলৰ পৰাই অত্যধিক হৈ পৰাত সৰ্বসাধাৰণ গ্ৰাহকৰ মাজত হাহাকাৰ সৃষ্টি হোৱা দেখা গৈছে। এই মুহূৰ্তত গুৱাহাটীৰ বজাৰত প্ৰতি কিলো আলুৰ দাম ৩০-৩৫ টকা। পিঁয়াজৰ দাম প্ৰতি কিলোত ২৫-৩০ টকা। আনহাতে, প্ৰায়বিলাক পাচলিৰ প্ৰতি কিলোৰ দাম এশৰো অধিক। আগন্তুক দিনবোৰত শাক-পাচলি আৰু আন অত্যাৱশ্যকীয় খাদ্য-সামগ্ৰীৰ দাম অধিক বৃদ্ধি পোৱাৰ আশংকা আছে। ৰৌ-ভকুৱা আদি মাছৰ দাম প্ৰতি কিলোত চাৰিশ-পাঁচশ টকা। আপেলৰ দাম প্ৰতি কিলোত ২২০-২৪০ টকা। কলৰ দাম ১২টাত ৮০ টকা। নকটা লোকেল কুকুৰাৰ দাম প্ৰতি কিলোত পাঁচশ টকা। খোৱা তেলৰ দাম প্ৰতি মাহে বৃদ্ধি পাইছে। এতিয়া প্ৰতি লিটাৰ মিঠাতেলৰ দাম ২২০ টকা, ৰিফাইন্ড তেলৰ দাম প্ৰতি লিটাৰত ২১০ টকা। যিহেতু পেট্ৰ'ল-ডিজেলৰ দাম বৃদ্ধি পাই আছে, সেয়ে এই সামগ্ৰীবোৰৰ দামো বৃদ্ধি পাই থাকিব বুলি ধাৰণা কৰা হৈছে। প্ৰতি লিটাৰ পেট্ৰ'লৰ দাম এতিয়া এশৰো অধিক। যদিহে এইদৰে বয়-বস্তুৰ দাম বাঢ়ি গৈ থাকে, চৰকাৰেও নিয়ন্ত্ৰণ নকৰে, তেন্তে দেশৰ পৰিস্থিতি কোন দিশে গতি কৰিব এতিয়াই ক'ব নোৱাৰি; কিন্তু পৰিস্থিতিয়ে যে বেয়াৰ ফালে গতি কৰিব, সেই বিষয়ত সন্দেহ নাই। চৰকাৰে যিহেতু ব্যৱসায়-বাণিজ্যত হাত নিদিয়ে আৰু দামৰ নিয়ন্ত্ৰণতো হস্তক্ষেপ নকৰাৰ নীতি গ্ৰহণ কৰিছে, সেয়ে বয়-বস্তুৰ দাম হ্ৰাস পোৱাৰ আশা কেনেকৈ কৰিব পাৰি? দাম বৃদ্ধি আৰু মুদ্ৰাস্ফীতি আজি দেশৰ অৰ্থনীতিত স্বাভাৱিক প্ৰক্ৰিয়া আৰু সেয়ে ইয়াক 'নিউ নৰ্মেল' আখ্যা দিব পাৰি; কিন্তু দোকান-বজাৰত সামগ্ৰীৰ দাম অত্যধিক বৃদ্ধি পোৱাৰ ফল ভুগিছে সাধাৰণ ৰাইজে। এই সাধাৰণ ৰাইজ হ'ল মধ্যবিত্ত, নিম্ন মধ্যবিত্ত আৰু দৰিদ্ৰ শ্ৰেণী। বিশেষকৈ নিম্ন মধ্যবিত্ত তথা দৰিদ্ৰ শ্ৰেণীৰ ৰাইজে বয়-বস্তুৰ দাম আকাশলংঘী হোৱাত ক্ৰয় ক্ষমতা হেৰুৱাই পেলাইছে। প্ৰয়োজন পূৰণ কৰিব পৰাকৈ কোনোবিধ খাদ্য-সামগ্ৰীয়েই তেওঁলোকে কিনিব নোৱৰা হৈছেগৈ। যিহেতু উপাৰ্জন বঢ়া নাই বা উপাৰ্জন সীমিত হোৱাৰ বিপৰীতে সামগ্ৰীৰ দাম বহুগুণে বৃদ্ধি পাইছে, সেয়ে ৰাইজে ক্ৰয় ক্ষমতা হেৰুৱাইছে। চৰকাৰে যদি ব্যৱসায়-বাণিজ্য, দাম বৃদ্ধি আদিত কোনো ধৰণৰ হস্তক্ষেপ নকৰা নীতিতে আঁকোৰগোজ হৈ থাকে, দেশৰ অৰ্থনীতি একাংশ অতি চহকী বৃহৎ পুঁজিপতি বা কৰ্প'ৰেট খণ্ডৰ হাতত সম্পূৰ্ণ গতাই দিয়াতহে আগ্ৰহী হয়, তেন্তে দেশৰ কোটি কোটি সাধাৰণ ৰাইজৰ অৱস্থাৰ পৰিৱৰ্তন আশা কৰিব পাৰিনে? চৰকাৰে দৰিদ্ৰ শ্ৰেণীৰ ৰাইজক বিভিন্ন ৰাজসাহায্য আৰু সাহায্য আগবঢ়াইছে। বিনামূলীয়া চাউল, বৃদ্ধ পেঞ্চন, অৰুণোদয় আদি আঁচনি এশদিনীয়া মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ গেৰান্টি (এম জি এনৰেগা) আঁচনি আদি আঁচনিসমূহ কল্যাণমূলক আঁচনি; কিন্তু চৰকাৰে এনে ধৰণৰ আঁচনিৰ সংখ্যা বঢ়াই গৈ আছে আৰু সেয়ে হিতাধিকাৰীৰ সংখ্যাও বৃদ্ধি পাই গৈ আছে। বহুতেই এতিয়া প্ৰশ্ন কৰিছে, হিতাধিকাৰী বৃদ্ধি পাইছে যদিও উৎপাদন বৃদ্ধি পোৱা নাই। উৎপাদন বৃদ্ধি নাপালে বয়বস্তুৰ দাম কমাৰ আশা নাই, বৰঞ্চ বাঢ়িহে থাকিব। হিতাধিকাৰী যিমানেই বাঢ়িছে সমস্যাও সিমানেই বাঢ়িছে। দেশত কৰ্ম-সংস্কৃতিও হ্ৰাস পোৱা দেখা গৈছে। ৰাষ্ট্ৰীয় জৰীপত লাভ কৰা তথ্য অনুসৰি কৰ্মক্ষম ৪০ শতাংশ লোকেই এতিয়া কাম বিচাৰিবলৈ এৰি দিছে নাইবা কামত আগ্ৰহ হেৰুৱাইছে। হিতাধিকাৰী বৃদ্ধিৰ আঁচনিয়েও এনে ধৰণৰ সংস্কৃতিত উৎসাহ বা অৰিহণা যোগাইছে। ইয়াৰ ফলত দেশত উৎপাদন বৃদ্ধি হ্ৰাস পোৱাৰ সম্ভাৱনাহে বাঢ়িছে। উৎপাদনত সহযোগ বা অংশগ্ৰহণ হ্ৰাস পালে বিভিন্ন ক্ষেত্ৰত উৎপাদনো হ্ৰাস পাব। ফলত বিকাশৰ গতি শামুকীয়া বা স্থিৰ হৈ পৰিব। চৰকাৰে দেশ চলাবলৈ বিমান বন্দৰ, ৰেল সেৱা, বেংক ব্যক্তিগতকৰণ তথা আন বিভিন্ন ৰাজহুৱা খণ্ডৰ সম্পত্তি ব্যক্তিগত খণ্ডক বিক্ৰী কৰিবলৈ আগবাঢ়ি আহিছে। আন্তঃৰাষ্ট্ৰীয় বেংক বা নিধিৰ পৰা ঋণ লৈছে; কিন্তু এনেদৰে আৰু কিমান দিন চলিব? ইতিমধ্যে ২০২২ৰ বিত্তীয় বৰ্ষৰ দ্বিতীয়াৰ্ধত বিদেশী মুদ্ৰাৰ ভাণ্ডাৰ ২৮.০৫ বিলিয়ন ডলাৰ হ্ৰাস পোৱাৰ খবৰ প্ৰকাশ পাইছে। এয়া নিশ্চয় শুভ লক্ষণ নহয়। বিদেশী মুদ্ৰাৰ ভাণ্ডাৰৰ সংকোচনৰ ফলত আৰ্থিক অৱস্থা দুৰ্বল হৈ পৰে। ইতিমধ্যে তৈল উৎপাদনকে ধৰি বিভিন্ন ক্ষেত্ৰত উৎপাদন হ্ৰাস পোৱাৰ খবৰো প্ৰকাশ পাইছে। তৈলজাত সামগ্ৰীৰ দাম বৃদ্ধিৰ ফলতে সকলোবিধ সামগ্ৰীৰ দাম বৃদ্ধি পাইছে বা পাই থাকিব বুলি আশংকা কৰা হৈছে। খাদ্য শস্যৰ উৎপাদন বৃদ্ধি পাইছে যদিও সামগ্ৰিকভাৱে কৃষি ক্ষেত্ৰৰ বিকাশ বাধাগ্ৰস্ত হৈ আছে। ফল-মূলকে ধৰি বিভিন্ন খাদ্য-সামগ্ৰী ভাৰতে বিদেশৰ পৰা আমদানি কৰিবলৈ বাধ্য হৈছে। দেশৰ কৃষি ক্ষেত্ৰত জড়িতসকলৰ উপাৰ্জন ১.৩ শতাংশ হ্ৰাস পোৱা বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে দীৰ্ঘদিনীয়া কৃষক আন্দোলনৰ পাছতহে চৰকাৰে তিনিখন 'কৃষক বিৰোধী' আইন প্ৰত্যাহাৰ কৰিলে; কিন্তু ক্ষুদ্ৰ, দৰিদ্ৰ কৃষকসকল আজিও বহু সময়ত অসহায়। অসমত শাক-পাচলি আদি খাদ্য-সামগ্ৰীৰ দাম বৃদ্ধিৰ এটা প্ৰধান কাৰণ অসমত কৃষিজাত সামগ্ৰীৰ শীতল ভাণ্ডাৰৰ অভাৱ বুলি অভিযোগ উত্থাপিত হৈ আহিছে। ইয়াৰ ফলত কৃষকে কমদামত পাচলিসমূহ বিক্ৰী কৰিবলৈ বাধ্য হৈছে। অৱশ্যে ছিণ্ডিকেট, গুণ্ডাকৰ আদি একাধিক পক্ষ দাম বৃদ্ধিৰ বাবে দায়ী। ইফালে, দিনে দিনে ৰাইজৰ ক্ৰয় ক্ষমতা হ্ৰাস পাই আহিছে। ইয়াৰ ফলত বৃহৎ সংখ্যক লোক, বিশেষকৈ মহিলা, শিশু, বৃদ্ধ-বৃদ্ধা আদি পুষ্টিহীনতাত ভুগিছে। নানান ব্যাধিৰ চিকাৰ হ'বলগীয়া হৈছে দৰিদ্ৰ তথা আৰ্থিকভাৱে দুৰ্বল শ্ৰেণীৰ লোকসকলে। এইবোৰ সমস্যা হিতাধিকাৰীৰ সংখ্যা বৃদ্ধিৰে সমাধান কৰিব পৰা যাবনে?

# পক্ষ-বিপক্ষ আৰু নিৰপেক্ষ

**পক্ষ** বা নিৰপেক্ষতাৰ তুলাচনীত নিৰপেক্ষ হৈ ন্যায়ৰ যুদ্ধত ভাগ নোলোৱাকৈ মহাভাৰতৰ কুৰুক্ষেত্ৰ যুদ্ধত মহা মণীষী বিদুৰে গ্ৰহণ কৰা পথক আজিও বহুতে উৎকৃষ্ট, উত্তম পথ বুলি বিবেচনা কৰে। আজি ভাৰতবৰ্ষৰ চৰকাৰে ৰুছ-ইউক্ৰেইনৰ মহাযুদ্ধত নিৰপেক্ষ নীতি অৱলম্বন কৰা নীতি কিমান গ্ৰহণযোগ্য সেয়া নিশ্চিতভাৱে আলোচনাৰ বিষয়। অন্যায়ৰ পক্ষত থকাসকলক সমৰ্থন বা সহায় নকৰাটো নিশ্চয় ভাল, প্ৰশংসাৰো যোগ্য, কিন্তু ন্যায়ৰ পক্ষত থকাসকলক অকলশৰীয়া কৰি তথাকথিত নিৰপেক্ষ হোৱাটোক বহুতে অন্যায়ক পুৰস্কৃত কৰা বুলি বিবেচনা কৰে। আজিও আমি বহুতে ভীষ্ম, দ্ৰোণাচাৰ্য, কৰ্ণ, কৃপাচাৰ্য, অশ্বত্থামা আদি মহা মহা বীৰ মহাৰথীসকলক অধৰ্মৰ ফাল লোৱা বাবে সমালোচনা কৰো। শ্ৰীকৃষ্ণই গীতাত কোৱাৰ দৰে অধৰ্মৰ সংগ লোৱা এই বীৰসকলৰ মৃত্যু অনিবাৰ্য আছিল। ভাবিব গ'লে এই সকল মহাৰথী নিজ নিজ ন্যায় ধৰ্মৰ বান্ধোনত বান্ধ খাই আছিল। ভীষ্মৰ নিজৰ বচন ধৰ্ম, কৰ্ণৰ বন্ধু-ধৰ্ম, দ্ৰোণাচাৰ্যৰ পুত্ৰ মোহ ধৰ্ম ইত্যাদি। আজি আমাৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও ন্যায়-অন্যায় বাছ-বিচাৰ কৰোতে নিজ ধৰ্মৰ প্ৰভাৱত প্ৰভাৱিত হ'বলৈ বাধ্য হৈছে। ইউক্ৰেইন আৰু ৰুছৰ বিধ্বংসীকাৰী যুঁজত অন্যায়ৰ পক্ষত থকা ৰুছৰ লগত যে প্ৰকাৰান্তৰে ভাৰতবৰ্ষই সহায় কৰিছে তাক বুজিবলৈ বাকী নাই।

নৰেন্দ্ৰ মোদী দুটা ধৰ্মৰ প্ৰভাৱত আৱদ্ধ হৈছে। এটা ৰুছৰ লগত থকা 'বন্ধু ধৰ্ম' আৰু আনটো নিজ ৰাষ্ট্ৰহিত ধৰ্ম। বৰ্তমান চলি থকা ইউক্ৰেইন আৰু ৰুছৰ যুদ্ধৰ বাবে পৃথিৱীৰ প্ৰায়বোৰ দেশত খাৰুৱা তেলৰ ৰপ্তানিত কু-প্ৰভাৱ পৰিছে আৰু তেলৰ নাটনি হৈ ডিজেল-পেট্ৰ'লিয়াম সামগ্ৰীৰ জুই ছাই দাম বৃদ্ধি পাইছে। শ্ৰীলংকাত তেলৰ নাটনিৰ বাবে দেশ অচল হৈ পৰিছে। এনে পৰিস্থিতিত আমাৰ দেশৰ প্ৰধানমন্ত্ৰীৰ আমাৰ দেশৰ পুৰণি বন্ধু-ৰাষ্ট্ৰ ৰুছৰ পৰা খাৰুৱা তেল কিনাৰ সিদ্ধান্তক নিজ দেশৰ মানুহক সকাহ দি ৰাষ্ট্ৰধৰ্মক পালন কৰা বুজাইছে। এই প্ৰেক্ষাপটত মহাভাৰতৰ সাৰাংশত প্ৰধানমন্ত্ৰীৰ সিদ্ধান্ত ভীষ্ম, কৰ্ণসকলৰ নিজ ধৰ্ম পালনৰ লগত ৰিজাব নোৱাৰি নে?

মহাভাৰতৰ শকুনিৰ চৰিত্ৰটোক লৈ মানুহৰ মাজত বহুত উৎসাহ আৰু সন্দেহৰ অন্ত নাই। আচলতে শকুনি কৌৰৱৰ পক্ষত আছিল নে বিপক্ষে আছিল সেয়া বিচাৰ্যৰ বিষয়। পুৰণি অপমানৰ পোতক তুলিবলৈ কৌৰৱৰ লগত শাৰীৰিকভাৱে থাকি মানসিকভাৱে পাণ্ডৱকহে সহায় কৰিছিল। কুৰু বংশ ধ্বংস কৰাৰ প্ৰতিজ্ঞা কৰা শকুনিতকৈও বেছি ধুৰন্ধৰ আজিৰ ৰুছ-ইউক্ৰেইন যুদ্ধৰ পৰিপ্ৰেক্ষিতত আমেৰিকা। আমেৰিকা আৰু ব্ৰিটেইনে নিজে শাৰীৰিকভাৱে নিজৰ সৈনিক নিদি অস্ত্ৰ-শস্ত্ৰৰে ইউক্ৰেইনক সহায় কৰি যুদ্ধ আজিলৈকে চলাই যোৱাটো ৰহস্যময়। এনে লাগে আমেৰিকাই ইউক্ৰেইনক সহায় আৰু উৎসাহ দি থকাৰ পণ কৰিছে, যেতিয়ালৈকে পৰম পৰাক্ৰমী ৰুছে ইউক্ৰেইনৰ সকলো বৃহৎ বৃহৎ সম্পত্তি আৰু দেশখনৰ জন-ধনৰ ধ্বংস কৰি অন্তিম ক্ষণলৈ লৈ নাহে। লগতে যুদ্ধত অৱতীৰ্ণ হোৱা এই দুই দেশৰ অৱক্ষয় যেন আমেৰিকাৰ ইপ্সিত সুপ্ত কামনা। আজিৰ দিনত সামৰিক যুদ্ধত কোনো পক্ষই নিজিকে বা নাহাৰে। দুয়ো পক্ষৰ ক্ষতিহে হয়, কাৰোবাৰ বিস্তৰ, কাৰোবাৰ কম। আমেৰিকাই আচলতে ইউক্ৰেইনৰ লগত শাৰীৰিক আৰু মানসিক দুয়োভাৱেই নাই। শকুনিয়ে অন্ততঃ কৌৰৱক ধ্বংস কৰিলেও নিজে শাৰীৰিকভাৱে থাকি কৌৰৱৰ বাবে মৃত্যু বৰণ কৰিছিল।

মহাভাৰতৰ চৰিত্ৰসমূহৰ সত্য-অসত্য বিচাৰ সহজ নহয়। বিদুৰৰ নিৰপেক্ষতাক লৈও প্ৰশ্নৰ অৱতাৰণা হয়। ধৰ্ম-অধৰ্মৰ বিচাৰত কেৱল পক্ষ-বিপক্ষ হ'ব পাৰে, নিৰপেক্ষ হ'ব পাৰে জানো? নিৰপেক্ষতাই প্ৰকাৰান্তৰে পক্ষৰ বিপৰীতে হোৱা নুবুজায় নে?

অভিমত

**ডাঃ শংকৰ কুমাৰ দাস**

# অনিশ্চয়তাৰ গহ্বৰত মহাবিদ্যালয়ৰ সহ-অধ্যাপক নিযুক্তি

**বছৰৰ** পাছত বছৰ ধৰি অসমৰ মহাবিদ্যালয়সমূহত বিভিন্ন বিষয়ৰ সহকাৰী অধ্যাপকৰ পদ খালী হৈ আছে। আগৰ চৰকাৰবিলাকে এই ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদান নকৰাৰ বাবে উচ্চ শিক্ষা লাভ কৰিবলৈ যোৱা ছাত্ৰী-ছাত্ৰীসকলে উচিত শিক্ষাৰ পৰা বঞ্চিত হৈ আছিল।

এইবাৰৰ চৰকাৰে খালী হৈ থকা পদসমূহ পূৰণ কৰিবলৈ তৎপৰতাৰে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিলে। এই পদক্ষেপ অসমৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ বাবে উল্লেখযোগ্য কথা। ইয়াৰ বাবে বৰ্তমানৰ চৰকাৰ ধন্যবাদৰ যোগ্য।

ইয়াৰ বাবে উচ্চ শিক্ষা সঞ্চালকালয়ৰ তত্ত্বাৱধানত বিশেষজ্ঞ শিক্ষাবিদৰ জৰিয়তে পূৰ্বৰ যোগ্যতা নিৰূপণ অধিসূচনা কিছু সাল-সলনি কৰি নতুন অধিসূচনা জাৰি কৰি সকলো মহাবিদ্যালয়ৰ খালী পদবোৰ পূৰণ কৰিবলৈ বিজ্ঞাপনৰ মাধ্যমেৰে আবেদন গ্ৰহণ কৰি সাক্ষাৎকাৰৰ জৰিয়তে প্ৰাৰ্থী-বাছনি কৰি অনুমোদনৰ বাবে উচ্চ শিক্ষা সঞ্চালকাললৈ প্ৰেৰণ কৰিবলৈ জাননী জাৰি কৰা হ'ল। সেই অনুসৰি প্ৰায় নব্বৈ শতাংশ মহাবিদ্যালয়ে সাক্ষাৎকাৰৰ মাধ্যমেৰে প্ৰাৰ্থী বাছনি কাৰ্য সম্পন্ন কৰিলে।

তাৰ মাজতে কেইজনমান প্ৰাৰ্থীয়ে অসম চৰকাৰে জাৰি কৰা যোগ্যতা নিৰূপক অধিসূচনাখন বিশ্ববিদ্যালয় অনুদান আয়োগে নিৰ্ধাৰণ কৰি দিয়া মতে হোৱা নাই বুলি গুৱাহাটী উচ্চ ন্যায়ালয়ত সেইখনৰ বিৰুদ্ধে আবেদন দাখিল কৰাত উচ্চ ন্যায়ালয়ে শুনানি গ্ৰহণ কৰি কি নিৰ্দেশ দিলে সেই কথা সৰ্বসাধাৰণ মানুহে বুজি নাপালে। তাৰ পাছতো বিজ্ঞাপন সাক্ষাৎকাৰ চলিয়ে থাকিল। এতিয়া শুনিব পাইছো যে মহাবিদ্যালয়সমূহে প্ৰাৰ্থী বাছনি কৰি পঠিয়ালেও গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰায়দান নকৰাৰ লৈ সহকাৰী অধ্যাপক নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ থাকিব।

এতিয়া প্ৰশ্ন হৈছে—

১। অসম চৰকাৰৰ শিক্ষা বিশেষজ্ঞসকলে নিৰ্ধাৰণ কৰি দিয়া যোগ্যতাসমূহ বি বি অ' আয়োগে নিৰ্ধাৰণ কৰা মতে হৈছে নে নাই?

২। সাংবিধানিকভাৱে ৰাজ্য চৰকাৰসমূহে শিক্ষাৰ ক্ষেত্ৰত নিজস্ব নীতি প্ৰয়োগ কৰিব পাৰে নে নোৱাৰে?

৩। যদি বি বি অ' আয়োগৰ নীতি আখৰে আখৰে পালন কৰিব লাগে বিশেষজ্ঞসকলে সেইটো কিয় পালন নকৰিলে? আমি সকলোৱে জানো যে ভাৰতীয় ন্যায় ব্যৱস্থাৰ গতি একেবাৰে শামুকীয়া, এনে ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰায় দিওঁতে যদি বছৰো পাৰ হৈ যায় তেতিয়ালৈকে নিযুক্তি বন্ধ হৈ থাকিব নেকি?

দুই ম'হৰ যুঁজত বিৰিণাৰ মৰণৰ দৰে ইয়াৰ বাবে দুৰ্গতি ভোগ কৰিব মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীসকলে।

**ভাৰতী দাস চৰকাৰ**
পশ্চিম বৰাগাঁও, গুৱাহাটী

# শিৰোনামাত আকৌ কা

**যোৱা** ন মে'ৰ 'দৈনিক অগ্ৰদূত'ত প্ৰকাশিত শিৰোনামাত আকৌ 'কা' শীৰ্ষক নিবন্ধটোৰ নিবন্ধকাৰ সম্পাদক প্ৰাঞ্জলসেন ডেকাই বিতৰ্কিত সংশোধিত নাগৰিকত্ব আইন (কা)ৰ সংক্ৰান্তত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে 'কা' বলৱৎ হ'ব বুলি মন্তব্য আগবঢ়োৱাৰ লগে লগে বিভিন্ন দল, সংগঠনে আৰু ব্যক্তি বিশেষৰ প্ৰতিক্ৰিয়া দেখি মনত ক্ৰিয়া কৰা ভাৱনা সুন্দৰ আৰু মাৰ্জিত ভাষাৰে উপস্থাপন কৰিছে। এই নিবন্ধটোৰ আঁত ধৰি মোৰ মনৰ ভাৱ প্ৰকাশ কৰিলো।

ভাৰতীয় সংবিধান ৰূপায়ণৰ সময়ত নাগৰিকসকলৰ সুৰক্ষা প্ৰদান কৰাৰ অৰ্থে ১৯৫৫ত নাগৰিকত্ব আইন প্ৰণয়ন কৰা হৈছিল। ২০১৯ৰ পূৰ্বেও প্ৰয়োজন সাপেক্ষে নাগৰিকত্ব আইন, ১৯৫৫, আঠবাৰ সংশোধন কৰা হৈছিল।

২০১৯ত নৰমবাৰৰ বাবে নাগৰিকত্ব সংশোধনী আইনৰ সংশোধনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি শাসকীয় বিজেপি চৰকাৰে নাগৰিকত্ব সংশোধনী বিধেয়ক, ২০১৯ লোকসভাত উপস্থাপন কৰে। বিৰোধীৰ বিৰোধ সত্ত্বেও শাসকীয় দলৰ সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত নাগৰিকত্ব সংশোধনী বিধেয়কখন গৃহীত কৰা হয় আৰু ৰাজ্যসভালৈ প্ৰেৰণৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰা হয়। বিভিন্ন দল, সংগঠনে নাগৰিকত্ব সংশোধনী বিধেয়ক-২০১৯ৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিলে আৰু ৰাজ্যসভাৰ সাংসদসকলক এই বিধেয়কখনৰ বিৰুদ্ধে ভোট প্ৰদান কৰিবলৈ আহ্বান জনায়; কিন্তু সকলো বাধ্য-বাধকতা নেওচি সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত ৰাজ্যসভাতো নাগৰিকত্ব সংশোধনী বিধেয়ক-২০১৯ গৃহীত কৰা হয় আৰু ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ বাবে প্ৰেৰণ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। ৰাষ্ট্ৰপতিয়ে নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৯ত স্বাক্ষৰ কৰাৰ লগে লগে নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৯, নাগৰিকত্ব সংশোধনী আইন-২০১৯ ৰূপান্তৰিত হ'ল। পুনৰ নাগৰিকত্ব সংশোধনী আইন-২০১৯ বাতিল কৰিবলৈ আন্দোলন কৰিলে। বিভিন্ন দল, সংগঠনে নাগৰিকত্ব সংশোধনী আইন-২০১৯ বাতিলৰ বাবে আৰু এই আইন প্ৰয়োগৰ স্থগিতাদেশ জাৰি কৰিবলৈ উচ্চ ন্যায়ালয়ত আবেদন জনালে। এই আবেদনসমূহ এতিয়াও ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে।

শাসকীয় বিজেপি চৰকাৰে মত পোষণ কৰিছে যে এই আইনখনে ভাৰতবৰ্ষ, বাংলাদেশ, পাকিস্তান আৰু আফগানিস্তানৰ পৰা ধৰ্মীয় নিৰ্যাতনৰ বলি হৈ অহা হিন্দু শৰণাৰ্থীসকল যিসকল বছৰ বছৰ ধৰি ইয়াত বাস কৰি আছে, সেইসকলে নাগৰিকত্ব লাভ কৰিব।

নাগৰিকত্ব সংশোধনী আইন- ২০১৯ উচ্চ ন্যায়ালয়ে বাতিল কৰিব পাৰিবনে? এনে ধৰণৰ প্ৰশ্নই মানুহক ভাৰাক্ৰান্ত কৰি তুলিছে। অপেক্ষা কৰোতে কৰোতে তিনি বছৰ উকলি গ'ল। উচ্চ ন্যায়ালয়ে স্থগিতাদেশ জাৰি নকৰিলে। কেন্দ্ৰীয় চৰকাৰেও নাগৰিকত্ব সংশোধনী আইন-২০১৯ এতিয়ালৈ ৰূপায়ণ কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। আনকি এই আইনখন বলৱৎ কৰাৰ বাবে প্ৰয়োজনীয় বিধিসমূহ প্ৰস্তুত কৰাও পৰিলক্ষিত হোৱা নাই। মাজে-সময়ে দুই-এজন বিজেপি নেতাই ভাষণত মানুহক উত্তেজিত কৰিবৰ বাবে নাগৰিকত্ব সংশোধনী আইন-২০১৯ অচিৰে বলৱৎ কৰা হ'ব বুলি কয়। তাৰ পাছত আকৌ মৌনতা অৱলম্বন কৰে। এই নেতাসকলৰ ভাষণ শুনি আন এক শ্ৰেণীৰ নেতাই প্ৰচাৰ মাধ্যমৰ জৰিয়তে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি সক্ৰিয় হৈ থকাৰ ইমান দিব বিচাৰে। যিহেতু গোটেই বিষয়টো ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে, তেনে ক্ষেত্ৰত প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ প্ৰয়োজনীয়তা আছে বুলি ভবাৰ স্থল নাই। ন্যায়ালয়ৰ ৰায়লৈ অপেক্ষা কৰিব লাগিব।

মোৰ বোধেৰে নাগৰিকত্ব সংশোধনী আইন-২০১৯ উচ্চ ন্যায়ালয়ে বাতিল কৰিব নোৱাৰে। যদি ন্যায়ালয়ৰ দৃষ্টিত অসাংবিধানিক বা দেশৰ কল্যাণৰ পৰিপন্থী, তেনেহ'লে ন্যায়ালয়ে পুনৰ বিবেচনাৰ বাবে নিৰ্দেশ দিব পাৰে বা কেন্দ্ৰীয় চৰকাৰক সংশ্লিষ্ট বিষয়ৰ ওপৰত স্পষ্টীকৰণ দিবলৈ জাননী জাৰি কৰিব পাৰে। তাৰ উপৰি ন্যায়ালয়ে সিদ্ধান্ত নোহোৱালৈকে এই আইনখন প্ৰয়োগ নকৰিবলৈ বা প্ৰযোজ্য কৰাত স্থগিতাদেশ জাৰি কৰিব পাৰে। দ্বিতীয়তে অসমত নাগৰিকত্ব সংশোধনী আইন, ২০১৯ বলৱৎ কৰাত বাধাৰ সন্মুখীন হ'ব লাগিব। এক কথাত ক'বলৈ হ'লে অসমত এই আইন প্ৰয়োগ কৰিব নোৱাৰে। এই আইনখন বলৱৎ কৰাৰ বাবে প্ৰয়োজনীয় বিধি প্ৰস্তুত কৰোতে সকলো দিশ চালি-জাৰি চাব লাগিব। এই আইনখন অসমত প্ৰয়োগ কৰাৰ প্ৰথম অন্তৰায় হ'ব ১৯৮৫ত সম্পাদিত অসম চুক্তি আৰু দ্বিতীয় অন্তৰায় হ'ব এনআৰচি (ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী)।

এই দুয়োটা বিষয় নিষ্পত্তি নকৰালৈকে অসমত নাগৰিকত্ব সংশোধনী আইন-২০১৯ প্ৰয়োগ কৰিব নোৱাৰে। গতিকে অসমৰ জনসাধাৰণে নাগৰিকত্ব সংশোধনী আইন-২০১৯ৰ পৰিৱৰ্তে অসম চুক্তি ৰূপায়ণ আৰু এনআৰচিৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগিব।

**জ্যোতিষ চন্দ্ৰ দত্ত**
ফোন ঃ ৯৮৫৪০-৪১৮১৫

# জনপ্ৰিয়তাৰ শীৰ্ষত এটি গীত
# মানে নো কি

**বিহুৰ** বতৰত এইবাৰ জনপ্ৰিয়তাৰ শীৰ্ষত খলকনি তোলা গীতটিয়ে হ'ল— মানে নো কি। সংগীতপ্ৰেমীসকলে একেষাৰেই ক'ব পাৰিব যে বাৰে বাৰে শুনিও আমনি নলগা দৈত কণ্ঠৰ এইটো এটা সুৰীয়া মিঠা গীত। গীতটো জনপ্ৰিয় হোৱাৰ মূলতে গীতটিত কণ্ঠদান কৰা দুয়োগৰাকী শিল্পীৰ শব্দৰ শুদ্ধ উচ্চাৰণ অতিশয় স্পষ্ট আৰু শ্ৰুতিমধুৰ। প্ৰাণঢালি কণ্ঠদান কৰা গীতটিয়ে যেন শ্ৰোতাৰ মনৰ স'তে সংপৃক্ত হৈ সুৰৰ মায়াজাল ৰচিছে। অতি কম সময়ৰ ভিতৰত এটা অসমীয়া গীতে শত সহস্ৰাধিক জনসাধাৰণৰ আদৰ বুটলিবলৈ সক্ষম হোৱাটো সঁচাকৈয়ে প্ৰশংসনীয়। সংগীতৰ বাবে গভীৰ সাধনাৰ প্ৰয়োজন। কিছুদিনৰ পৰা অসমীয়া সংগীতৰ একঘেয়ামী ধাৰাই শ্ৰোতাৰ মনত অনীহা জন্মাইছিল। কিছুমান গীতৰ সুৰ আৰু শব্দৰ বিসংগতি এনে পৰ্যায় অতিক্ৰম কৰিছিল যে পৰিয়ালৰ লোকসকলৰ স'তে একেলগে বহি গীত শুনিবলৈও অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। যথেষ্ট সময়ৰ ব্যৱধানত এটি ব্যতিক্ৰমী সুৰীয়া গীতৰ কথাংশৰ লগতে সুললিত সুৰে গৰিষ্ঠ সংখ্যক দৰ্শক-শ্ৰোতাক সংগীতৰ নতুন স্বাদ দিবলৈ সক্ষম হ'ল। সৌন্দৰ্য পিপাসু সৃষ্টিশীল মনবোৰে নতুনত্বৰ সন্ধানত পৃথিৱীৰ ইমূৰৰ পৰা সিমূৰলৈ ঢপলিয়াই ফুৰে। ঠিক সেইদৰেই অসম সন্তান পাপনৰ ঐকান্তিক প্ৰচেষ্টাৰ ফলত দ্বৈত কণ্ঠত প্ৰাণ পাই উঠা এটি সুমধুৰ সংগীতৰ সোৱাদে সংগীতপ্ৰেমীসকলৰ মাজত এইবাৰ নতুনকৈ আনন্দৰ জোৱাৰ তুলিলে। ক'বলৈ গ'লে বিহুৰ বতৰত পাপনে অসমবাসীলৈ আগবঢ়োৱা এয়া এক অমূল্য উপহাৰ। এই কথা সৰ্বজনবিদিত যে শাস্ত্ৰীয় সংগীতৰ আধাৰত মধুৰ তাল-লয়েৰে প্ৰাণ পাই উঠা পাপনৰ কণ্ঠত এক অদ্ভুত যাদুকৰী সম্মোহনী শক্তি আছে। প্ৰায়ভাগ জনপ্ৰিয় গীততে হৃদয়ৰ সমস্ত আৱেগ ঢালি সুৰ নিগৰোৱা এইজনা শ

দৈনিক অগ্ৰদূত
গুৱাহাটী ১৯ মে' বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ৫

সময়ৰ আহ্বান

# ভূমি পুনৰ্জন্ম প্ৰযুক্তি আৰু সেউজকৰণ

যিকোনো সম্প্ৰদায় আৰ্থিকভাৱে স্বাধীনভাৱে আগবাঢ়ি যাব পাৰে আৰু উন্নত স্বাস্থ্য আৰু শিক্ষাৰ ধাৰা অব্যাহত ৰাখে। পুনৰুজ্জীৱিত ভূমিয়ে যি দৰে বৰষুণৰ পৰিমাণ বৃদ্ধি কৰি নিজৰ উজ্জীৱিত অৱস্থা বাহাল ৰাখে পুনৰুজ্জীৱিত স্থানীয় সম্প্ৰদায় সমূহেও সেইদৰে জ্ঞান আৰু সম্পদ আহৰণৰ দ্বাৰা নিজকে সদায় প্ৰগতিশীল কৰি ৰাখিব পাৰে

**বৰষুণৰ** পানী আৰু প্ৰাকৃতিক সম্পদসমূহক সঠিকভাৱে ব্যৱহাৰ কৰি মানুহে পৃথিৱীখনক শীতল কৰি ৰাখিব পাৰে, অনুৰ্বৰ ভূমিক পুনৰ জীৱন দান দিব পাৰে আৰু এই প্ৰক্ৰিয়াৰ দ্বাৰা দৰিদ্ৰ সম্প্ৰদায়সমূহকো পুনৰুজ্জীৱিত কৰি তোলা সম্ভৱ। ইউৰোপৰ এটা এনজিঅ' সম্প্ৰতি এনেবোৰ প্ৰকল্পত ব্যস্ত আৰু এই সংস্থাই কৰা কাৰ্যসমূহ অতি অনুপ্ৰেৰণামূলক।

সংস্থাটোৱে ক্ষয়প্ৰাপ্ত হোৱা ভূমিত নতুন জীৱন সঞ্চাৰ কৰিবলৈ প্ৰয়াস কৰি আহিছে। স্থানীয় সম্প্ৰদায়সমূহৰ স'তে মিলি তেওঁলোকে এটা তৃণমূল পদ্ধতি অৱলম্বন কৰে আৰু পৰৱৰ্তী সময়ত এই সম্প্ৰদায়সমূহক ভূমিৰ মালিকানা গ্ৰহণ কৰি ভূমি পুনৰ্জন্ম প্ৰকল্পসমূহ আগুৱাই নিবলৈ প্ৰেৰণা যোগায়। তেওঁলোকে ব্যৱহাৰ কৰা কৌশলবোৰ সহজ কিন্তু অতিশয় কাৰ্যকৰী। এই পদ্ধতিবোৰ এনে ধৰণে ভাৰি উলিওৱা হৈছে যে কেৱল ভূমিখণ্ডৰ স্বাস্থ্যৰ উন্নতিয়েই নহয় সিহঁতে আঞ্চলিক জলবায়ুকো শীতল কৰি ৰাখে। স্বাভাৱিকতে এনে কাৰ্যসমূহে পৰিৱেশ আৰু জৈৱ বৈচিত্ৰ্যত সহায় কৰাৰ লগতে স্থানীয় সম্প্ৰদায়ৰ অৰ্থনৈতিক আৰু সামাজিক সুস্থতাৰ উন্নয়নতো অৰিহণা যোগাইছে।

এনজিঅ'টোৱে কেনিয়াৰ স্থানীয় লোকসকলক অনুৰ্বৰ পথাৰ সমূহত কিছুমান অৰ্ধচন্দ্ৰাকৃতিৰ গাঁত বা বান্ধ খান্দিবলৈ শিকাইছে। ইয়াৰ ফলত মাটিয়ে বৰষুণৰ পানী সহজে শোষণ কৰি উৰ্বৰতা অৰ্জন কৰে। ভাবিলে আচৰিত লাগে যে মাটিত কেৱল গাঁত খান্দিয়েই অনুৰ্বৰ ভূমিখণ্ডৰ এক বিশাল অঞ্চল সম্পূৰ্ণভাৱে উজ্জীৱিত কৰা সম্ভৱ হৈ উঠিছে। অৱশ্যে এয়া সদায়েই ইমান সহজ নহয়। এই মূহূৰ্তত তেওঁলোকে হাতত লোৱা আটাইতকৈ ডাঙৰ প্ৰকল্পটো হ'ল জলবায়ুৰ সমস্যা। যিবোৰ ঠাই বা অঞ্চলত ভূমি শুকাই গৈছে সেইবোৰ অঞ্চলৰ ভূমি উজ্জীৱিত কৰি জলবায়ু সলনি কৰা হয়। ভূমি উজ্জীৱনৰ ফলত গছ-গছনি বৃদ্ধি হয় আৰু এই গছ-গছনিৰ বৃদ্ধিয়ে অধিক বৰষুণৰ সৃষ্টি কৰে। বৰ্ধিত বৃষ্টিপাতে আঞ্চলিক তাপমাত্ৰা হ্ৰাস কৰাৰ লগতে খৰাং বতৰ কমায় আৰু মৰুভূমিৰ সংকোচন কৰে। এইদৰেই সমগ্ৰ পৃথিৱীত ধীৰে ধীৰে উষ্ণতা হ্ৰাস পাব।

কেনিয়া, টাঞ্জানিয়া আদি দেশৰ বেছিভাগ অঞ্চলৰ অনুৰ্বৰ আৰু ক্ষয়প্ৰাপ্ত ভূমিত বছৰি যথেষ্ট পৰিমাণে বৰষুণ হয় কিন্তু মাটিৰ উপৰিভাগ শুকান আৰু অভেদ্য হোৱা বাবে বেছিভাগ পানী মাটিৰ ভিতৰলৈ প্ৰৱেশ নকৰি বৈ যায়। বৰষুণ বেছি হলে মাটিৰ ওপৰৰ স্তৰ ক্ষয় হৈ উৰ্বৰতা হ্ৰাস পায়। ভূমিখণ্ডৰ নামনিৰ ফালে বানপানীৰো সৃষ্টি হ'ব পাৰে। সেয়েহে বৰষুণ হোৱা সত্বেও এনে কঠিন ভূমি তৃষ্ণাতুৰ হৈ ৰয়। প্ৰাকৃতিক বৰষুণৰ পানী সংগ্ৰহ, ভূমি সংৰক্ষণ আৰু পুনৰ সেউজকৰণ পদ্ধতি প্ৰয়োগেৰে সংস্থাটোৱে ভূমিৰ উন্নতি সাধনৰ লগতে ক্ষয়প্ৰাপ্ত লেণ্ডস্কেপসমূহ গছ-গছনিৰে ভৰাই তুলিব পাৰিছে। কি উপায় বা পদ্ধতিৰে এই কামসমূহ কৰিব পাৰি সেই কথা তেওঁলোকে কাম কৰি থকা অঞ্চলবোৰৰ ওপৰত নিৰ্ভৰ কৰে কিন্তু ভূমিৰ পুনৰ্জন্ম ঘটাব পৰা কিছু কাৰ্যপ্ৰণালী তলত উল্লেখ কৰা ধৰণৰঃ

(১) মাটিয়ে পানী ধৰি ৰাখিব পৰা যি কোনো প্ৰাকৃতিক কৌশল স্থানীয় অঞ্চলত ব্যৱহাৰ কৰা হয়। ইয়াৰ দ্বাৰা ভূমিক্ষয় ৰোধ হয় আৰু গছ-গছনিও বৃদ্ধি পায়।

(২) কৃষি বনায়ন আৰু উন্নত কৃষিৰ সৈতে বৃক্ষৰোপণ কাৰ্যও সমানে আৱশ্যক। এনে ধৰণৰ বনানিকৰণে বিভিন্ন প্ৰজাতিৰ প্ৰাণী আকৰ্ষণ কৰে আৰু ইয়াৰ ফলত জৈৱবৈচিত্ৰ্য বৃদ্ধি পায়।

(৩) বাঢ়ি অহা গছ-গছনিবোৰে বতাহ লৈ অধিক আৰ্দ্ৰতা আনে। এই আৰ্দ্ৰতাই মেঘ সৃষ্টি কৰা বাবে বৰষুণৰ পৰিমাণো বৃদ্ধি হয়।

(৪) নতুনকৈ গজালি মেলা শিপাসমূহে মাটিক অধিক ছিদ্ৰযুক্ত কৰি তোলা বাবে বৰষুণৰ পানীও অভ্যন্তৰলৈ প্ৰৱেশ কৰিব পাৰে। এইদৰে গছ-গছনিৰ সংখ্যা চতুৰ্দিশে বৃদ্ধি হয়।

(৫) গছ-গছনিৰ বৃদ্ধিৰ লগে লগে ভূমি পুনৰুদ্ধাৰৰ সমস্ত চক্ৰটো চলি থাকে। এটা বিস্তীৰ্ণ অঞ্চলত মাটিৰ গুণগত মান বৃদ্ধিৰ বাবে অধিক গছ-গছনিৰ সৃষ্টি হয়; এই গছ-গছনিয়ে অধিক বৰষুণ আনে আৰু বৰষুণে অধিক গছ-গছনিৰ সমৃদ্ধি কৰে। এইদৰেই গোটেই অঞ্চলটো অকস্মাতে প্ৰাণৱন্ত হৈ পৰে। সাধাৰণ দুই এটা পদ্ধতি অৱলম্বনেৰে এইদৰে এটা সুন্দৰ, প্ৰাকৃতিক আৰু বহনক্ষম বাসস্থান পুনৰুদ্ধাৰ কৰিব পাৰি।

এনেধৰণৰ কামসমূহ এক বৃহৎ মাপত কৰি সেইবোৰক 'হাইড্ৰ'লিক কৰিডৰ' নাম দিয়া হয়। হাইড্ৰ'লিক কৰিড'ৰসমূহ পুনৰুদ্ধাৰকৃত ভূমিৰ এক বিস্তীৰ্ণ অঞ্চল। কৌশলগতভাৱে নিৰ্বাচিত কৰা স্থান সমূহত আঁচনি বাস্তবায়ন কৰিব পাৰিলে হাইড্ৰ'লিক কৰিডৰবোৰে আঞ্চলিক জলবায়ু শীতল কৰি গোলকীয় জলবায়ুত প্ৰভাৱ পেলাব পাৰে। অৱশ্যে ভূমি পুনৰ্জন্ম বা জলবায়ু শীতলীকৰণ ধৰণৰ কাৰ্য স্থানীয় সম্প্ৰদায়সমূহৰ সহযোগতহে সহজ হৈ উঠে। কোনো নিৰ্দিষ্ট অঞ্চলত হস্তক্ষেপ কৰিবলৈ চেষ্টা কৰাৰ আগেয়ে স্থানীয় সম্প্ৰদায়ৰ স'তে ঘনিষ্ঠতাৰে কাম কৰিবলৈ শিকা, সামাজিক পৰিস্থিতি আৰু মাটিৰ ব্যৱহাৰৰ লগতে জলবায়ু তথা মাটিৰ অৱস্থা বিবেচনা কৰিবলৈ শিকা অতি আৱশ্যক। সম্প্ৰদায়সমূহৰ সামাজিক আৰু অৰ্থনৈতিক আৰু পৰিৱেশগত অৱস্থালৈ বহনক্ষম উন্নতি আনিব পৰাটোহে হৈছে প্ৰকৃত উদ্দেশ্য। ইয়েই সম্প্ৰদায়সমূহক সকলো ধৰণৰ দীৰ্ঘম্যাদী ব্যৱস্থা গ্ৰহণ কৰিবলৈ শিকাব।

কেনিয়াৰ 'ওল-গুলুলুই' গোষ্ঠীৰে মাচাই পশুপালক সম্প্ৰদায়সকলৰ আৱাসস্থল। উৎকট গৰম আৰু পশুৰ চৰণীয়া পথাৰৰ বাবে এই অঞ্চলৰ ভূমি ক্ষতিগ্ৰস্ত হৈছে। 'আফ্ৰিকান কনঞ্জাৰভেছন চেন্টাৰ', 'এম্বোচেলি ইকোচিষ্টেম ট্ৰাষ্ট' আৰু স্থানীয় সম্প্ৰদায়ৰ স'তে মিলি এনজিঅ'টোৱে নষ্ট হোৱা ভূমি পুনৰুদ্ধাৰেৰে স্থানীয় মাচাই সকলৰ জীৱিকা উন্নত কৰিবলৈ এখন আঁচনি তৈয়াৰ কৰিছে। 'ওলোপোলোলি' ভূমিৰ ব্যৱহাৰ মাচাই সকলে পশু চৰাবলৈ ব্যৱহাৰ কৰা এটা পুৰণি কৌশল। এসময়ত মাচাইসকল অঘৰী থাকোতে বেছি ঘাঁহ-বন গজা অঞ্চলবোৰ বেৰ দি ঘেৰি লৈছিল আৰু সেইবোৰত কেৱল পোৱালি আৰু বেছি দুৰ্বলে যাব নোৱাৰা দুৰ্বল পশুবোৰকহে মাজে মাজে চৰিবলৈ দিয়া হৈছিল। এটা স্থানতে বসতি স্থাপন কৰাৰ পিছত মাচাইসকলে এই কৌশল পাহৰি পেলায়। মাচাই সম্প্ৰদায়ৰ লোকসকলক ওলোপোলোলি ভূমিৰ ব্যৱহাৰ পুনৰ আদৰি ল'বলৈ সৈমান কৰোৱা হৈছে, কাৰণ এনেভাৱে সংৰক্ষণ কৰা ঘাঁহনিয়ে তেওঁলোকৰ ভূমি পুনৰুদ্ধাৰত সহায় কৰিব। ওলোপোলোলি 'প্লট' বা খণ্ডসমূহ তৈয়াৰ কৰি সেইবোৰ অঞ্চলত গৰু-ম'হ ইত্যাদি এটা নিৰ্দিষ্ট সময়ৰ বাবে চৰিবলৈ এৰা হয়। এই অঞ্চলসমূহত ভূমি পুনৰুদ্ধাৰৰ সকলো ব্যৱস্থা অৱলম্বন কৰি আৰু পশুসমূহৰ চৰণীয়া কাৰ্য সীমিত কৰি গছ-গছনিৰ পুনৰুদ্ধাৰ সম্ভৱ হৈ পৰিছে। শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰা স্থানীয় লোকসকলৰ মাজৰ পৰা পাতি দিয়া গ্ৰেজিং সমিতিয়ে পশুসমূহক কি কৌশলেৰে বা কেনেদৰে চৰাব লাগে তাৰে ব্যৱস্থাপনা কৰি গছ-গছনি বা প্ৰাকৃতিক সম্পদ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখে।

বনজ সম্পদৰ অধিক শ্ৰীবৃদ্ধিৰ বাবে মাটিত অৰ্ধ চন্দ্ৰাকৃতিৰ এলানি গাঁত খননেৰে বৰষুণৰ পানী ধৰি ৰখা হয়। এই বৰষুণৰ পানীয়ে মাটিৰ উৰ্বৰতা বৃদ্ধি কৰি ভূমি ক্ষয় ৰোধ কৰে। ভূমিৰ আৰ্দ্ৰতা বঢ়াৰ লগে লগে প্ৰাকৃতিকভাৱে গছ-গছনিসমূহৰ পুনৰুদ্ধাৰ হয়। এইটো অতি বিস্ময়কৰ যে কেৱল পশুপালন পৰিচালনা আৰু মাটিত কিছু গাঁত খননৰ দ্বাৰা কেনিয়াত হেজাৰ হেজাৰ হেক্টৰ ভূমি পুনৰুৎপাদনৰ বাবে উপযোগী কৰি তোলা হৈছে।

টাঞ্জানিয়াৰ ডোডোমা অঞ্চলৰ স্থানীয় সম্প্ৰদায়সমূহে ক্ৰমবৰ্ধমান মৰুকৰণ, ভূমিৰ অৱক্ষয় আৰু জলবায়ু পৰিৱৰ্তনৰ মুখামুখি হৈ আহিছে। সম্প্ৰতি এই অঞ্চলত এনেবোৰ অৱস্থাই ভয়ানক ৰূপ লৈছে। কে'বাটাও এনজিঅ' মিলি স্থানীয় সম্প্ৰদায়ৰ সহযোগিতাত এই সমস্যাসমূহ সমাধান কৰিবলৈ কিছু কাৰ্যপন্থা হাতত লৈছে। এই কাৰ্যপন্থা কেনিয়াত লোৱা পদ্ধতিতকৈ কিছু বেলেগ। অকল গা-গছ কাটি পেলোৱা বৃক্ষসমূহৰ শিপাসমূহ অনেক সময়ত মাটিৰ উৰ্বৰ অংশলৈ দকৈ শিপায়। টাঞ্জানিয়াত এনে ধৰণৰ লাখ লাখ গা-গছ বিহীন কিন্তু জীৱন্ত গছৰ মূঢ়া দেখিবলৈ পোৱা যায়। সঠিক যত্ন ল'লে এই মূঢ়াবোৰ আকৌ জীৱন্ত গছলৈ পৰিৱৰ্তিত কৰা সম্ভৱ। কৃষক পৰিচালিত প্ৰাকৃতিক পুনৰ্জন্ম মূলতঃ নাইজাৰত অৱলম্বন কৰা এটা বৃক্ষ ব্যৱস্থাপনা কৌশল। টাঞ্জানিয়াত ইয়াক 'কিচিকি হাই' (গছৰ মূঢ়া) ৰূপে জনা যায়। এই কৌশলত গছৰ মূঢ়াবোৰ অতি সাৱধানতাৰে পৰিচালনা কৰা হয় যাতে তাৰ পৰা পূৰ্ণ আকাৰৰ গছ-গছনিৰ বিকাশ হ'ব পাৰে। এবাৰ গছবোৰ ডাঙৰ হ'বলৈ ধৰিলে গছে মাটিৰ ক্ষয় ৰোধ কৰে আৰু মাটিৰ উৰ্বৰতা বৃদ্ধিত সহায় কৰে। ফলত অনুৰ্বৰ ভূমিখণ্ডত স্বাভাৱিক বনানিকৰণ বৃদ্ধি পায়। এইদৰে গজি অহা গছ-গছনিৰ পৰা স্থানীয় সম্প্ৰদায়ে আহাৰ আৰু কাঠ, খৰি ইত্যাদি ইন্ধন আহৰণ কৰে। স্থানীয় বহুতো লোকে কিচিকি হাই কৰ্মপদ্ধতিত প্ৰশিক্ষণ লৈ কৃষকসকলক নিজৰ নিজৰ ফাৰ্মত গছ-গছনি গজাবলৈ শিকাইছে। ইয়াৰ ফলত পূৰ্বৰ শুকান মৰুভূমিবোৰ সেউজ অৰণ্যলৈ পৰিৱৰ্তিত হৈছে।

'কিচিকি হাই'ৰ উপৰি কৃষকসকলে 'ফানিয়া জিউ' আৰু 'ফানিয়া চিনি'ৰ দৰে অন্যান্য পদ্ধতিও আয়ত্ব কৰিছে। এইবোৰ পদ্ধতিত বৰষুণৰ পানী সৰ্বাধিকভাৱে কাৰ্যকৰী কৰিবলৈ খেতিৰ মাটিত বিভিন্ন আকৃতিৰ খাল খন্দা হয়। এইদৰে স্থানীয় সম্প্ৰদায়সমূহৰ সহযোগত পৰিৱেশ অনুযায়ী বিভিন্ন কৌশল অৱলম্বন সম্ভৱপৰ হৈ উঠিছে। এই সকলোবোৰ কাৰ্যপন্থাৰ উদ্দেশ্য হ'ল বিভিন্ন কৌশল বা পদ্ধতিৰ সৃষ্টি যিবোৰ পৃথিৱীৰ যিকোনো ঠাইতে অভিযোজন বা প্ৰয়োগ কৰিব পৰা যায়। এই পদ্ধতিসমূহৰ মাধ্যমেৰে জলবায়ু পৰিৱৰ্তনৰ দৰে বৈশ্বিক সমস্যাটোৰ সমাধান বিচাৰি পোৱা সহজ হৈ উঠিছে।

সুপৰিচালিত ভূমি উদ্ধাৰ প্ৰকল্পই ইয়াত জড়িত সম্প্ৰদায় সমূহক অনেক অৰ্থনৈতিক আৰু সামাজিক সুবিধা প্ৰদান কৰিছে। প্ৰকল্পসমূহে কৰ্মসংস্থান সৃষ্টি কৰি মানুহৰ আয় বৃদ্ধি কৰে আৰু ইয়াৰ ফলত সেই অঞ্চলসমূহত স্বাস্থ্য আৰু শিক্ষাৰ উন্নতি ঘটে।প্ৰকল্পবোৰে শেষ হোৱাৰ পাছত কৃষকসকলে খেতিৰ মাটি পৰিচালনা সম্বন্ধে সম্যক জ্ঞান লাভ কৰে আৰু পুনৰুদ্ধাৰ কৰা মাটিৰ পৰা তেওঁলোকে ফল-মূল, খৰি, পশুৰ খাদ্য, গছৰ গুটি ইত্যাদি পায়। এই সম্পদসমূহ ব্যৱহাৰ বা ব্যৱসায় বা বিক্ৰী কৰিব পৰা যায় আৰু তাৰ পৰা লাভ হোৱা অৰ্থৰ দ্বাৰা যিকোনো সম্প্ৰদায় আৰ্থিকভাৱে স্বাধীনভাৱে আগবাঢ়ি যাব পাৰে আৰু উন্নত স্বাস্থ্য আৰু শিক্ষাৰ ধাৰা অব্যাহত ৰাখে। পুনৰুজ্জীৱিত ভূমিয়ে যি দৰে বৰষুণৰ পৰিমাণ বৃদ্ধি কৰি নিজৰ উজ্জীৱিত অৱস্থা বাহাল ৰাখে পুনৰুজ্জীৱিত স্থানীয় সম্প্ৰদায় সমূহেও সেইদৰে জ্ঞান আৰু সম্পদ আহৰণৰ দ্বাৰা নিজকে সদায় প্ৰগতিশীল কৰি ৰাখিব পাৰে। বহনক্ষমতাৰ ই এক উৎকৃষ্ট নিদৰ্শন।

পূৰ্বে উল্লেখ কৰা মতে ক্ষয়প্ৰাপ্ত আৰু অনুৰ্বৰ ভূমিৰ পুনৰুৎপাদনৰ দ্বাৰা মাটিৰ স্বাস্থ্য ঘূৰি আহে আৰু ই গছ-গছনিৰো শ্ৰীবৃদ্ধি কৰে। একে সময়তে নতুনকৈ ৰোপণ কৰা গছ-গছনিয়েবতাহত আৰ্দ্ৰতা বৃদ্ধি কৰে, জৈৱ বৈচিত্ৰ্যৰ উন্নতি হয় আৰু সেই অঞ্চলত বৰষুণৰ পৰিমাণ বাঢ়ে। বৰ্ধিত বৃষ্টিপাতে নতুন গছ-গছনিৰ সঞ্চাৰ কৰে আৰু অৱশেষত সমগ্ৰ প্ৰক্ৰিয়াটোৱে আঞ্চলিক জলবায়ুৰ ওপৰত শীতল প্ৰভাৱ পেলায়। মূলতঃ ভূমিত প্ৰাণ সঞ্চাৰ কৰিব পাৰিলে সমগ্ৰ অঞ্চলটো সেউজ ৰঙেৰে প্ৰাণৱন্ত হৈ পৰিব। চুইজাৰলেণ্ডৰ জুৰিখৰ জিন ফ্ৰাঙ্কোইছ বাষ্টিনৰ নেতৃত্বত এটা আন্তৰ্জাতিক গৱেষণা দলে পৃথিৱীত বন পুনৰুদ্ধাৰৰ সম্ভৱনাৰ অনুমান কৰিবলৈ এটি মডেল নিৰ্মাণ কৰিছে। তেওঁলোকৰ গৱেষণা মতে পৃথিৱীৰ পৰিৱেশতন্ত্ৰত আৰু নশ নিযুত হেক্টৰ ভূমিত অৰণ্য সৃষ্টি কৰা সম্ভৱ। এতিয়াৰ অৰণ্যাঞ্চলতকৈ ই ২৫ শতাংশ বেছি। গৱেষকসকলৰ মতে অৰ্ধ ত্ৰিলিয়নতকৈয়ো বেছি বৃক্ষ ৰোপণ কৰি ২০৫ গিগাটন (এক গিগাটন = এক বিলিয়ন মেট্ৰিক টন) কাৰ্বন ধৰি ৰখা সম্ভৱ। ইয়াৰ দ্বাৰা বায়ুমণ্ডলৰ ২৫ শতাংশ কাৰ্বন হ্ৰাস পাব। এই হ্ৰাস হোৱা কাৰ্বনৰ পৰিমাণ বৰ্তমানত যোৱা ২০ বছৰ ধৰি মানৱ উৎপাদিত কাৰ্বনতকৈ বেছি বা ১৯৬০ৰ পৰা মানৱ সৃষ্ট সমস্ত কাৰ্বনৰ প্ৰায় অৰ্ধাংশ।

**পংকজ কুমাৰ নেওগ**

*মাস্কাট, 'চুলতানেট' অৱ 'ওমান'।*
*ফোন ঃ ৯৬৮৯৯৬৭২৭৮১*

# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!

**উজনি** অসমত শিক্ষা বিস্তাৰ আৰু বাট-পথ সাজি উলিওৱাৰ উপৰি সামগ্ৰিক উন্নয়নত ব্ৰিটিছ চাহ কোম্পানীসমূহৰ ভূমিকা উল্লেখনীয় আছিল। স্বাধীনতা পাছত পানীৰ মূল্যত ব্ৰিটিছ প্লেণ্টাৰসকলে ভাৰতীয়ক ব্যক্তিগত খণ্ডত আৰম্ভ কৰা এই বাগিচাসমূহ বিক্ৰী কৰি থৈ গুচি গ'ল। ব্ৰিটিছ চাহাবসকলৰ অনুপ্ৰেৰণাৰে কিছুদিনলৈ এই পৰম্পৰা অব্যাহত আছিল যদিও সৰ্বভাৰতীয় কোম্পানীবোৰে অসমৰ সামগ্ৰিক স্বাৰ্থলৈ কেনেদৰে পিঠি দিবলৈ আৰম্ভ কৰিলে সেয়া পূৰ্বতে লিখিছোৱেই।

যি কি নহওক, অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ জাকত জিলিকা অগ্ৰগতিৰ ক্ষেত্ৰত 'জয়মতী'ক প্ৰথমটো মাইলৰ খুঁটি হিচাপে ধৰি আগবাঢ়ি গ'লেই দেখা যায় চাহ জগতখনৰ অসমীয়া সাংস্কৃতিক জগতখনলৈ অনুদানৰ কথা। চাহ জগতখনেই ভূপেনদাৰ সাহিত্য আৰু সংস্কৃতি ক্ষেত্ৰখনত প্ৰয়োজন সাপেক্ষে বহুখিনি সহায় কৰি আহিছিল যাৰ বাবে আমি লাভ কৰিবলৈ সক্ষম হৈছিলো বহু অপূৰ্ব সম্ভাৰ, কে'বাখনো চিনেমা, 'এৰাবাটৰ সুৰ'ৰ পৰা 'এক পল'লৈকে।

আজিৰ এই লেখাৰ যোগেদি পাঠকক অন্য এপিনেহে লৈ যাওঁ বুলি ভাবিছো। পূৰ্বৰ সংখ্যাত লিখিছিলো চাহ বাগিচাৰ সুদৃশ্য বঙলাৰ অভ্যন্তৰৰ হাঁহি-কান্দোন-বেদনাৰ কথা। শুনকচোন এনে এক ঘটনা। চাহ বাগিচা আৰু চিনেমা বুলি ক'লেই হয়তো বহুতৰে মনত পৰে জুলি ক্ৰিষ্টিৰ কথা।

অস্কাৰ বিজয়ী অভিনেত্ৰী জুলি ক্ৰিষ্টিৰ জন্ম হৈছিল চাবুৱাত। ডিব্ৰুগড়ৰ পৰা বগীবিললৈ যোৱা বাটতে পোৱা জামিৰা বাগানৰ মেনেজাৰ আছিল দেখনিয়াৰ ডেকা ফ্ৰেংক জন ক্ৰিষ্টি।

জামিৰা বাগানত থাকোতেই ডেকাৰ প্ৰেম হ'ল বাগিচাৰে গাভৰু এগৰাকীৰ লগত, জন্ম হ'ল এজনী কন্যা সন্তান। নাম ঃ জুন ক্ৰিষ্টি। কিছুদিনৰ পাছত জামিৰা বাগানৰ চাকৰি এৰি আসাম কোম্পানীত যোগদান কৰি ডেকা মেনেজাৰ গ'ল চাবুৱা বাগানলৈ। তাতে বিয়া পাতিলেগৈ ছিনিয়ৰ মেনেজাৰৰ ছোৱালী ৰোজমেৰীক। জামিৰাতে থাকি জুন বাঢ়িবলৈ ল'লে একোলা-দুকোলাকৈ, কথাটো ৰোজমেৰীৰ পৰা লুকুৱাই ৰখা হ'ল কিন্তু জুনৰ সকলো খৰচা যোগাই থাকিল ক্ৰিষ্টিয়ে।

**বিশ্বজিৎ বৰুৱা**

সিপিনে, চাবুৱাৰ বঙলাত ক্ৰিষ্টিৰ জন্ম হ'ল অন্য দুটি সন্তান জুলী আৰু ৰবাৰ্ট। আশ্চৰ্যকৰ কথা যে অসম এৰি লণ্ডনত জুলী আৰু ৰবাৰ্টক লৈ বসবাস কৰালৈকে ৰোজমেৰীয়ে জানিব নোৱাৰিলে জামিৰা বাগানত সময়ৰ লগে লগে লাহে লাহে ডাঙৰ- দীঘল হৈ গৈছে, শিক্ষা-দীক্ষাৰে আগবাঢ়ি গৈছে স্বামীৰ প্ৰথম সন্তান। ক্ৰিষ্টিক বাগানৰ মানুহে ইমানেই ভাল পাইছিল যে গ্ৰীষ্ম বন্ধত ৰোজমেৰীয়ে দুই সন্তানসহ লণ্ডনলৈ যাওঁতে মেনেজাৰ ক্ৰিষ্টিয়ে জুনক আনি চিংলিজান বাগানৰ বাংলোত ৰাখিছিল আৰু ৰোজমেৰী ঘূৰি অহাৰ আগেয়ে জুনক বাগানৰে শিক্ষক এজনৰ ঘৰত থৈছিল যদিও ৰোজমেৰী বা জুলীহঁতে একো গম পোৱা নাছিল।

বাগিচাৰ বৰবাবু আনন্দ কাকতিৰ সাদৰী পত্নীয়ে হেনো জুনক বহুদিন লুকুৱাই ৰাখি থৈছিল।

অৱশ্যে ক্ৰিষ্টিৰ প্ৰথম সন্তান জন্ম হোৱাৰ পাছতে সন্তানৰ দায়িত্ব চাহাবৰ হাততে দি প্ৰথম পত্নী অন্যৰ স'তে আঁতৰি গুচি গৈছিল আৰু কেতিয়াও তেওঁৰ স'তে দেখা হোৱা নাছিল। কিন্তু ক্ৰিষ্টিয়ে জীৱনৰ শেষ মুহূৰ্তলৈকে তেওঁৰ ভুলৰ বাবেই এই ধৰাৰে অহা সন্তান জুনৰ প্ৰতি পিতৃত্বৰ দায়িত্ব পালন কৰি গ'ল।

ক্ৰিষ্টিয়ে বাগিচাৰ চাকৰিৰ পৰা অৱসৰ লৈ জুনৰ স'তে স্পেইনত বসবাস কৰিবলৈ আৰম্ভ কৰিছিল যদিও মেচিভ হাৰ্ট এটেক হৈ মৃত্যুমুখত পৰে। পিতৃয়ে কৰিবলৈ আৰম্ভ কৰে আৰু পাঁচ বছৰ মানৰ ভিতৰতে হলিউদৰ আকাশ চুমিবলৈ সক্ষম হয়।

ডাঃ ঝিভাগো, হিট এণ্ড ডাষ্ট, ডাৰ্লিং, ডণ্ট লুক নাও, ফাৰ ফ্ৰম দ্য মেডিং ক্ৰাউড, শ্বেম্পু, আদি অসংখ্য চিনেমাৰ অভিনয়ৰে লাখ লাখ বিশ্বাসীৰ নয়নৰ মণি হৈ পৰাৰ উপৰি 'অস্কাৰ' বিজয় কৰিবলৈ সক্ষম হয়। নিশাৰ সাৰ জামিৰা বা চাবুৱাইদি পাৰ হৈ গ'লে, কি কাৰণে নাজানো, মোৰ ভাল লাগে এই বাবেই যে এই ঠাইৰ পৰাই ওলাই গৈছিল অস্কাৰ, গল্ডেন গ্লোব বিজয়িনী জুলি ক্ৰিষ্টি।

জুলীয়ে জুনক, জুনে জুলীক লগ পালে নে নাই মই নাজানো, প্ৰসন্ন বৰুৱাৰ পৰিবাৰ মেডাম চিচিলিয়া আৰু বাৰ্থলিয়া ভেংৰাক সুধিছিলো নাই, নাজানে। কোনোবাই জানেনে?

সেয়া বাৰু গ'ল চাহ জগতৰ কথা। পোৱা-নোপোৱা, আনন্দ-বেদনা, হাঁহি-অশ্ৰুৰে ভৰা চাহজগতৰ কাহিনী যিহেতু অসমৰ চাহ ঃ তেজে লিখা ইতিহাস'ত লিখিছোৱেই সেয়ে চাহ জগতখনত ইমানতে এৰি ঘূৰি যাব খুজিছো ডিব্ৰুগড়কে কেন্দ্ৰ কৰি এই ডুখণ্ডক জগত বিখ্যাত কৰি তোলা খাৰুৱা তেলৰ উদঘাটন আৰু অন্বেষণৰ সেই দিনবোৰলৈ যিবোৰ সাধুকথাৰ দৰেই জনমানসত আজিও প্ৰচলিত হৈ আহিছে।

**পনীয়া সোণ অন্বেষণৰ কাহিনী—** প্ৰথম মহাসমৰৰ ঠিক আগমুহূৰ্তত ভাৰতবৰ্ষৰ এই সীমামূৰীয়া অঞ্চলৰ ঘন আৰু মেলেৰিয়া আক্ৰান্ত অৰণ্যৰ মাজত এক নতুন ঔদ্যোগিক বিপ্লৱৰ শুভ আৰম্ভণি হৈছিল। ডিবৰুৰ পাৰত মূল কাৰ্যালয় আৰু অভিযন্তাসকলৰ আৱাসস্থল স্থাপন কৰি আসাম ৰেলৱেজ এণ্ড ট্ৰেডিং কোম্পানীয়ে ইতিমধ্যে বিশ্বৰ এই অৱহেলিত চুকটোত চাহ বাগিচা, কয়লা নিষ্কাসন অঞ্চল আৰু কাঠ মিল প্ৰতিষ্ঠা কৰি এক ঔদ্যোগিক ব্যস্ততাৰ সৃষ্টি কৰিছিল। এই কোম্পানীৰ মুখ্য কাৰ্যালয় মাৰ্ঘেৰিটালৈ ডিব্ৰুগড়ৰ পৰা ৰেল লাইন প্ৰতিষ্ঠাৰ কাম পূৰ্ণপৰ্যায়ত আৰম্ভ হৈছিল।

এই ৰেল লাইন প্ৰতিষ্ঠাৰ কালত কাঠৰ কুণ্ডা টানিবলৈ ব্যৱহাৰ কৰা হাতীৰ খোজত নিষ্কাসন হৈছিল এবিধ তেলেতীয়া পদাৰ্থ। ইয়াৰ পাছতে এ আৰ টি কোম্পানীয়ে ইটালীয়ান অভিযন্তা এডৱাৰ্ডৰ নেতৃত্বত পনীয় সোণ বিচাৰি যি অভিযান আৰম্ভ হৈছিল সেই সফলতাৰ অংশ হিচাপে ১৮৮৯ৰ ছেপ্টেম্বৰত সমগ্ৰ এছিয়াৰ ভিতৰত প্ৰথমটো তেল খাদৰ কাম আৰম্ভ হৈছিল। ১৯০১ৰ ডিচেম্বৰৰ পৰা এই খাদৰ পৰা প্ৰথমবাৰৰ বাবে পনীয়া সোণ আহৰণ হৈছিল। যি তেল খাদ আজিও ৰেল নম্বৰ-১ হিচাপে বিখ্যাত। যিসময়ত ডিগবৈ-মাঘেৰিটা অঞ্চলত বেটচ্-ষ্টীল শোধনাগাৰ পৰীক্ষামূলকভাৱে স্থাপন কৰা হৈছিল সেইখিনি সময়ত এই অঞ্চলটোৰ অৰণ্য এনে ঘনঘোৰ আছিল যে দিনতে সূৰ্যৰ কিৰণ প্ৰৱেশ কৰিব পৰা নাছিল। এই অসূৰ্য স্পৰ্শা অঞ্চলতে আৰম্ভ হৈছিল সমগ্ৰ মহাদেশখনৰ তৈল বিপ্লৱ। আজি এটা শতিকা পাৰ হৈ যোৱাৰ পাছতো সমগ্ৰ মহাদেশখনৰে তৈল উদ্যোগৰ ক্ষেত

# টীয়ক এজাৰগুৰি মহিলা গাঁওৰক্ষী বাহিনীৰ বিত্তীয় অনিয়ম

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৮ মে' ঃ** চৰকাৰে আবণ্টন দিয়া ডেৰ লক্ষাধিক টকাৰ সিংহভাগ ধন যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অধীনস্থ এজাৰগুৰি মহিলা গাঁওৰক্ষী বাহিনীৰ সভানেত্ৰী আৰু সম্পাদিকাই উদৰস্থ কৰাৰ ঘটনাৰ সন্দৰ্ভত যোৱা ১৫ মে'ত এজাৰগুৰি গঢ়মুৰ মধ্য ইংৰাজী বিদ্যালয়ত পূৱ টীয়ক গাঁও পঞ্চায়তৰ দুই নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড সদস্য ৰঞ্জিত শইকীয়াৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। উক্ত সভাত উপস্থিত থাকে অঞ্চলটোৰ সহস্ৰাধিক লোকৰ লগতে গাঁও প্ৰধান যতীন টায়, ছয় নম্বৰ মধ্য টীয়ক গাঁও পঞ্চায়তৰ সদস্য অচ্যুত নৰহ। উল্লেখ্য যে উক্ত গাঁওৰক্ষী বাহিনীখনৰ বিত্তীয় কেলেংকাৰি সন্দৰ্ভত তথ্য সহকাৰে ডেৰমাহৰ পূৰ্বে তথ্য সহকাৰে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত সমিতিৰ একাংশ সদস্যাই অভিযোগ দাখিল কৰাৰ পাছতো এই সন্দৰ্ভত কোনো ব্যৱস্থা গ্ৰহণ নকৰাক লৈ ক্ষুব্ধ হৈ পৰিছে অঞ্চলটোৰ ৰাইজ। চৰকাৰী ধন আত্মসাৎ কৰাৰ একাধিক তথ্য লাভ কৰাৰ পাছতো এই সমিতিখনৰ বিৰুদ্ধে গাঁওৰক্ষী বাহিনীয়ে কোনো পদক্ষেপ গ্ৰহণ কৰাত ব্যৰ্থতা প্ৰদৰ্শন কৰাক লৈ এতিয়া সৃষ্টি হৈছে ৰহস্য। উল্লেখ্য যে ২০১৭ৰ পৰা বিত্তীয় কেলেংকাৰি সংঘটিত কৰি শেহতীয়াকৈ উন্মোচিত হোৱা এই বিত্তীয় অনিয়মৰ পাছতো সমিতিখনৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যই গাঁওৰক্ষী বাহিনীৰ একাংশ বিষয়ৱবীয়াও জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে একাংশ সচেতন লোকে। সমিতিখনৰ বিত্তীয় অনিয়ম সন্দৰ্ভত আলোচনাৰ বাবে টীয়ক আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াজনে কালি ডেৰমাহৰ পূৰ্বে এক বৈঠকৰ ব্যৱস্থা কৰিছিল। উক্ত বৈঠকত সমিতিখনৰ সভানেত্ৰী আৰু সম্পাদিকাই যিবোৰ তথ্য প্ৰদৰ্শন কৰিলে সেইসমূহ তথ্য বিভ্ৰান্তিকৰ বুলি অভিযোগ কৰিছে বৈঠকত উপস্থিত সমিতিৰ অন্যান্য সদস্যাসকলে। ৰহস্যজনক বিষয়টো হ'ল সভাত প্ৰদৰ্শন কৰা তথ্যসমূহৰ সন্দৰ্ভত বিতৰ্কৰ সৃষ্টি হোৱাত উক্ত তথ্যসমূহ পৰ্যবেক্ষণৰ বাবে থানাত জমা দি থৈ যাবৰ বাবে জনোৱা হৈছিল যদিও উক্ত তথ্যসমূহ জমা নিদিয়াৰ পাছতো কি আৰক্ষী বিষয়া, কি গাঁওৰক্ষী বাহিনী বিষয়টোৰ পৰা ফালৰি কাটি এক ৰহস্যজনক ভূমুকি গ্ৰহণ কৰাৰ অভিযোগ উঠিছে। উল্লেখ্য যে বিষয়টোৰ সন্দৰ্ভত গাঁও প্ৰধানজনৰ অজ্ঞাতে গাঁওৰক্ষী বাহিনীখনে চলাইছিল লুণ্ঠনৰাজ। এই কথা ৰাজহুৱা সভাত প্ৰকাশ কৰে গাঁও প্ৰধান যতীন টায়ে। ফলত ৰাজহুৱা সভাৰ সিদ্ধান্ত মৰ্মে বিতৰ্কিত মহিলা গাঁওৰক্ষী বাহিনীখন অতি শীঘ্ৰে ভংগ কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰি উৰ্ধ্বতম কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰাৰ সিদ্ধান্ত লয়। দ্বিতীয়তে ২০১৭ৰ পৰা হৈ থকা বিত্তীয় কেলেংকাৰি সম্পূৰ্ণ হিচাপ উৰ্ধ্বতম কৰ্তৃপক্ষৰ জৰিয়তে ৰাজহুৱা সভাত ৰাজহুৱা কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰে। তৃতীয়তে অহা ১৮ মে'ৰ ভিতৰত বিষয়টোৰ সন্দৰ্ভত বিতৰ্কিত সমিতিখনৰ সভানেত্ৰী-সম্পাদিকাৰ লগত আলোচনা কৰি সিদ্ধান্তত উপনীত হ'বলৈ উৰ্ধ্বতন কৰ্তৃপক্ষলৈ প্ৰস্তাৱ প্ৰেৰণ কৰে। বিত্তীয় অনিয়মৰ লগত জড়িত সমিতিখনৰ সন্দৰ্ভত কোনো ব্যৱস্থা গ্ৰহণ নকৰিলে তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে আদালতৰ দ্বাৰস্থ হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে ৰাজহুৱা সভাই।

# মান্দাকাটা বাগান চুবুৰিক কৃত্ৰিম বানৰ কবলৰ পৰা মুক্ত কৰাৰ প্ৰয়াস জিলা প্ৰশাসনৰ

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ১৮ মে' ঃ** 'দৈনিক অগ্ৰদূত'ত বাতৰি প্ৰকাশৰ পাছতে আজি কামৰূপ জিলা প্ৰশাসনে 'মান্দাকাটা বাগান' চুবুৰিক কৃত্ৰিম বানৰ কবলৰ পৰা মুক্ত কৰাৰ প্ৰয়াস চলায়। কৃত্ৰিম বানৰ বিষয়টো 'দৈনিক অগ্ৰদূত'কে ধৰি সংবাদ মাধ্যমত ব্যাপক চৰ্চা লাভ কৰাত আজি দিনৰ প্ৰায় ১২ বজাত উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়া মান্দাকাটা বাগানৰ উত্তৰ চুবুৰিত উপস্থিত হয়। বিষয়াই পৰিস্থিতিৰ বুজ লৈ ৰাইজৰ স'তে মত-বিনিময় কৰাৰ অন্তত ব্যৱসায়ী কনক ডেকাৰ দেৱালৰ কাষেৰে নলা খান্দি কৃত্ৰিম বানত ডুব গৈ থকা পৰিয়ালসমূহক বানমুক্ত কৰাৰ প্ৰয়াস চলায়।

**'দৈনিক অগ্ৰদূত'ৰ প্ৰভাৱ**

উল্লেখ্য যে উত্তৰ গুৱাহাটীৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মান্দাকাটা বাগানৰ উত্তৰ চুবুৰি পানী নিষ্কাষণৰ পথটো বন্ধ কৰি কনক ডেকা নামৰ ব্যৱসায়ীজনে প্ৰকাণ্ড দেৱাল বহুৱাই দিয়াৰ ফলত চুবুৰিটো কৃত্ৰিম বানত ডুবিছিল। চুবুৰিটোৰ ৰাইজে ডেকাক পূৰ্বৰে পৰা থকা পানী যোৱা নলাটো খুলি দিবলৈ বাৰম্বাৰ অনুৰোধ কৰিছিল যদিও ব্যৱসায়ীজনে ৰাইজৰ অনুৰোধক কৰ্ণপাত কৰা নাছিল। উপায়হীন ভুক্তভোগী সমস্যাটো সমাধানৰ বাবে সংবাদ মাধ্যমৰ জৰিয়তে কামৰূপ জিলা উপায়ুক্তক আহ্বান জনাইছিল। এই আহ্বানৰ প্ৰতি সঁহাৰি জনাই আজি উত্তৰ গুৱাহাটী ৰাজহ চক্ৰ বিষয়াই এই পদক্ষেপ হাতত লয়।

# বিশ্বনাথঘাটত বনৰীয়া ম'হৰ আতংক ঃ ১৩টাকৈ বনৰীয়া ম'হৰ আশ্ৰয়

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ১৮ মে' ঃ** বিশ্বনাথঘাটত আজি পুৱতি নিশা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা সৰু-বৰ ১৩টাকৈ বনৰীয়া ম'হে আতংকৰ সৃষ্টি কৰে। বিশ্বনাথঘাটৰ সমীপতে থকা এঘৰ লোকৰ কাষত ম'হকেইটাই আশ্ৰয় লোৱাত যিকোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সন্মুখীন নোহোৱাৰ বাবে প্ৰশাসনে অনুভাষ যন্ত্ৰযোগে ৰাইজক সজাগ কৰি দিয়ে। ম'হকেইটাই যাতে গাঁৱৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে গাঁওখনৰ প্ৰৱেশ পথত বেৰিকেড দিয়ে প্ৰশাসনে। ইতিমধ্যে প্ৰশাসনে বন বিভাগ, নদী আৰক্ষী আৰু বিশ্বনাথ চাৰিআলি থানাৰ আৰক্ষী নিয়োজিত কৰি পৰিস্থিতি পৰ্যবেক্ষণ কৰি আছে। বন বিভাগে ফটকা ফুটাই বনৰীয়া ম'হৰ জাকটোক খেদি পঠিয়াবলৈ বিচাৰিছে যদিও সফল হোৱা নাই। উল্লেখ্য যে কালিও বিশ্বনাথত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বন্যহস্তীয়ে প্ৰৱেশ কৰি আতংকৰ সৃষ্টি কৰিছে।

# বৰঘুলি চুবুৰিৰ বিধস্ত পথে জীয়াতু

*তিনি পৃষ্ঠাৰ পৰা* খেতিপথাৰ নে পথ চিনিব নোৱাৰা অৱস্থা হৈছে। চুবুৰিটোৰ ৰাইজে স্থানীয় বিধায়িকা তথা পঞ্চায়ত প্ৰতিনিধিক অনুৰোধ কৰি আহিছে যদিও কৰিব কৰিম বুলি আঁভুৰাভাঁৰি দিন নিয়াইছে এইসকল দায়িত্বশীল জনপ্ৰতিনিধিয়ে। পশ্চিম বড়িগোগ মৌজাৰ ভিতৰতে দ' ঠাই হিচাপে চিহ্নিত উক্ত চুবুৰিৰ ৰাইজে বাৰিষা যন্ত্ৰণাকাতৰ দিন কটায়। চাৰিও ফালৰ পৰা নামি অহা পানীয়ে একাকাৰ কৰে চুবুৰিটো। পানীৰ সমাহাৰেৰে পথটো চলাচলৰ অনুপযোগী কৰি তোলে। এইসমূহ দৃশ্য জনপ্ৰতিনিধিয়ে প্ৰত্যক্ষ কৰিছে। তথাপিও ইয়াৰ বিধিগত ব্যৱস্থা লোৱা নাই জনপ্ৰতিনিধিসকলে। অৱশ্যেই আগতে পঞ্চায়তে মেৰামতি কৰিছে যদিও সেয়া পথটোৰ বাবে উপযোগী হোৱা নাই। মাত্ৰ স্থানীয় নিকায়ৰ প্ৰতিনিধিসকলৰ অনুগামীৰ বাবে খীৰতী গাইত পৰিণত হৈছে চুবুৰিটোৰ পথটো। ভুক্তভোগী ৰাইজে সাংবাদিকৰ আগত আক্ষেপ কৰি কয় যে একাংশ জনপ্ৰতিনিধিৰ একান্ত অনুগামীয়ে সামাজিক মাধ্যমত হাজো সমষ্টিৰ চাৰিওপিনে উন্নয়নৰ শ্ল'গান সঘনে প্ৰচাৰ কৰা দেখা যায়। তেওঁলোকে উক্ত পথটো পৰিদৰ্শন কৰি প্ৰকৃত ছবি প্ৰচাৰ কৰিবলৈ আহ্বান জনায় সেইসকল অনুগামীক। তেওঁলোকে কয় যে আমি বাৰে বাৰে ভোট দি জনপ্ৰতিনিধি নিৰ্বাচন কৰে। তেওঁলোকেও কাম কৰাৰ আশ্বাস আমাক দিয়ে। বাস্তৱত সেয়া সম্ভৱপৰ হৈ নুঠে। সেয়েহে ৰাইজে অনতিপলমে পথটো যাতায়াতৰ সুচল কৰাৰ বাবে প্ৰতিনিধিসকলক দাবী জনায়। ইয়াৰ উপৰি পশ্চিম বড়িগোগ আঞ্চলিক ছাত্ৰ সন্থাইও চৰকাৰক পথটো মেৰামতিৰ দাবী কৰিছে।

# একশৰণ ভাগৱতী সমাজ তেজপুৰত

*তিনি পৃষ্ঠাৰ পৰা* বজাত ভকত আদৰণি আৰু ন বজাত একশৰণ ভাগৱতী সমাজ অসমৰ আচাৰ্য দেহেশ্বৰ বৰাই ধৰ্মধ্বজা উত্তোলনৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছত মধ্যাহ্ন প্ৰসংগ, তৰুণ বিদ্যাৰ্থী সমাজৰ সভা, জপ-যজ্ঞ নাম-প্ৰসংগ আৰু জিলা প্ৰতিনিধি সন্মিলন অনুষ্ঠিত হয়। কালি দ্বিতীয় দিনৰ কাৰ্যসূচী অনুসৰি প্ৰাতঃপ্ৰসংগ, কেন্দ্ৰীয় কাৰ্যকৰী সমিতিৰ শতবৰ্ষিত বৈঠক, তৰুণ বিদ্যাৰ্থী সমাজৰ সভাৰ পাছতেই আজি পুৱা ন বজাত ভাগৱত ভ্ৰমণ কাৰ্যসূচী আৰম্ভ কৰে আচাৰ্য দেহেশ্বৰ বৰাই। আই মাতৃ ভকত বৈষ্ণৱৰ নাম- কীৰ্তনৰে এক উদুলি-মুদুলি হৈ পৰে বালিচাপৰি পাল নাম সত্ৰ। নাম ঘোষা ৰসামৃত পাঠ, মধ্যাহ্ন প্ৰসংগৰ পাছতে একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক তথা শংকৰী ধৰ্ম সংস্কৃতিৰ আজীৱন গৱেষক, সাধক তথা শংকৰদেৱ বঁটা প্ৰাপক আচাৰ্য ইলাৰাম দাসলৈ আচাৰ্য প্ৰণাম কৰা হয়। সন্ধিয়া আচাৰ্য দেহেশ্বৰ বৰাৰ সভাপতিত্বত অনুষ্ঠিত হয় ধৰ্মালোচনী সভা। উক্ত সভাত একশৰণ ভাগৱতী সমাজৰ উপাচাৰ্য হৰকান্ত দাস, প্ৰধান সচিব অযোধ্যাৰাম দাস আদিয়ে ভাষণ আগবঢ়ায়। কালি বিয়লি বন্তি প্ৰজ্বলন, গুণমালা কীৰ্তনৰ পাছতেই নিশা ১০ বজাত কেন্দ্ৰীয় পালনামাচাৰ্য হৰকান্ত দাসৰ পৰিচালনাত প্ৰমত্ত কেশৰী মহাপালনাম সম্পন্ন হয়। আজি শৰণ ভজন মালা শিবিৰ আৰু ধৰ্মধ্বজা অবতৰণৰে কাৰ্যসূচীৰ সামৰণি পৰে।

# মাজুলী দক্ষিণপাট ৰাজ্যিক চিকিৎসালয়ত

*তিনি পৃষ্ঠাৰ পৰা* দি আন্তঃগাঁথনিৰ সুব্যৱস্থাৰ দাবী জনাই অহাৰ পাছতো কিন্তু কোনোধৰণৰ সঁহাৰি পাবলৈ সক্ষম নহ'ল। স্থানীয় পঞ্চায়তৰ যোগেদি জৰাজীৰ্ণ চিকিৎসালয়খনৰ গৃহটো অলপতে নিৰ্মাণ কৰি দিয়ে যদিও চিকিৎসক ফাৰ্মাচিষ্ট-নাৰ্ছৰ আৱাস গৃহ নাই। যাৰ ফলত চিকিৎসক ফাৰ্মাচিষ্ট-নাৰ্ছ আদি কৰি আন আন কৰ্মচাৰীয়ে দূৰ-দূৰণিৰ ভাড়াঘৰত থাকি ৰাইজৰ সেৱা আগবঢ়াই আহিছে। মানৱ সেৱাৰ একমাত্ৰ চিকিৎসালয়খনত নিশা চিকিৎসক-স্বাস্থ্যকৰ্মী নথকাত অঞ্চলটোৰ ৰাইজে জৰুৰী সেৱাৰ এটি পৰামৰ্শ বিচাৰি হাবাথুৰি খাব লগা হয়। তেনেস্থলত চিকিৎসালয়খনত চৰকাৰী আৱাসগৃহৰ জৰুৰী প্ৰয়োজনবোধ কৰি ৰাইজে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা প্ৰমুখ্যে স্থানীয় বিধায়ক ভুবন গামক বিষয়টো দৃষ্টিগোচৰ কৰি তৎকালীন ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে ।

**নতুন চিকিৎসকৰ যোগদান**

এবছৰীয়া কাৰ্যকালৰে কাৰ্যনিৰ্বাহ কৰা ডাঃ নিবাৰণ দলে নামৰ চিকিৎসকজনে পদোন্নতিৰে ৰতনপুৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ বদলি হোৱাৰ তিনিমাহৰ পাছত ডাঃ এছ ঠাকুৰীয়া নামৰ এজন মহিলা চিকিৎসকে কেইদিনমানৰ পূৰ্বে যোগদান কৰে। অঞ্চলটোৰ ৰাইজৰ সমস্যাৰ ওপৰত বিশেষ গুৰুত্ব দি চিকিৎসক নিযুক্তি দিয়াত ৰাইজে মাজুলী জিলা স্বাস্থ্য চিকিৎসা আৰু পৰিয়াল কল্যাণ বিভাগৰ যুটীয়া সঞ্চালক ডাঃ শশীধৰ ফুকনক ধন্যবাদ দিয়ে ।

# মাৰ্ঘেৰিটাত বিশুদ্ধ খোৱাপানীৰ নামত

*তিনি পৃষ্ঠাৰ পৰা* ৰাইজে কিন্তু পানী পোৱা নাই। উল্লেখ্য যে তদানীন্তন অসম চৰকাৰৰ কে'বাটাও পঞ্চবাৰ্ষিক কাৰ্যকালৰ মন্ত্ৰী প্ৰদ্যুৎ বৰদলৈৰ গৃহ সমষ্টিৰ ৰাইজে পানীৰ বাবে হাহাকাৰ কৰিছে। সমষ্টিবাসীয়ে পোৱা-নোপোৱাৰ ক্ষোভ অতিষ্ঠ হৈয়েই বৰদলৈয়ে ৰাইজক প্ৰত্যাখ্যান কৰিছিল। মাৰ্ঘেৰিটা সমষ্টিৰ বিধায়ক হিচাপে ভাস্কৰ শৰ্মাই দায়িত্ব লোৱাৰ পাছতে আছু, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, ছাত্ৰমুক্তি সংগ্ৰাম সমিতি আদিয়ে মাৰ্ঘেৰিটা সমষ্টিটোৰ স্পৰ্শকাতৰ সমস্যাসমূহ বিশেষকৈ খোৱাপানীৰ সমস্যা সমাধান কৰাৰ বাবে আহ্বান জনাইছিল যদিও আজিকোপতি কিন্তু সমাধান নোহোৱাত ক্ষোভ প্ৰকাশ কৰিছে সংগঠন কেইটাৰ নেতৃবৃন্দই। উত্থাপিত অভিযোগ মতে, সমষ্টিটোৰ অন্তৰ্গত জাগুন ১০ মাইলত এক কোটি ৫০ লাখ টকা ব্যয় সাপেক্ষে অ-গভীৰ নলীনাদ স্থাপন আৰু জাগুন ন মাইলত দুই কোটি টকা ব্যয় সাপেক্ষে পাম্প হাউছৰ স্থাপন ২০০৫-০৭ৰ বিত্তীয় বৰ্ষত স্থাপন কৰা হৈছিল। কিন্তু বিগত বৰ্ষত বৃহত্তৰ জাগুনবাসীয়ে বিশুদ্ধ খোৱাপানী নাপালে। একেদৰে 'পাইপ ৱাটাৰ ছাপ্লাই স্কেমছ' অৰ্থাৎ পিডব্লিউএছএছ আৰু 'নেছনেল ৰুৰেল ড্ৰিংকিং ৱাটাৰ প্ৰগ্ৰেম' অৰ্থাৎ এনআৰডিডব্লিউপি আঁচনিৰীনত সমষ্টিটোৰ পাৰ্বতিপুৰত এক কোটি ৩০ লাখ ৭৭ হেজাৰ, বিছা হাৱৈপথাৰত এক কোটি ৪৯ লাখ ৬০ হেজাৰ, খাতাংপানীত ৬৬ লাখ ৪৩ হেজাৰ, মাধৱপুৰত এক কোটি ৭২ লাখ ৫৫ হেজাৰ, কৈলাশ পুৰত ৮৬ লাখ ৫৯ হেজাৰ, মোগংপথাৰত এক কোটি ৯০ লাখ ৪৫ হেজাৰ, লেখাপানী নদীৰ কাষত ৫৮ লাখ ৯৬ হেজাৰ, লেখাপানীত ৬৫ লাখ ৯৫ হেজাৰ আৰু লামাগাঁৱত তিনি লাখ ৫৮ হেজাৰ টকা ব্যয় সাপেক্ষে পানী যোগান প্ৰকল্প নিৰ্মাণৰ নামত সামগ্ৰীকভাৱে ন কোটি ২৮ লাখ ৭৪ হেজাৰ টকা ব্যয়েৰে নিৰ্মাণ কৰা হৈছিল। ইপিনে, নিৰ্মাণ কাৰ্য সম্পূৰ্ণ হোৱাৰ পাছতে পৰা কে'বাটাও আঁচনি বিকল হৈ আছে যদিও সংশ্লিষ্ট বিভাগে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা নাই। অৱশ্যে অঞ্চল বিশেষে সংশ্লিষ্ট আঁচনিৰ কেইটাৰ বিশুদ্ধ খোৱাপানী যোগানৰ কাম অব্যাহত আছে যদিও পাইপসমূহ একেবাৰে নিম্ন মানৰ হোৱা বুলি অভিযোগ উঠিছে। এইক্ষেত্ৰত বিশেষকৈ বিছা হাৱাই পথাৰ পানী যোগান আঁচনি নাম ক'ব পাৰি। স্থানীয়ৰাইজৰ ভাষ্য অনুসৰি পানী যোগানৰ পাইপসমূহ নিম্ন মানৰ হোৱাৰ বাবে পাইপসমূহ ভাঙি যোৱাত পুনৰ পাইপ সংস্থাপন কৰা হৈছে।

# জবকাৰ্ডধাৰী শ্ৰমিকে এনৰেগাত

*তিনি পৃষ্ঠাৰ পৰা* ইয়াৰ একাংশ পঞ্চায়ত সচিব, কনিষ্ঠ অভিযন্ত্ৰাকে ধৰি একাংশ পঞ্চায়ত প্ৰতিনিধিয়ে। উল্লেখ্য যে অভিলাষী এনৰেগা আঁচনিৰ অধীনত পঞ্চায়তসমূহৰ কৰ্মহীন দৰিদ্ৰ পৰিয়ালৰ লোকক জবকাৰ্ড প্ৰদান কৰি তেনেবোৰ শ্ৰমিকৰ জীৱন-জীৱিকা নিশ্চিতকৰণৰ লগতে গ্ৰামোন্নয়ন প্ৰক্ৰিয়াও সফল ৰূপায়ণ কৰিব লাগে। কিন্তু গৌৰীসাগৰ উন্নয়ন খণ্ড কাৰ্যালয়ৰ দুৰ্নীতিপৰায়ণ একাংশ বিষয়া-কৰ্মচাৰীৰ পৃষ্ঠপোষকতাত ইয়াৰ ১৫ খন গাঁও পঞ্চায়তৰ গৰিষ্ঠ সংখ্যক পঞ্চায়ততে এনৰেগা আঁচনিৰ সকলো বিধি উলংঘা হৈ অহাৰ অভিযোগ উত্থাপিত হৈছে। উত্থাপিত অভিযোগ মতে, সুস্থ আৰু দুৰ্নীতিমুক্ত প্ৰশাসনৰ কথা কৈ ৰাজপাট দখল কৰা মিত্ৰজোঁটৰ বিজেপি চৰকাৰৰ দুৰ্নীতি বিৰোধী অভিযানলৈও কেৰেপ নকৰি একাংশ পঞ্চায়ত সভাপতি, আঞ্চলিক পঞ্চায়তৰ সদস্য, সচিব, কনিষ্ঠ অভিযন্ত্ৰাই ইয়াৰ গৰিষ্ঠ সংখ্যক পঞ্চায়ততে নিয়োজিত জবকাৰ্ড শ্ৰমিকক এশ দিনৰ কৰ্মসংস্থাপন দিয়াৰ নামত লুণ্ঠনৰ জাল পেলাই ৰাজহুৱা টকা আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ ১৫ বছৰীয়া শাসন কালত দুৰ্নীতিৰ পাহাৰ গঢ়ি বিত্তবান কৰ্মচাৰীলৈ ৰূপান্তৰিত হোৱা একাংশ গভাইত সচিব, অভিযন্তাই উক্ত কাৰ্যালয়লৈ বদলি হৈ আহি একাংশ পঞ্চায়তৰ সভাপতি আৰু আঞ্চলিক সদস্যক দুৰ্নীতিৰ কৌশল শিকাই অতি সন্তৰ্পণে এনৰেগা আঁচনিৰ ধন চানকাঢ়ি খোৱাৰ কৰ্ম-কাণ্ডই গ্ৰামোন্নয়নত হেঙাৰ সৃষ্টি কৰাৰ অলেখ তথ্য পোহৰলৈ আহিছে। উল্লেখ্য যে এম জি এনৰেগা আঁচনিৰ অধীনত দৰিদ্ৰ সীমাৰেখাৰ তলৰ কোনো লোকে কাম বিচাৰিলে ১৫দিনৰ ভিতৰত তেনেবোৰ লোকক এশ দিনৰ কৰ্মসংস্থাপন দিব লাগে পঞ্চায়ত কৰ্তৃপক্ষই। কিন্তু সংশ্লিষ্ট উন্নয়ন খণ্ড কাৰ্যালয়ৰ অধীনৰ গৰিষ্ঠসংখ্যক পঞ্চায়তত তেনে নিয়ম কাৰ্যকৰী হোৱাৰ বিপৰীতে মৌখিক নিৰ্দেশ মতেহে একাংশ মনে মিলা জবকাৰ্ডধাৰী শ্ৰমিকক কোনো আঁচনিত নিয়োগ কৰি আহিছে। কিন্তু এসপ্তাহ ১০ দিন কাম কৰোৱাই দীৰ্ঘদিনলৈ মৌখিক নিৰ্দেশতে কামৰ পৰা আঁতৰাই ৰাখে তেনেবোৰ জবকাৰ্ডধাৰী শ্ৰমিকক। তাৎপৰ্যপূৰ্ণ বিষয় হ'ল একাধিক পঞ্চায়তত এম জি এনৰেগা আঁচনিৰ অধীনত জবকাৰ্ডধাৰী শ্ৰমিকক নিৰ্ধাৰিত নিয়ম মতে কাম দিব নোৱাৰিলেও তেনেবোৰ আঁচনিত এক্সকেভেটৰ, ডাম্পাৰ ব্যৱহাৰ কৰি আঁচনিৰ কাম সম্পন্ন কৰাৰ পৰিণতিত আঁচনিবোৰ সফল ৰূপায়ণ নোহোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে । ইফালে, বহু জবকাৰ্ডধাৰী শ্ৰমিকে কাম কৰিও প্ৰাপ্য ধন লাভৰ পৰা বঞ্চিত হৈ থকাৰ তথ্য পোহৰলৈ আহিছে ।

# নিজম পৰিল আমগুৰিৰ জালুকগাঁও

**অগ্ৰদূত বাৰ্তা**

**জাঁজী, ১৮ মে' ঃ** ঐতিহাসিক শিৱসাগৰ জিলাৰ আমগুৰি জালুকগাঁও বৰনামঘৰৰ শতবৰ্ষৰ সামৰণি উৎসৱৰ লগত সংগতি ৰাখি বৰ্ণাঢ্য কাৰ্যসূচীৰে চাৰিদিনীয়াকৈ সদৌ অসম ভিত্তিত অনুষ্ঠিত ভাওনা প্ৰতিযোগিতাৰ লগতে যোৱা ১৩ মে'ত বৰগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়। চাৰিদিনীয়া কাৰ্যসূচীৰ অন্ততঃ এখন আমন্ত্ৰণমূলক ভাওনা প্ৰদৰ্শনেৰে আজি প্ৰতিযোগিতাৰ সামৰণি পৰে। ইতিমধ্যে ঘোষণা কৰা ফলাফল অনুসৰি, বৰগীত প্ৰতিযোগিতাৰ নিম্ন শাখাৰ লক্ষীপ্ৰিয়া দিহিংগীয়া প্ৰথম, বৃষ্টি প্ৰিয়া গগৈ দ্বিতীয় আৰু বৃষ্টি বুঢ়াগোহাঁই তৃতীয় স্থান লাভ কৰে উচ্চ শাখাৰ প্ৰিয়াক্ষী ফুকন প্ৰথম, উপাসনা দত্ত দ্বিতীয়, নিকিতা শইকীয়া আৰু হিমশ্ৰী বৰাই যুটীয়াভাৱে তৃতীয় স্থান লাভ কৰে। আনহাতে, ফুলপানীছিগাৰ অৰুণোদয় নাট্যগোষ্ঠীয়ে মঞ্চস্থ কৰা 'শ্ৰীশ্ৰীৰাম পৰাজয় সীতাৰ পাতাল গমন' নাটে শ্ৰেষ্ঠ ভাওনা দলৰ সন্মান লাভ কৰিবলৈ সক্ষম হয়। শ্ৰেষ্ঠ গায়ন-বায়ন সন্মান লাভ কৰে টীয়কৰ 'গৰুড়ৰ অমৃত হৰণ বিনতাৰ দাসীত্ব মোচন' প্ৰগতিশীল নাট্যগোষ্ঠী, টীয়ক। গায়ন-বায়নৰ দ্বিতীয় শ্ৰেষ্ঠ নাটক 'যযাতিৰ জৰাপ্ৰাপ্তি, পুকৰ ৰাজ অভিষেক' যোৰহাট, শ্ৰেষ্ঠ সূত্ৰধাৰ নয়নমণি দত্ত নাটক 'শ্ৰীশ্ৰীৰাম পৰাজয় সীতাৰ পাতাল গমন', দ্বিতীয় শ্ৰেষ্ঠ সূত্ৰধাৰ মানৱজ্যোতি দাস, 'গৰুড়ৰ অমৃত হৰণ বিনতাৰ দাসীত্ব মোচন' টীয়ক, তৃতীয় শ্ৰেষ্ঠ সূত্ৰধাৰ মানস প্ৰতিম বৰা, কৈকেসী নন্দনৰ দপচূৰ্ণ অন্ধমুনিৰ অভিশাপ'।

# চাহপাতৰ উৎপাদন হ্ৰাস

*তিনি পৃষ্ঠাৰ পৰা* বাগিচাসমূহত চুৰি কৰিবলৈ ধৰিছে। তথ্য মতে, চুৰি কৰি নিয়া চাহপাতসমূহ স্থানীয় চাহপাত নিয়া এজেণ্টসকলে ক্ৰয় কৰি পোনপটীয়াভাৱে ফেক্টৰীত যোগান ধৰি আহিছে। বাগিচাৰ পৰা কাঁচি, কটাৰী আদিৰে কাটি লৈ যোৱা চাহপাতৰ ওপৰত কেইখিলামান ভাল চাহপাতৰে ঢাকি আৰক্ষীৰ সন্মুখেদিয়েই নিতৌ ফেক্টৰীলৈ চাহপাত কঢ়িওৱা গাড়ীত নিয়ে। আৰক্ষী প্ৰানে এজেণ্টসকলৰ গাড়ীত চাহপাতৰ ক্ষেত্ৰত কোনোদিন অনুসন্ধান নকৰে বাবেই বাধাহীনভাৱে ক্ষুদ্ৰ ক্ষুদ্ৰ চাহ বাগিচাসমূহলৈ চোৰৰ হাতোৰা বৰলৈ ধৰিছে বুলি অভিযোগ উঠিছে। কেঁচা চাহপাত কিনা এজেণ্টসকলক আৰক্ষী প্ৰশাসনে যদি কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰে এদিন এই চাহপাত চোৰৰ সংঘাতে বেয়াৰ দিশে গতি কৰিব বুলি সচেতন মহলে আশংকা প্ৰকাশ কৰিছে। সেয়েহে এই ক্ষেত্ৰত আৰক্ষী প্ৰশাসনক কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

# কলীয়াভোমোৰা দলঙত

*তিনি পৃষ্ঠাৰ পৰা* অঞ্চলৰ পৰা ড্ৰাগছ সৰবৰাহ হোৱা আৰু আৰক্ষীয়ে এনে ভালেসংখ্যক সৰবৰাহকাৰীক ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱাৰ পাছতো একাংশই এনে দুষ্কাৰ্য চলাই গৈছে। যোৱা নিশা নগাঁৱৰ ৰূপহীৰ পৰা তেজপুৰলৈ আহি থকা দুই ড্ৰাগছ সৰবৰাহকাৰীক আৰক্ষীয়ে কৰায়ত্ত কৰাৰ পাছত এই কথা স্পষ্ট হৈছে যে নগাঁৱৰ কেতবোৰ অঞ্চলত বৰ্তমানেও ড্ৰাগছৰ বেহাৰে জড়িত চক্ৰ সক্ৰিয় হৈ আছে।

# সাম্প্ৰতিক সময়ত আলফাত

*তিনি পৃষ্ঠাৰ পৰা* মুহূৰ্তৰ কথা আজিও মনত আছে বুলি উল্লেখ কৰি সাংসদ শৰণীয়াই পুনৰ কয়, 'আজিৰ যুৱকে আলফাৰ সংগ্ৰামী বা সংকটপূৰ্ণ জীৱনত ২৪ ঘন্টাও তিষ্ঠিব নোৱাৰে। আলাফাৰ শিবিৰত অতি কষ্টকৰ পৰিৱেশত তেওঁ লোকৰ মূৰৰ বিকৃতি ঘটিব বা অপঘাতী হোৱাৰ সিদ্ধান্ত ল'ব পাৰে। সেয়েহে যিসকল অসমীয়া ডেকা-গাভৰুই আলফাত যোগদান কৰিব বিচাৰিছে তেওঁলোকে আলফালৈ যোৱাৰ আগতে ১০-১২বাৰ ভাৱক।' সাম্প্ৰতিক সময

# ৰাজীৱ হত্যাৰ গোচৰত যাৱজ্জীৱন কাৰাদণ্ডপ্ৰাপ্ত পেৰাৰিভালানক মুক্তিৰ নিৰ্দেশ উচ্চতম ন্যায়ালয়ৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ মে' ঃ** ১৯৯১ৰ ৰাজীৱ গান্ধী হত্যাৰ গোচৰত গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিলে উচ্চতম ন্যায়ালয়ে। ৩০ বছৰ ধৰি কাৰাগাৰত বন্দী হৈ থকা যাৱজ্জীৱন কাৰাদণ্ডপ্ৰাপ্ত অপৰাধী এ জি পেৰাৰিভালানক মুক্তিৰ নিৰ্দেশ দিলে সৰ্বোচ্চ ন্যায়ালয়ে। ৰাজীৱ হত্যাৰ গোচৰত পেৰাৰিভালানসহ সাতজনক যাৱজ্জীৱন কাৰাদণ্ড বিহা হৈছিল। স্মৰ্তব্য যে ১৯৯১ৰ ২১ মে'ত তামিলনাড়ুৰ শ্ৰীপেৰামবুডুৰত নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ সময়তে আত্মঘাতী বোমাৰুৰ আক্ৰমণত প্ৰাক্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধী নিহত হৈছিল। আদালতে পেৰাৰিভালানক মৃত্যুদণ্ডৰ ৰায় দিছিল যদিও পাছত তেওঁ ক্ষমাৰ আবেদন দাখিল কৰাত শাস্তি যাৱজ্জীৱন কাৰাদণ্ডলৈ সলনি কৰা হৈছিল। অলপতে তামিলনাড়ু চৰকাৰে পেৰাৰিভালানৰ যাৱজ্জীৱন কাৰাদণ্ডৰ নিৰ্দেশ বাতিল কৰি মুক্তিদানৰ প্ৰস্তাৱ গৃহীত কৰিছিল। অৱশেষত সৰ্বোচ্চ ন্যায়ালয়ে পেৰাৰিভালানক মুক্তিৰ নিৰ্দেশ দিলে।

# ভাৰত-পাকিস্তান আন্তঃৰাষ্ট্ৰীয় সীমান্তত পাকিস্তানী নাগৰিকক গ্ৰেপ্তাৰ বিএছএফৰ

**নিউজ ব্যুৰ', জয়পুৰ, ১৮ মে' ঃ** ৰাজস্থানৰ শ্ৰীগংগানগৰ জিলাৰ ৰাবলা অঞ্চলত ভাৰত-পাকিস্তান আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ ওচৰত এজন পাকিস্তানী অনুপ্ৰৱেশকাৰীক গ্ৰেপ্তাৰ কৰিলে সীমান্ত নিৰাপত্তা বাহিনী (বিএছএফ)য়ে। আজি বিএছএফৰ সূত্ৰই এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি, ধৃত অনুপ্ৰৱেশকাৰীৰ সন্দৰ্ভত পাকিস্তানী ৰেঞ্জাৰ্ছৰ স'তে যোগাযোগ কৰাত তেওঁলোকে ব্যক্তিজনক পাকিস্তানী নাগৰিক নহয় বুলি দাবী কৰে। পাকিস্তানী ৰেঞ্জাৰ্ছে অনুপ্ৰৱেশকাৰীক জিম্মাত ল'বলৈকো অস্বীকাৰ কৰে। ফলত বিএছএফে পাকিস্তানী নাগৰিকজনক ৰাবলা আৰক্ষী থানাক অৰ্পণ কৰে।

# নিউ য়ৰ্কত পুনৰ উদ্বেগ বঢ়াইছে ক'ভিডে, সতৰ্কতা জাৰি প্ৰশাসনৰ

**নিউজ ব্যুৰ', নিউ য়ৰ্ক, ১৮ মে' ঃ** আমেৰিকাৰ নিউ য়ৰ্ক চহৰত পুনৰ ক'ভিডৰ সংক্ৰমণ বৃদ্ধি পাবলৈ ধৰিছে। পৰিস্থিতি যাতে অধিক ভয়াবহ হ'ব নোৱাৰে তাৰ বাবে চহৰবাসীক সতৰ্ক কৰিলে প্ৰশাসনে। বিগত কে'বাসপ্তাহ ধৰি হঠাতে কৰ'না সংক্ৰমণ চহৰখনত বৃদ্ধি অব্যাহত আছে আৰু ইয়াৰ ফলত উদ্বেগ বৃদ্ধি পাইছে প্ৰশাসনৰ। বিগত এসপ্তাহত নিউ য়ৰ্কত ক'ভিড সংক্ৰমণৰ গড় হাৰ হৈছে ৫.১৮ শতাংশ। চহৰখনৰ স্বাস্থ্য আয়ুক্ত ডাঃ অশ্বিন ভাছানে নিউ য়ৰ্কবাসীক সতৰ্ক কৰি আজি এইদৰে কয়, 'ক'ভিড সংক্ৰমণ চহৰত যথেষ্ট বৃদ্ধি পাইছে। পূৰ্বৰ দৰে পৰিস্থিতিৰ যাতে আমি সন্মুখীন হ'ব নালাগে, ইয়াৰ বাবে এতিয়াৰ পৰাই অধিক সতৰ্কতা অৱলম্বন কৰাৰ লগতে নিজকে সুৰক্ষিত ৰখাৰ চেষ্টা চলাব লাগিব। মাস্ক পৰিধান কৰাৰ লগতে ভিৰৰ পৰা নিজক আঁতৰাই ৰাখিব লাগিব।'

# স্বদেশত তৈয়াৰী প্ৰথম জাহাজ বিধ্বংসী ক্ষেপণাস্ত্ৰৰ সফল উৎক্ষেপণ নৌসেনাৰ

**নিউজ ব্যুৰ', বালাছ'ৰ, ১৮ মে' ঃ** প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰ হোৱাৰ দিশত আৰু এখোজ আগুৱালে ভাৰতে। আজি সম্পূৰ্ণ দেশীয় প্ৰযুক্তিৰে তৈয়াৰ কৰা প্ৰথম জাহাজ বিধ্বংসী ক্ষেপণাস্ত্ৰ উৎক্ষেপণ কৰিলে ভাৰতীয় নৌসেনা আৰু প্ৰতিৰক্ষা গৱেষণা উন্নয়ন সংস্থা (ডিআৰডিঅ')ই। প্ৰতিৰক্ষা মন্ত্ৰণালয়ৰ সূত্ৰৰ খবৰ অনুসৰি, আজি ওড়িছাৰ বালাছ'ৰত ইণ্টিগ্ৰেটেড টেষ্ট ৰেঞ্জত এই ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক উৎক্ষেপণ সম্পন্ন কৰা হয়। নৌসেনাৰ এখন ছী-কিং ৪২ বি হেলিকপ্টাৰৰ পৰা ক্ষেপণাস্ত্ৰটো উৎক্ষেপণ কৰা হয়। নৌসেনা আৰু ডিআৰডিঅ'ই যৌথভাৱে এই পৰীক্ষা সম্পন্ন কৰে। প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বিশেষকৈ ক্ষেপণাস্ত্ৰ প্ৰযুক্তিত আত্মনিৰ্ভৰ হোৱাৰ দিশত দেশৰ প্ৰথম জাহাজ বিধ্বংসী ক্ষেপণাস্ত্ৰৰ এই সফল উৎক্ষেপণক এক বৃহৎ পদক্ষেপ বুলি অভিহিত কৰিলে প্ৰতিৰক্ষা মন্ত্ৰণালয়ে।

## ঐতিহাসিক পদক্ষেপ অভিহিত কৰিলে নাটোৰ মুৰব্বীয়ে ঃ ফিনলেণ্ডৰ যোগদানৰ বিৰোধিতা তুৰস্কৰ

# ৰাছিয়াক উপেক্ষা কৰি নাটোত অন্তৰ্ভুক্তিৰ আবেদন ফিনলেণ্ড-ছুইডেনৰ

**নিউজ ব্যুৰ' ব্ৰাচেলছ, ১৮ মে' ঃ** ৰাছিয়াৰ ভাবুকিক আওকাণ কৰি অৱশেষত উত্তৰ আটলাণ্টিক চুক্তি সংগঠন (নাটো)ত যোগদানৰ বাবে আবেদন জনালে ইউৰোপৰ দুই দেশ ফিনলেণ্ড আৰু ছুইডেনে। নাটোৰ মুৰব্বী জেন্স ষ্ট'ল্টেনবাৰ্গৰ হাতত আজি আবেদনপত্ৰ দাখিল কৰিলে দুই দেশৰ ৰাষ্ট্ৰদূতে। এই সিদ্ধান্তক ঐতিহাসিক পদক্ষেপ অভিহিত কৰিলে নাটোৰ মুৰব্বীয়ে। অৱশ্যে নাটোৰ সদস্য তুৰস্কই সংগঠনটোত ছুইডেন আৰু ফিনলেণ্ডৰ যোগদানৰ বিৰোধিতা কৰিলে। তুৰস্কৰ অভিযোগ অনুসৰি প্ৰতিবেশী এই দুই দেশে তুৰস্কৰ বিদ্ৰোহী সংগঠনক আশ্ৰয় দিছে। নাটোৰ মুৰব্বী জেন্সে আজি কয়, 'সদস্য দেশসমূহৰ নিৰাপত্তাৰ স্বাৰ্থত আমি একেলগে কাম কৰিব লাগিব আৰু এইদৰে কাম কৰিবলৈ যাওঁতে আমি অনেক সমস্যাৰ সন্মুখীন হ'ব লাগিব। কিন্তু সেইসমূহ সমস্যাৰো সমাধানৰ উপায় দ্ৰুতভাৱে উলিয়াব লাগিব।' নাটোৰ মুৰব্বীয়ে লগতে কয় যে সংগঠনটোক অধিক শক্তিশালী কৰিবলৈ সকলো সদস্য দেশে সহমত পোষণ কৰিছে। ইউক্ৰেইনৰ পাছত যেতিয়া ফিনলেণ্ড আৰু ছুইডেনে নাটোত যোগদানৰ প্ৰস্তুতি আৰম্ভ কৰিছিল, তেতিয়া ৰাছিয়াই হুংকাৰ দি কৈছিল যে ইয়াৰ পৰিণতি বিষম হ'ব। ইউক্ৰেইনৰ দৰে পৰিস্থিতিৰ সন্মুখীন হ'ব লাগিব বুলিও ৰাছিয়াই ফিনলেণ্ড আৰু ছুইডেনক ভাবুকি দিছিল। কিন্তু ফিনলেণ্ডৰ প্ৰধানমন্ত্ৰী ছানা মাৰিনে স্পষ্টভাৱে কৈছিল যে ৰাছিয়াৰ ধমকক তেওঁলোকে ভয় নকৰে। আনকি পৰমাণু আক্ৰমণকো ফিনলেণ্ডে ভয় নকৰে বুলি মাৰিনে মন্তব্য কৰিছিল। যোৱা ন মে'ত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে সদস্য বৃদ্ধিৰ প্ৰক্ৰিয়া বন্ধ ৰাখিবলৈ নাটোক ভাবুকি দিছিল। ফিনলেণ্ড আৰু ছুইডেনে নাটোত যোগদান কৰিলে সামৰিক আৰু প্ৰযুক্তিগত ক্ষেত্ৰত উপযুক্ত প্ৰত্যুত্তৰ দিয়া হ'ব বুলিও ৰাছিয়াই ঘোষণা কৰিছিল। কিন্তু ইয়াৰ পাছতো আজি ফিনলেণ্ড আৰু ছুইডেনে আনুষ্ঠানিকভাৱে নাটোৰ সদস্য পদ বিচাৰি আবেদন জনালে। অৱশ্যে ইয়াৰ মাজতে ফিনলেণ্ড আৰু ছুইডেনৰ আকাশত ৰুছ সামৰিক বিমান উৰণৰ দৃশ্য প্ৰত্যক্ষ হয়। এইবাৰ ৰাছিয়াই ফিনলেণ্ড আৰু ছুইডেনত আক্ৰমণ চলাব নেকি বুলি জল্পনা-কল্পনা অব্যাহত আছে।

# গুজৰাটত নিমখৰ কাৰখানাত দেৱাল খহি ১২ শ্ৰমিকৰ মৃত্যু

**নিউজ ব্যুৰ' মৌৰবী, ১৮ মে' ঃ** গুজৰাটৰ মৌৰবীৰ হালবড় ঔদ্যোগিক অঞ্চলত আজি এটা নিমখৰ কাৰখানাৰ দেৱাল বাগৰি পৰাৰ ফলত ১২ জন লোকৰ মৃত্যু হয়। কাৰখানাৰ দেৱাল অতি পুৰণি আৰু জৰাজীৰ্ণ হোৱাৰ ফলত এই দুৰ্ঘটনা সংঘটিত হ'ল। অঞ্চলটোত থকা সাগৰ নিমখ কাৰখানাত এই ঘটনা সংঘটিত হয়। বাগৰি পৰা দেৱালৰ ধ্বংসস্তূপৰ মাজত কমেও ৩০ জন শ্ৰমিক আবদ্ধ থকা বুলি সন্দেহ কৰা হৈছে। ঘটনাৰ সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়ালক প্ৰধানমন্ত্ৰী সাহায্য নিধিৰ পৰা দুই লাখ টকাকৈ সাহায্য প্ৰদানৰ কথা ঘোষণা কৰিছে।

# কংগ্ৰেছ ত্যাগ হাৰ্দিক পেটেলৰ, ক'ত কৰিব যোগদান?

**নিউজ ব্যুৰ' নতুন দিল্লী, ১৮ মে' ঃ** গুজৰাট কংগ্ৰেছত সংঘাত অব্যাহত থকাৰ সময়তে দলত্যাগ কৰিলে হাৰ্দিক পেটেলে। আজি পুৱাতে হাৰ্দিকে টুইট কৰি কংগ্ৰেছ ত্যাগৰ সিদ্ধান্তৰ কথা অৱগত কৰে। টুইটত পাতিদাৰ নেতাজনে এইদৰে কয়, 'কংগ্ৰেছৰ পৰা ইস্তফা দিলো। মই নিশ্চিত, এই সিদ্ধান্ত প্ৰতি মোৰ সহকৰ্মী আৰু গুজৰাটৰ মানুহে সমৰ্থন দিব। আশা কৰো মোৰ এই সিদ্ধান্তৰ জৰিয়তে আগন্তুক দিনত গুজৰাটৰ বাবে কিছু ভাল কাম কৰাৰ সুযোগ লাভ কৰিম।' গুজৰাট বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে হাৰ্দিকে দলত্যাগ কৰাটো কংগ্ৰেছৰ বাবে এক মোক্ষম আঘাত হিচাপে পৰিচিত হৈছে। কংগ্ৰেছ ত্যাগৰ পাছত হাৰ্দিকে আম আদমী পাৰ্টি (আপ) নে বিজেপিত যোগদান কৰিব তাক লৈ ইতিমধ্যে জল্পনা-কল্পনা অব্যাহত আছে।

# প্ৰতিৰোধ ব্যৰ্থ, আজভষ্টলত আত্মসমৰ্পণ ২৫৬ জন ইউক্ৰেইনী সেনাৰ

**নিউজ ব্যুৰ', কীভ, ১৮ মে' ঃ** ৰাছিয়াৰ দখলত থকা ইউক্ৰেইনৰ মাৰিয়'পুলত ইউক্ৰেইন সেনাবাহিনীৰ প্ৰতিৰোধ অৱশেষত বিফল হ'ল। ইউক্ৰেইন সেনাই প্ৰকাশ কৰা অনুসৰি, সোমবাৰে আজভষ্টলত তীখা কাৰখানাত আবদ্ধ হৈ থকা ২৫৬ জন সেনাই ৰুছ সেনাৰ সন্মুখত আত্মসমৰ্পণ কৰিলে। আত্মসমৰ্পণকাৰীৰ মাজত ৫৩ জন গুৰুতৰভাৱে আহত সৈনিক। দীৰ্ঘদিন ধৰি এইসকল সৈনিকে উক্ত তীখা কাৰখানাত বাহৰ পাতি ৰুছ সেনাৰ আক্ৰমণ প্ৰতিৰোধ কৰিছিল। ইউক্ৰেইনৰ সেনাই এইদৰে আত্মসমৰ্পণ কৰাটো ৰাছিয়াৰ বাবে এক বৃহৎ জয় বুলি দাবী কৰিলে ৰুছ সেনাই। ইউক্ৰেইনৰ সেনাই ৰুছ সেনাৰ আগত আত্মসমৰ্পণ কৰাৰ এক ভিডিঅ' সম্প্ৰতি সামাজিক মাধ্যমত বহুলভাৱে প্ৰচাৰিত হৈছে।

# প্ৰধানমন্ত্ৰীৰ পদ ত্যাগৰ পাছত প্ৰথমবাৰ সংসদত উপস্থিত ৰাজাপক্ষে

**নিউজ ব্যুৰ', কলম্বো, ১৮ মে' ঃ** শ্ৰীলংকাৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী মহিন্দা ৰাজাপক্ষেয়ে আজি দেশখনৰ সংসদত উপস্থিত হয়। প্ৰধানমন্ত্ৰীৰ পদ ত্যাগৰ পাছত উচ্চ পৰ্যায়ৰ নিৰাপত্তাৰ মাজৰে ৰাজাপক্ষেয়ে নৌসেনাৰ শিবিৰত আশ্ৰয় ল'বলৈ বাধ্য হৈছিল। ভয়াবহ আৰ্থিক সংকটক লৈ দেশজুৰি হিংসাত্মক প্ৰতিবাদ অব্যাহত থকাৰ বাবে ৰাজাপক্ষেকে মূলত জগৰীয়া কৰা হৈছে। প্ৰধানমন্ত্ৰীৰ পদৰ পৰা অব্যাহতি লোৱাৰ পাছত আজি ৰাজাপক্ষেয়ে প্ৰথমবাৰৰ বাবে দেশখনৰ সংসদত উপস্থিতি দাখিল কৰিলে। যোৱা সপ্তাহত ৰাজাপক্ষেয়ে প্ৰধানমন্ত্ৰীৰ পদ ত্যাগ কৰিছিল।

# ধৰ্ষণৰ অভিযোগত গ্ৰেপ্তাৰ ব্ৰিটিছ কনজাৰভেটিভ পাৰ্টিৰ সাংসদ

**নিউজ ব্যুৰ', লণ্ডন, ১৮ মে' ঃ** আকৌ এবাৰ ব্ৰিটেইনৰ কনজাৰভেটিভ পাৰ্টিৰ সাংসদৰ বিৰুদ্ধে ধৰ্ষণ আৰু যৌন আতিশয্যৰ অভিযোগ উত্থাপিত হ'ল। অৱশ্যে সাংসদজনৰ নাম প্ৰকাশৰ পৰা লণ্ডন আৰক্ষী বিৰত আছে। ৫০ বছৰীয়া উক্ত সাংসদক আৰক্ষীয়ে ইতিমধ্যে গ্ৰেপ্তাৰ কৰিছে। ঘটনাৰ সন্দৰ্ভত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। লণ্ডনৰ মেট্ৰ'পলিটান আৰক্ষীয়ে জনোৱা অনুসৰি, অভিযুক্তক চৰকাৰী কাৰ্যালয়ত মহিলা কৰ্মীক যৌন আতিশয্য চলোৱা আৰু অসৎ আচৰণৰ কাৰণত গ্ৰেপ্তাৰ কৰা হৈছে।

# কাবুলত খুলিব ভাৰতৰ দূতাবাস, তালিবান চৰকাৰক দিব নেকি স্বীকৃতি?

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ মে' ঃ** আফগানিস্তানৰ কাবুলত দূতাবাস পুনৰ মুকলি কৰাৰ চিন্তা-চৰ্চা কৰিছে ভাৰতে। কাবুলত থকা ভাৰতীয় দূতাবাস পুনৰ খোল খাব বুলি বাতৰি প্ৰচাৰিত হোৱাৰ পাছতে ভাৰতে আফগানিস্তানৰ তালিবান শাসকক স্বীকৃতি প্ৰদান কৰিব নেকি বুলি প্ৰশ্ন উত্থাপিত হ'ল। প্ৰকাশিত বাতৰি অনুসৰি কাবুলত দূতাবাস খোলাৰ চিন্তা-চৰ্চা ভাৰতে কৰিলেও এতিয়াই শীৰ্ষ কূটনীতিকক কাবুললৈ প্ৰেৰণৰ সিদ্ধান্ত লোৱা হোৱা নাই। বৈদেশিক মন্ত্ৰণালয়ৰ এজন শীৰ্ষ বিষয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা বাতৰি অনুসৰি, বিষয়টোৰ সন্দৰ্ভত নিৰাপত্তাৰ দিশটোৰ পৰ্যালোচনা চলোৱাৰ বাবে যোৱা ফেব্ৰুৱাৰীতে কাবুললৈ ভাৰতীয় প্ৰতিনিধি দল এটা গৈছিল। দূতাবাস পুনৰ খোলাৰ বাবে ইতিমধ্যে কাবুলৰ স'তে ভাৰতে যোগাযোগ কৰিছে। অৱশ্যে এতিয়াই তালিবানৰ চৰকাৰক স্বীকৃতি প্ৰদানৰ কথা ভাৰতে বিবেচনা কৰা নাই বুলি বৈদেশিক মন্ত্ৰণালয়ৰ বিষয়াজনে জানিবলৈ দিয়ে। উল্লেখ্য যে ২০২১ৰ ১৫ আগষ্টত তালিবানে কাবুল দখল কৰিছিল। ইয়াৰ দুদিন পাছত ১৭ আগষ্টত কাবুলত থকা দূতাবাস ভাৰতে বন্ধ কৰিছিল।

# প্ৰদূষণত ২০১৯ত বিশ্বৰ সৰ্বাধিক ২৩.৫ লাখ লোকৰ মৃত্যু ভাৰতত

**নিউজ ব্যুৰ', নতুন দিল্লী, ১৮ মে' ঃ** ভাৰতত সকলো ধৰণৰ প্ৰদূষণৰ কাৰণত ২০১৯ বৰ্ষত বিশ্বৰ ভিতৰতে সৰ্বাধিকসংখ্যক লোকৰ মৃত্যু হৈছিল। 'দ্য লেনচেট প্লেনেট'ৰি হেল্‌থ জাৰ্ণেল'ত প্ৰকাশিত এক প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি, ২০১৯ বৰ্ষত ভাৰতত ২৩.৫ লাখ লোকৰ প্ৰদূষণজনিত কাৰণত মৃত্যু হৈছিল। এইসকল লোকৰ ১৬.৭ লাখ লোকৰ মৃত্যু হৈছিল বায়ু প্ৰদূষণৰ ফলত। বিজ্ঞান পত্ৰিকাখনৰ অধ্যয়নৰ প্ৰতিবেদনত লগতে প্ৰকাশ পোৱা মতে, ভাৰতত বায়ু প্ৰদূষণৰ ফলত হোৱা মৃত্যুৰ ঘটনাত সৰ্বাধিক ৯.৮ লাখ লোকৰ মৃত্যু হৈছিল ধূলি-বালিৰ প্ৰদূষণৰ ফলত। বায়ু প্ৰদূষণৰ ফলত ভাৰতত উক্ত বৰ্ষত ৬.১ লাখ লোকৰ মৃত্যু হৈছিল ঘৰুৱা বায়ু প্ৰদূষণৰ কাৰণত। বিশ্বত ২০১৯ বৰ্ষত প্ৰদূষণজনিত কাৰণত মুঠ ৯০ লাখ লোকৰ প্ৰাণহানি হৈছিল। বিশ্বত ২০১৯ বৰ্ষত মৃত্যু হোৱা প্ৰতি ছজন লোকৰ এজনৰ প্ৰদূষণজনিত কাৰণত মৃত্যু হৈছিল। ৯০ লাখ লোকৰ ভিতৰত ৬৬.৭০ লাখ লোকৰ মৃত্যুৰ কাৰণ আছিল ঘৰুৱা প্ৰদূষণৰ লগতে পৰিবেশৰ প্ৰদূষণ। একেটা অধ্যয়নত লাভ কৰা তথ্য অনুসৰি ভাৰতত দৈনিক ৬৫০০ জন লোকৰ মৃত্যু প্ৰদূষণজনিত কাৰণত হোৱা ৰোগৰ ফলত হৈ আহিছে। অৱশ্যে ২০১৫ৰ তুলনাত ২০১৯ বৰ্ষত ভাৰতত প্ৰদূষণজনিত কাৰণত হোৱা মৃত্যুৰ সংখ্যা সামান্য হ্ৰাস পালে। ২০১৫ত ভাৰতত প্ৰদূষণৰ ফলত ২৫ লাখ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে ২০১৯ত ২৩.৫ লাখলৈ হ্ৰাস পালে। চীনত ২০১৫ত প্ৰদূষণৰ ফলত ১৮ লাখ লোকৰ মৃত্যু হৈছিল আৰু ২০১৯ত এই সংখ্যা ২১.৭ লাখলৈ বৃদ্ধি পালে। ভাৰতত বায়ু প্ৰদূষণে বিশ্বৰ ভিতৰতে সবাতোকৈ অধিক ভয়াবহ ৰূপ লৈছে। দেশত ২০১৯ত বায়ু প্ৰদূষণত ১৬ লাখ, জলপ্ৰদূষণত পাঁচ লাখ আৰু কৰ্মক্ষেত্ৰৰ প্ৰদূষণৰ ফলত ১.৬ লাখ লোকৰ মৃত্যু হৈছিল।

# জ্ঞানবাপীৰ শিৱলিংগৰ প্ৰসংগত আপত্তিজনক মন্তব্য প্ৰকাশ কৰা এআইএমআইএমৰ মুখপাত্ৰক গ্ৰেপ্তাৰ

**নিউজ ব্যুৰ', আহমেদাবাদ, ১৮ মে' ঃ** গুজৰাটত আৰক্ষীয়ে এআইএমআইএমৰ মুখপাত্ৰ দানিছ কুৰেশীক গ্ৰেপ্তাৰ কৰিলে। প্ৰকাশিত বাতৰি অনুসৰি, দানিছে জ্ঞানবাপী মছজিদত সন্ধান লাভ কৰা শিৱলিংগৰ প্ৰসংগত আপত্তিজনক মন্তব্য প্ৰকাশ কৰিছিল। এআইএমআইএমৰ মুখপাত্ৰজনে সামাজিক মাধ্যমত শিৱলিংগৰ বিৰুদ্ধে আপত্তিজনক মন্তব্য প্ৰকাশ কৰাৰ অভিযোগ বিশ্ব হিন্দু পৰিষদে উত্থাপন কৰাৰ পাছত আজি আহমেদাবাদ চাইবাৰ অপৰাধ নিয়ন্ত্ৰণ শাখাই দানিছক গ্ৰেপ্তাৰ কৰে। দানিছৰ বিৰুদ্ধে দুখন আৰক্ষী থানাত গোচৰ ৰুজু কৰা হৈছে।

# নিৰ্মাণ কৰা হ'ব ১৫১ ফুটৰ লক্ষ্মণ মূৰ্তি, লক্ষ্ণৌৰ নাম কৰা হ'ব নেকি সলনি?

**নিউজ ব্যুৰ', লক্ষ্ণৌ, ১৮ মে' ঃ** প্ৰথমবাৰ ক্ষমতা দখলৰ পাছত উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ফৈজাবাদক অযোধ্যা আৰু এলাহবাদক প্ৰয়াগৰাজলৈ নাম সলনি কৰিছিল। দ্বিতীয়বাৰ ৰাজ্যখনৰ ক্ষমতা দখলৰ পাছত পুনৰ যোগীয়ে উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ চহৰৰ নাম সলনি কৰিব পাৰে বুলি এক চৰ্চা চলিছে। আজি লক্ষ্ণৌত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক বিমানকোঠত অভ্যৰ্থনা জনাই মুখ্যমন্ত্ৰী যোগীয়ে। ইয়াৰ পাছতে টুইটাৰত যোগীয়ে এইদৰে কয়, 'শেষাৱতাৰ ভগৱান লক্ষ্মণৰ পূণ্যনগৰী লক্ষ্ণৌলৈ আপোনাক স্বাগত আৰু অভিনন্দন।' প্ৰসংগত উল্লেখ্য যে লক্ষ্ণৌৰ নামকৰণৰ অনেক কাৰণৰ অন্যতম এটা হৈছে ভগৱান লক্ষ্মণৰ নাম অনুসৰি এই চহৰৰ নামকৰণ কৰা হৈছিল। লক্ষ্মণৰ পৰা অপভ্ৰংশ হৈ লক্ষ্ণৌ নামৰ সৃষ্টি হৈছিল। বিজেপিয়ে দীৰ্ঘদিন ধৰি লক্ষ্ণৌ নাম সলনি কৰি চহৰখনৰ নাম লক্ষ্মণপুৰী ৰাখিবলৈ দাবী জনাই আহিছে। শেহতীয়াভাৱে যোগীৰ টুইটত লক্ষ্ণৌৰ নাম লক্ষ্মণলৈ সলনি কৰাৰ এক ইংগিত প্ৰকাশ পালে। লক্ষ্ণৌত এটা ১৫১ ফুট উচ্চতাৰ লক্ষ্মণৰ মূৰ্তি অচিৰে নিৰ্মাণ কৰা হ'ব। গোমতি নদীৰ পাৰত এই মূৰ্তিটো নিৰ্মাণ কৰা হৈছে। লক্ষ্ণৌ পৌৰ নিগমৰ মেয়ৰ সংযুক্তা ভাটিয়াই ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত এই সন্দৰ্ভত মন্তব্য কৰি কয়, 'গোমতিৰ পাৰত মূৰ্তি নিৰ্মাণৰ বাবে চৰকাৰলৈ পৌৰ নিগমে প্ৰস্তাৱ প্ৰেৰণ কৰিছে। কেৱল বৃহৎ মূৰ্তি নিৰ্মাণ কৰাই নহয়, লক্ষ্মণপুৰীৰ গৌৰৱ ওভতাই অনাৰ লক্ষ্যৰে অযোধ্যাৰ প্ৰৱেশদ্বাৰ হিচাপে এই চহৰক সজোৱা হ'ব।' লক্ষ্মণৰ উক্ত মূৰ্তি নিৰ্মাণৰ বাবে ১৫ কোটি টকাৰ বাজেট নিৰ্ধাৰণ কৰা হৈছে। লক্ষ্মণৰ এটা সংগ্ৰহালয় নিৰ্মাণৰো পৰিকল্পনা পৌৰ নিগমে গ্ৰহণ কৰিছে।

# অষ্ট্ৰেলিয়াৰ নিৰ্বাচনত মন্দিৰ, গুৰুদ্বাৰত ভিৰ শাসক-বিৰোধীৰ

**নিউজ ব্যুৰ', মেলবৰ্ণ, ১৮ মে' ঃ** অহা ২১ মে'ত অষ্ট্ৰেলিয়াত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হ'ব। দেশখনৰ প্ৰধানমন্ত্ৰী স্কট মৰিছনে লিবাৰেল পাৰ্টিৰ প্ৰাৰ্থী হিচাপে থিয় দিছে। লেবাৰ পাৰ্টিৰ প্ৰাৰ্থী এন্থনী এলবনিজিয়ে মৰিছনক এই নিৰ্বাচনত প্ৰত্যাহ্বান জনাইছে। অষ্ট্ৰেলিয়াৰ নিৰ্বাচনত ভাৰতীয়মূলৰ লোকসকলে যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰি আহিছে। দৰাচলতে ব্ৰিটিছমূলৰ নাগৰিকৰ পাছতে অষ্ট্ৰেলিয়াত দ্বিতীয় বৃহৎ শক্তি হৈছে ভাৰতীয়মূলৰ নাগৰিকসকল। অষ্ট্ৰেলিয়াত কমেও সাত লাখ ভাৰতীয়মূলৰ নাগৰিক আছে। ভাৰতীয়মূলৰ ভোটাৰৰ সংখ্যাৰ প্ৰতি লক্ষ্য ৰাখি শাসক-বিৰোধী উভয়ে এইসকল ভোটাৰক আকৰ্ষিত কৰিবলৈ উঠিপৰি লাগিছে। মৰিছনৰ লগতে বিৰোধী নেতা এলবনিজিয়েও সম্প্ৰতি অষ্ট্ৰেলিয়াত থকা মন্দিৰ আৰু গুৰুদ্বাৰত উপস্থিত হৈ ভাৰতীয়মূলৰ ভোটদাতাৰ পৰা ভোট বিচাৰিছে। অষ্ট্ৰেলিয়াৰ দুই বৃহৎ ৰাজ্য নিউ ছাউথ ৱেলছ আৰু ভিক্টোৰিয়াত যথেষ্টসংখ্যক ভাৰতীয়মূলৰ নাগৰিক আছে। সেয়েহে এই দুই ৰাজ্যত লিবাৰেল পাৰ্টি আৰু লেবাৰ পাৰ্টিৰ নেতাসকলে ভাৰতীয়ৰ মন জয়ৰ লক্ষ্যৰে নিৰ্বাচনৰ প্ৰচাৰ চলাইছে। মৰিছনে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ স'তে থকা তেওঁৰ বন্ধুত্বৰ কথা উল্লেখ কৰি ভাৰতীয়মূলৰ নাগৰিকৰ মন জয়ৰ চেষ্টা চলাইছে।

# কীমৰ কৰ'নাবিৰোধী যুঁজ ব্যৰ্থ, উত্তৰ কোৰিয়াত নতুনকৈ আক্ৰান্ত ২,৩২,৮৮০ জন লোক

**নিউজ ব্যুৰ', ছিউল, ১৮ মে' ঃ** উত্তৰ কোৰিয়াত আজি পুনৰ নতুনকৈ ২,৩২,৮৮০ জন লোক ক'ভিড-১৯ আক্ৰান্ত হ'ল। আনহাতে, ক'ভিডত আক্ৰান্ত ছজন লোকে যোৱা ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে দেশখনত। উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসক কীম জং উনে ক'ভিড প্ৰতিৰোধৰ বাবে প্ৰশাসনক কঠোৰ নিৰ্দেশ দিয়াৰ পাছতো এই মহামাৰী প্ৰতিৰোধ কৰিবলৈ সফল হোৱা নাই। স্বয়ং কীমে তেওঁৰ বি

# বানপীড়িতক উদ্ধাৰৰ অভিযানত নামিল

*এক পৃষ্ঠাৰ পৰা* ওদালগুৰি জিলা বানত প্লাবিত হৈছে। তদুপৰি দুখন নগৰীয়া জিলা দৰং আৰু নলবাৰীও বানৰ কবলত পৰিছে।

### হোজাইত আজিও জলবন্দী কে'বা শতাধিক ঃ স্বাস্থ্যমন্ত্ৰী মহন্ত-জলসম্পদ মন্ত্ৰী পীযুষৰ পৰিদৰ্শন

**হোজাই/যমুনামুখ/লংকাৰ অগ্ৰদূত বাৰ্তা ঃ** কপিলী নৈৰ সংহাৰী বানে তাণ্ডৱ সৃষ্টি কৰা হোজাই জিলাৰ চতুৰ্থ দিনাও বানপৰিস্থিতি অপৰিৱৰ্তিত অৱস্থাত আছে। ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰা জিলাখনৰ বানাক্ৰান্তক উদ্ধাৰৰ বাবে সেনাবাহিনীৰ লগতে এনডিআৰএফ, এছডিআৰএফ নিয়োজিত কৰাৰ লগতে স্থানীয় স্বেচ্ছাসেৱী সংগঠনসমূহেও প্ৰচেষ্টা অব্যাহত ৰাখিছে। চৰকাৰী তথ্য মতে, জিলাখনৰ ৮০খন গাঁও প্লাবিত হোৱাত লক্ষাধিক লোক আক্ৰান্ত হৈছে। ইয়াৰে ডবকা ৰাজহ চক্ৰৰ ২০খন গাঁও প্লাবিত হৈছে। ৰাজহ চক্ৰটোৰ অন্তৰ্গত বিন্যাকান্দি, চাৰ্লক, বালিৰাম, যমুনামুখকে ধৰি বিভিন্ন গাঁও প্লাবিত হোৱাত ৰাইজৰ হাহাকাৰ অৱস্থা হৈছে। বিশেষকৈ চাৰ্লক, বালিৰাম, যমুনামুখ আৰু নগঞাপাম পঞ্চায়তত বহুকেইখন গাঁও সম্পূৰ্ণৰূপে পানীত ডুব যোৱাত উদ্ধাৰ অভিযানৰ বাবে সেনাবাহিনী নিয়োজিত কৰিবলগীয়া হৈছে। কালি জিলাখনৰ অভিভাৰক মন্ত্ৰী পৰিমল শুক্লবৈদ্যই বানৰ বুজ লোৱাৰ পাছত আজি পুনৰ মন্ত্ৰী কেশৱ মহন্তই লামডিঙৰ বিধায়ক শিবু মিশ্ৰৰ স'তে হোজাই ৰাজহ চক্ৰৰ ৰাজবাৰী অঞ্চল এছডিআৰএফৰ নাৱৰে পৰ্যবেক্ষণ কৰে। মন্ত্ৰীজনে একাধিক গাঁৱৰ বানপীড়িত লোকক সাক্ষাৎ কৰাৰ লগতে পৰিস্থিতিৰ বুজ লয়। যোৱা নিশাৰে পৰা মন্ত্ৰীজনে হোজাইত বাহৰ পাতি সমগ্ৰ বান পৰিস্থিতি তদাৰক কৰি আছে। মন্ত্ৰী মহন্তই সেনা আৰু এছডিআৰএফৰ উদ্ধাৰকাৰী দলৰ সহযোগত বন্যাৰ্তক উদ্ধাৰৰ বাবে অভিযান অব্যাহত ৰখাৰ লগতে ২০০৪ৰ পাছত হোজাই আৰু ডবকা ৰাজহ চক্ৰ এইবাৰ ভয়াৱহ বানৰ কবলত পৰিছে বুলি সদৰী কৰে। আজি আবেলিৰ ভিতৰতে জলবন্দী হৈ থকা লোকসকলক উদ্ধাৰ কৰি নিৰাপদ স্থানত আশ্ৰয়ৰ ব্যৱস্থা কৰা হৈছে বুলি অৱগত কৰি মন্ত্ৰীজনে বানপীড়িক পৰ্যাপ্ত খাদ্য আৰু অত্যাৱশ্যকীয় সামগ্ৰী যোগান লাভ কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। ইফালে, আজি হোজাই-কাৰ্বি আংলঙৰ সীমান্ত লংকাৰ মান্দুলীত মন্ত্ৰী পীযুষ হাজৰিকা উপস্থিত হৈ বানবিধ্বস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। মান্দুলীত কপিলী নৈৰ বাঢ়নী পানীয়ে গড়কাপ্টানী পথৰ এটা অংশ উটুৱাই নিয়াৰ ফলত জলমগ্ন হৈ পৰে সমগ্ৰ অঞ্চলটো। এই বানত এটি ১৭ মহীয়া শিশুৰ সলিল সমাধি ঘটাৰ লগতে হোজাইৰ ৰাৰীগেডিঙত লক্ষেশ্বৰ মল্লিক (৩৫) নামৰ এজন বিবাহিত লোকৰ সৰ্প দংশনত মৃত্যু হয়। আজি মন্ত্ৰী হাজৰিকাই মান্দুলীৰ বানপীড়িত ৰাইজৰ লগত পৰিস্থিতি সন্দৰ্ভত আলোচনা কৰাৰ লগতে পৰ্যাপ্ত সাহায্য আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি পশুধনৰ বাবেও খাদ্যবস্তু দিয়া হ'ব বুলি অৱগত কৰে। মন্ত্ৰীজনৰ পৰিদৰ্শন কালত হোজাই আৰু লামডিঙৰ বিধায়ক দুজনৰ লগতে জিলা উপায়ুক্ত অনুপম চৌধুৰী, সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ হবিব মহম্মদ চৌধুৰীয়ে উপস্থিত থাকে। ইফালে, যমুনামুখত সাংসদ বদৰুদ্দিন আজমলেও বানপীড়িত অঞ্চল ভ্ৰমণ কৰি সাহায্য সামগ্ৰী বিতৰণ কৰে।

### দৰঙত ভয়াৱহ হৈ পৰিছে বান পৰিস্থিতি ঃ নাহৰবাৰীত কুলসী নৈৰ তীব্ৰ সোঁতে উটুৱাই নিলে কাঠৰ দলং আজিও পানীৰ তলত ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথ

**মঙলদৈ/ছিপাঝাৰৰ বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা ঃ** অভাৱনীয় বানত প্লাবিত হৈছে দৰং জিলাৰ বিস্তীৰ্ণ অঞ্চল। জিলাখনৰ বৰনদী, ননৈ, শাকতোলা, কুলসী, নোৱা নৈ, মঙলদৈ নৈ, বেগা, ধনশ্ৰীকে ধৰি নৈসমূহৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল প্লাবিত কৰিছে। ইয়াৰ মাজতে মঙলদৈ সমষ্টিৰ অন্তৰ্গত বৰআঠিবাৰীৰ শাকতোলা নৈৰ বাওঁফালৰ মথাউৰিৰে প্ৰায় ১৫ মিটাৰ খহাই নিয়াত বানত প্লাৱিত হৈছে পশ্চিম মঙলদৈৰ বহুকেইখন গাঁও। পানী ক্ৰমান্বয়ে বাঢ়ি থকাৰ ফলত বৃহত্তৰ অঞ্চলটোত বাট-পথ, পুখুৰী, চ'ক বজাৰ সকলো পানীত ডুব গৈছে। মঙলদৈৰ নাহৰবাৰীত কুলসী নৈৰ ওপৰত থকা এখন কাঠৰ দলং বাঢ়নী পানীয়ে উটুৱাই নিয়াৰ ফলত বৃহত্তৰ বেছিমাৰী, কপিলী সত্ৰ, নেওগপাৰা, গণকপাৰা আদি ঠাইৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। কাঠৰ দলংখনৰ কাষতে এখন পকী দলং আজি পাঁচ বছৰে নিৰ্মাণ কৰি থকা হৈছে যদিও ৫০ শতাংশও হৈ নুঠাত ক্ষোভিত হৈ পৰিছে স্থানীয় ৰাইজ। ইফালে, নদীৰ কাষতে থকা শিৱ মন্দিৰ এটাও এতিয়া নৈৰ সোঁতত জাহ যোৱাৰ উপক্ৰম হৈছে। আনহাতে, নোৱা নদী আৰু শাকতোলা নৈৰ বাঢ়নী পানীয়ে বৰদৌলগুৰিৰ পৰা পিপৰা দোকানলৈকে ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ প্ৰায় তিনি কিলোমিটাৰ বুৰাই পেলোৱাত দুৰ্ঘটনাৰ আশংকা কৰি দৰং জিলাৰ উপায়ুক্তই এক নিৰ্দেশনাযোগে পথছোৱা বন্ধ কৰি দিছে। ফলত যাত্ৰীৰ মাজত হাহাকাৰ লাগিছে। উল্লেখ্য যে পথছোৱাৰ বিকল্প হিচাপে বৰদৌলগুৰি, দীঘিৰপাৰ, জোনাৰাম চৌকা হৈ মঙলদৈ, পাথৰিঘাট, খৈৰাবাৰী পথেৰে যাত্ৰীবাহী বাহনসমূহে মঙলদৈ-গুৱাহাটীলৈ অহা-যোৱা কৰিছে যদিও এই পথৰ অৰ্জুনতলৰ ক'জ'ৰে আৰু জোনাৰাম চৌকা, শাকতোলাৰ মাজৰ পথৰ ওপৰেদি আজিও পানী তীব্ৰ সোঁতত বৈ থকাত যাত্ৰা বিপদসংকুল হৈয়ে আছে। মঙলদৈ চহৰতো বেগা নদীৰ বাঢ়নী পানীয়ে মঙলদৈ গাঁও আৰু দুই নম্বৰ ৱাৰ্ড প্লাবিত কৰিছে। আজিও জিলাখনৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। জিলা প্ৰশাসনে সদৰী কৰা মতে, দলগাঁও, মঙলদৈ, পাথৰিঘাট আৰু ছিপাঝাৰ ৰাজহ চক্ৰৰ ১৪২ খন ৰাজহ গাঁও বানৰ কবলত পৰিছে। এই বানত ৭৮৫২.৬০ হেক্টৰ কৃষিভূমি প্লাবিত হোৱাৰ লগতে ৬০,৫৬২ জন লোক ক্ষতিগ্ৰস্ত হৈছে। আনহাতে, মঙলদৈ আৰু পাথৰিঘাটত ১৩টাকৈ সাহায্য শিবিৰ স্থাপন কৰাৰ লগতে বানত ক্ষতিগ্ৰস্ত হৈছে ৪১,১০০ টা পশুধন। আজি উপায়ুক্তই বানপীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰে।

ইফালে, মঙলদৈ চহৰৰ নাতিদূৰেৰ 'সোণালী পাম'ত নিৰ্মীয়মাণ ১০ কোটিটকীয়া ক্ৰীড়া প্ৰকল্প সম্প্ৰতি বানত যাহ যোৱাৰ উপক্ৰম হৈছে। প্ৰকল্পটোৰ চৌহদৰ বেৰৰ পশ্চিম আৰু দক্ষিণৰ দিশৰ কাষেৰে বৈ যোৱা মঙলদৈ নৈৰ প্ৰবল সোঁতে সকলো তচনচ কৰি পেলোৱাৰ আশংকা প্ৰকট হৈছে। উল্লেখ্য যে মঙলদৈ-ভূটীয়াচাং পথৰ চপাইৰ সমীপৰ সোণালী পামলৈ প্ৰৱেশ কৰা একমাত্ৰ আৰু ঠেক পথটোৱে তথাকথিত প্ৰকল্প তথা ষ্টেডিয়ামখনৰ প্ৰৱেশ পথ এক কিলোমিটাৰ দূৰৈৰ স্থানলৈ নাই কোনো বিকল্প পথ। সম্প্ৰতি কাষেদি বৈ যোৱা মঙলদৈ নৈৰ বাঢ়নী পানীয়ে চৌহদটো বুৰাই পেলোৱাৰ লগতে বেৰ আৰু গেলাৰী খহাই নিয়াৰ আশংকা ঘনীভূত হৈ পৰিছে। ইয়াৰ মাজতে আজি ষ্টেডিয়ামখনৰ দক্ষিণ দিশৰ চৌহদৰ বেৰৰ ফাট মেলা পৰিলক্ষিত হৈছে। উল্লেখ্য যে ২০২০ৰ ২১ আগষ্টত সাংসদ দিলীপ শইকীয়া আৰু তদানীন্তন বিধায়ক গুৰুজ্যোতি দাসে এই প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিছিল।

### বানৰ কবলত লাউজান-হালধা সংযোগী পথ ঃ বাঢ়নী পানীৰ তীব্ৰ বেগী সোঁতে বগৰালে চাইকেল আৰোহী

ইপিনে, জিলাখনৰ ছিপাঝাৰতো ভয়াৱহ ৰূপ ধাৰণ কৰিছে বানে। ননৈ নৈৰ ভগা মথাউৰিৰে পানী সোমাই দুনী অঞ্চল প্লাবিত কৰাত বাট-পথ, খেতিপথাৰ বুৰ যোৱাৰ লগতে লাউজান-হালধা সংযোগী পথত তীব্ৰ বেগী সোঁতৰ সৃষ্টি হৈছে। যাৰ ফলত পথটোৰে যাতায়াত আহকালৰ সন্মুখীন হৈছে পথচাৰী। ইয়াৰ মাজতে আজি দিনৰ ভাগত এজন চাইকেল আৰোহীক বাঢ়নী পানীৰ সোঁতে বহুদূৰ উটুৱাই নিয়াত আৰোহীজনে কোনো মতে সাঁতুৰি জীৱন ৰক্ষা কৰে যদিও চাইকেলখন উটি যায়। আনহাতে, আঠিয়াবাৰীত কালি শাকতোলা নৈৰ বাঢ়নী পানীয়ে মথাউৰিৰ ভগা অংশৰে প্লাবিত হৈ ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ এটা অংশ বুৰাই পেলোৱাত যোৱা নিশাৰে পৰা একপ্ৰকাৰ যোগাযোগ বিচ্ছিন্ন হৈছে অঞ্চলটো।

### বানে উটুৱাই নিলে তামুলপুৰ সংযোগী গড়কাপ্টানী পথ

**গোৰেশ্বৰৰ অগ্ৰদূত বাৰ্তা ঃ** তামুলপুৰ জিলাৰ শুক্লাই নৈৰ বাঢ়নী পানীয়ে নিজঝৰাগাঁওস্থিত শুক্লাই দলঙৰ দুই মূৰ উটুৱাই নিয়াৰ লগতে নাওকাটা-তামুলপুৰ গড়কাপ্টানী পথটো ভাঙি পেলোৱাত যোগাযোগ ব্যৱস্থা ব্যাহত হৈছে। কাঠৰ দলংখনৰ বাঢ়নী পানীয়ে দুয়োমূৰ খহাই নিয়াত নৈৰ মাজত বৈ হৈছে দলংখন। ইয়াৰ ফলত বৰ্তমান কে'বাখনো গাঁৱৰ যাতায়াত ব্যাহত হৈ পৰিছে। কালি মাদলবাৰীত শুক্লাই নৈয়ে কাঠৰ দলংখন উটুৱাই নিয়াৰ পাছত আজি পুনৰ নিজঝৰাগাঁৱৰ দলঙৰ দুয়ো মূৰ খহাই নিয়াত বৃহত্তৰ অঞ্চলটোত যাতায়াত ব্যাহত হৈ পৰিছে। আজি পুৱা ভগ্ন পথ আৰু দলং পৰিদৰ্শন কৰে বিটিআৰৰ মুখ্যকাৰ্যবাহী প্ৰমোদ বড়োৱে। স্থানীয় ৰাইজে দলংখনৰ দুয়ো মূৰ যি ধৰণে নিৰ্মাণ কৰিব লগীয়া আছিল সেই ধৰণে ঠিকাদাৰে নিৰ্মাণ নকৰাৰ ফলতে এই অৱস্থাৰ সৃষ্টি হোৱা বুলি অভিযোগ কৰে। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্যজনে অনাগত দিনত তামুলপুৰ জিলাৰ সকলো কাঠৰ দলং পকী কৰাৰ লগতে পথসমূহো মেৰামতিৰ আশ্বাস দিয়ে।

### কপিলীৰ বানে সৰ্বকালৰ ইতিহাস ভংগ কৰিলে

**নগাঁও/কামপুৰৰ বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা ঃ** বাংঢালী কপিলী নৈৰ সংহাৰীৰূপে এইবাৰ সৰ্বকালৰ ইতিহাস ভংগ কৰিছে নগাঁৱত। কপিলীৰ জলপৃষ্ঠ পূৰ্বৰ ৰেকৰ্ড ভংগ কৰি ৬২.১৫ মিটাৰ ওপৰৰে বৈ আছে। ইতিহাসত কপিলীৰ পানী ইমান বৈ থকাৰ তথ্য নাই জিলা প্ৰশাসনৰ হাতত। ২০০৪ত নগাঁৱত কপিলীয়ে প্ৰলয়ংকৰী বানৰ সৃষ্টি কৰিছিল যদিও সেই বৰ্ষত নদীখনৰ জলপৃষ্ঠ ৬১.৭৮ মিটাৰ ওপৰেৰে বৈছিল। যোৱা নিশা কপিলীৰ বানে কামপুৰ ৰাজহ চক্ৰৰ কামপুৰ-বৰক'লা-দক্ষিণপাটৰ লোকনিৰ্মাণ বিভাগৰ পথটো বুৰাই পেলায়। জিলা প্ৰশাসনে উদ্ধাৰ অভিযান চলাই আছে যদিও পথটো এইদৰে বানে প্লাবিত কৰাত চিন্তাত পৰিছে জিলা প্ৰশাসন। ইয়াৰ মাজতে ভলভলীয়া গাঁৱত থকা কৃষি বান্ধটো যোৱা নিশা বানে প্লাবিত কৰে। উল্লেখ্য যে কালিৰ দিনটোতে কপিলী নৈয়ে তিনিটাকৈ কৃষি বান্ধ ভাঙি পেলায়। আনহাতে, কামপুৰৰ তেতেলীসৰা গ্ৰাণ্টত নিশাৰী নৈৰ বাঢ়নী পানীয়ে প্ৰৱেশ কৰাত বহু লোক জলবন্দী হৈ পৰিছে। কামপুৰ নৱৰত্ন মধ্য ইংৰাজী বিদ্যালয়ৰ অভাৱনীয় পৰিস্থিতিৰ সন্মুখীন হৈছে বানাক্ৰান্ত ৰাইজ। বানাক্ৰান্ত ৰাইজে কান্দি কান্দি প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰিবলৈ চৰকাৰক আহ্বান জনাইছে। ইয়াৰ মাজতে কামপুৰ ছুগাৰ মিল পথ আৰু পাচনিঝাৰ পথৰ ওপৰত পানী বাগৰাত নগৰখনৰ বিস্তীৰ্ণ অঞ্চল প্লাবিত হৈছে। একপ্ৰকাৰ বহিঃজগতৰে সম্পৰ্ক বিচ্ছিন্ন হৈছে কামপুৰৰ। আনহাতে, নগাঁও জিলাৰ বৰক'লা মীনা বজাৰত আজি পুৱা বানত উটি অহা এটা হৰিণাৰ পশু উদ্ধাৰ কৰে ৰাইজে।

### মাজুলীৰ ব্ৰহ্মপুত্ৰ-সোৱনশিৰি নৈৰ ৰুদ্ৰমূৰ্তি

**কমলাবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** ধাৰাসাৰ বৰষুণৰ বাবে ব্ৰহ্মপুত্ৰ আৰু সোৱনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ পাছতে মাজুলীত সৃষ্টি হৈছে ভয়ংকৰ খহনীয়া। মাজুলীৰ মাজৰ চাপৰিত সোৱনশিৰি নৈৰ বুকুত জাহ গৈছে ঘৰ-বাৰী আৰু কৃষিপথাৰ। যাৰ বাবে চৰকাবলৈ বাট নাযায় গাঁওবাসীয়ে বাঁহ আৰু গছৰ ডাল-পাতৰে খহনীয়া প্ৰতিৰোধৰ চেষ্টা কৰিছে। এই অঞ্চলত জলসম্পদ বিভাগে কোটি টকা ব্যয়ৰে আৰচিচি পাৰ্কুপাইনৰ ব্যৱস্থা কৰিছিল যদিও সেয়া নৈৰ বুকুত জাহ গৈছে। ভকত চাপৰি অঞ্চলৰ ভীমপৰাতো অনুৰূপ অৱস্থাৰ সৃষ্টি কৰিছে খহনীয়াই। ইতিমধ্যে গাঁওখনৰ যাতায়াতৰ একমাত্ৰ পথটো খহাই নিয়াত যোগাযোগ আৰু যাতায়াতৰ বাবে ৰাইজে সমস্যাৰ সন্মুখীন হৈছে।

ইপিনে, ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ অস্বাভাৱিকভাৱে বৃদ্ধি পোৱাৰ বাবে যোৱা ১৫ মে'ৰ পৰা মাজুলী জিলা প্ৰশাসনে এক আদেশযোগে বন্ধ ৰখা মাজুলী-যোৰহাটৰ মাজত ফেৰী চলাচল কৰা আজি পুৱাৰে পৰা পুনৰ আৰম্ভ কৰিছে। কালিৰে পৰা ব্ৰহ্মপুত্ৰৰ জলস্তৰ যথেষ্ট হ্ৰাস পোৱাত আজি ফেৰীসেৱা আৰম্ভ কৰে যদিও পুনৰ জলস্তৰ বৃদ্ধি পোৱাত ৰাইজ আতংকিত হৈ পৰিছে। নৈপৰীয়া অঞ্চলসমূহ বাঢ়নী পানীয়ে বুৰাই পেলোৱাত ৰাইজ বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে।

### শোণিতপুৰত বান পৰিস্থিতি সামান্য উন্নত ঃ তেজপুৰত ভূমিস্খলন

**তেজপুৰৰ ষ্টাফ ৰিপৰ্টাৰ ঃ** শোণিতপুৰ জিলাত আজি বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও এতিয়াও ৩৮খন গাঁও জলমগ্ন হৈ আছে। জিলাখনৰ ৬৩খন গাঁও জলমগ্ন হৈছিল। জিলাখনৰ চাৰিদুৱাৰ ৰাজহ চক্ৰত ১৫খন, ঢেকিয়াজুলিত ১২ খন, নদুৱাৰত দুই, তেজপুৰত ১৫ আৰু ঠেলামৰাত ১৫খন গাঁও প্লাবিত হোৱাত ৯,৭১৬ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ২৫০১ টা শিশু আৰু ৩৩৮০গৰাকী মহিলা। জিলাখনৰ ৯০১ হেক্টৰ কৃষিভূমি বানৰ কবলত পৰাৰ বিপৰীতে বানাক্ৰান্তসকলৰ বাবে মুঠ ১৪টা শিবিৰ স্থাপন কৰা হৈছে। ইয়াৰ মাজতে তেজপুৰৰ লালমাটিৰ সমীপৱৰ্তী লাচিত নগৰত যোৱা নিশা বৰষুণৰ ফলত এক ভূমিস্খলনৰ ঘটনাও সংঘটিত হয়। পাহাৰীয়া অঞ্চলটোৰ এটা পৰিয়ালৰ বাসগৃহত নিশা মাটি খহি পৰাত পৰিয়ালটোৰ তিনিজন সদস্য কথমপি ৰক্ষা পৰে। আনহাতে, বান সাহায্য বিতৰণৰ ক্ষেত্ৰত তেজপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত বানপীড়িত অঞ্চলত বৈষম্যৰ সৃষ্টি হোৱা বুলি অভিযোগ উঠিছে। তেজপুৰত শতাধিক পৰিয়াল বানত আক্ৰান্ত হৈছে যদিও ছটা পৰিয়ালকহে সাহায্য প্ৰদান কৰা হৈছে বুলি অভিযোগ উঠিছে।

### ক্ৰমাৎ জটিলতাৰ দিশত ডিমা হাছাওৰ পৰিস্থিতি ঃ নিশা প্ৰবল বৰষুণত ভূমিস্খলন

**হাফলঙৰ পৰা ৰাজু কাঠাৰ ঃ** পাহাৰীয়া জিলা ডিমা হাছাওত পৰিস্থিতিয়ে ক্ৰমাৎ জটিল ৰূপ ধাৰণ কৰিছে। যোৱা নিশা পুনৰ বৰষুণত কে'বা ঠাইতো ভূমিস্খলনৰ ঘটনা সংঘটিত হয়। উল্লেখ্য যে যোৱা ১৪ মে'ত হোৱা ভয়াৱহ ভূমিস্খলনৰ ফলত সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰিছিল ২৮ খনকৈ গাঁও। পূবৰ ছুইজাবলেণ্ড খ্যাত ডিমা হাছাওৰ হাফলঙকে ধৰি বিস্তীৰ্ণ অঞ্চল তচনচ হৈ পৰাৰ লগতে ৰাজ্যিক-ৰাষ্ট্ৰীয় পথ বিধ্বস্ত হয়। ঘৰবাৰী সম্পূৰ্ণৰূপে ভূমিস্খলনত বিধ্বস্ত হোৱাত এতিয়া খোৱাপানী-খাদ্য সামগ্ৰীৰ অভাৱে দেখা দিছে। যোগাযোগ বিচ্ছিন্ন হৈ পৰা জিলাখনৰ পেট্ৰ'ল ডিপ'ত নাই এতিয়া ইন্ধন। যাৰ বাবে জিলা প্ৰশাসনে তৎপৰতা প্ৰদৰ্শন কৰিছে যদিও হাফলঙলৈ যোৱা সুৰংগ পথ এতিয়াও মুকলি কৰিব পৰা নাই। আনহাতে, কালিৰে পৰা বায়ুসেনাৰ হেলিকপ্টাৰৰে হাফলঙৰ বিভিন্ন প্ৰান্তত খাদ্য সামগ্ৰী বিতৰণ কৰি আছে। ইপিনে, ৰেল ষ্টেছন আৰু ৰেললাইনসমূহ বিধ্বস্ত হৈ পৰাত সেয়া পুনৰ নিৰ্মাণত যথেষ্ট সময়ৰ প্ৰয়োজন হ'ব। তথ্য মতে, ২১ ঠাইত ৰেল লাইন আৰু ৰাষ্ট্ৰীয় পথ বিধ্বস্ত হৈছে। উত্তৰ-পূব সীমান্ত ৰেলৱে সদৰী কৰা মতে, প্ৰায় ৫৮টা অঞ্চলত ৰেললাইনত ভূমিস্খলনৰ ঘটনা সংঘটিত হৈছে। এই শোচনীয় পৰিস্থিতিৰ মাজতে ১২টা স্থানত ইতিমধ্যে পুনৰ মেৰামতি কৰা হৈছে বুলি ৰেলৱেৰ সূত্ৰই সদৰী কৰিছে।

### ৰঙিয়াত বান পৰিস্থিতিৰ বুজ ল'লৈ বিধায়ক ভবেশ কলিতাই

**ৰঙিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** ৰঙিয়া সমষ্টিৰ বিধায়ক তথা ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আজি বানে উটুৱাই নিয়া শুক্লাই নৈৰ ওপৰত থকা টেঙাঝাৰ-চেনিগাঁও সংযোগী কাঠৰ দলংখন পৰিদৰ্শন কৰে। তদুপৰি শুক্লাইৰ বাঢ়নী পানীয়ে শ শ বিঘা ইৰিধানৰ খেতি প্লাবিত কৰাৰ লগতে শাক-পাচলি খেতিৰো বিস্তৰ ক্ষতিসাধন কৰিছে। যাৰ বাবে এতিয়া কৃষকসকলে আধা পকা ইৰিধান পানীৰ মাজৰ পৰা কাটিবলৈ বাধ্য হৈছে। হাড়ভঙা শ্ৰম কৰি খেতি কৰা ধাননিসমূহ পানীয়ে প্লাবিত কৰাত কৃষকসকলে ভৱিষ্যতৰ কথা চিন্তা কৰি মূৰে-কপালে হাত দিছে।

### কৃত্ৰিম বানত নলবাৰী চহৰ ঃ বৰভাগত বানৰ ফলত কৃষকৰ হাহাকাৰ

**নলবাৰী/বৰভাগৰ অগ্ৰদূত বাৰ্তা ঃ** নেৰানেপেৰা বৰষুণৰ ফলত নলবাৰী চহৰখন সম্পূৰ্ণৰূপে কৃত্ৰিম বানৰ কবলত পৰাত একপ্ৰকাৰ জনজীৱন স্তব্ধ হৈ পৰিছে। চহৰখনৰ বাটপথ, চৰকাৰী কাৰ্যালয়, শিক্ষানুষ্ঠানসমূহ বানৰ কবলত পৰাত ৰাইজৰ আলাই-আথানি নোহোৱা হৈছে। ক্ষোভিত ৰাইজে পৌৰসভাই বাৰিষাৰ আগতে নলাসমূহ পৰিষ্কাৰ নকৰাৰ বাবে এইদৰে হাৰাশাস্তিৰ সন্মুখীন হোৱা বুলি অভিযোগ কৰিছে।

ইপিনে, পাগলাদিয়া নৈৰ বাঢ়নী পানীয়ে নলবাৰী জিলাৰ বৰভাগ ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল প্লাবিত কৰিছে। বিশেষকৈ বৃহত্তৰ অঞ্চলটোৰ কে'বাখনো গাঁৱৰ খেতিপথাৰসমূহ বুৰাই পেলোৱাত মূৰে-কপালে হাত দিছে কৃষকসকলে। পাগলদিয়া নৈৰ বাঢ়নী পানীয়ে কৃষকৰ জয়া আৰু বড়ো ধানসমূহ বুৰাই পেলোৱাত ভৱিষ্যতৰ কথা চিন্তা কৰি আতংকিত হৈ পৰিছে।

### কৃত্ৰিম বানত বুৰিল ছমৰীয়াৰ বিস্তীৰ্ণ খেতিপথাৰ

**সোণতলীৰ অগ্ৰদূত বাৰ্তা ঃ** নেৰানেপেৰা বৰষুণত কামৰূপ জিলাৰ ছমৰীয়া ৰাজহ চক্ৰৰ বিস্তীৰ্ণ অঞ্চল বানত প্লাবিত হৈছে। বাঢ়নী পানীয়ে শ শ বিঘা ইৰিধানৰ খেতি প্লাবিত কৰাৰ লগতে শাক-পাচলি খেতিৰো বিস্তৰ ক্ষতিসাধন কৰিছে। যাৰ বাবে এতিয়া কৃষকসকলে আধা পকা ইৰিধান পানীৰ মাজৰ পৰা কাটিবলৈ বাধ্য হৈছে। হাড়ভঙা শ্ৰম কৰি খেতি কৰা ধাননিসমূহ পানীয়ে প্লাবিত কৰাত কৃষকসকলে ভৱিষ্যতৰ কথা চিন্তা কৰি মূৰে-কপালে হাত দিছে।

### চতিয়াত ক্ৰমে পৰিস্থিতি উন্নত

**চতিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** ইপিনে, আজি চতিয়াৰ বান পৰিস্থিতি আজি কিছু উন্নত হৈছে। কে'বাদিনো ধৰি হোৱা প্ৰবল বৰষুণত চতিয়াৰ বিভিন্ন গাঁৱৰ লগতে উত্তৰ চতিয়াৰ শতাধিক গাঁও প্লাবিত কৰিছে। বাঢ়নী পানীয়ে ভেলৌগুৰিৰে এখন দলঙো উটুৱাই নিয়ে। আজি পুৱাৰে পৰা বাঢ়নী পানী হ্ৰাস পোৱাত ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে যদিও বিস্তৰ ক্ষতি হোৱাত চিন্তিত হৈ পৰিছে।

# বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি ঃ দিহানামৰ প্ৰতিযোগিতাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ১৮ মে' ঃ** প্ৰগতিশীল উন্নয়ন মঞ্চ অসম, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ জামুগুৰি আঞ্চলিক সমিতি আৰু সেৱা স্প'ৰ্টিং ক্লাবৰ যৌথ উদ্যোগত বিগত বৰ্ষসমূহৰ দৰে অহা পাঁচ জুনৰ দিনটোত দিনজোৰা কাৰ্যসূচীৰে জামুগুৰিহাটস্থিত বাপুজী ভৱনত অবিভক্ত শোণিতপুৰ জিলা ভিত্তিত বিশ্ব পৰিৱেশ দিৱস উদ্‌যাপনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। বিশ্ব পৰিৱেশ দিৱসৰ লগত সংগতি ৰাখি এখন প্ৰাইজমানি দিহানাম প্ৰতিযোগিতাৰো আয়োজনৰ দিহা কৰিছে উদ্যোক্তসকলে। কাৰ্যসূচী অনুসৰি পাঁচ জুনৰ পুৱা জামুগুৰিহাটৰ প্ৰবীণ সমাজসেৱক অতুল কাকতীয়ে বৃক্ষৰোপণেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতেই বিশ্ব পৰিৱেশ দিৱস উপলক্ষে সজাগতা যাত্ৰা। বিশ্বনাথ জিলা বন বিষয়াই উদ্বোধন কৰিবলগীয়া সজাগতা যাত্ৰাত জামুগুৰিহাটৰ বিভিন্ন প্ৰান্তত গছপুলি ৰোপণ আৰু ৰাইজৰ মাজত গছপুলি বিতৰণ কৰা হ'ব। বৰভগীয়া জিলা পৰিষদৰ সদস্যা পলি চুতিয়া বৰাই দিহানাম প্ৰতিযোগিতা উদ্বোধন কৰিব। সন্ধিয়া অনুষ্ঠিত দিহানাম প্ৰতিযোগিতৰ বঁটা বিতৰণী আৰু সভাত মুখ্য অতিথিৰূপে চতিয়া সমষ্টিৰ কেবিনেট মৰ্যাদাপ্ৰাপ্ত বিধায়ক পদ্ম হাজৰিকা উপস্থিত থকাৰ লগতে আমন্ত্ৰিত বিশিষ্ট অতিথিৰূপে নাগশংকৰ জিলা পৰিষদৰ সদস্য হিতেশ বৰুৱা, মুঢ়াদল জিলা পৰিষদৰ সদস্য কিশোৰ দাহাল, জামুগুৰি পৌৰসভাৰ পৌৰপতি পল্লৱীতা শৰ্মা মহন্ত, উত্তৰ চিলাবন্ধা গাঁও পঞ্চায়তৰ সভাপতি জয়ন্ত বৰা, দক্ষিণ চিলাবন্ধা গাঁও পঞ্চায়তৰ সভানেত্ৰী গংগা দেৱী, মধ্য চিলাবন্ধা গাঁও পঞ্চায়তৰ সভানেত্ৰী জলী ভড়ালী, নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি অজিত পায়েং উপস্থিত থাকিব। প্ৰতিযোগী দিহানামৰ দলসমূহক জামুগুৰি বাছ আস্থানৰ সমীপৰ বাইদেউ হোটেল নতুবা ৯৭০৬৭-২৪২৩৬ আৰু ৯৫৩১৪-৯২৭৩৩ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনাইছে উদ্যোক্তসকলে।

# মহেশ্বৰ বৰকটকী বিদ্যালয়ত সংসদীয় পদ্ধতিৰে নিৰ্বাচন

**অগ্ৰদূত বাৰ্তা**

**লাইদৈগড়, ১৮ মে' ঃ** সংবিধানৰ আৰ্হিত ছাত্ৰ-ছাত্ৰীৰ মাজত ভোটদানৰ সজাগতাৰ লগতে গণতন্ত্

# বানেইকুছিত ৰূপকোঁৱৰ বাগিচাত ঔষধি উদ্ভিদ ৰোপণ

অগ্ৰদূত বাৰ্তা

**ছিপাঝাৰ, ১৮ মে' ঃ** ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বানেইকুছিত শিশুসকলৰ সামগ্ৰিক কল্যাণৰ উদ্দেশ্য গঠিত শিশু কল্যাণমূলক কেন্দ্ৰৰ উদ্যোগত স্থাপিত ৰূপকোঁৱৰ বাগিচাত যোৱা ১৫ মে'ত ঔষধি উদ্ভিদ ৰোপণৰ এখন আঁচনিৰ উদ্বোধন কৰে ছিপাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে। এই উপলক্ষে বানেইকুছি মাতৃ সেৱা সংঘ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাত বিধায়কজনে পৰিৱেশ সংৰক্ষণৰ ক্ষেত্ৰত এনে বৃক্ষৰোপণ তথা প্ৰকৃতভাৱে সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এন এখন অভিলাষী আঁচনি গ্ৰহণ কৰা বাবে তেওঁ আয়োজকসকলৰ শলাগ লোৱাৰ লগতে প্ৰয়োজনীয় সহযোগ আগবঢ়োৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শিশু কল্যাণমূলক কেন্দ্ৰৰ সভাপতি দেৱেন্দ্ৰ কুমাৰ কলিতাই আঁতধৰা সভাত ছিপাঝাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ তথা বিশিষ্ট সাহিত্যিক ড° ৰামচন্দ্ৰ ডেকা, দৰং জিলা সাহিত্য সভাৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ ৰাজবংশী, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ কুমাৰ ডোক, ছিপাঝাৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ বিষয় শিক্ষক তথা সাহিত্যসেৱী পৱন কুমাৰ কলিতা আৰু ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভানেত্ৰী যথাক্ৰমে নিৰুপমা হাজৰিকা, মামনি ডেকা আৰু আঞ্চলিক পঞ্চায়তৰ সদস্য নীলিমা কলিতা। উল্লেখ্য যে ৰূপকোঁৱৰ বাগিচাত বৃক্ষৰোপণৰ উপৰি শিশু উদ্যান, শিশু ওমলা গৃহ, মুকলি ব্যায়াম কেন্দ্ৰ, ৰূপকোঁৱৰ জ্যোতিপ্ৰদাস আগৰৱালাৰ প্ৰতিমূৰ্তি স্থাপনৰ উপৰি ঔষধি উদ্ভিদৰ বিষয়ে সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে উদ্ভিদ অধ্যায়ন কেন্দ্ৰ স্থাপনৰ আঁচনি গ্ৰহণ কৰিছে।

# কলিতা জনগোষ্ঠী সন্মিলনৰ শপত গ্ৰহণ-কাৰ্যনিৰ্বাহ সভা

অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৮ মে' ঃ** কলিতা জনগোষ্ঠী সন্মিলন অসমৰ কেন্দ্ৰীয় কমিটীৰ প্ৰথম কাৰ্যনিৰ্বাহ সভা তথা শপত গ্ৰহণ অনুষ্ঠান যোৱা ১৫ মে'ত অনুষ্ঠিত হয়। শুৱালকুছিৰ কলিতা মন্দিৰ বালিচৰত অনুষ্ঠিত শপত গ্ৰহণ অনুষ্ঠানৰ সভাত উদ্বোধনী ভাষণ প্ৰদান কৰে মঙলদৈ লোকসভাৰ প্ৰাক্তন সাংসদ ৰমেন ডেকাই। ভাষণ প্ৰসংগত তেওঁ জাতি-জনগোষ্ঠীয় সম্প্ৰদায়সকলে নিজৰ গৌৰৱোজ্জ্বল বুৰঞ্জীৰ দলিল সংৰক্ষণ কৰিব লাগে বুলি কয়। নিজ সম্প্ৰদায়ৰ অধ্যায়ৰ পৰা নৱ প্ৰজন্ম বঞ্চিত হ'লে সম্প্ৰদায়সমূহ একত্ৰিত হৈ থকাটো মস্কিল হৈ পৰে। সংগঠিত জনগোষ্ঠীৰ সম্প্ৰদায়ৰ একত্ৰিত শক্তি অসমৰ শক্তি ভৱিষ্যৎ প্ৰজন্মৰ জীৱন মাৰ্গ বুলি কয়। ড° সোণেশ্বৰ কলিতাৰ সভাপতিত্বত হোৱা সভাত শপত বাক্য পাঠ কৰায় সন্মিলনৰ প্ৰাক্তন সভাপতি ৰমণীকান্ত চহৰীয়াই। সভাত সন্মিলনৰ উন্নয়নমূলক আঁচনিৰ বহুকেইটা গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। আনকি কলিতা জনগোষ্ঠী সন্মিলনক অধিক শক্তিশালী কৰি তোলাৰ বাবে ছাত্ৰ সংগঠন আৰু মহিলা সংগঠনৰ গুৰুত্ব আৰোপ কৰে। সভাত কলিতা জনগোষ্ঠীৰ উন্নয়ন সমিতিৰ অধ্যক্ষ ডাঃ ৰাজেন চন্দ্ৰ কলিতা, কাৰ্যকাৰী সভাপতি ড° শচীন্দ্ৰ চহৰীয়া, ধনেশ্বৰ বৰ্মন আৰু সাধাৰণ সম্পাদকদ্বয় দেৱ কুমাৰ ডেকা আৰু বিষ্ণু পাটগিৰি উপস্থিত থাকে।

# জালাহ হাইস্কুলৰ ১৯৮৬ৰ সতীৰ্থ সন্মিলনৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**জালাহ, ১৮ মে' ঃ** বাগ্‌সা জিলাৰ অন্তৰ্গত স্বাধীনোত্তৰ কালত প্ৰতিষ্ঠিত শিক্ষানুষ্ঠান জালাহ হাইস্কুলৰ ১৯৮৬ৰ সতীৰ্থ সন্মিলন অনুষ্ঠিত কৰাৰ বাবে যোৱা ১৭ মে'ত এখন সভা অনুষ্ঠিত হয়। অসম সাহিত্য সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ত অজিত দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে মনজিৎ কুমাৰ দাসে। সভাত এক প্ৰস্তাৱ মৰ্মে ১৯৮৬ৰ জালাহ হাইস্কুলৰ সতীৰ্থ সন্মিলন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু অজিত দাস, হিৰণ্য দাস, নীলমণি ঠাকুৰীয়া আৰু মনজিৎ কুমাৰ দাসক আহ্বায়ক হিচাপে বাছনি কৰা হয়। ১৯৮৬ৰ জালাহ হাইস্কুলৰ সকলো সতীৰ্থকে ৯৩৬৫২৯২৩৫১, ৮৮২২১৯৮৯৬৮, ৭০০২১২৩৮৬৭ আৰু ৭৩৯৯৬৯৬৪৫২ এই নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# অধ্যাপক ড° মনোৰঞ্জন তালুকদাৰৰ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ সভা অনুষ্ঠিত

বিশেষ সংবাদদাতা

**পাঠশালা, ১৮ মে' ঃ** ভট্টাদেৱ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক, বিশিষ্ট সমাজকৰ্মী তথা উদয়ন সংঘৰ জ্যেষ্ঠ সদস্য ড° মনোৰঞ্জন তালুকদাৰৰ শ্ৰদ্ধাঞ্জলি আৰু স্মৃতিচাৰণ অনুষ্ঠান যোৱা ১৭ মে'ত পাঠশালাত অনুষ্ঠিত হয়। পাঠশালা উদয়ন সংঘৰ সভাগৃহত ৰুবুল শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত স্মৃতিচাৰণ অনুষ্ঠানত প্ৰয়াত তালুকদাৰৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰি কৈলাশ ডেকাই কয় যে মানুহৰ হৈ কাম কৰা ব্যক্তিজনক আমি হেৰুৱালো। কৰ্মক আগস্থান দিয়া লোকজনৰ অভাৱ সদায় অনুভৱ কৰিম বুলি তেওঁ মন্তব্য কৰে। ইয়াৰ পাছতে শ্ৰদ্ধাঞ্জলি অনুষ্ঠান মুকলি কৰে সতীশ তালুকদাৰে। উদয়ন সংঘৰ সাধাৰণ সম্পাদক ৰত্নকান্ত ৰয়ে আঁত ধৰা অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰে সংঘৰ প্ৰাক্তন সভাপতি তথা উপদেষ্টা দ্বীপ দাস, বিশিষ্ট অধিবক্তা দীপক ৰয় আৰু বিশিষ্ট সমাজকৰ্মী অমৰেন্দ্ৰ কলিতাই। তালুকদাৰৰ স্মৃতিচাৰণ কৰি উদয়ন সংঘৰ সভাপতি ৰুবুল শৰ্মাই কয় যে সদায় সমাজৰ হকে কাম কৰি যোৱা, প্ৰচাৰতকৈ কৰ্মক গুৰুত্ব প্ৰদান কৰি অহা প্ৰয়াত তালুকদাৰ আছিল এগৰাকী নীৰৱ সাধক। উদয়ন সংঘৰ আন এজন কাৰ্যকৰ্তা দীপক ৰয়ে কয় যে অতি মৰমিয়ালভাৱে সকলোকে মাতবোল কৰা চিন্তাশীল ব্যক্তি তালুকদাৰ উদয়ন সংঘৰ লগত দীৰ্ঘদিনৰ পৰাই জড়িত হৈ সকলো কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰত আগভাগ গ্ৰহণ কৰিছিল। তেওঁৰ অবৰ্তমান সমাজৰ লগতে সংঘৰ বাবে বৃহৎ ক্ষতি। উল্লেখ্য যে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° তালুকদাৰৰ যোৱা সাত মে'ত গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত পৰলোকপ্ৰাপ্তি ঘটে। অনুষ্ঠানত সংঘৰ উপদেষ্টা ক্ৰমে নিপেন তালুকদাৰ, ৰাতুল শৰ্মা, উৎপল দাস, নিৰ্মল কাকতি, সংঘৰ সম্পাদক ৰাতুল ৰয় আদিয়ে উপস্থিত থাকি বক্তব্য আগবঢ়ায়।

# বৰখালাত ঘগ্ৰাপাৰ ফাৰ্মাৰ্ছ প্ৰডাকচন কোম্পানীৰ উদ্যোগত কৃষক সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট, ১৮ মে' ঃ** নলবাৰী জিলাৰ বড়িগোগ বনভাগ উন্নয়ন খণ্ডৰ অন্তৰ্গত আৰু নতুনকৈ অসম চৰকাৰৰ পঞ্জীয়নভুক্ত ঘগ্ৰাপাৰ ফাৰ্মাৰ্ছ প্ৰডাকচন কোম্পানীৰ উদ্যোগত ১১ নম্বৰ দেহাৰকুছি কৃষকসকলক সামৰি এখন কৃষক সজাগতা সভা অনুষ্ঠিত হয়। তদুপলক্ষে যোৱা ১৭ মে'ৰ পশ্চিম বড়িগোগ ধীৰদত্ত উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত সজাগতা সভাত সমল ব্যক্তি হিচাপে তামুলপুৰ জিলা এফপিচিৰ তত্ত্বাবধায়ক অপূৰ্ব শৰ্মাই কৃষকসকলে কৃষি কাৰ্যত পোৱা অসুবিধাসমূহ আঁতৰ কৰাত ফাৰ্মাৰ্ছ প্ৰডাকচন কোম্পানীসমূহে লোৱা ইতিবাচক পদক্ষেপৰ বিষয়ে বিশ্লেষণ কৰে। তেওঁ কয় যে উক্ত কোম্পানীৰ যোগে ১১ নম্বৰ দেহাৰকুছি গাঁও পঞ্চায়তৰ অন্তৰ্গত প্ৰতিখন গাঁৱত একোখনকৈ এফ আই জি গঠন কৰি প্ৰকৃত কৃষকসকলে যাতে কোনো ক্ষেত্ৰতে অসুবিধাত নপৰে তাৰ ব্যৱস্থা কৰিব। সচেতন যুৱ সমাজকৰ্মী ডিম্বেশ্বৰ বেজবৰুৱাক তত্ত্বাৱধায়ক হিচাপে লৈ গঠিত উক্ত কোম্পানীটোৰ হৈ সঞ্চালক সুৰেশ কলিতা, প্ৰতুল চৌধুৰী, ফণীনাথ লহকৰ আৰু ধৰ্মেন্দ্ৰ দাসে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

# জল পৰিবহণ বিভাগৰ ভাড়াবৃদ্ধি বাতিলৰ দাবী

## ■ মাজুলী জিলা ছাত্ৰ সন্থাৰ নাগৰিক সভাত ক্ষোভ ■ শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ১৮ মে' ঃ** নিৰ্মীয়মাণ মাজুলী-যোৰহাট সংযোগী দলঙৰ দুটা খুঁটাত বিসংগতি দেখাৰ লগে লগে সদৌ মাজুলী জিলা ছাত্ৰ সন্থাই তৎপৰতাৰে মাজুলীৰ সমূহ সংগঠন আৰু ৰাইজক একত্ৰিত কৰি নাগৰিক সভা অনুষ্ঠিত কৰে। জিলা ছাত্ৰ সন্থাই সভাপতি অজিত হাজৰিকাৰ সভাপতিত্বত অনুষ্ঠিত সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰে সাধাৰণ সম্পাদক বিতোপন শৰ্মাই। বক্তব্য প্ৰসংগত আছুৰ সাংগঠনিক সম্পাদক সূৰ্য কুমাৰ ভূঞাই নিৰ্মীয়মাণ দলং মাজুলীবাসীৰ প্ৰাপ্য। এই দলং সময় মতে নিৰ্মাণ কাৰ্য শেষ হ'ব লাগিব আৰু যিসমূহ আসোঁৱাহত আছে এই সম্পৰ্কত উচ্চ পৰ্যায়ৰ তদন্ত কৰি বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰি মাজুলীবাসীক শংকামুক্ত কৰিবলৈ আহ্বান জনায়। বক্তব্য প্ৰদান কৰি আছুৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক পৱিত্ৰ গোস্বামীয়ে বক্তব্য প্ৰসংগত ফেৰী ভাড়া কোনো কাৰণত আভ্যন্তৰীণ জল পৰিবহণ বিভাগে যাতে দুগুণ ভাড়া বৃদ্ধি নকৰে। এই সিদ্ধান্ত স'তে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে সলনি কৰে তাৰ বাবে আহ্বান জনায়। সভাত অসম জাতীয়তাবাদী যুৱ পৰিষদৰ জিলা সমিতিৰ সভাপতি মুনিন্দ্ৰ ভূঞাই এই দলঙৰ আসোঁৱাহ দূৰ কৰিবৰ বাবে বিভাগ তথা চৰকাৰে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে দলঙৰ খুঁটাসমূহ বিশেষজ্ঞৰ দ্বাৰা পৰীক্ষা কৰিব লাগে বুলি বক্তব্য আগবঢ়ায়। সভাত সাহিত্য সভাৰ প্ৰভাত বুঢ়াভকত, জ্যেষ্ঠ নাগৰিক সন্থাৰ হৈ উমাকান্ত ৰাজখোৱা, সমাজকৰ্মী বীৰেন শইকীয়া, অনসূচিত জাতি ছাত্ৰ সন্থাৰ সভাপতি বিকাশ দাস, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ সম্পাদক নীলকমল শইকীয়া, সাংবাদিক সন্থাৰ সম্পাদক দীপু বৰা, শিক্ষক কোষৰ সভাপতি ঘনকান্ত নাথ, সম্পাদক ৰঞ্জিত সেন, পূৰ মাজুলী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° অৰূপ কুমাৰ বৰা, বিভিন্ন সংগঠনৰ নেতৃবৃন্দ, সাংবাদিক সন্থা, আপকুৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# উত্তৰ শালমাৰাত কৃত্ৰিম বানত বুৰিল ইৰি ধান, শাক-পাচলিৰ খেতি

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ১৮ মে' ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপ-নৈসমূহৰ জলপৃষ্ঠ বিপজ্জনকভাৱে বৈ যোৱা নাই যদিও নেৰানেপেৰা বৰষুণত অঞ্চলে অঞ্চলে সৃষ্টি হৈছে ভয়ানক কৃত্ৰিম বানৰ। মহকুমাটোৰ অন্তৰ্গত মালেগড়, কাবাইটাৰী, আৰিমাৰা, লতিবাৰী, বৰজানা, মেৰেৰচৰ, কুশবাৰী, ঔডুবী, কচুদোলা, লেংটিছিঙা, সন্তোষপুৰ-ডুমেৰগুৰী আদি কৃষিপ্ৰধান অঞ্চলত সৃষ্টি হোৱা কৃত্ৰিম বানৰ ফলত হেজাৰ হেজাৰ হেক্টৰ ইৰি ধান কৃত্ৰিম বানৰ কবলত। ফলত কৃষকসকলৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। কৃষকসকলে পৃৰঠ নৌহওঁতেই ধান চপাবলৈ বাধ্য হৈছে। ইপিনে, কপালৰ ঘাম মাটিত পেলাই বহু আশাৰে শাক-পাচলিৰ খেতি কৰিছিল যদিও কৃত্ৰিম বান তথা অতিবৃষ্টিৰ ফলত সেয়াও বিনষ্ট হৈছে। ফলত বজাৰত শাক-পাচলিৰ মূল্য আকাশলংঘী হৈ পৰিছে। দুদিনৰ ভিতৰতে আলু-পিঁয়াজৰ মূল্য বৃদ্ধিৰ লগতে বিলাহী ৮০-১০০ টকা, বেঙেনা ৬০ টকা, পটল ৫০ টকা হৈছেগে।

# নিৰুদ্দিষ্ট শিশু উদ্ধাৰ ঃ পৰিচয় আহ্বান

অগ্ৰদূত বাৰ্তা

**বিহপৰীয়া, ১৮ মে' ঃ** যোৱা বৰ্ষৰ দুই ফেব্ৰুৱাৰীত বান্দৰদেৱা আৰক্ষীয়ে পৰিত্যক্ত অৱস্থাত উদ্ধাৰ কৰি লখিমপুৰ জিলাৰ শিশু কল্যাণ সমিতিক অৰ্পণ কৰা কন্যা শিশুটো সুৰক্ষা আৰু প্ৰতিপালনৰ বাবে জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ দ্বাৰা পৰিচালিত লখিমপুৰস্থিত বিশেষ শিশু দত্তক কেন্দ্ৰত বৰ্তমানেও সুৰক্ষিত আৰু প্ৰতিপালিত হৈ আছে। উদ্ধাৰৰ সময়ত প্ৰায় তিনি বছৰ বয়সৰ কন্যা শিশুটোৰ অভিভাৱকৰ প্ৰকৃত পৰিচয় উদ্ধাৰৰ বাবে লখিমপুৰ জিলাৰ শিশু কল্যাণ সমিতিৰ তৎপৰতাত বিশ্বনাথ জিলা শিশু সুৰক্ষা গোটৰ সহযোগত প্ৰকৃত অভিভাৱকৰ সন্ধানৰ বাবে ব্যৱস্থা গ্ৰহণকৰে যদিও আজিপৰ্যন্ত সন্ধান উলিয়াবলৈ সক্ষম হোৱা নাই। গতিকে উক্ত শিশুটোৰ যদি পিতৃ-মাতৃ বা কোনো নিকট আত্মীয়ৰ সন্ধান কোনো লোকে লাভ কৰে তেনেহ'লে লখিমপুৰ জিলাৰ শিশু কল্যাণ সমিতিক বা বিশেষ শিশু দত্তক কেন্দ্ৰৰ ৱাৰ্ড নম্বৰ-০৮, উত্তৰ লক্ষিমপুৰ ৭৮৭০৭১ ঠিকনাত অথবা ৯১০১৫৬৯৪৯৩ আৰু ৯৪৩৫০৯৭৩২৪ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ জাগৃতি সন্মিলিত উন্নয়ন কেন্দ্ৰৰ সম্পাদক গৌতম কুমাৰ শইকীয়াই অনুৰোধ জনাইছে।

# ন-মাটিৰ ব'হাগী বিদায় উৎসৱ সমাপন

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ১৮ মে' ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ ন-মাটি শ্ৰীশ্ৰীশংকৰদেৱ পুথিভঁৰাল আৰু সামূহিক কেন্দ্ৰৰ সৌজন্যত আৰু ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতিৰ ব্যৱস্থাপনাত যোৱা ১৫ মে'ৰ পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। ব'হাগী বিদায় উৎসৱ কাৰ্যসূচী অনুসৰি, প্ৰথমদিনা পতাকা উত্তোলন স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, চিত্ৰাংকন আৰু কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হয়। বিয়লি অঞ্চলটোৰ প্ৰায় দুশগৰাকী যুৱতী-বোৱাৰীয়ে একেলগে বিহু নৃত্য পৰিৱেশন কৰে। সন্ধিয়া বন্তি প্ৰজ্বলন, মঞ্চ উদ্বোধন, সম্বৰ্ধনা অনুষ্ঠানৰ পাছতে অনুষ্ঠিত হয় আকৰ্ষণীয় ডিজিটেল কুইজ অনুষ্ঠান। মুকলি কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে দিব্যজ্যোতি বৰুৱাই আৰু সহযোগিতা আগবঢ়ায় শিৱানজ্যোতি কাকতিয়ে। তাৰ পাছতে উদ্‌যাপন সমিতিৰ তৰফৰ পৰা আন্তৰ্জাতিক খ্যাতিসম্পন্ন চলচ্চিত্ৰ পৰিচালক কৃপাল কলিতাক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হয়। নিশা বাৰেৰহুণীয়া বিচিত্ৰানুষ্ঠান হয়। আনহাতে, দ্বিতীয় দিনা পুৱা চাফাই অভিযানৰ পাছত বিয়লি বঁটা বিতৰণী সভা হয়। নিশা অঞ্চলটোৰ ন-পুৰণি শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত হয় 'কাল অমাৱস্যা' শীৰ্ষক সামাজিক নাটক।

# বাঙালীসকলক বিজেপি চৰকাৰে দিছিল মিছা প্ৰতিশ্ৰুতি ঃ দে

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৮ মে' ঃ** বাগ্‌সা জিলাৰ অটাগাঁৱত সদৌ বিটিআৰ বাঙালী যুৱ ছাত্ৰ ফেডাৰেছনৰ বাগ্‌সা জিলা সমিতি ভংগ কৰি নতুন সমিতি গঠনাৰ্থে অনুষ্ঠিত সভাত উপস্থিত থাকি সাংবাদিকৰ আগত বিজেপি চৰকাৰৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে কেন্দ্ৰীয় উপদেষ্টা মণ্টু দে। বিজেপি চৰকাৰে বিভিন্ন সময়ত ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰি ভোট আদায় কৰি ক্ষমতাত আহি কোনো প্ৰতিশ্ৰুতি বাস্তৱায়িত নকৰিলে বুলি অভিযোগ কৰে মণ্টু দেই। তেওঁ অভিযোগ উত্থাপন কৰি কয় যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বাঙালীৰ নাগৰিকত্ব সমস্যা সমাধানৰ কথা কয়, কিন্তু আজিও বাঙালীসকলক বিদেশীৰ নক্সা লগাই সন্দেহৰ চকুৰে চোৱা হয়। এনআৰচি, ডি ভোটাৰ আদি সমস্যা চৰকাৰৰ এবছৰ পাৰ হৈ যোৱাৰ পাছতো সমাধান নহ'ল। যাৰ বাবে প্ৰতিটো জিলা উপায়ুক্তৰ কাৰ্যালয়ত প্ৰতিবাদৰ হুংকাৰ প্ৰদান কৰে মণ্টু দেই। অনুষ্ঠানত উপস্থিত থাকে কেন্দ্ৰীয় সভাপতি হৰেণ দাস, সম্পাদক ব্ৰজগোপাল সৰকাৰ, উপদেষ্টাদ্বয় মণ্টু দে, মদন শৰ্মা আদি কৰি বহুকেইগৰাকী নেতা-কৰ্মী। প্ৰতিনিধি সভাত বাগ্‌সা জিলা সমিতিৰ পুৰণি সমিতিখন ভংগ কৰি নতুন সমিতি গঠন কৰা হয়। সমিতিখনৰ সভাপতি হিচাপে প্ৰসেণজিত দেৱ নাথ, সম্পাদক ৰাজেশ ঘোষ, সুদীপ বৰ্মন আদি কৰি ২১ জনীয়া এখন পূৰ্ণাংগ শক্তিশালী সমিতি গঠন কৰা হয়। এই সমিতিৰ দ্বাৰা অনাগত দিনত জাতীয় কাম-কাজ অতি শক্তিশালীৰূপে কৰিব বুলি ৰাইজলৈ আশ্বাস প্ৰদান কৰে সংগঠনটোৱে।

# বৰভাগৰ আৰিকুছিত যুৱ-ছাত্ৰ পৰিষদৰ শাখা সমিতি গঠন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ১৮ মে' ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ বৰভাগ আঞ্চলিক সমিতিৰ অন্তৰ্গত বৰভাগ অঞ্চলৰ পশ্চিম প্ৰান্তৰ কে'বাগৰাকীও ছাত্ৰ-ছাত্ৰী আৰু যুৱকক আৰিকুছি বালিকা প্ৰাথমিক বিদ্যালয়ত একত্ৰিত কৰি দ্বিপজ্যোতি বৰুৱাক সভাপতি আৰু ৰিয়াজউদ্দিন আহমেদক সম্পাদক পদত নিৰ্বাচিত কৰি এখন পূৰ্ণাংগ সমিতি গঠন কৰে। সভাত সভাপতি কৰে বৰভাগ আঞ্চলিক সমিতিৰ ভাৰপ্ৰাপ্ত সভাপতি কংকন কলিতাই এই সভাত বৰভাগ আঞ্চলিক সমিতিৰ যুটীয়া সম্পাদক চাজিদ আহমেদে যুৱ-ছাত্ৰ পৰিষদ লক্ষ্য, নীতি, আদৰ্শৰ বিষয়ে কয়। সভাত উপস্থিত থাকে বৰভাগ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক ময়ুৰ ৰহমান, যুটীয়া সম্পাদক চাজিদ আহমেদ, সাংগঠনিক সম্পাদক ইমৰান হুছেইনৰ লগতে কে'বাগৰাকীও বিষয়ববীয়া।

# সন্ধাত প্ৰকৃতিৰ নান্দনিক দৃশ্যই আহ্লাদিত কৰিছে সকলোকে

অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৮ মে' ঃ** নলবাৰী জিলাৰ পূৱ প্ৰান্তস্থিত সন্ধাত ব'হাগৰ বিদায়ী ক্ষণত প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই সকলোকে আহ্লাদিত কৰিছে। সন্ধা-পয়লা সীমাস্থিত পাগলাদিয়া পাৰত কৃষ্ণচূড়াৰ সোণালী ফুলে সকলোৰে প্ৰাণঞ্চল কৰি তুলিছে। পাগলাদিয়াৰ বোৱতী পানীৰ কুলুধ্বনী আৰু মুকলি আকাশৰ তলৰ কৃষ্ণচূড়াৰ ৰঙা ফুলৰ, লগতে নৱ নিৰ্মিত পাগলাদিয়া দলঙৰ সৌন্দৰ্যই হাত-বাউলি মাতিছে সকলোকে। অহা-যোৱা কৰা পথচাৰীয়ে ক্ষন্তেকৰ বাবে হ'লেও ৰৈ ৰ লাগি চাইছে এই নান্দনিক দৃশ্য। এই অপৰূপ সৌন্দৰ্যময়ী প্ৰকৃতিৰ মনমোহা দৃশ্য চাবলৈ বিভিন্ন স্থানৰ পৰা লোকে চাবলৈ আহিছে। ৰাজ্যৰ ভিন্ন প্ৰান্তত এতিয়া প্ৰকৃতিয়ে ৰুদ্ৰ ৰূপ লৈছে। তাণ্ডৱত থানবান হৈছে সৰ্বত্ৰে। তেনে ক্ষেত্ৰত পূৱ নলবাৰীৰ এই অপৰূপ প্ৰকৃতিৰ নান্দনিক দৃশ্যই আহ্লাদিত কৰিছে সকলোকে।

# ছাত্ৰ-ছাত্ৰীসকল হ'ল ৰাষ্ট্ৰৰ সম্পদ

## ■ আৰ্থিক সাহায্য বিতৰণ বিধায়ক ৰবিৰাম নাৰ্জাৰীৰ

অগ্ৰদূত বাৰ্তা

**দোতমা, ১৮ মে' ঃ** কোকৰাঝাৰ জিলাৰ ২৯ নম্বৰ কোকৰাঝাৰ পশ্চিম সমষ্টিৰ অন্তৰ্গত ফকিৰাগ্ৰাম মহাবিদ্যালয় প্ৰেক্ষাগৃহত মুখ্যমন্ত্ৰী ত্ৰাণ সাহায্য পুঁজিৰ চেক বিতৰণ কৰা হয়। সমষ্টিৰ ৩২০ গৰাকী দৰিদ্ৰ শ্ৰেণীৰ মেধাৱী ছাত্ৰ-ছাত্ৰী, দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা দৰিদ্ৰ ৰোগীৰ চিকিৎসাৰ বাবে আৰ্থিক অনুদানৰ চেক কালি আনুষ্ঠানিকভাৱে বিতৰণ কৰে ২৯ নম্বৰ পশ্চিম কোকৰাঝাৰ বিধানসভা সমষ্টিৰ বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে। মুখ্যমন্ত্ৰী ত্ৰাণ সাহায্য পুঁজিৰ অধীনত আৰ্থিক সাহায্য প্ৰদানৰ জৰিয়তে দৰিদ্ৰ ছাত্ৰ-ছাত্ৰী আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলক সামান্য পৰিমাণে সকাহ দিয়াৰ ব্যৱস্থা কৰা হৈছে বুলি বিধায়ক ৰবিৰাম নাৰ্জাৰীয়ে প্ৰকাশ কৰে। মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি বিধায়কজনে বিটিচিৰ পাঁচটা পৰিষদীয় সমষ্টিৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা মেধাৱী ছাত্ৰ-ছাত্ৰী আৰু ৰোগীৰ মাজত ৪৭ লাখ ৭০ হেজাৰ টকাৰ চেক বিতৰণ কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলক প্ৰাধান্য দিয়া হৈছে। কেঞ্চাৰ, কিডনি, হাৰ্টৰ ৰোগ আদিৰ দৰে দুৰাৰোগ্য বেমাৰত আক্ৰান্ত হোৱা আদি ৰোগীক প্ৰাধান্য দি ২০২১-২০২২ত পোন প্ৰথমবাৰৰ বাবে এই সাহায্য বিতৰণ কৰাৰ দিহা কৰা হৈছে। তেওঁ কয়, ছাত্ৰ-ছাত্ৰীসকল হ'ল ৰাষ্ট্ৰৰ সম্পদ। মানৱ সম্পদ। এই মানৱ সম্পদৰ মাজত শ্ৰেণী বিভাজন নকৰে। বৰ্ণ বৈষম্য, জাত-পাতৰ বৈষম্য, ধৰ্মীয় মেৰুকৰণ আদিৰ নাম লৈ ৰাজনীতি নকৰে। আদৰ্শ নীতি হিচাপে বাচ-বিচাৰ কৰা নাই। এখন আঁঠুৱা-কম্বল লৈ সন্তীয়া আৰু তল খাপৰ ৰাজনীতি নকৰে। মানুহক সেৱা কৰা হ'ল দায়িত্ব আৰু কৰ্তব্য। সামাজিক দায়বদ্ধতা পালন কৰি আছে। চেক বিতৰণ সভা পৰিচালনা কৰে ব্লক সভাপতি এজামুল হকে। অতিথি চিনাকি পৰ্বৰ আঁত ধৰে জিলা উপ-সভাপতি ড° ৰেজাউল কৰিমে। উদ্দেশ্য ব্যাখ্যা কৰে সংখ্যালঘু কোষৰ সাধাৰণ সম্পাদক ছুলতান আলমে। দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ উচ্চ শিক্ষা গ্ৰহণ, দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকৰ বাবে চিকিৎসা সেৱাৰ ব্যৱস্থা ৩২০ গৰাকী লোকৰ মাজত এই মুখ্যমন্ত্ৰীৰ ত্ৰাণ সাহায্য পুঁজিৰ পৰাই এই সাহায্য লাভ কৰিছে। দোতমা পৰিষদীয় সমষ্টিৰ পাৰ

# চৰকাৰী কাৰ্যালয়ত কাম কৰাবলৈ আজিও

*এক পৃষ্ঠাৰ পৰা* প্ৰমাণপত্ৰ, অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ প্ৰমাণ-পত্ৰ, জাতিগত প্ৰমাণ-পত্ৰ, বাৰ্ষিক আয়ৰ প্ৰমাণ-পত্ৰ, অনা উচ্চস্তৰীয় স্তৰৰ প্ৰমাণপত্ৰ আদি বিভিন্ন নথিৰ সংক্ৰান্তত দৈনিক শ শ লোকৰ আগমন ঘটে। এই দৈনন্দিন কাম-কাজৰ উপৰি কম সংখ্যক ৰাজহ চক্ৰ বিষয়াৰ ওপৰত অন্যান্য বিভাগৰ দায়িত্বও ন্যস্ত কৰা হয়। সমান্তৰালভাৱে এই কাম-কাজসমূহৰ উপৰি একোজন ৰাজহ চক্ৰ বিষয়াক জলজীৱন মিছন, বসুন্ধৰা, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ নথি পৰীক্ষা, কিছু স্থানত পাৱাৰগ্ৰীডৰ কাম পৰ্যবেক্ষণ আদি বিভিন্ন আঁচনিত দায়িত্ব অৰ্পণ কৰা হৈছে। ফলত এই দায়িত্বসমূহ ৰূপায়ণ কৰিবলৈ যাওঁতে দৈনন্দিন কাম-কাজত ব্যাঘাত জন্মিছে বুলি স্বয়ং কে'বাজনো ৰাজহ চক্ৰ বিষয়াই প্ৰকাশ কৰিছে।

উল্লেখ্য যে দিছপুৰ ৰাজহ চক্ৰৰ কাৰ্যালয়ত যোৱা চাৰিদিন ধৰি পুত্ৰৰ চাকৰিৰ আবেদনৰ বাবে 'অৰ্থনৈতিকভাৱে দুৰ্বল শ্ৰেণীৰ প্ৰমাণ-পত্ৰ' আৰু বাৰ্ষিক আয়ৰ প্ৰমাণ-পত্ৰ উলিয়াবলৈ তাঁতবাটি কাঢ়িবলগীয়া হোৱা ছয়মাইলৰ জনৈক ৰাভাই 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, 'চাৰিদিন আহিলো আৰু মাজত তিনিদিন বন্ধ আছিল, এসপ্তাহ হ'ল। যেতিয়াই আহো বিষয়া ফিল্ডত গৈছে বুলি কয়। আমি দৰিদ্ৰ মানুহ; কোন ক'ত গৈছে, কি ফিল্ড বুজি নাপাওঁ। এদিনত নহ'ল, পাছদিনাতো হ'ব লাগে। আহি আহি ভাগৰি পৰিছো।' সমান্তৰালভাৱে 'ছ'চাইটী' পঞ্জীয়নৰ বাবে ৰিপ'ৰ্ট বিচাৰি যোৱা এজনে আজি ৰাজহ চক্ৰ বিষয়াৰ সাক্ষাৎ লাভ কৰি ওলাই অহাৰ সময়ত 'দৈনিক অগ্ৰদূত'ৰ আগত কয়, 'উস্ আজি হ'ল, আহি আহি ভাগৰি গ'লো। চৰকাৰে ব্যৱস্থাসমূহ সংস্কাৰৰ কথা কয়, মুখ্যমন্ত্ৰীয়ে চৰকাৰী কাৰ্যালয়সমূহত জনতাৰ কাম যিমান পাৰে কম সময়ৰ ভিতৰত কৰি দিবলৈ আহ্বান জনাই আহিছে। ব্যৱস্থাসমূহ আগতকৈ কঠিন আৰু সময় বেছি লগা যেনহে লাগিল। বিষয়াবোৰৰ ওপৰত বহু আঁচনিৰ দায়িত্ব, কাৰ্যালয়ত খোজ পেলাবলৈ সময় নাই বুলি কয়। কৰ্মচাৰীৰ ভাষ্য কেৱল ঃ ছাৰ, মণ্ডল ফিল্ডত আছে; কিন্তু কোনখন ফিল্ডত কি কাম কৰি আছে সেয়াটো সাধাৰণ জনতাই নাজানে। ফলত সমস্যা ৰাইজৰ হৈছে। প্ৰকৃততে বিষয়া ফিল্ডত আছে নে? ইয়াৰ খবৰ কোনে ৰাখিব?' উল্লেখ্য যে দিছপুৰৰ সমান্তৰালভাৱে ৰাজ্যৰ গৰিষ্ঠ সংখ্যক ৰাজহ চক্ৰৰ কাৰ্যালয়তে এনে পৰিস্থিতি অব্যাহত আছে। চৰকাৰে এই ক্ষেত্ৰত দৃষ্টি নিক্ষেপ নকৰিলে শীঘ্ৰে জনতাৰ ক্ষোভ যে প্ৰকাশ পাব সেয়া নিশ্চিত।

# নাগৰিকক দোষ জাপি দায় সৰাৰ চেষ্টা

*এক পৃষ্ঠাৰ পৰা* গুৱাহাটীৰ মূল পাঁচখন নদী ভৰলু, বাহিনী, লখিমীজান, বশিষ্ঠ আৰু মৰা ভৰলুৰ পৰা মুঠ এক লাখ ছহেজাৰ ৮২৪ ঘন মিটাৰ আৱৰ্জনা নিষ্কাশন কৰা হৈছে। নিগমৰ বিষয়াই কয় যে একাংশ অসচেতন লোকে নৈ তথা নলা নৰ্দমাত পেলায় জাৱৰ। শাস্তি-জৰিমনা বিহিলেও তেওঁলোক সতৰ্ক নহয় বুলিও নাগৰিককে দোষ জাপি দিয়ে নিগমৰ ৰিষয়াই। পৌৰ নিগমে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২১ৰ চাৰি ডিচেম্বৰৰ পৰা গুৱাহাটীৰ নৈ তথা নলা নৰ্দমাসমূহৰ পৰা জাৱৰ নিষ্কাশনৰ কাম আৰম্ভ কৰিছে। এই নিষ্কাশন 'পকলেইন মাউন্টেড বাৰ্জ' ব্যৱহাৰ কৰি কৰা হৈছে বুলি সদৰী কৰে। যোৱা তিনিমাহত পৌৰ নিগমে মহানগৰীৰ মুঠ ৪৭৬টা নলাৰ ভিতৰত মুঠ ৮০,৯৩৫ মিটাৰৰ ৭৪টা বানপ্ৰৱণ নলা নিষ্কাশন কৰে। এই নলাসমূহৰ পৰা নিষ্কাশন কৰা হয় মুঠ ৮২,৮৯১ ঘন মিটাৰ আৱৰ্জনা। ইয়াৰে ৫৭,২৪২ ঘন মিটাৰ আৱৰ্জনাৰ লগতে লখিমীজান নৈৰ ১,৪৫৮ ঘন মিটাৰ, ভৰলু নৈৰ ১২,৩২০ ঘনমিটাৰ, বাহিনী নৈৰ ১,২১৭ ঘন মিটাৰ, মৰা ভৰলুৰ ৫১৮৭.৫০ ঘন মিটাৰ আৰু বশিষ্ঠ নৈৰ ২৭৭৯.৫০ ঘন মিটাৰ মুঠ ৮০,২০৪ ঘন মিটাৰ আৱৰ্জনা ইতিমধ্যে ডাম্পিং গ্ৰাউণ্ডত পেলোৱা হৈছে বুলি প্ৰকাশ কৰে। শীৰ্ষ ৰিষয়াৰ সূত্ৰই দাবী কৰা মতে, আৱৰ্জনা নিষ্কাশন তথা নৈ খননৰ বাবে প্ৰায় ২৬ কোটি টকাৰ বাজেট নিৰ্ধাৰণ কৰা হৈছে যদিও যিধৰণে গুৱাহাটীবাসীয়ে নৈ-নলাসমূহত আৱৰ্জনা পেলাব ধৰিছে তেনেদৰে থাকিলে সঘনাই নিষ্কাশন প্ৰক্ৰিয়া চলাব লগা হ'ব। তাৰ ফলত চৰকাৰী ধনৰ অপচয় হ'ব। উল্লেখ্য যে নৈ তথা নলা নৰ্দমাসমূহ নিষ্কাশনত প্লাষ্টিক জাতীয় আৱৰ্জনাৰ পৰিমাণ অধিক আছিল বুলি নিগমৰ 'নিষ্কাশন প্ৰকল্প'ৰ বিষয়বৰীয়াই জানিবলৈ দিয়ে। তেওঁলোকে জনোৱা অনুসৰি প্লাষ্টিক আৱৰ্জনাৰ লগতে ইলেকট্ৰনিক আৱৰ্জনা, গোবৰ, কাঠৰ আচবাব, জন্তুৰ মৰা শ ইত্যাদি এই নলা নৈসমূহৰ পৰা নিষ্কাশন কৰা হৈছে। 'ভৰলু নৈ চফা কৰাৰ ১৫ দিনৰ ভিতৰত পুনৰ আৱৰ্জনাৰে ভৰি পৰে। গুৱাহাটীৰ ফ্লেটসমূহত একোখনকৈ গাঁও থাকে। সেই গোটেই পৰিয়ালে জাৱৰ সমূহ নৈ নৰ্দমাতে পেলায়। জৰিমনা বিহিলেও তেওঁলোক সতৰ্ক নহয়।' এই ভাষ্য শীৰ্ষ ৰিষয়াৰ। নৈ নলা সমূহত জাৱৰ পেলোৱা বন্ধ কৰিবলৈ পৌৰ নিগমে অনাগত দিনত জাৱৰ পেলোৱা মূল পইণ্টসমূহত নৈৰ ওপৰত ফেন্সিং দিয়াৰ ব্যৱস্থা কৰাৰ লগতে চিচি টিভি কেমেৰা স্থাপন কৰা হব বুলি জানিবলৈ দিয়ে।

# গোৰ্খাক বিদেশী বুলি অপমান কৰিব

*এক পৃষ্ঠাৰ পৰা* গোৰ্খাসকল অসমৰ মাজত কেনেদৰে সম্পৰ্ক হৈছিল তাক আজি অধিবেশনলৈ আহি উপলব্ধি কৰিলো। গোৰ্খাসকল প্ৰাচীন কামৰূপৰ ৰজাৰ দিনৰ পৰা অসমত বসবাস কৰি আহিছে। বিশ্বৰ ইতিহাসত গোৰ্খাৰ বীৰত্বৰ এক বীৰল গাঁথা আছে। নেপালী লোকসকলৰ সমৃদ্ধ ইতিহাস আৰু অৱদানেৰে অসমৰ ভাষা কলা-কৃষ্টি-সংস্কৃতি আৰু আমাৰ জাতীয় জীৱন সমৃদ্ধ হৈ আছে। গোৰ্খাক বিদেশী বুলি কোনেও অপমান কৰিব নালাগে।' ইপিনে, গোৰ্খাসকলৰ ভূমি সমস্যা, জাতিৰ প্ৰমাণপত্ৰৰ লগতে শিক্ষাৰ সমস্যাকে ধৰি বিভিন্ন সমস্যা শীঘ্ৰে দূৰ কৰিব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই প্ৰতিশ্ৰুতি দিয়ে। তেওঁ জাতিৰ প্ৰমাণপত্ৰ গোৰ্খাসকলৰ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰসকলক প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। আনকি 'ডি' ভোটাৰৰ সন্দৰ্ভতো গোৰ্খাসকলক হাৰাশাস্তি নকৰিবলৈ মুখ্যমন্ত্ৰীয়ে আৰক্ষীক নিৰ্দেশ দিয়ে। তেওঁ পুনৰ কয় যে বহু গোৰ্খালোকে হিন্দু ধৰ্ম এৰি আন ধৰ্ম গ্ৰহণ কৰিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যেনেকৈ অসমীয়া সমাজত উচ্চ-নীচৰ ভেদাভেদ নোহোৱা কৰিছিল তেনেকৈ গোৰ্খা জাতিৰ মাজতো উচ্চ-নীচ নোহোৱা কৰি এটা মহান জাতি হিচাপে প্ৰতিষ্ঠা কৰিব লাগিব। উক্ত সভাতে মুখ্যমন্ত্ৰী ড° শৰ্মাই গোৰ্খা উন্নয়ন পৰিষদৰ বাবে পচিশ কোটি টকাৰ এককালীন অনুদান ঘোষণা কৰে। সভাখনত বিটিআৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ভাষণ প্ৰদান কৰি বিটিআৰত মাটি-বাৰীকে ধৰি গোৰ্খাসকলে সন্মুখীন হৈ থকা বিভিন্ন সমস্যাসমূহ সমাধানৰ লগতে বড়োলেণ্ড বিশ্ববিদ্যালয়ত নেপালী ভাষাৰ বিভাগ এটা শীঘ্ৰে মুকলি কৰাৰ কথা ঘোষণা কৰে। উল্লেখ্য যে পুৱা অধিবেশনথলীৰ পৰা বাৰেবহুণীয়া সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। উক্ত সাংস্কৃতিক শোভাযাত্ৰা মুকলি কৰে গোৰ্খা উন্নয়ন পৰিষদৰ উপাধ্যক্ষ ৰাম দাহালে। এই উপলক্ষে বিভিন্ন জাতি-জনগোষ্ঠীৰ সাংস্কৃতিক সমাহাৰেৰে মিলনভূমিত পৰিণত হয় নিকাছিৰ অধিবেশনথলী। অসম গোৰ্খা সন্মিলনৰ বিদায়ী সভাপতি ৰাম প্ৰসাদ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত মন্ত্ৰী ইউ জি ব্ৰহ্ম, অশোক সিংঘাল, সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি দীপাংক নাথ, গোৰ্খা উন্নয়ন পৰিষদৰ সভাপতি প্ৰেম তামাংকে ধৰি বহু বিশিষ্ট লোক উপস্থিত থাকে। উক্ত অধিবেশনৰ প্ৰতিনিধি সভাতে পৰৱৰ্তী কাৰ্যকালৰ বাবে কৃষ্ণ ভূজেলক সভাপতি আৰু লক্ষ্মী চেড়াইক মুখ্য সচিবৰূপে লৈ নতুন সমিতি গঠন কৰা হয়।

# গ্ৰেচ্যুইটিৰ দাবীত অংগনৱাড়ী কৰ্মী

*এক পৃষ্ঠাৰ পৰা* যোৱা ১৪ মে'ৰ ভিতৰত সমাজ কল্যাণ বিভাগে গ্ৰেছুইটি প্ৰদান কৰা বিষয়ত লিখিত জাননী জাৰি কৰাৰ দাবী উত্থাপনৰ পাছতো উক্ত দাবী মানি নোলোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰ এই কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱা ১১ বজাৰ পৰা ৰাজ্যৰ বিভিন্ন জিলাৰ পৰা অহা কৰ্মী-সহায়িকাৰ প্ৰতিবাদত উত্তাল হৈ পৰে মহানগৰী। প্ৰতিবাদকাৰীয়ে হাতে হাতে প্লেকাৰ্ড, বেনাৰ লৈ বিভিন্ন শ্ল'গানেৰে চৌদিশ উত্তাল কৰে। প্ৰতিবাদত অংশ লৈ সন্থাৰ সম্পাদিকা ইন্দিৰা নেৱাৰে কয়, 'অংগনৱাড়ী কৰ্মী-সহায়িকাসকলে সামাজিক সুৰক্ষা বিচাৰি ধাৰাবাহিক আন্দোলন চলাই আহিছে যদিও চৰকাৰ আমাৰ প্ৰতি সদয় হোৱা নাই। আমি নিষ্ঠাৰে কৰ্মত ব্ৰতী হৈ আছো যদিও অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগে আমাক আইনগত চিকিৎসা ব্যৱস্থা, গ্ৰেছুইটি, পেঞ্চন আদি কোনো ধৰণৰ সুবিধা প্ৰদান কৰা নাই। শেহতীয়াভাৱে চৰকাৰে ২০২১ৰ ২৪ ডিচেম্বৰত অংগনৱাড়ী কৰ্মী-সহায়িকাসকলৰক অৱসৰৰ সময়ত এককালীন সাহায্য দিয়াৰ কথা ঘোষণা কৰিছে। কিন্তু পৰিতাপৰ বিষয় যে এই সন্দৰ্ভত বৰ্তমানলৈ কোনো লিখিত জাননী জাৰি কৰা নাই।' ইপিনে, উচ্চতম ন্যায়ালয়ে অংগনৱাড়ী কৰ্মী-সহায়িকাসকলক এক ৰায়যোগে গ্ৰেছুইটি দিয়াৰ নিৰ্দেশনা প্ৰদান কৰিছে বুলি নেৱাৰে উল্লেখ কৰি এই নিৰ্দেশনাৰ ক্ষেত্ৰতো বিভাগে কোনো পদক্ষেপ লোৱা নাই বুলি উল্লেখ কৰে। যিহেতু এককালীন সাহায্য প্ৰদানৰ ক্ষেত্ৰত কোনো লিখিত জাননী জাৰি কৰা নাই। যাৰ বাবে অৱসৰৰ সময় হোৱা কৰ্মী-সহায়িকাসকলৰ গ্ৰেছুইটিৰ কাম প্ৰকল্পৰ গাণনিক বিষয়াই নকৰে। আমি চৰকাৰক আমাৰ দাবীসমূহৰ বিষয়ে জনাই ১৪ মে'ৰ ভিতৰত গ্ৰেছুইটিৰ সন্দৰ্ভত লিখিত জাননী জাৰি কৰিবলৈ আবেদন জনাইছিলো; কিন্তু চৰকাৰে গুৰুত্ব নিদিলে। যাৰ পৰিপ্ৰেক্ষিতত আমি আজি এই কাৰ্যসূচী ৰূপায়ণ কৰিছো। বিভাগৰ সঞ্চালকক সাক্ষাৎ কৰি স্মাৰকপত্ৰ দিবলৈ আহিছো যদিও আমাক তেওঁ সাক্ষাৎ নকৰে। আমি আমাৰ দাবী চৰকাৰৰ দৃষ্টিগোচৰ কৰিবলৈ এই পন্থা অৱলম্বন কৰিবলৈ বাধ্য হ'লো।' ইপিনে, উক্ত কাৰ্যসূচীত সন্থাৰ সভাপতি জয়মতী দাসে ৰাজ্যৰ বহু অংগনৱাড়ী কেন্দ্ৰৰ অৱস্থা অতিকৈ শোচনীয় বুলি ক্ষোভ প্ৰকাশ কৰে। তেওঁ কয়, 'সমাজ কল্যাণ মন্ত্ৰী অজন্তা নেওগে আদৰ্শ কেন্দ্ৰ স্থাপনৰ ঘোষণা কৰিছে। আমাক নালাগে ২৫ লাখ টকীয়া আদৰ্শ কেন্দ্ৰ। তাৰ পৰিবৰ্তে ৰাজ্যৰ অতি জৰ্জৰ কেন্দ্ৰসমূহৰ আন্তঃগাঁথনি উন্নত কৰক। বৰষুণ দিলে বহু কেন্দ্ৰত পানী পৰে। তেতিয়া অংগনৱাড়ী কৰ্মী-সহায়িকাই ছাত্ৰ-ছাত্ৰীক কুঁচি মুচিকে সুমুৱাই লয়। কেন্দ্ৰসমূহত কাগজ পত্ৰ, শিক্ষণৰ সামগ্ৰী ৰাখিবৰ বাবে নাই আলমিৰা। আমি কৈ কৈ ভাগৰি পৰিছো। বিভাগীয় মন্ত্ৰীক আজিলৈ সাক্ষাৎ কৰিব পৰা নাই।' আনকি মন্ত্ৰীয়ে এনে কেন্দ্ৰসমূহ আজিলৈ পৰিদৰ্শন কৰিব যোৱা নাই বুলি তেওঁ অভিযোগ উত্থাপন কৰে। মন্ত্ৰী নেওগক আদৰ্শ কেন্দ্ৰ স্থাপনৰ পৰিৱৰ্তে সেই কেন্দ্ৰসমূহৰ উন্নয়ন কৰিবলৈ সজোৰে দাবী উত্থাপন কৰে কৰ্মী সহায়িকাই। তদুপৰি, অংগনৱাড়ী কেন্দ্ৰসমূহত দিয়া খাদ্য সামগ্ৰীৰ নামতো অনিয়ম হৈছে বুলি সন্থাৰ সভাপতি-সম্পাদিকাই অভিযোগ কৰে। অংগনৱাড়ী কেন্দ্ৰত সমবায়ৰ জৰিয়তে প্ৰদান কৰা চাউলৰ ক্ষেত্ৰত ব্যাপক খেলি-মেলি হৈ আহিছে বুলি উল্লেখ কৰি তেওঁলোকে অনিয়মীয়া চাউল প্ৰদানৰ জৰিয়তে বিয়াগোম কেলেংকাৰি সংঘটিত হৈ আহিছে যদিও মন্ত্ৰী নেওগে অংগনৱাড়ী কৰ্মী-সহায়িকাকহে চাউল তথা অন্যান্য সামগ্ৰী চুৰি কৰা বুলি দোষাৰোপ দিয়ে বুলি খেদ প্ৰকাশ কৰে। কাৰ্যসূচীৰ অন্তত সন্থাৰ হৈ সভাপতি-সম্পাদিকাই সমাজ কল্যাণ সঞ্চালকালয়ৰ অতিৰিক্ত সঞ্চালকৰ জৰিয়তে সঞ্চালকক এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে।

# ছদিন শাৰী পাতিও অটল অমৃতৰ সুবিধা

*এক পৃষ্ঠাৰ পৰা* অৱশেষত সংশ্লিষ্ট কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস প্ৰদান কৰাৰ পাছতহে পৰিস্থিতি নিয়ন্ত্ৰণলৈ আহে। উল্লেখ্য যে ৰাজ্যৰ কৰ্কট ৰোগীসকলৰ অন্যতম চিকিৎসা কেন্দ্ৰস্থলী মহানগৰীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত যোৱা শুকুৰবাৰৰ পৰা কম্পিউটাৰৰ 'লিংক'ৰ অজুহাতত অটল অমৃত আৰু আয়ুষ্মান ভাৰতৰ সুবিধা লাভ কৰা নাছিল ৰোগীৰ পৰিয়ালসমূহে। এই সেৱা লাভ নকৰাৰ ফলত দৰিদ্ৰ পৰিয়ালৰ ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰিব নোৱৰাত আঁচনিৰ সুবিধা লাভ কৰাৰ আশাত মহানগৰীত বাহৰ পাতিবলৈ বাধ্য হৈ পৰে। আশাত বন্দী ৰোগীৰ পৰিয়ালে নিতৌ পুৱাৰে পৰা সন্ধিয়া পৰ্যন্ত সংশ্লিষ্ট আঁচনিৰ সুবিধা লাভ কৰা স্থানত দীঘলীয়া শাৰী পাতি থাকিবলৈ বাধ্য হৈছিল। ছটা দিনৰ পাছতো সেৱা লাভ নকৰাত আজি ৰোগীৰ পৰিয়ালসমূহ সংশ্লিষ্ট পক্ষৰ বিৰুদ্ধে ক্ষোভিত হৈ পৰে। মাতৃৰ চিকিৎসাৰ বাবে শিৱসাগৰৰ পৰা অহা অনুপ গগৈয়ে এই ক্ষেত্ৰত ক্ষোভ উজাৰি কয়, 'শুকুৰবাৰে আহিলো, 'লিংক' আহিব আহিব কৈ আছে আজিও নাহিল। 'লিংক' নথকাৰ ফলত ৮০ শতাংশ ৰোগী পৰিয়ালৰ তথৈবচ অৱস্থা হৈছে। 'লিংক' আহিব আহিব বুলি পুৱাৰ পৰা শাৰী পাতিব লাগে আৰু আজি ছটা দিন এইদৰে অতিক্ৰম কৰিলে। হেল্পলাইন নম্বৰলৈও ফোন কৰা হ'ল; ফল ধৰা নাই। নিৰ্দিষ্টকৈ যদি সময় এটা দিলে হয়, অলপ অন্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰিলেল হয়। যাৰ ধন আছে চিকিৎসা কৰিছে আৰু যিসকলে পৰা নাই 'লিংক'লৈ অপেক্ষা কৰিবলগীয়া হৈছে।' ৰোগীৰ ক্ষেত্ৰত এনেকুৱা হ'ব নালাগিছিল বুলি গগৈয়ে মন্তব্য কৰি পুনৰ কয়, 'ইয়াত কোনে কি কৰিছে আমাৰ ক'বলগা নাই, মুঠতে শীঘ্ৰে ইয়াৰ সেৱা উপলব্ধ কৰক। চৰকাৰ নে কোনো এনজিঅ'ৰ বাবে 'লিংক' নাই সেয়া ৰোগীৰ বিচাৰ্য বিষয় নহয়।' সমান্তৰালকৈ গোলাঘাটৰ পৰা অহা এটা পৰিয়ালে 'লিংক' নথকাৰ ফলত চিকিৎসা প্ৰদান কৰিব নোৱৰা বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে ব্যয়বহুল কৰ্কট ৰোগ চিকিৎসাৰ ক্ষেত্ৰত ৰাজ্যৰ গৰিষ্ঠসংখ্যক দৰিদ্ৰ পৰিয়ালে অটল অমৃত আৰু আয়ুষ্মান ভাৰতৰ জৰিয়তে ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰত বহু সকাহ পাই আহিছিল। কিয়নো বছৰি অটল অমৃতৰ জৰিয়তে দুই লাখ আৰু আয়ুষ্মান ভাৰতৰ জৰিয়তে লাভ কৰি অহা পাঁচ লাখ টকাৰ সাহায্যৰ জৰিয়তে ৰোগীৰ অস্ত্ৰোপচাৰ, ৰেডিয়েছন, কেম', ইঞ্জেকছন আদি সম্পন্ন কৰিবলৈ সক্ষম হৈছিল। ফলত বিগত ছদিন ধৰি ইয়াৰ সুবিধা লাভ নকৰাত সম্প্ৰতি দৰিদ্ৰ পৰিয়ালসমূহৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে।

ইফালে, ছদিন ধৰি সেৱা লাভত ব্যৰ্থ ৰোগীৰ পৰিয়ালে বিক্ষোভ প্ৰদৰ্শন কৰাৰ পাছতে আঁচনি ৰূপায়ণৰ দায়িত্বত থকা প্ৰতিষ্ঠানৰ স'তে যোগাযোগ স্থাপন কৰি সেৱা উপলব্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে চিকিৎসালয় কৰ্তৃপক্ষই। অৱশ্যে 'লিংক'ৰ কাৰণে নহয়, দুয়োটা আঁচনিত কৰ্মৰত কৰ্মচাৰীসকলক বদলি কৰাৰ বাবেই এই পৰিস্থিতিৰ উদ্ভৱ হৈ আছে আৰু এই বিষয়ত চিকিৎসালয়ৰ কোনো ভুল-ত্ৰুটি নাই বুলি কৰ্কট প্ৰতিষ্ঠানৰ উপ-সঞ্চালকজনে 'দৈনিক অগ্ৰদূত'ৰ আগত সদৰী কৰি কয়, 'যিসকল কৰ্মচাৰীয়ে এই আঁচনিত কাম কৰি আছিল, তেওঁলোকৰ স্থানত নতুনকৈ কৰ্মচাৰীক নিযুক্তি দিয়া হৈছে। ফলত তেওঁলোকৰ কিছু কাৰিকৰী দিশত কাম চলি থকাৰ বাবেই এই সেৱা বন্ধ হৈ থকা বুলি অৱগত কৰিছে। অৱশ্যে শীঘ্ৰে ইয়াৰ সেৱা পুনৰ আৰম্ভ হ'ব বুলি সদৰী কৰিছে। সেৱা মুকলি হোৱালৈকে ৰোগীয়ে চিকিৎসা গ্ৰহণ কৰিব পাৰিব আৰু ইয়াৰ ব্যৱস্থা সংশ্লিষ্ট আঁচনিৰ কৰ্মচাৰীয়ে গ্ৰহণ কৰিছে তথা 'লিংক' নাথাকিলেও সুবিধা আদায় কৰিব পাৰিব।' উল্লেখ্য যে অটল অমৃত আৰু আয়ুষ্মান ভাৰতত পূৰ্বতে কৰ্মৰত হৈ থকা কৰ্মচাৰীসকলে ব্যৱহাৰ কৰা আইডি-পাছৱৰ্ড নতুন কৰ্মচাৰীসকলক সংশ্লিষ্ট পক্ষই প্ৰদান নকৰাৰ বাবেই এই সমস্যা সৃষ্টি হৈছে বুলি এক সূত্ৰই সদৰী কৰিছে।

# তীৰ-নিচাজাতীয় সামগ্ৰীৰ ৰম্যভূমিত পৰিণত মানকাচৰ

**মানকাচৰ, ১৮ মে' ঃ** দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ মানকাচৰ আৰক্ষী থানা অঞ্চলৰ বিভিন্ন প্ৰান্তৰ পৰা আজি ছয়গৰাকী জুৱাৰী-নিচাজাতীয় দ্ৰব্য সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে মানকাচৰ আৰক্ষীয়ে। আজি মানকাচৰ আৰক্ষী থানাৰ পাৰ্শ্বৱৰ্তী জোৰডাঙা, কুছনীমাৰাৰ পৰা তীৰ খেলৰ সামগ্ৰী সহ তিনিজন আৰু নিউ মাৰ্কেট পৰা বৃহৎ নিচাজাতীয় দ্ৰব্যসহ তিনিজনক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ দলটোৱে জোৰডাঙা গাঁৱৰ পৰা ফিজু মিঞা, হাশিবুল ইছলাম আৰু কুছনীমাৰা গাঁৱৰ পৰা আলম মিঞা অবৈধ তীৰ খেলৰ সামগ্ৰীসহ গ্ৰেপ্তাৰ কৰে। আনহাতে, মানকাচৰ আৰক্ষী থানাৰ পৰা মাত্ৰ আধা কিলোমিটাৰ নিলগৰ নিউ মাৰ্কেটৰ পৰা বৃহৎ সংখ্যক নিচাজাতীয় দ্ৰব্য কফ চিৰাফ ২৮ টা বটল, এছপি টেবলেট ৭২০ টা নাইট্ৰছান টেবলেট ১০০টা জব্দ কৰাৰ লগতে জ'জ মিঞা ছাইফুল ইছলাম (টুৰী), জিয়াদুল ইছলামক গ্ৰেপ্তৰ কৰে।

# বৰক'লাত হৰিণা পহু উদ্ধাৰ স্থানীয় ৰাইজৰ

**অগ্ৰদূত বাৰ্তা,**

**বেৰেজীয়া, ১৮ মে' ঃ** বানৰ বিভীষিকাৰ মাজতে আজি নগাঁও সদৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰক'লাত স্থানীয় ৰাইজে এটা হৰিণা পহু উদ্ধাৰ কৰে। জানিব পৰা মতে, বৰক'লা আদৰ্শ লালুংগাঁৱৰ সমীপত হৰিণা পহুটো উদ্ধাৰ কৰি স্থানীয় ৰাইজে বন বিভাগক গতাই দিয়ে। উল্লেখ্য যে বাঢ়নী পানীৰ ফলত কোনো অৰণ্যৰ পৰা হৰিণা পহুটো ওলাই অহাৰ সন্দেহ কৰিছে স্থানীয় ৰাইজে।

# গোৰালপাৰাত গ্ৰেপ্তাৰ

*এক পৃষ্ঠাৰ পৰা* চহৰৰ সমীপৱৰ্তী শোলমাৰীত এখন চাহৰ দোকানত উপস্থিত হৈ যুৱকজনে নিজকে বাংলাদেশী বুলি পৰিচয় দিয়াত স্থানীয় ৰাইজে আগিয়া থানাৰ আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষীয়ে যুৱকজনক গ্ৰেপ্তাৰ কৰি আজি আদালতত হাজিৰ কৰোৱাত আদালতে তেওঁক জেল হাজোতলৈ প্ৰেৰণ কৰে।

# উচ্চতম ন্যায়ালয়ৰ জামিন মঞ্জুৰ

*এক পৃষ্ঠাৰ পৰা* ত্যাগ নকৰাৰ আৰু সাক্ষীৰ স'তে যোগাযোগ নকৰাৰ চুক্তিমৰ্মে ইন্দ্ৰাণীক জামিন আদায় দিয়া হয়। উচ্চতম ন্যায়ালয়ে কয় যে আবেদনকাৰীয়ে ইতিমধ্যে ছবছৰ ছমাহ কাৰাগাৰত অতিবাহিত কৰিলে আৰু চৰকাৰী অধিবক্তাই যদিও ৫০ শতাংশ সাক্ষ্য লৈছে তথাপিও বিচাৰ সোনকালে সম্পন্ন হ'ব। সেয়েহে আবেদনকাৰী জামিনত মুকলি হোৱাৰ যোগ্য বুলি কয়। তদুপৰি ন্যায়াধীশসকলে কয় যে গোচৰটো ঘটনাস্থলীৰ প্ৰমাণৰ ওপৰত ভিত্তি কৰি পৰিচালনা কৰা হৈছে।

ইন্দ্ৰাণীক সহায় কৰাৰ অভিযোগত গ্ৰেপ্তাৰ হোৱা স্বামী পিটাৰ মুখাৰ্জীক ২০২০ত জামিনত মোকলাই দিয়া হৈছিল। ৫০ বছৰীয়া ইন্দ্ৰাণী মুখাৰ্জীয়ে তেওঁৰ প্ৰথম বিবাহৰ কন্যা শ্বীনাক হত্যা কৰাৰ চাঞ্চল্যকৰ ঘটনাই দেশজুৰি জোকাৰণিৰ সৃষ্টি কৰিছিল। এই ঘটনাৰ একো একোটা অধ্যায় কোনো থ্ৰিলাৰৰ উত্তেজনাৰে ভৰা উপন্যাস বা ছবিতকৈ কম নহয়। ২০১৫ত গ্ৰেপ্তাৰ হৈছিল ইন্দ্ৰাণী। তদন্তকাৰী সংস্থাৰ মতে, পিটাৰ মুখাৰ্জীৰ পূৰ্বৰ বিবাহৰ পুত্ৰ ৰাহুল মুখাৰ্জীৰ স'তে কন্যাৰ সম্পৰ্কত ক্ষুব্ধ হৈছিল ইন্দ্ৰাণী। হত্যাৰ পাছত তিনি বছৰ সন্ধানহীন হৈ আছিল ২৫ বছৰীয়া শ্বীনা। ইন্দ্ৰাণীয়ে শ্বীনাক কেতিয়াও কন্যা বুলি পৰিচয় কৰাই দিয়া নাছিল। তেওঁৰ বন্ধুবৰ্গৰ স'তে শ্বীনাক তেওঁ ভগ্নী বুলিয়ে পৰিচয় কৰাই দিছিল আৰু কৈছিল যে শ্বীনা আমেৰিকালৈ গুচি গ'ল। অৱশ্যে প্ৰকৃত বিচাৰৰ পৰা কোনোৱে ৰেহাই নাপায়। সেই সত্যকে পুনৰ প্ৰতিষ্ঠা কৰি মুম্বাইৰ এখন জংঘলৰ মাজৰ পৰা খান্দি উলিওৱা হ'ল শ্বীনাৰ অৰ্ধ পোৰা মৃতদেহ। ইন্দ্ৰাণীৰ গাড়ীচালক শ্যামভৰ ৰায়ক এক পৃথক গোচৰত গ্ৰেপ্তাৰ কৰা হৈছিল আৰু সেই সময়তে শ্যামভৰে আৰক্ষীক কয় যে ইন্দ্ৰাণীয়ে শ্বীনাক গাড়ীৰ ভিতৰতে ডিঙি ৰেপি হত্যা কৰিছিল। মন কৰিবলগীয়া যে কাৰাবন্দী অৱস্থাতে ইন্দ্ৰাণী আৰু পিটাৰৰ মাজৰ ১৭ বছৰীয়া সম্পৰ্কৰ অন্ত পৰে আৰু ২০১৯ত তেওঁলোকৰ বিবাহ বিচ্ছেদ হয়। ইপিনে, আন এক চাঞ্চল্যকৰ ভাষ্

■ হোটেল-ধাবাত উভৈনদী সুৰা ■ নীৰৱ আৰক্ষী-আৱকাৰী

# পূব যোৰহাটত সুৰাৰ ৰমৰমীয়া অবাধ বেহা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ১৮ মে' ঃ** প্ৰশাসন আৰু আৱকাৰী বিভাগৰ অকৰ্মণ্যতা আৰু চৰম অৱহেলাৰ ফলত জিলাখনৰ বিভিন্ন ঠাইত উদ্বেগজনকভাৱে বৃদ্ধি পাব ধৰিছে সুৰাৰ প্ৰচলন। টীয়ক সমষ্টিৰ বিভিন্ন অঞ্চলত এনে অবৈধ সুৰাৰ দোকান দিনকদিনে বৃদ্ধি পোৱাৰ খবৰ 'দৈনিক অগ্ৰদূত'ৰ হাতত পৰিছে। আনকি সৰু সৰু হোটেল, ধাবা আদিতো সহজলভ্য হৈ পৰিছে অবৈধ সুৰা। প্ৰশাসনে মদ নিবাৰণ অৰ্থে মাজে সময়ে ঠায়ে ঠায়ে অভিযান উদ্বেগজনকভাৱে বৃদ্ধি পাই আহিছে এই অবৈধ সুৰাৰ ব্যৱসায়। উঠি অহা নৱ প্ৰজন্মৰ প্ৰতি ভাবুকি স্বৰূপ এই অবৈধ মদৰ ব্যৱসায় বৃদ্ধিৰ ফলত টীয়ক আৰু পূব যোৰহাটত বৃদ্ধি পাইছে নিতৌ দুৰ্ঘটনা আৰু বহু অপৰাধজনিত ঘটনা। লাহদৈগড় আৰক্ষী চকীৰ অন্তৰ্গত ভিন্ন প্ৰান্তত চলিছে অবৈধ সুৰা। লাহদৈগড়, ৰাজৈ, চটাই, মেলেং, চেনিজান, চিপাহীখোলা, ফেচুৱাল, বন পিঠাগুৰি, গোহাইগাঁও, টীয়ক আৰক্ষী চকীৰ অন্তৰ্গত বলমা, বাদুলিপুখুৰী, কলিয়াপানী, জাঁজীমুখ আদি ঠাইত মদৰ অবৈধ ব্যৱসায়ৰ লগতে বৃদ্ধি পাইছে আই পি এল জুৱা খেল। আনহাতে, চৰকাৰী স্পষ্ট নিৰ্দেশনা থকাৰ পাছতো কিন্তু বহু শিক্ষানুষ্ঠানৰ সমীপতে দেখিবলৈ পোৱা যায়। সুৰাৰ মুক্ত বেহা। আৰক্ষী-আৱকাৰীৰ চকুৰ সন্মুখতে চলি থকা এই সুৰাৰ দোকানৰ পৰা বিনষ্ট হৈ পৰিছে সামাজিক পৰিৱেশ। এই অবৈধ সুৰাৰ বিৰুদ্ধে আৰক্ষীয়ে কঠোৰ স্থিতি নোলোৱাৰ বাবে অসাধু ব্যৱসায়ী লগত কিবা বুজা-বুজি থকাৰহে অভিযোগ তুলিছে ৰাইজে। ইফালে, ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বলমা, বাদুলিপুখুৰী চটাই আদি অঞ্চলত অৱস্থিত ধাৰাসমূহত সন্ধিয়া সময়ছোৱাত নৱপ্ৰজন্মৰ একাংশ যুৱকে সৃষ্টি কৰা অৰাজক পৰিস্থিতিয়ে সাধাৰণ ৰাইজৰ লগতে সচেতন মহলক চিন্তিত কৰি তুলিছে।

*চাহ বাগিচাৰ উচ্ছেদৰ বিৰুদ্ধে আটছাৰ সোণাৰিত প্ৰতিবাদ, বুধবাৰে।*

# মইনবৰীত প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ

■ শান্তি-সম্প্ৰীতি বিনষ্ট নকৰাৰ সকীয়নি

**কলগাছিয়া, ১৮ মে' ঃ** বৰপেটা জিলাৰ কলগাছিয়া আৰক্ষী থানাৰ অন্তৰ্গত মইনবৰীত হোজাই সমষ্টিৰ বিতৰ্কিত প্ৰাক্তন বিধায়ক শিলাদিত্য দেৱৰ বিৰুদ্ধে কালি শতাধিক ৰাইজে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। তিনিদিন পূৰ্বে শিলাদিত্য দেৱে মইনবড়ী সত্ৰ সৰভোগত উপস্থিত হৈ বাঘবৰ সমষ্টিত এশ শতাংশ বাংলাদেশী লোক বসবাস কৰে বুলি বিতৰ্কিত মন্তব্য আগবঢ়াইছিল। বাঘবৰ সমষ্টিৰ ৰাইজে মইনবৰী সত্ৰ উচ্ছেদ কৰি এতিয়া বিধায়ক শ্বেমৰান আলী আহমেদৰ জৰিয়তে শংকৰদেৱ কলাক্ষেত্ৰত মিএগ মিউজিয়াম স্থাপনৰ চেষ্টা কৰি আছে বুলিও মন্তব্য প্ৰদান কৰিছিল শিলাদিত্য দেৱে। যাক লৈ জাঙুৰ খাই উঠিছে বাঘবৰ সমষ্টিৰ মইনবৰীৰ ৰাইজে। আজি মইনবৰীৰ শতাধিক ৰাইজ 'বাংলাদেশৰ পৰা পলাই অহা শিলাদিত্য দেৱ হুচিয়াৰ, মইনবৰী সত্ৰক লৈ ৰাজনীতি বন্ধ কৰক, বাঘবৰ সমষ্টিৰ ৰাইজক কৰা অপমান সহ্য কৰা নহ'ব, বাংলাদেশী শিলাদিত্য খবৰদাৰ, শিলাদিত্য দেৱ লেই লেই ছেই ছেই, শিলাদিত্য দেৱ মুৰ্দাবাদ, বাংলাদেশৰ পৰা পলাই অহা শিলাদিত্য হায় হায়' আদি ধ্বনিৰে মইনবৰীৰ পৰিৱেশ উত্তাল কৰি তোলে। ইপিনে, মইনবৰীত জন্মগ্ৰহণ কৰা অপূৰ্ব অধিকাৰীৰ ভূমিকাকো ক্ষুৰধাৰ সমালোচনা কৰে মইনবৰীবাসী ৰাইজ তথা প্ৰতিবাদকাৰীসকলে। উল্লেখ্য যে বেঁকী আৰু ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াৰ কবলত পৰি নাৰায়ণ দাস ঠাকুৰ আতাই স্থাপন কৰা মইনবৰী সত্ৰখন বিগত ১৮ বছৰ পূৰ্বে সৰভোগলৈ স্থানান্তৰ কৰা হৈছিল বুলি স্থানীয় লোকে জানিবলৈ দিয়ে। মইনবৰী অঞ্চলৰ মুছলমান ৰাইজে দান-বৰঙণিৰে চাকি জ্বলাই ৰখা সত্ৰখন মইনবৰীৰ পৰা আঁতৰাই নিয়াৰ কাৰণে মইনবৰীবাসী মুছলমান ৰাইজে ফেঁকুৰি ফেঁকুৰি কান্দিছিল বুলিও প্ৰকাশ কৰে প্ৰতিবাদকাৰীসকলে। তেনে ক্ষেত্ৰত ডেকা সত্ৰীয়া অপূৰ্ব অধিকাৰীয়ে শিলাদিত্যৰ কথাক সমৰ্থন জনোৱাত মইনবৰীবাসীয়ে কলিজাত আঘাত পোৱা বুলিও সংবাদ মাধ্যমৰ আগত ব্যক্ত কৰে মইনবৰী অঞ্চলৰ ৰাইজে। অনাগত দিনত মইনবৰী সত্ৰক লৈ বিতৰ্কিত মন্তব্য কৰি হিন্দু-মুছলমানৰ শান্তি-সম্প্ৰীতি বিনষ্ট নকৰিবলৈ মইনবৰীৰ ৰাইজে শিলাদিত্য দেৱক সকীয়া দিয়ে।

# সাতদিনীয়া বিনামূলীয়া চকু চিকিৎসা শিবিৰ

**অগ্ৰদূত বাৰ্তা**

**কৃষ্ণাই, ১৮ মে'ঃ** গোৱালপাৰা জিলাৰ স্বেচ্ছাসেৱী সংগঠন ওৱেচিচ ট্ৰাষ্টৰ উদ্যোগত অহা ২২ মে'ৰ পৰা আগিয়াত ট্ৰাকচালকসকলৰ বাবে এখন সাতদিনীয়া বিনামূলীয়া চকু চিকিৎসা শিবিৰৰ আয়োজন কৰা হৈছে। পথ পৰিৱহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ মন্ত্ৰণালয়ৰ পথ সুৰক্ষা কোষৰ অৰ্থ সাহায্যৰে আয়োজন কৰা হৈছে এই চকু চিকিৎসা শিবিৰৰ। জিলাখনৰ আগিয়াৰ লক্ষীপুৰ-গোৱালপাৰা পথৰ কাষত অৱস্থিত ম'মো হাটত ২২ৰ পৰা ২৮ মে'লৈ আয়োজিত এই বিনামূলীয়া চকু চিকিৎসা শিবিৰত কে'বাগৰাকী অভিজ্ঞ চকু চিকিৎসকৰ দ্বাৰা চিকিৎসা আগবঢ়োৱা হ'ব। ২২ মে'ৰ পুৱা ১০ বজাত গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ বিধায়ক এ কে ৰছিদ আলমে উদ্বোধন কৰিবলগীয়া এই চিকিৎসা শিবিৰত আমন্ত্ৰিত অতিথিৰূপে জিলা উপায়ুক্ত মীনাক্ষী দাস নাথ আৰু জিলা আৰক্ষী অধীক্ষক ভি ভি ৰাকেশ ৰেড্ডী পিয়ে সন্মানীয় অতিথিৰূপে উপস্থিত থাকিব। আনহাতে, উদ্বোধনী অনুষ্ঠানক জিলা যুটীয়া স্বাস্থ্য সঞ্চালক, জিলা পৰিৱহণ বিষয়া, জিলা সমাজ কল্যাণ বিষয়া আদিৰ লগতে বহুকেইগৰাকী স্থানীয় বিশিষ্ট লোকো উপস্থিত থাকিব বুলি ওৱেচিচ ট্ৰাষ্টৰ সাধাৰণ সম্পাদক আবু তাহেৰ মহম্মদ ফাৰহাদ আলীয়ে জানিবলৈ দিছে।

# বৰহোলাৰ ইকৰাণিত চুতীয়া জাতি যুৱ সন্মিলনৰ সমিতি গঠন

**বিশেষ সংবাদদাতা**

**নগাবাট, ১৮ মে' ঃ** তিতাবৰ মহকুমাৰ ইকৰাণি আঞ্চলিক চুতীয়া জাতি যুৱ সন্মিলনৰ এখন নতুন সমিতি অলপতে গঠন কৰা হয়। চৰাইবাহীৰ গান্ধী বিদ্যাপীঠ প্ৰাথমিক বিদ্যালয়ত সমাজকৰ্মী দুৰ্গেশ্বৰ বৰাৰ সভাপতিত্বত এখন ৰাজহুৱা সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে যুৱকৰ্মী যদুমণি চুতীয়াই। সভাত সৰ্বসন্মতি ক্ৰমে ইকৰাণি আঞ্চলিক চুতীয়া জাতি যুৱ সন্মিলনৰ নৱগঠিত সমিতিখনৰ বাবে দিলীপ বৰাক সভাপতি, দুগ্ধজিৎ বৰা আৰু সোমেশ্বৰ শইকীয়াক কাৰ্যকৰী সভাপতি, বিদ্যুৎ বিকাশ বৰাক সম্পাদকৰ দায়িত্ব অৰ্পণ কৰি ৩১ জনীয়া সমিতিখন গঠন কৰে। স্থানীয় বহু সংখ্যক লোক উপস্থিত থকা সভাত চুতীয়া জাতি যুৱ সন্মিলনৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক উত্তম হাজৰিকা, ক্ৰীড়া সম্পাদক যদুমণি চুতীয়া, তিতাবৰ জিলা চুতীয়া জাতি যুৱ সন্মিলন প্ৰাঞ্জল হাজৰিকা আদিয়ে অংশগ্ৰহণ কৰে।

# টেঙাখাতত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ নেতাৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**টেঙাখাত, ১৮ মে' ঃ** টেঙাখাত ৰংচঙী কপহুৱা গাঁৱৰ নিবাসী সমাজসেৱক তথা কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰাক্তন নেতা ইন্দ্ৰ গগৈ (৫৬)ৰ দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ কালি পুৱা নিজা বাসগৃহত মৃত্যু ঘটে। গগৈ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ ৰংচঙী-পুলুঙা আঞ্চলিক সমিতিৰ সভাপতি আৰু জিলা সমিতিৰ সদস্যৰ দায়িত্বত আছিল। তেওঁ অঞ্চলটোৰ সংঘ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগতে সংগঠনৰ স্থায়িত্ব গ্ৰহণ কৰি সামাজিক উন্নয়নমূলক কামত জড়িত হৈছিল। কপহুৱা প্ৰগতি সংঘ, টাই আহোম যুৱ পৰিষদ, কৃষক মুক্তি সংগ্ৰাম সমিতি, ৰংচঙী-পুলুঙা সমিতিকে ধৰি অঞ্চলটোৰ বিভিন্ন দল-সংগঠনে তেওঁৰ মৃত্যুত শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# আন্তঃৰাষ্ট্ৰীয় জীৱ বৈচিত্ৰ্য দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ১৮ মে' ঃ** যোৰহাট জিলাৰ চটাইস্থিত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানে, সেৱাৰ সহযোগত ২১ মে'ৰ দিনটো আন্তৰাষ্ট্ৰীয় জীৱ বৈচিত্ৰ্য দিৱস হিচাপে উদ্‌যাপনৰ মনস্থ কৰিছে। মহাৰজত জয়ন্তী বৰ্ষ পালন কৰা বাহনা উচ্চ ইংৰাজী বালক বিদ্যালয়ত আয়োজন কৰা অনুষ্ঠানৰ লগত সংগতি ৰাখি নিম্নমানৰ পৰা সপ্তম শ্ৰেণীলৈকে চিত্ৰাংকন আৰু অষ্টমৰ পৰা দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দিনৰ ১০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া সকলো কাৰ্যসূচীতে উদ্যোক্তাসকলে সকলোৰে সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

# টোকনকাটাত আঞ্চলিক মুকলি সাংস্কৃতিক সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**টংলা, ১৮ মে' ঃ** ওদালগুৰি জিলাৰ টোকনকাটা আঞ্চলিক সাংস্কৃতিক সন্মিলনৰ উদ্যোগত বিগত বৰ্ষবোৰৰ দৰে এইবেলিও ২১ আৰু ২২ মে'ত টোকনকাটাৰ সন্মিলনৰ খেলপথাৰত বৰ্ণিল সাংস্কৃতিক কাৰ্যক্ৰমণিকাৰে চতুৰ্বিংশতিতম বাৰ্ষিক মুকলি সাংস্কৃতিক সমাৰোহ আয়োজন কৰিছে। ২১ মে'ৰ পুৱা সন্মিলনৰ পতাকা উত্তোলনৰে সমাৰোহ আৰম্ভ কৰিব ক্ৰমে টোকনকাটা আঞ্চলিক সাংস্কৃতিক সন্মিলনৰ ক্ৰমে স্থায়ী সমিতিৰ সভাপতি অনন্ত দেৱ শৰ্মা আৰু উদ্‌যাপন সমিতিৰ সভাপতি উমেশ চন্দ্ৰ দাসে। স্মৃতি তৰ্পণ কৰিব টোকনকাটা আঞ্চলিক সাংস্কৃতিক সন্মিলনৰ প্ৰাক্তন সম্পাদক বলেন্দ্ৰ চন্দ্ৰ চহৰীয়াই। গছপুলি ৰোপণ কৰিব ক্ৰমে কছাৰীতল ভিচিডিচিৰ সভাপতি সোণেশ্বৰ ৰাভা, সন্মিলনৰ স্থায়ী সমিতিৰ সভাপতি অনন্ত দেৱ শৰ্মা আৰু সন্মিলনৰ উদ্‌যাপন সমিতিৰ উপদেষ্টা প্ৰফুল্ল শৰণীয়াই। কছাৰীতল ভিচিডিচিৰ উপ-সভাপতি মংগল ৰাভাই ক্ৰীড়া প্ৰতিযোগিতা উদ্বোধন কৰিব। আবেলি বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব। ২২ মে'ত পুৱা ভেশচন প্ৰতিযোগিতাৰ পাছত আবেলি চিনাকোনা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক তীৰ্থৰঞ্জন গোস্বামীৰ সঞ্চালনাত অনুষ্ঠিতব্য মুকলি সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিব সাংবাদিক নাৰায়ণ ডেকাই। সমাৰোহ হুঁচৰি, বিহু নৃত্য, বড়ো কৃষ্টি, ৰাভা কৃষ্টি, শৰণীয়া কৃষ্টি, গোৱালিনী নৃত্য, ঝুমুইৰ নৃত্য, জেং বিহু, মহৌখুন্দা আদি লোক নৃত্য প্ৰদৰ্শিত হ'ব। অনুষ্ঠানত মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় দুৰ্গা দাস বড়ো, ড° পৰমানন্দ ৰাজবংশী, বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, দৰং জিলা পৰিষদৰ সভাপতি ধীৰেন্দ্ৰ ডেকা, বিশিষ্ট অভিনেত্ৰী চেতনা দাস, অনাতাঁৰ শিল্পী প্ৰফুল্ল কুমাৰ শৰ্মা, মেচ্‌কাপুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অনুপমা দেৱী, টোকনকাটা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী অম্বিকা দেৱী, সৃষ্টি সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ পৰিচালক ভূপেন শৰ্মা আৰু কছাৰীতল ভিচিডিচিৰ সভাপতি সোণেশ্বৰ ৰাভা অতিথিৰূপে উপস্থিত থাকিব। সাংস্কৃতিক সন্ধিয়াত শিল্পী চয়নিকা দাস, শেখৰজ্যোতি আৰু প্ৰীতিলেখাই গীতৰ শৰাই আগবঢ়াব বুলি উদ্যোক্তাসকলে জনাইছে।

# সত্ৰীয়া একাডেমী যোৰহাটৰ সমাৱৰ্তনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**টীয়ক, ১৮ মে' ঃ** সত্ৰীয়া সংগীতৰ প্ৰণালীবদ্ধ পাঠ্যক্ৰমেৰে গঠিত আৰু অসমৰ সত্ৰীয়া সংগীতৰ শিক্ষানুষ্ঠানসমূহৰ অন্যতম পৰীক্ষা পৰিষদ সত্ৰীয়া একাডেমী যোৰহাটৰ সমাৱৰ্তন অহা ২১ মে'ত দিনজোৰা কাৰ্যসূচীৰে মুক্তিযোদ্ধা শ্ৰীশ্ৰী পীতাম্বৰ দেৱ গোস্বামী জিলা পুথিভঁৰালত আয়োজন কৰা হৈছে। পুৱা পতাকা উত্তোলন কৰিব একাডেমীৰ সভাপতি সংগীতৰত্ন পদ্মশ্ৰী যতীন গোস্বামীয়ে আৰু স্মৃতি তৰ্পণ কৰিব একাডেমীৰ কাৰ্যকৰী সভাপতি সোণাৰাম শৰ্মা বুঢ়াভকতে। ইয়াৰ পাছতে দুপৰীয়া হ'বলগীয়া সমাৱৰ্তনৰ মূল বক্তৃতা প্ৰদান কৰিব বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জ্যোতিপ্ৰসাদ শইকীয়াই। অনুষ্ঠান উদ্বোধন কৰিব মাজুলীৰ নতুন চামগুৰি সত্ৰৰ বিশিষ্ট মুখাশিল্পী তথা সংগীত নাটক অকাডেমী বঁটা প্ৰাপক ড° হেমচন্দ্ৰ গোস্বামীয়ে। এইবাৰৰ সমাৱৰ্তনত অসমৰ বিভিন্ন প্ৰান্তৰ মুঠ ৩০৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে মানপত্ৰ লাভ কৰিব। সত্ৰীয়া একাডেমীৰ স্বীকৃতিপ্ৰাপ্ত অসমৰ বিভিন্ন স্থানৰ অনুষ্ঠানসমূহক থকা-খোলাৰ ব্যৱস্থা কৰাৰ লগতে একোটিকৈ সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰিবলৈ সুবিধা দিয়া হ'ব। বিয়লি অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব নেচনেল ইনষ্টিটিউট এফ ডিজাইন অসমৰ সঞ্চালক ড° ভি ৰবিশংকৰে। অনুষ্ঠানসমূহ কেছেট বা পূৰ্বে বাণীবদ্ধৰ পৰিৱৰ্তে থলিতে প্ৰদৰ্শন হ'ব লাগিব। প্ৰয়োজনত বাদ্যযন্ত্ৰ যোগান ধৰা হ'ব (আগতীয়াকৈ যোগাযোগ) কিন্তু সংগতকাৰী নিজে আনিব লাগিব বুলি একাডেমীৰ সঞ্চালক (অবৈতনিক) সাৰংগপাণি বৰদলৈয়ে জানিবলৈ দিছে। লগতে সেইদিনাই পুৱা মানপত্ৰ লাভ কৰিবলগীয়া ছাত্ৰ-ছাত্ৰীৰ তথ্য পৰীক্ষা কৰাৰ লগতে নাম পঞ্জীয়ন কৰা হ'ব। অনুষ্ঠানত স্বীকৃতিপ্ৰাপ্ত অনুষ্ঠানসমূহৰ উপৰি কলাপ্ৰেমী ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে আহ্বান জনাইছে।

# বড়ো বিজৌংনি ফাইখি যোগেন্দ্ৰ কুমাৰ বসুমতাৰীৰ জন্মবাৰ্ষিকী পালনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ১৮ মে' ঃ** প্ৰতিবছৰে পালন কৰি অহাৰ দৰে এইবাৰো বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, মুক্তিযুঁজাৰু, সাহিত্যিক পেঞ্চনাৰ, বড়ো বিজৌংনি ফাইখি যোগেন্দ্ৰ কুমাৰ বসুমতাৰী ট্ৰাষ্টৰ উদ্যোগত চিৰাং জিলাৰ বাসুগাঁও চহৰৰ তিনি নম্বৰ ৱাৰ্ড নিজৌমফুৰিৰ তেওঁৰ সমাধি ক্ষেত্ৰত অহা ১৯ মে'ত আয়োজিত জন্ম দিৱসৰ লগত সংগতি ৰাখি বড়ো সাহিত্য সভাৰ পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ আদি কাৰ্যসূচী অনুষ্ঠুপীয়াকৈ ৰূপায়িত হ'ব। অনুষ্ঠানত উপস্থিত থাকি জন্ম বাৰ্ষিকী সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনায় বড়ো বিজৌংনি ফাইখি যোগেন্দ্ৰ কুমাৰ বসুমতাৰী ট্ৰাষ্টৰ শুকুৰ সিং মুছাহাৰী আৰু ৰিপেন বসুমতাৰীয়ে আহ্বান জনায়।

# চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠানৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৮ মে' ঃ** অসমৰ চাৰিগৰাকী উদীয়মান চিত্ৰশিল্পী ক্ৰমে শিৱসাগৰ, নাজিৰাৰ আলি হাইদৰ আৰু দীপালি দুৱৰা, ডিব্ৰুগড়ৰ জয়দ্বীপ চক্ৰৱৰ্তী আৰু তিনিচুকীয়া, কাকপথাৰৰ তপন মহন্তৰ যৌথ চিত্ৰ প্ৰদৰ্শনী যোৰহাটৰ' ভিচন আৰ্ট অসম'ৰ আৰ্ট গেলাৰীত অহা ২৭, ২৮ আৰু ২৯ মে'ত অনুষ্ঠিত হ'ব। প্ৰদৰ্শনী আৰম্ভ কৰা হ'ব অহা ২৭ মে'ৰ বিয়লি। ২৮ মে'ৰ দিনৰ এক বজাৰ পৰা সন্ধিয়া সাত বজালৈ আৰু ২৯ মে'ৰ দিনৰ ১১ বজাৰ পৰা সন্ধিয়া সাত বজালৈ প্ৰদৰ্শনী দ্বাৰ খোলা থাকিব। সমূহ কলাপ্ৰেমী ৰাইজক প্ৰদৰ্শনী দৰ্শন কৰিবলৈ শিল্পী কেইগৰাকীৰ তৰফৰ পৰা আহ্বান জনাইছে।

# কৰিয়াত ৰঙালী বিহু উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**বৰভাগ, ১৮ মে' ঃ** ৰাজ্যৰ অনান্য প্ৰান্তৰ লগতে নলবাৰী জিলাৰ কৰিয়াত দক্ষিণ-পশ্চিম বৰভাগ ৰঙালী বিহু সন্মিলনীয়ে এইবেলি ২৯ সংখ্যক ৰঙালী বিহু উদ্‌যাপন কৰে। ১৪ মে'ৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কৰিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা বিহু সন্মিলনৰ প্ৰথমদিনা বিহুৰ পতাকা উত্তোলন, বন্তি প্ৰজ্বলন, ছহিদ বেদীত মাল্যাৰ্পণ আৰু গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দ্বিতীয়দিনা মুৰুলীধৰ কলিতাৰ সোঁৱৰণত মাৰাথন দৌৰ প্ৰতিযোগিতা, খেল-ধেমালি, চিত্ৰাংকন প্ৰতিযোগিতা, মঞ্চ উদ্বোধন, আয়তী নাম আৰু দিহানাম প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া জ্যেষ্ঠ নাগৰিক, শিপিনী আৰু কৃষকক সম্বৰ্ধনা, একক নৃত্য প্ৰতিযোগিতা, নিশা বিহু হুঁচৰি প্ৰদৰ্শন কৰা হয়। শেষৰদিনা আকস্মিক বক্তৃতা আৰু স্ব-নিৰ্বাচিত কবিতা আবৃত্তি প্ৰতিযোগিতাৰে সন্মিলনৰ সামৰণি পৰে। একেদৰে অঞ্চলটোৰ বৰবুকীয়াটো ২৭ সংখ্যক ৰঙালী বিহু উৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰে। এদিনীয়া কাৰ্যসূচীৰে যোৱা ২৫ মে'ত আয়োজন কৰা ৰঙালী বিহু উৎসৱত বিভিন্ন কাৰ্যসূচীৰ লগতে বিশিষ্ট ব্যক্তিক সম্বৰ্ধনাৰ লগতে সন্ধিয়া অসমৰ জনপ্ৰিয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়াৰ কাৰ্যসূচী অনুষ্ঠিত হয়।

# লখিমপুৰত ডেংগি দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ১৮ মে' ঃ** লখিমপুৰ জিলাক ডেংগিমুক্ত কৰি ৰাখিবলৈ ডেংগিক মষিমূৰ কৰাৰ লক্ষ্যৰে কালি দেশব্যাপি উদ্‌যাপিত ডেংগি দিৱসৰ লগত সংগতি ৰাখি লখিমপুৰ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত লখিমপুৰ জিলাতো ডেংগি দিৱস উদ্‌যাপন কৰা হয়। জিলা যুটীয়া স্বাস্থ্য সঞ্চালকৰ কাৰ্যালয়ত কালিৰে পৰা উদ্‌যাপন কৰা এই দিৱস ৩১ মে' পৰ্যন্ত অনুষ্ঠিত হয়। উল্লেখ্য যে দিৱসৰ লগত সংগতি ৰাখি 'ডেংগিমুক্ত অসম' শীৰ্ষক এক কেম্পেইনো মুকলি কৰা হয়। তদুপৰি দিৱসৰ লগত সংগতি ৰাখি এক অনলাইন কুইজ প্ৰতিযোগিতাৰো আয়োজন হয়। অনুষ্ঠানটো উদ্বোধন কৰে ডাঃ শিল্পী শইকীয়াই। অনুষ্ঠানত জিলা মেলেৰীয়া বিষয়া চি এচ পেগু, জিলা মিডিয়া গৱেষক ডেইজী গগৈ আৰু জিলা এন ভি বি জি চি পি গোটৰ কৰ্মীবৃন্দ প্ৰমুখ্যে স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

# বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ১৮ মে' ঃ** বৃহত্তৰ বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা যোৱা ১৫ মে'ত দিনজোৰা কাৰ্যসূচীৰে বঙাইগাঁও ওল্ড কল'নীস্থিত ৰেলৱে ইনষ্টিটিউটত অনুষ্ঠিত হয়। পতাকা উত্তোলনৰ মাজেদি অনুষ্ঠান আৰম্ভ কৰা হয়। পতাকা উত্তোলন কৰে বৃহত্তৰ বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি নিৰ্মল কুমাৰ বৈদে। ইয়াৰ পাছতে অনুষ্ঠিত হয় বন্তি প্ৰজ্বলন কাৰ্যসূচী। বন্তি প্ৰজ্বলন কৰে স্থানীয় বিধায়ক ফণীভূষণ চৌধুৰীয়ে। অনুষ্ঠানত কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী পৰিষদ গোকুল বৰ্মন, বঙাইগাঁও পৌৰসভাৰ পৌৰপতি সুবোধ কুমাৰ দাস, জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক লুনা সোণোৱাল, বিশিষ্ট শিশুৰোগ বিশেষজ্ঞ ডাঃ আই বৰদলৈসহ আৰু কে'বাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত প্ৰশান্ত ৰায়ৰ সম্পাদনাত 'চেম্বাৰ্ছ ডায়েলগ' নামৰ স্মৰণিকাখন উন্মোচন কৰা হয়। উন্মোচন কৰে বঙাইগাঁও পৌৰসভাৰ পৌৰপতি সুবোধ চন্দ্ৰ দাসে। অনুষ্ঠানত বঙাইগাঁও জিলাৰ নাককাটিৰ বিশিষ্ট উদ্যমী উদ্যোক্তা প্ৰহ্লাদ সিংহক সম্বৰ্ধনা জনোৱাৰ লগতে মানপত্ৰ প্ৰদান কৰি তেওঁলৈ ১১ হেজাৰ টকাৰ চেক প্ৰদান কৰা হয়। উক্ত অনুষ্ঠানতে অভয়াপুৰীৰ শুক্লাধ্বজ দলে লোকবাদ্য আৰু লোককৃষ্টি প্ৰদৰ্শন কৰাৰ লগতে ৰাজস্থানী লোক কৃষ্টিয়ো প্ৰদৰ্শন কৰে স্থানীয় এটি দলে। অনুষ্ঠানৰ আঁত ধৰে সমাজকৰ্মী প্ৰবীণ কুমাৰ বৈশ্যই। শেষত অনুষ্ঠিত হয় সাধাৰণ সভা। সাধাৰণ সভাত বিগত দিনত বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চে কৰি অহা সাংগঠনিক কাম-কাজৰ খতিয়ান দাঙি ধৰাৰ লগতে সভাত বঙাইগাঁও চহৰ তথা চহৰখনৰ ব্যৱসায়ীসকলৰ বিভিন্ন সমস্যা লৈ আলোচনা কৰা হয়। সভাত সভাপতিত্ব কৰে বৃহত্তৰ বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ সভাপতি নিৰ্মল কুমাৰ বৈদে। সাধাৰণ সভাত বিগত দিনৰ খতিয়ান দাঙি ধৰে বৃহত্তৰ বঙাইগাঁও চেম্বাৰ অৱ কমাৰ্চৰ সাধাৰণ সম্পাদক ধীৰাজ চক্ৰৱৰ্তীয়ে।

# উলহ-মালহেৰে দেৰগাঁও শিশু ভাৰতী স্কুলৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**

**বৰুৱামুণগাঁও, ১৮ মে' ঃ** ১৯৭৭তে প্ৰতিষ্ঠিত গোলঘাট জিলাৰ বৃহত্তৰ দেৰগাঁৱৰ অন্যতম ইংৰাজী শিক্ষাৰ বিদ্যালয় 'শিশু ভাৰতী ইংলিছ মিডিয়াম হাইস্কুল'ৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱস যোৱা ১৬ মে'ত বিভিন্ন কাৰ্যসূচীৰে বিদ্যালয়খনত উদ্‌যাপিত হয়। কাৰ্যসূচী অনুসৰি, পতাকা উত্তোলন কৰে বি

## নিৰ্মাণকাৰী সংস্থাক এসপ্তাহৰ সময়সীমা যোৰহাট আছুৰ

# যোৰহাটত ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা

**ষ্টাফ ৰিপৰ্টাৰ**

**যোৰহাট, ১৮ মে' ঃ** যোৰহাটত চাৰিলেনযুক্ত ঘাইপথৰ নিৰ্মাণত ব্যাপক অনিয়ম, বিসংগতি হোৱাৰ নিৰন্তৰ অভিযোগৰ পাছত দীৰ্ঘ সময় পথটোৰ নিৰ্মাণৰ কাম বন্ধ হৈ আছিল। এই সময়ছোৱাত ৰাষ্ট্ৰীয় ঘাইপথ আৰু আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেড (এনএইছআইডিচিএল)-এ পূৰ্বতে যি কেইটা নিৰ্মাণকাৰী প্ৰতিষ্ঠানে নিৰ্মাণকাৰ্য চলাই আছিল সেই প্ৰতিষ্ঠানকেইটাৰ স'তে বন্দোবস্তি বাতিল কৰি পুনৰ নিবিদা আহ্বান কৰি নতুন নিৰ্মাণ প্ৰতিষ্ঠানক কাম আবণ্টন দিয়ে। কিন্তু লক্ষ্যণীয় কথাটো হ'ল নতুনকৈ ঠিকা লাভ কৰা নিৰ্মাণ প্ৰতিষ্ঠানটোৱেও পূৰ্বৰ দৰেই অতি লেহেমীয়া গতিত কাম কৰাৰ অভিযোগ উঠিছে। এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে যোৰহাট জিলা ছাত্ৰ সন্থাই। যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজীলৈকে পথটো নিৰ্মাণৰ বাবে নতুনকৈ ঠিকা লাভ কৰিছে প্ৰজেক্টছ এণ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ লিমিটেড এণ্ড চুইটি ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেড নামৰ প্ৰতিষ্ঠানটোৱে। নতুনকৈ কাম লাভ কৰাৰ পাছতো কাম খৰতকীয়া নকৰাৰ অভিযোগ উত্থাপন কৰিছে সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই। ৰাষ্ট্ৰীয় ঘাইপথৰ কাম খৰতকীয়া কৰাৰ লগতে আসোঁৱাহবিহীনভাৱে নিৰ্মাণৰ দাবী জনাই যোৱা ১১ মাৰ্চত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই এখন স্মাৰক পত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ প্ৰেৰণ কৰিছিল যদিও কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। ইপিনে, আজি ভাৰপ্ৰাপ্ত সভাপতি সংকল্প গগৈ আৰু সাধাৰণ সম্পাদক দীপ দত্ত স্বাক্ষৰিত ১৩ পৃষ্ঠাত চাওক

## ২১-২২ মে'ত বিহুপুৰীয়াত বৰদৈচিলা ২০২২

**অগ্ৰদূত বাৰ্তা**

**বিহুপুৰীয়া, ১৮ মে' ঃ** অহা ২১ আৰু ২২ মে'ত বিহুপুৰীয়াৰ প্ৰেৰণা প্ৰাংগণস্থিত বৰদৈচিলা বিহু বাকৰিত ২২ সংখ্যক কেন্দ্ৰীয় ৰঙালী বিহু বৰদৈচিলা ২০২২ অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি, প্ৰথম দিনা পুৱা উদ্‌যাপন সমিতিৰ সভাপতি নৰ কুমাৰ দত্তৰ দ্বাৰা পতাকা উত্তোলন, বিহুপুৰীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমূল্য কুমাৰ হাজৰিকাৰ দ্বাৰা ছহিদ তৰ্পণ, উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি দীপক সভাপণ্ডিতৰ দ্বাৰা গছপুলি ৰোপণ আৰু দুপৰীয়া মৌ কুঁৱৰী, দলীয় বিহু, ঢোল-বাদন, পেঁপা বাদন আৰু বিহুৱতীৰ প্ৰাৰম্ভিক প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। চক্ৰ বিষয়া জয়প্ৰকাশ মহন্তই উদ্বোধন কৰিব লগা বঁটা বিতৰণী সভা সঞ্চালনা কৰিব নৰ কুমাৰ দত্তই। সন্ধিয়া বন্তি প্ৰজ্বলন কৰিব প্ৰাক্তন ছাত্ৰ নেতা খগেন হাজৰিকাই। সন্ধিয়া ইন্দ্ৰ কুমাৰ বৰুৱা ১৩ পৃষ্ঠাত চাওক

## বিশিষ্ট ঝুমুৰ শিল্পী, পেঞ্চনাৰ বিশ্বকৰ্মা কাঁৱাৰৰ বিয়োগ

**অগ্ৰদূত বাৰ্তা**

**আমগুৰি, ১৮ মে' ঃ** বিশিষ্ট ঝুমুৰ শিল্পী বিশ্বকৰ্মা কাঁৱাৰ (৬৪) আৰু নাই। কিছুদিন ধৰি ৰোগত ভুগি থকা কাঁৱাৰৰ যোৱা নিশা আমগুৰি বাঘজান বাগিচাৰ নিজা বাসগৃহত মৃত্যু হয়। বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত চিকিৎসাধীন হৈ থকা শিল্পীজনক চাৰিদিনমানৰ আগতে ঘৰলৈ অনা হৈছিল। সুদক্ষ ফুটবল খেলুৱৈ, ৰেফাৰী আৰু আকাশবাণী কেন্দ্ৰৰ অনাতাঁৰ শিল্পীজনে বৰবাম চাহ বাগিচাৰ পৰা গৈ নিজকে প্ৰতিষ্ঠা কৰিছিল। তেওঁৰ ঝুমুৰ দলে গণতন্ত্ৰ আৰু গণৰাজ্য দিৱসৰ দিল্লীৰ কেন্দ্ৰীয় অনুষ্ঠানৰ লগতে ঝাৰখণ্ড, তেলেংগনা আদি ৰাজ্যতো ঝুমুৰ ১৩ পৃষ্ঠাত চাওক

## ধোঁৱাৰগাঁৱত আলফাৰ বৈদেশিক সচিব হিমাংশু দত্ত ওৰফে নগেন দাসৰ ৰাজহুৱা স্মৃতিচাৰণ সভাৰ আয়োজন

**ছয়গাঁও, ১৮ মে' ঃ** প্ৰায় দুটা দশক আলফাৰ বৈদেশিক সচিবৰ দায়িত্বত থকা ছয়গাঁৱৰ সন্তান হিমাংশু দত্ত ওৰফে নগেন দাসৰ মৃত্যুৰ পাছত যোৱা ১৫ মে'ত ছয়গাঁও শিক্ষক ভৱনত এখন সভা অনুষ্ঠিত কৰা হয়। অহা ১২ জুনত ছয়গাঁৱৰ ধোঁৱাৰগাঁৱত থকা দৌল মন্দিৰৰ প্ৰেক্ষাগৃহত প্ৰয়াত আলফা নেতা নগেন দাসৰ ৰাজহুৱা স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয়। সেই উদ্দেশ্যে আয়োজন কৰা সভাত বৃহত্তৰ ধোঁৱাৰগাঁওবাসী ৰাইজ, দঁলৈপাৰা ৰাইজ গয়ৰহ, প্ৰাক্তন ছাত্ৰ সন্থাৰ দ্বাৰা গঠিত সংস্থা ছয়গাঁও ছাত্ৰ কল্যাণ ন্যাস, ছয়গাঁও আঞ্চলিক ছাত্ৰ সন্থাৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি উপস্থিত থাকি স্মৃতিচাৰণ সভাখন সাফল্যমণ্ডিত কৰাৰ বাবে ভাষণ প্ৰদান কৰে। ছয়গাঁও ছাত্ৰ কল্যাণ ন্যাসৰ সভাপতি দেৱেন ১৩ পৃষ্ঠাত চাওক

## আমিনগাঁৱৰ পৰা বৰপেটা হৈ অভয়াপুৰীলৈ যোৱা ৰাজ্যিক ঘাইপথ বন্ধ

**কলগাছিয়া, ১৮ মে' ঃ** আমিনগাঁৱৰ পৰা দৌলাশাল, বৰপেটাৰ হৈ অভয়াপুৰীলৈ যোৱা ৰাজ্যিক ঘাইপথেদি যাতায়াত বন্ধ কৰি দিছে বৰপেটা জিলা প্ৰশাসনে। জনীয়া সমষ্টিৰ শওপুৰত বেঁকী নদীৰ পানী বাঢ়ি অহাৰ কাৰণে খহনীয়াত বিধ্বস্ত হোৱাৰ আশংকাত পথছোৱা বন্ধ কৰি দিয়া হৈছে। যোৱা বেলি বেঁকী নদীৰ খহনীয়াৰ ফলত পথছোৱাৰ অৰ্ধেক অংশ নদীৰ বুকুত জাঁহ গৈছে। খৰালিৰ সময়ত পথছোৱা মেৰামতিৰ ক্ষেত্ৰত চৰকাৰ আৰু বৰপেটা জিলা প্ৰশাসনে বিশেষ কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উঠিছে। পথছোৱা সম্পূৰ্ণভাৱে নদীৰ বুকুত জাহ গ'লে সমগ্ৰ নামনি অসমৰ বাবে অপূৰণীয় ক্ষতি হ'ব বুলি মত পোষণ কৰিছে ৰাইজে। বৰপেটা জিলা গড়কাপ্টানী বিভাগ আৰু জিলা প্ৰশাসনৰ নিৰ্দেশিত পথছোৱা বন্ধ কৰি দিয়া হৈছে। পথছোৱা বন্ধ কৰি দিয়াৰ ফলত যাতায়াতৰ ক্ষেত্ৰত হেজাৰ হেজাৰ ৰাইজে যমৰ যাতনা ভোগ কৰিবলগীয়া হৈছে।

## তিনিচুকীয়াৰ লোহাৰী বঙালী গাঁৱৰ জৰাজীৰ্ণ পথ নিৰ্মাণৰ দাবী ছাত্ৰ মুক্তিৰ

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ১৮ মে'ঃ** তিনিচুকীয়া জিলাৰ তিনিচুকীয়া বিধানসভা সমষ্টিৰ ৰংপুৰীয়া পঞ্চায়তৰ অন্তৰ্গত লোহাৰী বঙালী গাঁৱৰ পথটো অতি জৰাজীৰ্ণ অৱস্থাত পৰিণত হৈছে। বিগত সময়ত উক্ত পথটো নিৰ্মাণৰ বাবে স্থানীয় ৰাইজে আহ্বান জনাই আহিছিল যদিও কোনো গুৰুত্ব নিদিয়াত পুনৰ ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি তিনিচুকীয়া আঞ্চলিক সমিতিৰ উপদেষ্টা গৌতম বৰুৱা, কাৰ্যকৰী সভাপতি বিতুপন দেউৰীয়ে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিৰ জৰিয়তে পথটোৰ সন্দৰ্ভত মতামত প্ৰকাশ কৰি কয় যে এই পথটোৱেদি বিশেষভাৱে স্কুল-কলেজলৈ অহা-যোৱা কৰাৰ লগতে সদাব্যস্ত হৈ থাকে। পুখুৰী সদৃশ দ' গাঁতেৰে জৰাজীৰ্ণ হৈ থকা গাঁওখনৰ ছাত্ৰ-ছাত্ৰী তথা সৰ্বসাধাৰণ ৰাইজে দুৰ্ভোগ ভুগিব লগা হৈছে। যাৰ বাবে ৰাইজে বহু সমস্যাত ভুগিবলগীয়া হৈছে। একাঁঠু বোকাপানীৰ ওপৰেৰে যাতায়াতৰ দুৰ্ভোগ ভুগি অহাৰ অভিযোগ আনিছে সংগঠনটোৱে লগতে চৰম যন্ত্ৰণা ভোগা গাঁওবাসীয়ে উক্ত পথটো শীঘ্ৰেই চৰকাৰলৈ নিৰ্মাণ কৰাৰ দাবী জনাইছে। শাসকীয় চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই উক্ত বিপদসংকুল পথটো নিৰ্মাণৰ ব্যৱস্থা হাতত গ্ৰহণ নকৰিলে ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি তিনিচুকীয়া আঞ্চলিক সমিতিয়ে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো হুংকাৰ প্ৰদান কৰিছে।

## প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) ৰ হিতাধিকাৰীক মঞ্জুৰিপত্ৰ বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**পলাশবাৰী, ১৮ মে' ঃ** পলাশবাৰী সমষ্টিৰ অন্তৰ্গত উপৰহালীস্থিত হৰেন্দ্ৰ নাথ তালুকদাৰ প্ৰেক্ষাগৃহত যোৱা ১৭ মে'ত প্ৰধানমন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ)ৰ হিতাধিকাৰীক মঞ্জুৰিপত্ৰ বিতৰণ আৰু 'অসম মাইক্ৰ'-ফাইনেন্স উদগনি আৰু ৰেহাই আঁচনি, ২০২১' অনুষ্ঠান ছয়ানী বৰদুৱাৰ আৰু ৰামপুৰ উন্নয়ন খণ্ডৰ উদ্যোগত উপৰহালী গাঁও পঞ্চায়তৰ সভাপতি জগদীশ ঠাকুৰীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি আঁচনিখনৰ হিতাধিকাৰীসকলক চেক বিতৰণ কৰে বিধায়ক হেমাংগ ঠাকুৰীয়াই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পদক্ষেপত লোৱা এই আঁচনিখনে বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ লৈ নিয়মীয়াকৈ পৰিশোধ কৰি থকা মহিলাসকলক যথেষ্ট সকাহ প্ৰদান কৰিব বুলি তেওঁ বক্তব্য প্ৰদান কৰে। হিতাধিকাৰী মহিলাসকলক আগত দিনত আন আন উদ্যোগিক কামত নিজকে নিয়োজিত কৰিবলৈ তেওঁ আহ্বান জনায়। অনুষ্ঠানত বিজেপিৰ দক্ষিণ কামৰূপ জিলাৰ সভাপতি ধনেশ্বৰ তালুকদাৰ, ছয়ানী বৰদুৱাৰ উন্নয়ন খণ্ডৰ খণ্ড বিষয়া নগেন দাস, জোন দাস, দীপক তালুকদাৰে ধৰি বহু সংখ্যক লোক উপস্থিত থাকে। অনুষ্ঠানত ১০ হেজাৰৰো অধিক হিতাধিকাৰীৰ মাজত এই পত্ৰ আৰু চেক বিতৰণ কৰা হয়।

## অৱসৰকালীন ভাট্টা নোপোৱাকৈয়ে মৃত্যু

## অৱসৰকালীন প্ৰাপ্যৰ দাবীত টোকোলাইত আন্দোলনত বহিল প্ৰাক্তন কৰ্মচাৰী

**অগ্ৰদূত বাৰ্তা**

**চিনামৰা, ১৮ মে' ঃ** অৱসৰগ্ৰহণ কৰৰা দশক পাৰহৈ যোৱাৰ পাছতো প্ৰাপ্য নোপোৱাত টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ অৱসৰী কৰ্মচাৰীসকলে আজিৰে পৰা আন্দোলনৰ কাৰ্যসূচী ৰূপায়ণ কৰিছে। অৱসৰপ্ৰাপ্ত কৰ্মচাৰী সন্থাৰ উদ্যোগত একত্ৰিত হোৱা প্ৰতিষ্ঠানটোৰ প্ৰাক্তন কৰ্মচাৰীসকলে পুৱাৰে পৰা কাৰ্যালয়ৰ সন্মুখত তেওঁলোকৰ দাবীৰে ধৰ্ণা ১৩ পৃষ্ঠাত চাওক

## ঠিকাভিত্তিক কনিষ্ঠ অভিযন্তাৰ বিৰুদ্ধে আয়ুক্তৰ ওচৰত অভিযোগ পঞ্চায়ত প্ৰতিনিধিৰ

**অগ্ৰদূত বাৰ্তা**

**ৰূপহীহাট, ১৮ মে' ঃ** নগাঁও জিলাৰ গ্ৰামোন্নয়ন বিভাগৰ অধীনস্থ ৰূপহীহাট উন্নয়ন খণ্ডৰ গেৰেকী গাঁও পঞ্চায়তত নিয়োজিত ঠিকাভিত্তিক কনিষ্ঠ অভিযন্তা পাৰ্থপ্ৰতিম বৰাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উঠিছে। পঞ্চায়ত সভানেত্ৰী ছামছুন নেহাৰ আঞ্চলিক সদস্য কামাল উদ্দিন আৰু দুজন ৱাৰ্ড সদস্যই পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্তৰ ওচৰত ঠিকাভিত্তিক অভিযন্তাজনৰ বিৰুদ্ধে অভিযোগ দাখিল কৰিছে। প্ৰাপ্ত অভিযোগ মতে, পঞ্চায়তখনত এমজি এনৰেগা আঁচনি ৰূপায়ণৰ নামত অভিযন্তাজনে ব্যাপক হাৰত খেলিমেলি আৰু অনিয়মত লিপ্ত হৈছে। অভিযন্তাজনক প্ৰতিজন জবকাৰ্ড শ্ৰমিকৰ সাপ্তাহিক কামৰ বিনিময়ত লাভ কৰা ১৩৪৪ টকা মজুৰিৰ পৰা দুশ টকা কমিছন নিদিলে পৰৱৰ্তী সপ্তাহত কামত নিয়োগ কৰাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ অজুহাত দেখুৱাই বিধি পথালি দিয়ে বুলি অভিযোগ কৰিছে। তদুপৰি ২০২১-২২ত পঞ্চায়তখনৰ বিপৰীতে এমজি এনৰেগাৰ অধীনত পুঁজি মঞ্জুৰ হোৱা বহু আঁচনি ৰূপায়ণ নকৰা বুলি পঞ্চায়ত প্ৰতিনিধিসকলে আন এক অভিযোগ তুলিছে। অভিযন্তাজনৰ বিৰুদ্ধে পঞ্চায়ত প্ৰতিনিধিসকলে দাখিল কৰা অভিযোগৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিভাগটোৰ আয়ুক্তই ৰূপহীহাট উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়াক উক্ত অভিযোগৰ সঠিক তদন্ত কৰিবলৈ নিৰ্দেশ দিছে।

## তিনিদিন ধৰি বিদ্যুৎ সেৱাৰ পৰা বঞ্চিত

## শালবাৰীৰ কালপানীত মানাহ সংযোগী পথ অৱৰোধ কৰি ৰাইজৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ১৮ মে' ঃ** বাগ্‌সাৰ শালবাৰীৰ কালপানীত কালি বিদ্যুৎ বিভাগৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে। গোৱৰ্ধনা সংমণ্ডলৰ বিদ্যুৎ বিভাগৰ প্ৰতি ৰাইজে ক্ষোভ উজাৰি এই সংমণ্ডলটো এশ এবুৰি অভিযোগেৰে পৰিপূৰ্ণ বুলি মন্তব্য কৰি বিদ্যুৎ বিভাগৰ চৰম হেমাহিৰ বাবেই আজি তিনিদিন ধৰি চুনবাৰী, কুঠুৰীঝাৰ, এলেঙামাৰী আদিকে ধৰি বহুকেইখন গাঁও বিদ্যুতৰ পৰা বঞ্চিত হৈ আছে বুলি অভিযোগ কৰে। যি সময়ত ২৪ ঘন্টাই ঘৰে ঘৰে বিদ্যুৎ দিয়া হ'ব বুলি চৰকাৰে ১৩ পৃষ্ঠাত চাওক

## খুমটাই-কমাৰগাঁৱৰ বিভিন্ন স্থানত শ্ৰীশ্ৰীমাধৱদেৱৰ আৱিৰ্ভাব মহোৎসৱ উদ্‌যাপন

**খুমটাই, ১৮ মে' ঃ** গোলাঘাট জিলাৰ কমাৰগাঁৱৰ বৰদিহিঙিয়া, বুধবাৰী, গেলেকীয়াল নামঘৰত দিনজোৰা কাৰ্যসূচীৰে শ্ৰীশ্ৰীমাধৱদেৱৰ ৫৩৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ যোৱা ১৭ মে'ত অনুষ্ঠিত কৰা হয়। বৰদিহিঙিয়া বৰ নামঘৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মহুৱা আঞ্চলিক শাখাৰ অন্তৰ্গত নৱজ্যোতি, অৰুণোদয়, বনমালী বৃন্দাবন, বৰদিহিঙিয়া প্ৰাথমিক শাখাই, খুমটাইৰ গেলেকীয়াল নামঘৰত সংঘৰ গোবিন্দ প্ৰাথমিক শাখাই আৰু বুধবাৰী নামঘৰত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখাৰ অন্তৰ্গত মহুৱা আঞ্চলিক শাখাই মাধৱদেৱৰ ৫৩৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ উদ্‌যাপন কৰে। বৰদিহিঙিয়া গাঁও নামঘৰত মাধৱদেৱৰ জন্মজয়ন্তীৰ উপলক্ষে পতাকা উত্তোলন কৰে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ বোকাখাত জিলা শাখাৰ প্ৰাক্তন মূলৰ সদস্য ধৰ্মেশ্বৰ হাজৰিকাই আৰু বুধবাৰী নামঘৰত ধৰ্মধ্বজা উত্তোলন কৰে আঞ্চলিক শাখাৰ সভাপতি ইন্দ্ৰেশ্বৰ বৰুৱাই। উল্লেখ্য যে মাধৱদেৱৰ জন্মজয়ন্তীৰ লগত সংগতি ৰাখি পুৱা প্ৰাতঃ প্ৰসংগ, নামপ্ৰসংগ, খোল প্ৰসংগ আদি কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ লগতে বুধবাৰী প্ৰাথমিক শাখাৰ বাৰ্ষিক নাম অনুষ্ঠিত কৰা হয়। সন্ধিয়া সংঘৰ বাপ আইসকলে নামঘৰৰ চৌহদত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ কৰে।

## দেৰগাঁৱৰ বিধ্বস্ত পথ নিৰ্মাণৰ দাবীত জ্যেষ্ঠ নাগৰিক সন্মিলনৰ স্মাৰকপত্ৰ প্ৰদান

**দেৰগাঁও, ১৮ মে' ঃ** দেৰগাঁও নগৰৰ দুটা মূল পথৰ দুৰৱস্থা দূৰ কৰাৰ দাবীত আজি জ্যেষ্ঠ নাগৰিক সন্মিলনৰ দেৰগাঁও শাখাৰ এটি প্ৰতিনিধি দলে গড়কাপ্টানী বিভাগৰ সহকাৰী অভিযন্তাক সাক্ষাৎ কৰি সন্মিলনৰ দাবী সম্বলিত প্ৰস্তাৱ প্ৰদান কৰে। সন্মিলনৰ সভাপতি ভোলা হাজৰিকা, সম্পাদক উমা শংকৰ চাহু, প্ৰফুল্ল বৰা, গুণীন্দ্ৰ নাথ শৰ্মা, ৰাজেন মহন্ত আদিৰে গঠিত দলটোৱে বিভাগীয় বিষয়াগৰাকীৰ লগত দেৰগাঁৱৰ পথৰ দুৰৱস্থা দূৰ কৰাৰ সম্পৰ্কত এক সৌহাৰ্দ্যপূৰ্ণ আলোচনাত মিলিত হৈ সন্মিলনৰ যোৱা ১৫ মে'ত অনুষ্ঠিত সভাৰ পথ নিৰ্মাণৰ ১৩ পৃষ্ঠাত চাওক

## ডলু চাহ বাগিচাত উচ্ছেদৰ তীব্ৰ বিৰোধিতা

## দৈগ্ৰোং চাহ বাগিচাত শ্ৰমিক সংগঠনসহ শ্ৰমিকৰ তীব্ৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**নুমলীগড়, ১৮ মে' ঃ** বিমান বন্দৰ স্থাপনৰ নামত কাছাৰ জিলাৰ ডলু চাহ বাগিচাত ২,৫০০ বিঘা ভূমিত থকা চাহ গছ উচ্ছেদৰ বিৰোধিতাৰে সমগ্ৰ ৰাজ্যজুৰি চাহ শ্ৰমিক আৰু অসম চাহ মজদুৰ সংঘ, ভাৰতীয় চাহ মজদুৰ সংঘ, আটছা, আছা আদিকে ধৰি বিভিন্ন সংগঠনে তীব্ৰ প্ৰতিবাদ জনাইছে। যোৱা ১৭ মে'ত দৈগ্ৰোং চাহ বাগিচাত কে'বাখনো চাহ বাগিচাৰ কে'বা শতাধিক শ্ৰমিকৰ উপস্থিতিত সংগঠনকে তীব্ৰ সমালোচনা কৰি চাহ শ্ৰমিকক ভাতে মৰাৰ ষড়যন্ত্ৰত বিজেপি নেতৃত্বাধীন কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ লিপ্ত হৈছে বুলি সমালোচনা কৰে। শীঘ্ৰেই বাগিচাখনৰ উচ্ছেদ অভিযান বন্ধ নকৰিলে সমগ্ৰ ৰাজ্যজুৰি লাখ লাখ শ্ৰমিক ৰাজপথলৈ ওলাই আহি সমগ্ৰ ৰাজ্যৰ প্ৰশাসন ব্যৱস্থা অচল কৰি দিব বুলিও সকীয়াই দিয়ে।

## কৈহাটীত শ্ৰীশ্ৰী হৰিদেৱৰ তিৰোধান তিথি-বাৰ্ষিক পালনাম মহোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ১৮ মে' ঃ** নলবাৰী জিলাৰ কৈহাটীত মহাপুৰুষ শ্ৰীশ্ৰী হৰিদেৱৰ তিৰোভাৱ তিথি আৰু বাৰ্ষিক পালনাম মহোৎসৱৰ আয়োজন কৰা হৈছে। বৰ কৈহাটী সত্ৰৰ মদন মোহন গোসাঁই ঘৰ প্ৰাংগণত ২৯ মে'ৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে পালনৰ আয়োজন কৰা হৈছে বুলি নামঘৰ পৰিচালনা সমিতিৰ সভাপতি আদিত চন্দ্ৰ ভৰালী আৰু সম্পাদক কৰুণাকান্ত ভৰালীয়ে সদৰী কৰিছে। কাৰ্যসূচী অনুসৰি ২৯ মে'ৰ পুৱা আঠ বজাত মদন মোহন গোসাঁই ঘৰ প্ৰাংগণত স্বচ্ছ অভিযান, পুৱা ন বজাত ধৰ্মধ্বজা উত্তোলন, ৯-৩০ বজাত সত্ৰৰ প্ৰয়াত লোকসকলৰ সোঁৱৰণত স্মৃতি তৰ্পণ, দুই বজাত সত্ৰবাসীসকলৰ মাজত প্ৰীতি আলোচনা অনুষ্ঠিত হ'ব। তদুপৰি আবেলি ৫-৩০ বজাত বন্তি প্ৰজ্বলন, সন্ধিয়া ৭-৩০ বজাত পুৰুষ-মহিলা উভয়ৰে নাম-প্ৰসংগ আৰু নিশা ১০ বজাৰ পৰা বিজুলীঘাটৰ মণ্টু দাসে নাগাৰা নাম প্ৰদৰ্শন কৰিব। অহা ৩০ মে'ৰ পুৱা ১১ বজাত হোম-যজ্ঞাদি আদি পৰ্ব, দুপৰীয়া ১২ বজাত প্ৰয়াত অচ্যুত চন্দ্ৰ গোস্বামী সোঁৱৰণী ধৰ্মীয় পুথিভঁৰাল উন্মোচন কৰিব দৰং মহাবিদ্যালয়ৰ সেৱা নিবৃত্ত পদাৰ্থ বিজ্ঞানৰ অধ্যাপক ড° ৰমেশ চন্দ্ৰ গোস্বামীয়ে। আনহাতে, বিয়লি ৫-৩০ বজাত দীনেন্দ্ৰ নাৰায়ণ গোস্বামীয়ে উদ্বোধন কৰিব লগা কৈঠালকুছিৰ সুনাগ নাট্যগোষ্ঠীৰ দ্বাৰা নাট প্ৰদৰ্শন কৰিব। ৩১ মে'ৰ পুৱা ন বজাত গছপুলি ৰোপণ, ১১ বজাত বাৰ্ষিক পালনাম আৰম্ভ আৰু নাম প্ৰসংগ, আবেলি তিনি বজাত অনুষ্ঠিত হ'ব অবিভক্ত কামৰূপ জিলা ভিত্তিত আয়তীসকলৰ দিহানাম প্ৰতিযোগিতা। সন্ধিয়া সাত বজাত আৰতি প্ৰদান কৰা হ'ব। অহা পহিলা জুনৰ পুৱা ছয় বজাৰ প্ৰসংগ, ১১ বজাত দ্বি প্ৰহৰ প্ৰসংগ, দিনৰ এক বজাত বিশেষ নৈবেদ্য প্ৰদান কৰিব মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে। ১৩ পৃষ্ঠাত চাওক

## চলচলিৰ শ্ৰীশ্ৰী জগৰাল সত্ৰত ভাওনা সমাৰোহ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ১৮ মে' ঃ** নগাঁও জিলাৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত পুৰণিগুদামৰ চলচ্চিত্ৰ ব্ৰাহ্মণগাঁওস্থিত শ্ৰীশ্ৰীজগৰাল সত্ৰত অহা ২৪ মে'ত তৃতীয়বাৰৰ বাবে ভাওনা সমাৰোহ ২০২২ৰ আয়োজন কৰা হৈছে। এই উপলক্ষে ইতিমধ্যে অসমৰ অতিৰিক্ত মুখ্য সচিব পৱন কুমাৰ বৰঠাকুৰক মুখ্য পৃষ্ঠপোষক, নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিভাৰেক পৃষ্ঠপোষক, শ্ৰীশ্ৰীউত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱ গোস্বামীক মুখ্য উপদেষ্টা, শ্ৰীশ্ৰীখৌৰামোচৰ সত্ৰৰ সত্ৰাধিকাৰ ১৩ পৃষ্ঠাত চাওক

## ভালুকডুবিৰ পেট্ৰ'ল পাম্প বন্ধৰ দাবী

### গোৱালপাৰাৰ উপায়ুক্তক আমছুৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ১৮ মে' ঃ** পানী মিহলাই পেট্ৰ'ল বিক্ৰী কৰা গোৱালপাৰা চহৰৰ নিকটৱৰ্তী ভালুকডুবিৰ ভাৰত পেট্ৰ'লিয়ামৰ পেট্ৰ'ল পাম্পটো বন্ধৰ দাবীত আজি আমছুৱে গোৱালপাৰাৰ জিলা উপায়ুক্তক লিখিত অভিযোগ দাখিল কৰে। আমছুৰ জিলা সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে আনিমুল হক চৌধুৰী আৰু আনিছুৰ আলম স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰা মতে, গোৱালপাৰা জিলাত অবাধে পেট্ৰ'ল ১৩ পৃষ্ঠাত চাওক

## শুৱালকুছিত মাইক্ৰ'-ফাইনেন্সৰ চেক বিতৰণ

**অগ্ৰদূত বাৰ্তা**

**শুৱালকুছি, ১৮ মে' ঃ** অসম চৰকাৰৰ বিত্ত বিভাগে শুৱালকুছিৰ মাইক্ৰ'ফাইনেন্সৰ লগত জড়িত মহিলাসকলক আজি চেক প্ৰদান কৰে। শুৱালকুছি প্ৰেক্ষাগৃহত বৃহত্তৰ শুৱালকুছিৰ খণ্ড উন্নয়ন অঞ্চলৰ আঠখন পঞ্চায়তৰ ৩০৯০গৰাকী মহিলাক প্ৰেৰণামূলক চেক বিতৰণ কৰে। মহিলাসকলৰ নৰ্থ ইষ্ট স্মল ফাইনেন্স বেংক, বন্ধন বেংক, আৰোহণ ফাইনেন্স লিমিটেড, ইএছএএফ স্মল ফাইনেন্স লিমিটেড, গ্ৰামীণ ডেভেলপমেণ্ট এণ্ড ফাইনেন্স প্ৰাইভেট লিমিটেড আৰু ফিউজন বেংকৰ লগত লেনদেন ১৩ পৃষ্ঠাত চাওক

## বিজেপিৰ মৎস্যজীৱী কোষ বড়িগোগ বনভাগ মণ্ডল সমিতি ঘোষ

# উচ্চ শিক্ষাৰ প্ৰাণকেন্দ্ৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ত বিশুদ্ধ খোৱাপানী বিচাৰি ছাত্ৰই নামিল প্ৰতিবাদত

**বিশেষ সংবাদদাতা**

**ডিব্ৰুগড়, ১৮ মে' ঃ** ৰাজ্যৰ চৌদিশে বানৰ বিভীষিকা চলি থকাৰ মাজতে বানাক্ৰান্তৰ খোৱাপানী, খাদ্য-সামগ্ৰীৰ নাটনি আৰম্ভ হৈছে। ইয়াৰ মাজতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিশুদ্ধ খোৱাপানীৰ বাবে হাতে হাতে বাল্টি, পানীৰ পাত্ৰ লৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আজি প্ৰতিবাদকাৰীসকলে বিশুদ্ধ খোৱাপানী বিচাৰি উপচাৰ্যৰ কাৰ্যালয় ঘেৰাও কৰে। উল্লেখ্য যে বিশ্ববিদ্যালয়খনৰ পদ্মনাথ গোহাঞি বৰুৱা ছাত্ৰাৱাসৰ আৱাসীসকলে অপৰিষ্কাৰ পানী খাই ইতিমধ্যে বহুতেই অসুস্থ হৈছে। ছাত্ৰাৱাসটোৰ শতাধিক ছাত্ৰই বিশুদ্ধ খোৱাপানী বিচাৰি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে বিশ্ববিদ্যালয়খনৰ সৰ্ববৃহৎ ছাত্ৰাৱাসটোত দীৰ্ঘদিন ধৰি বিশুদ্ধ খোৱাপানীৰ অভাৱ হৈ আছে। উক্ত ছাত্ৰাৱাসত যোগান ধৰা অপৰিষ্কাৰ পানী খোৱাৰ লগতে গা-ধোৱা আদি কাৰ্যত ব্যৱহাৰ কৰি বহু ছাত্ৰ ৰোগাক্ৰান্ত হৈছে। আৱাসীসকলে বিশেষকৈ পেটৰ অসুখ, চৰ্মৰোগ আদিৰ সমস্যাত ভুগিবলগীয়া হৈছে। উক্ত বিষয়টো আৱাসীসকলে সংশ্লিষ্ট কৰ্তৃপক্ষক বহুবাৰ অৱগত কৰিছে যদিও কৰ্তৃপক্ষই কোনো গুৰুত্ব প্ৰদান নকৰাত আজি ছাত্ৰসকল হাতে হাতে পানীৰ পাত্ৰ লৈ উপাচাৰ্যৰ কাৰ্যালয়টো ঘেৰাও কৰে। কেৱল খোৱাপানীয়েই নহয় ছাত্ৰাৱাসটোৰ আৱাসীসকলে সন্মুখীন হোৱা অন্যান্য সমস্যা সম্বলিত এক স্মাৰকপত্ৰও উপচাৰ্যক প্ৰদান কৰে।

# চতিয়া পৌৰসভাৰ নৱনিৰ্বাচিত সদস্যক সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**চতিয়া, ১৮ মে' ঃ** বৃহত্তৰ নদুৱাৰ অঞ্চলৰ সাংস্কৃতিক ক্ষেত্ৰখনক জীপাল কৰি ৰখা নদুৱাৰ সংগীত বিদ্যাপীঠৰ উদ্যোগত যোৱা ১৫ মে'ত চতিয়া নাট্য মন্দিৰত সংগীত নৃত্যৰ এক ব্যতিক্ৰমী অনুষ্ঠানৰ আয়োজন কৰা হয়। এই সংগীতানুষ্ঠানতে চতিয়া পৌৰসভাৰ নৱনিৰ্বাচিত সদস্যসকলক সম্বৰ্ধনা জনোৱা হয়। উল্লেখ্য যে চতিয়া পৌৰসভাৰ পৌৰনেত্ৰী দ্বীপশিখা বৰা সন্দিকৈ নদুৱাৰ সংগীত বিদ্যাপীঠৰ অধ্যাপিকা আছিল। নদুৱাৰ সংগীত বিদ্যাপীঠৰ প্ৰশিক্ষাৰ্থীসকলৰ বৰগীতৰে সম্বৰ্ধনা অনুষ্ঠান আৰম্ভ কৰা হয়। ইয়াৰ পাছতে সম্বৰ্ধিত ব্যক্তিসকলক নৃত্য গীতৰে প্ৰেক্ষাগৃহৰ পৰা মঞ্চলৈ চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাই আদৰি আনে। মঞ্চতে চতিয়া পৌৰ সভাৰ কাৰ্যবাহী বিষয়া ড° আকাশদ্বীপ কাকতি আৰু সদস্যসকলক একোখন চেলেংচাদৰ পৰিধান কৰোৱা হয়। মঞ্চত বিদ্যাপীঠৰ অধ্যাপিকা মৰমী বৰঠাকুৰ পৰিচালিত স্বাগতম অনুষ্ঠানৰ জৰিয়তে সম্বৰ্ধিত ব্যক্তিসকলক সম্ভাষণ জনোৱা হয়। ইয়াৰ পাছতে বিধায়ক হাজৰিকাকে ধৰি অনুষ্ঠানটোৰ আয়োজকসকলে একোটাকৈ স্মাৰক প্ৰদান কৰি চতিয়াৰ প্ৰথমখন পৌৰসভাৰ সদস্যসকলক সম্বৰ্ধনা জ্ঞাপন কৰে।পাছত অধ্যাপক ৰঞ্জন ভূঞাৰ পৰিচালনাত সত্ৰীয়া নৃত্য, অধ্যাপিকা মৌচুমী বৰুৱাৰ পৰিচালনাত সৃষ্টিশীল নৃত্য, ভাগ্যশ্ৰী ৰয় আৰু অলকানন্দ ভূঞাৰ গীত পৰিবেশন, অধ্যাপক দেৱজিৎ শইকীয়াৰ ঢোল-বাদন আৰু বিদ্যাপীঠৰ অভিভাৱক-অধ্যাপিকাসকলৰ জেং বিহুৰে অনুষ্ঠান উপভোগ্য কৰি তোলে।

# শুৱালকুছিত মাইক্ৰ'-ফাইনেন্সৰ চেক বিতৰণ

*১২ পৃষ্ঠাৰ পৰা* আছিল। যোৱাটো বিধানসভা নিৰ্বাচনৰ সময়ত ড° হিমন্ত বিশ্ব শৰ্মাই মাইক্ৰ'ফাইনেন্সৰ লগত জড়িত মহিলাসকলৰ ঋণ মাফ কৰাৰ লগতে যিসকলে নিয়মীয়াকৈ ঋণ আদায় দি আছে তেওঁলোকক এককালীন সাহায্য দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। প্ৰতিশ্ৰুতি মতে, অসমত পুনৰ বিজেপি চৰকাৰৰ গঠন কৰি ড° শৰ্মা মুখ্যমন্ত্ৰী হোৱাত পৰ্যায়ক্ৰমে মহিলাসকলক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰে। তাৰ পৰিপ্ৰেক্ষিতত আজি মুখ্যমন্ত্ৰীৰ নিজ সমষ্টি শুৱালকুছিৰ আঠখন পঞ্চায়তৰ মহিলাসকলক চেক প্ৰদান কৰে। প্ৰতিশ্ৰুতি ৰক্ষা কৰাত মহিলাসকলে মুখ্যমন্ত্ৰীক ধন্যবাদ আৰু অভিনন্দন জনায়। চেক প্ৰদান অনুষ্ঠানত শুৱালকুছি খণ্ড উন্নয়ন বিষয়া অৰ্চনা দাসৰ লগতে শুৱালকুছি জিলা পৰিষদৰ সদস্যা নন্দিতা কলিতা, পূব শুৱালকুছি গাঁও পঞ্চায়তৰ সভাপতি দিগন্ত দাস (বাবুল), আঞ্চলিক সদস্য পুলকেন্দ্ৰ পাটোৱাৰী মধ্য শুৱালকুছি পঞ্চায়তৰ সভাপতি মানৱ কলিতা, পশ্চিম পঞ্চায়তৰ সভাপতি কবিন দাস, শিঙিমাৰী পঞ্চায়তৰ সাবিত্ৰী বণিয়াৰ লগতে বেংকৰ বিষয়াসকল উপস্থিত থাকে।

# চলচলিৰ শ্ৰীশ্ৰী জগৰাল সত্ৰত ভাওনা সমাৰোহ

*১২ পৃষ্ঠাৰ পৰা* দুন্ধদেৱ গোস্বামী, শ্ৰীশ্ৰীব্ৰহ্মচাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন গোস্বামী আৰু শ্ৰীশ্ৰীআঁহতগুৰি নুমলি সত্ৰৰ সত্ৰাধিকাৰ পৰমানন্দ দেৱ গোস্বামীক উপদেষ্টা, অৱসৰপ্ৰাপ্ত শিক্ষক বিপুল মজুমদাৰক সভাপতি, ভোগৰাম হাজৰিকাক কাৰ্যকৰী সভাপতি, নগেন শইকীয়া, ভবেন দাধৰা আৰু হেমকান্ত বৰুৱাক উপ-সভাপতি, শিশুবন্ধু দুলাল বৰাক সাধাৰণ সম্পাদক, ক্ষিতিকান্ত বৰা, পৱন শইকীয়া, বকুল বৰুৱা আৰু দ্বিপেন বৰাক সহকাৰী সম্পাদক আৰু সাংবাদিক জয়ন্ত বৰাক প্ৰচাৰ সম্পাদকৰূপে লৈ এখন শক্তিশালী ভাওনা সমাৰোহ উদ্‌যাপন সমিতি গঠন কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ২৪ মে'ৰ পুৱা ধৰ্মধ্বজা উত্তোলন কৰিব উদ্‌যাপন সমিতিৰ মুখ্য উপদেষ্টা শ্ৰীশ্ৰীজগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামীয়ে। স্মৃতি তৰ্পণ কৰিব উদ্‌যাপন সমিতিৰ সভাপতি বিপুল মজুমদাৰে। দুপৰীয়া নাম প্ৰসংগত কে'বাগৰাকীও সত্ৰাধিকাৰে অংশগ্ৰহণ কৰিব। সন্ধিয়া দুলাল বৰাৰ পৰিচালনাত শিশুনাট মঞ্চস্থ কৰা হ'ব। পুৰণিগুদামৰ শ্ৰীশ্ৰীব্ৰহ্মচাৰী সত্ৰৰ শিল্পীসকলৰ দ্বাৰা মঞ্চস্থ কৰিব লগা অসমীয়া ভাওনা 'ত্ৰিলোচন বিজয়' উদ্বোধন কৰিব 'দৈনিক অসম'ৰ কাৰ্যবাহী সম্পাদক দিলীপ মহন্তই। বিশিষ্ট অতিথিৰূপে যোগদান কৰিব নগাঁও জিলাৰ উপায়ুক্ত নিসৰ্গ হিভাৰে। ভাওনা সমাৰোহৰ সমূহ কাৰ্যসূচীত সত্ৰ আৰু সংস্কৃতিপ্ৰেমী ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি শ্ৰীশ্ৰীজগৰাল সত্ৰৰ সত্ৰাধিকাৰ প্ৰান্তিক গোস্বামী আৰু ভাওনা সমাৰোহ উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# বিশিষ্ট ঝুমুৰ শিল্পী, পেঞ্চনাৰ বিশ্বকৰ্মা

*১২ পৃষ্ঠাৰ পৰা* পৰিবেশন কৰি প্ৰশংসা লাভ কৰিছিল। আমগুৰি, হালোৱাটিং আৰু বৰবাম বাগিচাত ৩০ বছৰ চাকৰি কৰা শিল্পীজনে ২০২১ত অসম চৰকাৰৰ শিল্পী পেঞ্চন লাভ কৰিছিল। অসম উন্নতি সভা, ৰেফাৰী সন্থা আদি অনুষ্ঠানত আমৃত্যু কাৰ্যনিৰ্বাহ কৰা শিল্পীজনৰ ঝুমুৰ গীত আৰু নৃত্যই তেওঁক জনপ্ৰিয়তাৰ শীৰ্ষলৈ লৈ গৈছিল। সমাজকৰ্মী তথা সৰবৰহী কাঁৱাৰৰ মৃত্যুত আমগুৰিৰ বৰবাম, হালোৱাটিং আটছা, এচিএমএছ, বৰবাম, আমগুৰি, হালোৱাটিং, বাঘজান চাহ বাগিচা কৰ্তৃপক্ষ, আমগুৰি আছু, অসম সেনা, আমগুৰি আৰু শিৱসাগৰ ক্ৰীড়া সন্থা, ৰেফাৰী ব'ৰ্ড, অনুসূচিত জাতি ছাত্ৰ সন্থা, বৰবাম নৱজ্যোতি পুথিভঁৰাল, বাঘজান পুথিভঁৰাল, আমগুৰি মহাবিদ্যালয়ৰ হৈ অধ্যক্ষ আচফিয়া চুলতানা, বিশিষ্ট ফুটবল খেলুৱৈ বিনন্দ বৰা, সমাজকৰ্মী, ব্যৱসায়ী জনাৰ্দন হাজৰিকা, নৰ্থ-ইষ্ট বিদ্যালয়ৰ লেখিকা জুৰি শইকীয়াৰে ধৰি অনেক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু গুণমুগ্ধই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ মৃত্যুত শোক প্ৰকাশ কৰিছে আমগুৰিৰ বিধায়ক প্ৰদীপ হাজৰিয়াই। মৃত্যুৰ সময়ত শিল্পীজনে এজন পুত্ৰ, দুগৰাকী কন্যা এৰি যায়।

# অৱসৰকালীন প্ৰাপ্যৰ দাবীত টোকোলাইত

*১২ পৃষ্ঠাৰ পৰা* কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখ্য যে প্ৰতিষ্ঠানটোৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলে বছৰ বছৰ ধৰি তেওঁলোকৰ পাবলগীয়া অৱসৰকালীন ভাট্টা লাভা কৰা নাই। উল্লেখ্য যে ২০১৪ৰ মাৰ্চৰ পাছত অৱসৰপ্ৰাপ্ত কৰ্মীসকলক এতিয়াও আৰ্জিত ছুটীৰ ধনৰাশি লাভ কৰা নাই। ২০২০ৰ জানুৱাৰীৰ পৰা অৱসৰপ্ৰাপ্ত কৰ্মীসকলকৰ গ্ৰেছুইটিৰ ধনৰাশি এতিয়াও আদায় দিয়া নাই। সমান্তৰালভাৱে লাভ কৰা নাই ষষ্ঠ আৰু সপ্তম বেতন আয়োগৰ ধনৰাশি। উল্লেখ্য যে টোকোলাই চাহ গৱেষণা অনুষ্ঠানত পেঞ্চনৰ ব্যৱস্থা নাই। সেই কাৰণে অৱসৰপ্ৰাপ্ত কৰ্মীসকলে উক্ত ধনৰাশিৰ দ্বাৰাই অৱসৰৰ পৰৱৰ্তীকালত চলিব লগা হয়। এই প্ৰাপ্যখিনি লাভ নকৰাৰ ফলত তেওঁলোকে সমস্যাৰ সন্মুখীন হৈছে। ইতিমধ্যে আৰ্জিত ছুটীৰ ধন লাভ নকৰাকৈয়েই দুজনকৈ কৰ্মচাৰীয়ে মৃত্যুক সাৱটি লৈছে। এই সন্দৰ্ভত বয়োজ্যেষ্ঠ প্ৰাক্তন কৰ্মীসকলে কে'বাবাৰো আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে বিষয় সম্বলিত স্মাৰকপত্ৰ প্ৰতিষ্ঠানটোৰ মুৰব্বীক প্ৰদান কৰিছে। তৎসত্বেও আজি পৰ্যন্ত কোনো ফলধৰা নাই। আজি ধৰ্ণা কাৰ্যসূচীত উপস্থিত থকাসকলে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি প্ৰতিটো সপ্তাহত তিনিদিনকৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। কৰ্তৃপক্ষই উচিত পদক্ষেপ গ্ৰহণ নকৰিলে এই কাৰ্যসূচী অধিক তীব্ৰতৰ কৰি তোলা হ'ব বুলিও সকীয়াই দিয়ে।

# মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱ ভাৰতৰ প্ৰথম

*১২ পৃষ্ঠাৰ পৰা* ভাষা, সুৰে অসমীয়া জাতিক চিৰদিন জীয়াই ৰাখিব। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ নাটকত ব্যৱহাৰ হোৱা গীতবিলাকক বৰগীত বুলি ক'ব নোৱাৰি যদিও মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱৰ নাটকত ব্যৱহাৰ হোৱা কেইটামান গীতক বৰগীতৰ পুথিত সন্নিবিষ্ট কৰিছে বুলি কয়। উল্লেখ্য যে যোৱা ১৬ মে'ত সন্ধিয়া মৰাণত অৱস্থিত তপন চুতীয়া সোঁৱৰণী সভাগৃহত ১৮৯ সংখ্যক জোনাকী মেল অনুষ্ঠিত হয়। বিশিষ্ট সমাজকৰ্মী প্ৰবীৰ শৰ্মাই বৰমেলুৱৈ কৰা বৈঠকৰ উদ্দেশ্য ব্যাখ্যা কৰে জোনাকী মেলৰ মুখ্য উদ্যোক্তা বাছা বৰাই। বৈঠকত বন্তি প্ৰজ্বলন কৰে মৰাণৰ জ্যেষ্ঠ নাগৰিক ডাঃ প্ৰতাপ শৰ্মাই। মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ উৎসৱৰ লগত সংগতি ৰাখি এইবাৰ জোনানীক মেলত আলোচ্য বিষয় লোৱা হৈছিল। মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ সাংস্কৃতিক অৱদান।' বিষয়টোৰ ওপৰত আলোচনা আগবঢ়াই জোনাকী মেলৰ উদ্যোক্তা বিশিষ্ট সাহিত্যিক ডাঃ লোহিত কুমাৰ বৰা, ড° স্বপন কুমাৰ চুতীয়া, বিশিষ্ট কবি জুলিয়ানা বেগম আৰু শিল্পী অমৰ কাকতিয়ে। শিশু শিল্পী ময়ূৰ বুঢ়াগোহাঁয়ে বৰগীত পৰিবেশন কৰা বৈঠকখনত গীত পৰিবেশন কৰে আন এগৰাকী শিল্পী অনুৰাধা গগৈ বৰাই। কবিতা পাঠ কৰে বিশিষ্ট কবি দ্বীজেন্দ্ৰ নাথ দত্ত, সত্যনাথ শৰ্মা আৰু যোগেন্দ্ৰ সিঙে। শতাধিক মেলুৱৈ সমবেত হোৱা মেলখনত মৰাণ অঞ্চলৰ পদ্মা চুতীয়া, ড° বিনিতা গগৈ, নিভা গগৈ, ৰঞ্জুমণি দত্ত বৰা, নিৰেশ্বৰ বকলীয়াল, বিতোপন বৰা, চুমী বৰুৱা, ইন্দ্ৰজিৎ চাৰিঙীয়া, সাংবাদিক দয়ানন্দ সিং, সঞ্জীৱ বৰাকে মুখ্য কৰি বহু গুণী-জ্ঞানী ব্যক্তি উপস্থিত থাকে।

# যোৰহাটত ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা

*১২ পৃষ্ঠাৰ পৰা* এখন দাবী পত্ৰ পুনৰ জিলা উপায়ুক্তক প্ৰদান কৰে। এক বিবৃতিত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি আৰু সাধাৰণ সম্পাদকে কয়, 'ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ সকলো বিষয়ৰ তদাৰকৰ দায়িত্বত এনএইছআইডিচিএল আছে যদিও অত্যন্ত নিষ্ক্ৰিয় ভূমিকা পালনেৰে বৰ্তমানৰ সময়ত এই তদাৰকী প্ৰতিষ্ঠানটোৱে আচলতে ৰাইজৰ ধনৰ শৰাধ পাতিছে। বিভিন্ন সময়ত ভিন্ন বহুজাতিক প্ৰতিষ্ঠানে এই চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণৰ নিবিদা লাভ কৰিছে যদিও পথ নিৰ্মাণৰ নামত কেৱল কমিছন্নৰাজ আৰু নিৰ্মাণৰ নামত ল'ৰা-ধেমালি কৰি আহিছে। যিসময়ত উজনিৰ ৰাইজে যাতায়াতৰ বাবে দুৰ্ভোগ ভুগিবলগীয়া হৈছে আৰু অৰ্ধনিৰ্মিত অৱস্থাত থকা চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ কিছু কিছু অংশ মৰণফান্দত পৰিণত হৈছে, সেইসময়ত নতুনকৈ কাম লাভ কৰা প্ৰতিষ্ঠানটোৱে যাতে ইতিমধ্যে হোৱা বিসংগতিসমূহ আঁতৰাই অতি খৰতকীয়াকৈ আৰু আসোঁৱাহবিহীনভাৱে ৰাষ্ট্ৰীয় ঘাইপথ উন্নীতকৰণৰ কাম চলাই ৰাইজক সকাহ প্ৰদান কৰে সেইক্ষেত্ৰত জিলা ছাত্ৰ সন্থাই মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ কৰে। ছাত্ৰ সন্থাই দাবী জনাই কয় যে চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ কাম সঠিক আৰু সময়মতে আগবঢ়োৱাৰ লগতে পথচাৰী ৰাইজ, ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী সকলোৰে বৃহত্তৰ স্বাৰ্থত যোৰহাটৰ অজন্তা বাইপাছৰ পৰা জাঁজী দলং পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথটোৰ যাতায়াত সুচল কৰিবলৈ এসপ্তাহৰ ভিতৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব লাগিব। অন্যথা ৰাইজৰ সহযোগত ছাত্ৰ সন্থাই তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হ'ব। একেটা বিবৃতিতে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ সদস্য জিতু নেওগে কয়, 'ৰাষ্ট্ৰীয় ঘাইপথ চাৰিলেনযুক্ত পথলৈ উন্নীতকৰণৰ বিষয়টো আচলতে উজনি অসমৰ ৰাইজৰ বাবে এক আশাৰ বতৰা হিচাপে পৰিগণিত হৈছিল। কিন্তু এই পথটো নিৰ্মাণৰ বাবে ঠিকা লাভ কৰা বিভিন্ন নিৰ্মাণকাৰী প্ৰতিষ্ঠানসমূহে একমাত্ৰ কমিছন লাভ কৰাৰ স্বাৰ্থত বিভিন্ন বিসংগতি আৰু আসোঁৱাহপূৰ্ণভাৱে পথটি নিৰ্মাণ কৰি ৰাইজৰ আশা-আকাংক্ষাৰ প্ৰতি আংগুষ্ঠ প্ৰদৰ্শন কৰি আহিছে। সেয়েহে নতুনকৈ নিবিদা লাভ কৰা প্ৰতিষ্ঠানটোৱে যাতে আসোঁৱাহবিহীন আৰু খৰতকীয়াকৈ অৰ্ধনিৰ্মিত অৱস্থাত থকা এই নিৰ্মাণকাৰ্য চলাই নিয়ে সেইক্ষেত্ৰত ছাত্ৰ সন্থাৰ সতৰ্ক দৃষ্টি নিবদ্ধ হৈ থাকিব।

# ডলু চাহ বাগিচাৰ উচ্ছেদৰ তীব্ৰ প্ৰতিবাদ ডিমৰীয়া আটছাৰ

**অগ্ৰদূত বাৰ্তা**

**সোণাপুৰ, ১৮ মে' ঃ** ৰাজ্য চৰকাৰে শেহতীয়াকৈ কাছাৰ জিলাৰ ডলু চাহ বাগিচাৰ ২৫০০ বিঘা ভূমি অধিগ্ৰহণ কৰি তাত গ্ৰীণফিল্ড বিমানকোঠ নিৰ্মাণ কৰিবলৈ লোৱা সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ বিৰোধিতা কৰিছে ডিমৰীয়া আটছা আৰু ডিমৰীয়া চাহ জনজাতি মহিলা সমিতিয়ে। চৰকাৰৰ সিদ্ধান্তক চাহ শ্ৰমিক বিৰোধী আৰু হঠকাৰী বুলি আখ্যা দি সংগঠন দুটাই আজি সোণাপুৰত এক প্ৰতিবাদী সমদল উলিয়ায়। সোণাপুৰস্থিত আটছাৰ কাৰ্যালয়ৰ পৰা উলিওৱা প্ৰতিবাদী সমদলটোৱে সোণাপুৰ নতুন বজাৰ হৈ চক্ৰ বিষয়াৰ কাৰ্যালয়ত সামৰণি পেলায়। চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ সন্মুখতে প্ৰতিবাদকাৰীসকলে 'চাহ শ্ৰমিকক নিৰ্যাতন কৰা নচলিব, অসম চৰকাৰ হায় হায়, ডলু চাহ বাগিচাৰ উচ্ছেদ বন্ধ কৰক' আদি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পাছত প্ৰতিবাদকাৰীসকলে নিজস্ব দাবীৰ সমৰ্থনত চক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ এখন স্মাৰক প্ৰেৰণ কৰে। এই সন্দৰ্ভত ডিমৰীয়া আটছাৰ সভাপতি ৰাজু গৰাইটে কয়, 'আমি উন্নয়নৰ বিৰোধী নহয়, কিন্তু উদ্যোগীকৰণ, ৰেলপথ নিৰ্মাণ, নগৰীকৰণ, তৈলক্ষেত্ৰ নিৰ্মাণ আদিৰ নামত বাৰে বাৰে চৰকাৰে চাহ বাগিচাৰ ভূমি অধিগ্ৰহণ কৰি অহাটো কেতিয়াও গ্ৰহণযোগ্য নহয়। ইয়ে চাহ শ্ৰমিকসকলৰ জীৱন-জীৱিকাৰ প্ৰতি তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। সেয়ে চৰকাৰক শীঘ্ৰে ডলু চাহ বাগিচাৰ উচ্ছেদ অভিযান বন্ধ কৰিবলৈ আমি আহ্বান জনাইছো। প্ৰসংগক্ৰমে গৰাইটে চৰকাৰে পূৰ্বতে ঘোষণা কৰা চাহ শ্ৰমিকৰ মজুৰি আজিলৈ ৩৫১ টকালৈ ৰূপায়ণ নোহোৱাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰাৰ লগতে চাহ শ্ৰমিকক ন্যূনতম এবিঘাকৈ ভূমি আবণ্টন দিবলৈ চৰকাৰক দাবী জনায়।

# নাজিৰাত বিশেষভাৱে সক্ষম লোকৰ ন্যায্য প্ৰাপ্তিৰ দাবী বিকলাংগ কল্যাণ সমিতিৰ

**অগ্ৰদূত বাৰ্তা**

**নাজিৰা, ১৮ মে' ঃ** দেশৰ মহাৰত্ন তৈল-গেছ উদ্যোগিক প্ৰতিষ্ঠান তেল আৰু প্ৰাকৃতিক গেছ নিগম (অ' এন জি চি) অসম সম্পদত বিশেষভাৱে সক্ষম লোকসকলক নিযুক্তি, পেঞ্চন, ঠিকা, বিনামূলীয়া চিকিৎসা তথা বিনামূলীয়া ঔষধ যোগানকে ধৰি অন্যান্য সমস্যাৰাজিৰ স্থায়ী সমাধান বিচাৰি দাবীসমূহ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত নিগম কৰ্তৃপক্ষই কৰি অহা বঞ্চনাৰ প্ৰতিবাদ জনাই যোৱা ১৭ মে'ত তিনি ঘন্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। নাজিৰা বিকলাংগ কল্যাণ সমিতিৰ আহ্বানত শতাধিক বিশেষভাৱে সক্ষম লোকে সমবেত হৈ অ' এন জি চি অসম সম্পদৰ নাজিৰাস্থ মুখ্য কাৰ্যালয়ৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰে প্ৰতিবাদ সাব্যস্ত কৰে। চি পি আইৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্য তথা শিৱসাগৰ জিলা পৰিষদৰ সম্পাদক কনক গগৈকে ধৰি ভালেসংখ্যক লোকে অংশগ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ পাছত বিকলাংগ কল্যাণ সমিতি, নাজিৰাৰ সভাপতি নবাৰ আজিজুৰ আলী আৰু সম্পাদক অমৰ জ্যোতি বৰগোহাঁইৰ স্বাক্ষৰেৰে যোগ্যতা ভিত্তিত স্থানীয় বিশেষভাৱে সক্ষম লোকক মাহেকীয়া তথা বাৰ্ষিক পেঞ্চনৰ ব্যৱস্থা কৰা, প্ৰতিষ্ঠানটোত বাহন তথা অন্যান্য সৰু-বৰ ঠিকা কামৰ নিবিদা প্ৰক্ৰিয়াত দিবাংগসকলক সুবিধা প্ৰদান কৰা, দিবাংগসকলক বিনামূলীয়াকৈ ঔষধ যোগানৰ ব্যৱস্থা কৰা আদিৰ দাবীত অ' এন জি চিৰ অসম সম্পদৰ কাৰ্যবাহী সঞ্চালকক এখন স্মাৰকপত্ৰ প্ৰদান কৰে।

# ২১-২২ মে'ত বিহপুৰীয়াত

*১২ পৃষ্ঠাৰ পৰা* সোঁৱৰণী মঞ্চত অনুষ্ঠিত হ'ব লগা সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব বিধায়ক ড° অমিয় কুমাৰ ভূঞাই। সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰিব জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাওদাঙে। বৰদৈচিলাৰ সকলো কাৰ্যসূচীতে ৰাইজৰ সহায়-সহযোগিতা উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

# বড়িগোগ বনভাগ মণ্ডল সমিতি

*১২ পৃষ্ঠাৰ পৰা* বৃদ্ধি কৰি যুৱ সমাজক নিয়োজিত কৰাৰ লগতে স্বাৱলম্বী কৰাৰ আশ্বাস প্ৰদান কৰে। ইফালে, যুৱনেতাদ্বয়ে উক্ত পদবী লাভ কৰাত সাংসদ দিলীপ শইকীয়া, নলবাৰী বিধায়ক জয়ন্ত মল্ল বৰুৱা, নলবাৰী জিলা বিজেপিৰ সভাপতি ডাঃ মৃগাংক তালুকদাৰ, বড়িগোগ বনভাগ মণ্ডল বিজেপিৰ সভাপতি ডিম্বেশ্বৰ বেজবৰুৱাই তেওঁলোকক অভিনন্দন জনায়।

# দেৰগাঁৱৰ বিধ্বস্ত পথ নিৰ্মাণৰ

*১২ পৃষ্ঠাৰ পৰা* দাবী সম্বলিত প্ৰস্তাৱ প্ৰেৰণ কৰে। সেই অনুসৰি, হেমচন্দ্ৰ গোস্বামী পথৰ ইন্দ্ৰাণী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সমীপৰ পৰা গেলাবিলৰ পকী দলং পৰ্যন্ত পথছোৱাৰ দুৰৱস্থা উল্লেখ কৰি পথছোৱা শীঘ্ৰে নিৰ্মাণ নকৰিলে জ্যেষ্ঠ নাগৰিক সন্মিলনে গণতান্ত্ৰিক আন্দোলনৰ কাৰ্যসূচী গ্ৰহণ কৰিবলৈ বাধ্য হ'ব বুলি সকীয়াই দিয়ে। একেদৰে নাৰিকল গুৰিৰ পৰা লাহতি চাৰিআলি পৰ্যন্ত পথছোৱা দুমাহৰ আগতে নিৰ্মাণ আৰম্ভ কৰাৰ নামত য'ত-ত'ত মাটি পেলাই কাম আৰম্ভ নকৰি ঠিকাদাৰ আৰু বিভাগে ৰাইজক দুৰ্ভোগ ভোগোৱাৰ বিষয়টো উল্লেখ কৰি তৎকালীনভাৱে পথ নিৰ্মাণ সম্পূৰ্ণ কৰাৰ দাবী জনায়।

# ভালুকডুবিৰ পেট্ৰ'ল পাম্প বন্ধৰ

*১২ পৃষ্ঠাৰ পৰা* পাম্প স্থাপিত হৈ আহিছে। ইয়াৰে প্ৰায়বোৰে চৰকাৰী নীতি-নিয়ম ভংগ কৰি পেট্ৰ'ল পাম্প চলাই আছে। শেহতীয়াভাৱে ভালুকডুবিস্থিত ইণ্ডিয়ান অইল পেট্ৰ'ল পাম্পত পানী মিহলি পেট্ৰ'ল বিক্ৰী কৰা বাবেই কে'বাখনো সৰু গাড়ী নষ্ট হোৱা বুলি অভিযোগ পত্ৰত উল্লেখ কৰিছে। সেয়েহে ভালুকডুবি পেট্ৰ'ল পাম্প বন্ধ কৰাৰ লগতে ভালুকডুবি পেট্ৰ'ল পাম্পৰ স্বত্বাধিকাৰীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা, গোৱালপাৰা জিলাৰ প্ৰতিটো পেট্ৰ'ল পাম্পৰ পুনৰ নিৰীক্ষণৰ ব্যৱস্থা কৰা আৰু চৰকাৰী নীতি-নিয়ম উলংঘন কৰি চলাই থকা পেট্ৰ'ল পাম্পৰ বিৰুদ্ধে উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে

অসম দাপোণ
দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৯ মে', বৃহস্পতিবাৰ, ২০২২ পৃষ্ঠা ১৪

# জাতি এটা জীয়াই থাকিবলৈ হ'লে নিজস্ব ভাষা-সংস্কৃতি লাগিব ঃ বড়ো

## ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত মূৰমেলাত বড়ো মাধ্যম দিৱস পালন

**অগ্ৰদূত বাৰ্তা**
**টংলা, ১৮ মে' ঃ** ওদালগুৰি জিলাৰ পনেৰী থানাৰ অন্তৰ্গত মূৰমেলা হাইস্কুলত আজি ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ উদ্যোগত বড়ো মাধ্যমৰ প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। কাৰ্যসূচী অনুসৰি পুৱা বড়ো সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ সভাপতি বুদ্ধেশ্বৰ বড়োৱে। পুষ্পাঞ্জলি অৰ্পণ কৰে উপ-সভাপতি মতিলাল বসুমতাৰীয়ে, ছহিদ তৰ্পণ কৰে প্ৰদীপ বড়োৱে। কবিতা আৰু চুটিগল্প পাঠ অনুষ্ঠান মুকলি কৰে মূৰমেলা হাইস্কুলৰ প্ৰধান শিক্ষক কামেশ্বৰ বড়োৱে। আনহাতে, কবিতা আৰু চুটিগল্প পাঠ অনুষ্ঠান পৰিচালনা কৰে ভেৰগাঁও জিলা বড়ো সাহিত্য সভাৰ সভাপতি বুদ্ধেশ্বৰ বড়োৱে। নবীন-প্ৰবীণ কবি আৰু লেখকসকলৰ সাহিত্য অনুষ্ঠান পৰ্যালোচনা কৰে কবি তথা গল্পকাৰ প্ৰাণেশ্বৰ বৰনাৰ্জীয়ে। অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়োৱে জাতি এটা জীয়াই থাকিবলৈ হ'লে নিজস্ব ভাষা, সংস্কৃতি লাগিব বুলি মত প্ৰকাশ কৰে। আনহাতে, অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে বিশিষ্ট বড়ো সাহিত্যিক ৰীতা বড়োৱে।

# ইটাৰভিটাত অচিনাক্ত যুৱকৰ মৃতদেহ উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**
**হাউলী, ১৮ মে' ঃ** হাউলী আৰক্ষী থানাৰ অন্তৰ্গত ইটাৰভিটাত ব্লক চ'কৰ সমীপৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দাঁতিত আজি পুৱা এটা মৃতদেহ উদ্ধাৰ হয়। তথ্য মতে, পুৱা স্থানীয় ৰাইজে ৰাষ্ট্ৰীয় পথৰ দাঁতিত এজন যুৱকৰ মৃতদেহ প্ৰত্যক্ষ কৰে। মৃতদেহটো প্ৰত্যক্ষ কৰাৰ পাছতে প্ৰত্যক্ষদৰ্শী ৰাইজে হাউলী আৰক্ষীক খবৰ দিয়ে। ইয়াৰ পাছতে হাউলী আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি দুৰ্বৃত্তই ডিঙিত তাঁৰ মেৰিয়াই যুৱকজনক হত্যা কৰিছে। যিহেতু মৃতদেহটোৰ ডিঙিত তাঁৰ গাঁঠি মাৰি থোৱা আছিল, সেয়ে স্থানীয় লোকে দুৰ্বৃত্তই হত্যা কৰি যুৱকজনক এনেদৰে পথৰ কাষত পেলাই থৈ যোৱাৰ সন্দেহ কৰিছে। মৃত যুৱকজনে নীলা জীন্স পেণ্ট আৰু নীলা চোলা পৰিধান কৰি আছিল। যুৱকজনৰ পৰিচয় এই পৰ্যন্ত উদ্ধাৰ হোৱা নাই। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে বৰপেটা ফখৰুদ্দিন আলি আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰিছে।

# মৰাণৰ শান্তিবন শ্মশানঘাটলৈ যোৱা পথৰ জৰাজীৰ্ণ অৱস্থা

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ১৮ মে' ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ চহৰৰ মাজমজিয়াত থকা শান্তিবন শ্মশানলৈ যোৱা একমাত্ৰ মূল পথটো আজিও জৰাজীৰ্ণ হৈয়ে আছে। বিগত দিনকেইটাত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত পথটো বোকা আৰু পানীৰে উপচি পৰাত শ্মশানলৈ যোৱাৰ ক্ষেত্ৰত মৰাণৰ ৰাইজ সমস্যাত পৰিব লগা হৈছে। মৰাণৰ সকলো ধৰ্মাৱলম্বী ৰাইজে সেই শ্মশানত নিজৰ আত্মীয়ক সৎকাৰ কৰি আহিছে যদিও শ্মশানলৈ যোৱা পথটো জৰাজীৰ্ণ হোৱাত সমস্যাত পৰিব লগা হৈছে। এই সম্পৰ্কত ৰাইজে মৰাণৰ বিধায়ক চক্ৰধৰ গগৈক অৱগত কৰিছে আৰু বিধায়কজনে কমদিনৰ ভিতৰতে পথটো নিৰ্মাণ কৰা হ'ব বুলি ৰাইজক প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

# টেঙাখাত লেখিকা সংস্থাৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ১৮ মে' ঃ** অসম লেখিকা সংস্থাৰ টেঙাখাত শাখাৰ ত্ৰয়োদশ প্ৰতিষ্ঠা দিৱস যোৱা ১৭ মে'ত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। টেঙাখাতৰ জিতু হাজৰিকা কমপ্লেক্সত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসৰ প্ৰথম কাৰ্যসূচী পতাকা উত্তোলন কৰে টেঙাখাত লেখিকা সংস্থাৰ সভানেত্ৰী ইলা গগৈয়ে। স্মৃতি তৰ্পণ কাৰ্যসূচী বন্তি প্ৰজ্বলন কৰি আৰম্ভ কৰে সভানেত্ৰী গগৈ আৰু সম্পাদিকা বিজয়লক্ষী ফুকন বৰুৱাই। প্ৰতিষ্ঠা দিৱস উপলক্ষে অনুষ্ঠিত মুকলি সভাত সভাপতিত্ব কৰে সভানেত্ৰী গগৈয়ে। সম্পাদিকা বিজয়লক্ষী ফুকন বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাত কে'বাগৰাকী বিশিষ্ট লেখিকাই অসমীয়া সাহিত্যত মহিলা লেখিকাৰ অৱদান আৰু মহিলাসকলৰ সাহিত্য চৰ্চাৰ পৰিৱেশৰ ওপৰত বক্তব্য ৰখাৰ লগতে সাংগঠনিক দিশৰ ওপৰতো আলোচনা কৰা হয়। মুকলি সভাৰ পাছতে অনুষ্ঠিত স্বৰচিত কবিতা পাঠ অনুষ্ঠানত হিৰণ্য চেতিয়া, ননী বৰুৱা গগৈ, অঞ্জলি চমুৱা, চন্দ্ৰমা দুৱৰা, মন্দিৰা ফুকন, ৰত্নাৱলী বৰা গগৈ, বিজয়লক্ষী ফুকন বৰুৱা, নিলীমা গগৈ হাজৰিকাকে ধৰি কে'বাগৰাকী কবিয়ে স্বৰচিত কবিতা পাঠ কৰে। সভানেত্ৰীৰ উপস্থিতিত টেঙাখাত লেখিকা সংস্থাই কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা আৰু বিষ্ণু ৰাভা দিৱস অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

# মৰিগাঁৱৰ বিশিষ্ট তবলা বাদক শিল্পী পৱন কুমাৰ নাথৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**মৰিগাঁও, ১৮ মে' ঃ** বিশিষ্ট তবলা বাদক শিল্পী পৱন কুমাৰ নাথ (৫৪)ৰ যোৱা নিশা মৰিগাঁও চহৰৰ ন-ভেটি নিজা বাসগৃহত মৃত্যুক আঁকোৱালি লয়। দীৰ্ঘদিন ধৰি নাথ যকৃত, নাৰ্ভ আদি কে'বাটাও ৰোগত আক্ৰান্ত হৈ আছিল। মৰিগাঁৱৰে নহয় ৰাজ্যৰ এজন আগশাৰীৰ তবলাবাদক তথা শিল্পী হিচাপে পৰিচিত নাথে জনপ্ৰিয় শিল্পী ৰিদিপ দত্তৰ লগত তবলাবাদক হিচাপে সহযোগিতা আগবঢ়োৱাৰ উপৰি নগাঁও ৰেডিঅ' আৰু ৰাজ্যৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। বহুকেইজন ব্যক্তিক তবলাৰ শিক্ষা প্ৰদান কৰা নাথে নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত পঢ়ি থকা সময়ৰ পৰাই তবলাবাদক তথা শিল্প কৰ্মত নিয়োজিত হৈ পৰিছিল। জীৱন বীমা নিগমত এজেণ্ট হিচাপে কিছু বছৰ কাম কৰা নাথে বৰচিলা উচ্চ মাধ্যমিক বিদ্যালয়তো হিন্দী বিষয়ত অস্থায়ী শিক্ষক হিচাপে সেৱা আগবঢ়াইছিল। মৰিগাঁও জিলা চৰাইবাহীৰ মায়েংগীয়াত জন্মগ্ৰহণ কৰা নাথে কৰ্মসূত্ৰে পাছত মৰিগাঁও চহৰৰ ন-ভেটিৰ স্থায়ী বাসিন্দা হৈ পৰে। মৃত্যুৰ সময়ত পত্নীসহ এগৰাকী কন্যা আৰু এজন পুত্ৰৰ লগতে আত্মীয় স্বজনক এৰি যোৱা নাথৰ মৃত্যুত মৰিগাঁও জিলা সাংবাদিক সংস্থা, গান্ধী ভৱন পৰিচালনা সমিতি, সমলয় নাট্যগোষ্ঠীকে আদি কৰি বিভিন্ন সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে।

# বৰম্বৈ আঞ্চলিক শ্ৰীশ্ৰীদুৰ্গা পূজাৰ সোণালী জয়ন্তী উৎসৱৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**হাজো, ১৮ মে' ঃ** কামৰূপ জিলাৰ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত বৃহত্তৰ বৰম্বৈ অঞ্চলৰ ১৪ খন গাঁৱৰ লোকসকলে একত্ৰিত হৈ বৰম্বৈ আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজা ৫০ বছৰ অতিক্ৰম কৰা সোণালী জয়ন্তী উৎসৱৰ প্ৰস্তুতি তুংগত উঠিছে। হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়াক সোণালী জয়ন্তী উৎসৱ উদ্‌যাপনৰ সভাপতি হিচাপে লৈ কাৰ্যকৰী সভাপতি, প্ৰদীপ চন্দ্ৰ ডেকা আৰু প্ৰমোদ চন্দ্ৰ ভৰালীক সম্পাদক হিচাপে লৈ এখন সমিতি গঠন কৰা হৈছে। অহা ৩০ ছেপ্টেম্বৰৰ পৰা ছয় অক্টোবৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'বলগীয়া সোণালী জয়ন্তী উৎসৱৰ কিছু প্ৰস্তুতি ইতিমধ্যে সম্পূৰ্ণ হৈছে। সোণালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি পৰিচালনা সমিতিয়ে এক বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰে আয়োজন কৰাৰ লগতে সাংস্কৃতিক সন্ধিয়া, আধুনিক নৃত্য প্ৰতিযোগিতা, দিহা নাম প্ৰতিযোগিতা, পুৰুষ-মহিলা উভয়ে নাগাৰা নাম প্ৰতিযোগিতা, কবিতা আবৃত্তি প্ৰতিযোগিতা, চিত্ৰাংকন প্ৰতিযোগিতা, মুকলি সভাৰ লগতে বিভিন্ন কাৰ্যসূচীৰ অনুষ্ঠিত কৰিব। আনহাতে, অষ্টমী, দশমীত অসমৰ আগশাৰীৰ ভ্ৰাম্যমাণ জগতৰ নাট্যদল নয়নতৰা থিয়েটাৰে নাট মঞ্চস্থ কৰিব। ইতিমধ্যে মূল সমিতিয়ে কে'বাখনো উপ-সমিতি গঠন কৰি উপ-সমিতিসমূহক তেওঁলোকৰ নিজা নিজা দায়িত্ব পালন কৰিবলৈ নিৰ্দেশ দিছে। বৃহত্তৰ বৰম্বৈ অঞ্চলৰ ৰাইজে হাজোৰ বিধায়িকা সুমন হৰিপ্ৰিয়াৰ নেতৃত্বত বৰম্বৈ আঞ্চলিক শ্ৰীশ্ৰী দুৰ্গা পূজাৰ সোণালী জয়ন্তী উৎসৱ জাকত জিলিকা হ'ব বুলি আশা প্ৰকাশ কৰিছে। বৰম্বৈ পাহাৰ আৰু পুঠিমাৰী নদীৰ পাৰত প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত অৱস্থিত দুৰ্গা মন্দিৰৰ চৌহদ ইতিমধ্যে বিভিন্ন ধৰ্মীয় কাৰ্যসূচীৰ লগতে বিপণীৰ বাবে সাজু কৰি তোলা হৈছে। সকলো ধৰ্মপ্ৰাণ ৰাইজৰ সমূহ কাৰ্যসূচীত উপস্থিতি তথা সহায়-সহযোগিতা সোণালী জয়ন্তী উৎসৱ উদ্‌যাপন সমিতিয়ে শ্ৰদ্ধাৰে কামনা কৰিছে।

# মধ্য অসম জনজাতি সাংস্কৃতিক সমন্বয় মঞ্চ গঠন

**অগ্ৰদূত বাৰ্তা**
**বেৰেজীয়া, ১৮ মে' ঃ** মধ্য অসমৰ বিভিন্ন প্ৰান্তত বসবাস কৰা তিৱা, বড়ো কাৰ্বি, ডিমাছা, মিচিং, ৰাভা, গাৰো, হাজং, দেউৰী আদি জনজাতি লোকসকলৰ প্ৰতিনিধিমূলক এখন সাধাৰণ সভা যোৱা ১৫ মে'ত নগাঁও আনন্দৰাম ঢেকিয়াল ফুকন (এ ডিপি) মহাবিদ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। এডিপি মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক ড° সদানন্দ পায়েঙৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে সভাৰ মুখ্য আহ্বায়ক পৱিত্ৰ লাডুৰে। সভাত জনজাতি লোকসকলৰ বাৰেৰহণীয়া কলা-কৃষ্টিৰ মাধ্যমেৰে স্নেহ-প্ৰীতি, ভ্ৰাতৃত্ববোধৰ লগতে সামাজিক সহযোগিতাৰে সাংস্কৃতিক মহাসংগমৰ জৰিয়তে মধ্য অসমত বসবাস কৰা জনজাতি লোকসকলৰ বৈচিত্ৰ্যৰ মাজতো ঐক্যতাৰে মধ্য অসম জনজাতি সাংস্কৃতিক সমন্বয় মঞ্চ গঠন কৰিবলৈ মুখ্য আহ্বায়ক পৱিত্ৰ লাডুৰে উদ্দেশ্যে ব্যাখ্যাত প্ৰস্তাৱ দাঙি ধৰে। তিৱা স্বায়ত্ত পৰিষদৰ সদস্য কমল বৰদলৈ আৰু গাৰো উন্নয়ন পৰিষদৰ সদস্য বিদ্ৰুপ মাৰাক, অভিযন্তা প্ৰমোদ দ'লৈ শিক্ষক ধীৰেন্দ্ৰ বসুমতাৰী আৰু হৰিচৰণ পেগু আদিৰ লগতে সভাত উপস্থিত থকা জনজাতি লোকসকলৰ প্ৰতিনিধিসকলে প্ৰস্তাৱিত মধ্য অসম জনজাতি সাংস্কৃতিক সমন্বয় মঞ্চ গঠন কৰিবলৈ সমৰ্থন জনোৱাৰ লগতে আদৰণি জনায়। শদিয়াৰ যুধিষ্ঠিৰ গগৈয়ে অতিথিৰূপে উপস্থিত থকা সভাতে ড° সদানন্দ পায়েঙক সভাপতি আৰু পৱিত্ৰ লাডুৰক সাধাৰণ সম্পাদকৰূপে বাছনি কৰি মুঠ ৪১ জনীয়া মধ্য অসম জনজাতি সাংস্কৃতিক সমন্বয় মঞ্চৰ সমিতিখন গঠন কৰা হৈছে।

# তেজপুৰত আঁজলি মহিলা সমিতিৰ দ্বি-বাৰ্ষিক অধিবেশনত 'হেঁপাহ' উন্মোচন

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ১৮ মে' ঃ** 'অগ্নিকন্যা চন্দ্ৰপ্ৰভাৰ দৰে কে'বাগৰাকীও মহীয়সী নাৰীৰ বলিষ্ঠ নেতৃত্বত অসমত নাৰী মুক্তিৰ যিখন সংগ্ৰাম আগবাঢ়ি আহিছিল, সেইখন যুঁজত তেজপুৰৰ কিৰণময়ী আগৰৱালাৰ পৰা প্ৰয়াত মিনা আগৰৱালা তথা বৰ্তমানৰ মিনাক্ষী ভূঞা পৰ্যন্ত অসংখ্য তেজপুৰীয়া নাৰীয়ে অহোপুৰুষাৰ্থ কৰি আহিছে।' সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী তথা অসম চৰকাৰৰ সাহিত্যিক পেঞ্চনাৰ ড° চাৰু চহৰীয়া নাথে তেজপুৰত এই মন্তব্য কৰে। উল্লেখ্য যে তেজপুৰৰ দা ধৰা বামুণচুবুৰি অঞ্চলৰ আঁজলি মহিলা সমিতিৰ ১০ম দ্বি-বাৰ্ষিক অধিবেশনৰ মুকলি সভাত বিশিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰি ড° নাথে নাৰী সুৰক্ষা আৰু সৰলীকৰণৰ দিশত সমাজৰ কৰণীয় সম্পৰ্কত সাৱলীল ভাষণ প্ৰদান কৰে। আঁজলি মহিলা সমিতিৰ সভানেত্ৰী মিনতি বৰুৱাৰ পৌৰোহিত্যত অনুষ্ঠিত মুকলি সভাতে প্ৰবীণ মঞ্চ অভিনেত্ৰী তথা লোক-সংস্কৃতিৰ সাধক সুচিত্ৰা শৰ্মাৰ 'হেঁপাহ' শীৰ্ষক দ্বিতীয় কাব্যগ্ৰন্থখন উন্মোচন কৰি শৰ্মাৰ কবিতা সম্পৰ্কত আলোকপাত কৰে। প্ৰবীণ মঞ্চ অভিনেত্ৰী, অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী তথা আঁজলি মহিলা সমিতিৰ প্ৰাক্তন সভানেত্ৰী ৰাণু শৰ্মাই উদ্বোধন কৰা, শোণিতপুৰ জিলা লেখিকা সমাৰোহ সমিতিৰ সভানেত্ৰী তথা কবি ৰুমা দেৱীয়ে বন্তি প্ৰজ্জ্বলন কৰা মুকলি সভাৰ আৰম্ভণিতে আঁজলি মহিলা সমিতিৰ সদস্যসকলে সমবেত সংগীত পৰিৱেশন কৰে।

সদৌ অসম চাহ জনগোষ্ঠী সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সভানেত্ৰী মনোমতী কুৰ্মীয়ে নিৰ্দিষ্ট বক্তাৰূপে অংশগ্ৰহণ কৰা এই সভাতে মহিলা সমিতিখনৰ প্ৰবীণ সদস্য বীণা শৰ্মা আৰু ফুলেশ্বৰী দাসক সমিতিয়ে একোখনকৈ সম্বৰ্ধনা পত্ৰৰে আদৰণি জনায়। পুৱা স্থায়ী সভানেত্ৰীৰ দ্বাৰা পতাকা উত্তোলন কৰাৰ পাছত অনুষ্ঠিত বিষয় বাছনি সভাই আগন্তুক ২০২২-২৪ৰ নতুন কাৰ্যনিৰ্বাহক গঠন কৰে।

# দেৰগাঁৱত গ্ৰন্থ উন্মোচনী সভাৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**
**বৰুৱাবামুণগাঁও, ১৮ মে' ঃ** দেৰগাঁৱৰ এজন বিশিষ্ট শিক্ষাবিদ তথা দেৰগাঁও উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰয়াত চন্দ্ৰমোহন হাজৰিকাৰ দ্বাৰা ৰচিত বিভিন্ন লেখা একত্ৰিত কৰি পৰিয়ালৰ উদ্যোগত এখন গ্ৰন্থ আকাৰে প্ৰকাশৰ দিহা কৰিছে। 'চন্দ্ৰমোহন হাজৰিকাৰ ৰচনা সমগ্ৰ' নামেৰে এই গ্ৰন্থখন অহা ২০ মে'ত উন্মোচন কৰা হ'ব। দেৰগাঁও সাহিত্য সভাৰ চন্দ্ৰ নাছ খাউণ্ড ভৱনত এই উপলক্ষে দুপৰীয়া অনুষ্ঠিত সভাত সভাপতিত্ব কৰিব দেৰগাঁও সাহিত্য সভাৰ সভাপতি প্ৰভাত চন্দ্ৰ মহন্তই। সমাজকৰ্মী ধ্ৰুৱকান্ত বৰাই প্ৰয়াত হাজৰিকাৰ প্ৰতিচ্ছবিত স্মৃতি তৰ্পণ কৰাৰ পাছত গ্ৰন্থখন উন্মোচন কৰিব বিশিষ্ট সাহিত্যিক ড° শান্তনু তামুলীয়ে। অৱসৰপ্ৰাপ্ত সঞ্চালক পৰ্যায়ৰ বিজ্ঞানী ড° চৌধুৰী নাথ শইকীয়া, কৃষি বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ডীন ড° ৰাতুল চন্দ্ৰ বৰা, অসম সাহিত্য সভাৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত সভাপতি ড° পৰাগ কুমাৰ ঠাকুৰ, শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ সভাপতি চন্দ্ৰ হাজৰিকা, সাহিত্যিক নুৰুল চুলতান, আছুৰ মুখ্য উপদেষ্টা অভিবৰ্তন গোস্বামী আৰু দেৰগাঁও সাংবাদিক সংস্থাৰ সভাপতি বিচিত্ৰ ভূষণ কলিতাই সভাত বিসিষ্ট অতিথিৰূপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত ৰাইজৰ উপস্থিতি কামনা কৰিছে প্ৰয়াত লেখক, শিক্ষাবিদজনৰ সহধৰ্মিণী অঞ্জলি হাজৰিকা আৰু আৰক্ষী বিষয়া-পুত্ৰ হৃষিকেশ হাজৰিকা প্ৰমুখ্যে উদ্যোক্তাসকলে।

# গৰৈমাৰীত ড্ৰাগছসহ দুজন যুৱকক গ্ৰেপ্তাৰ

**ছয়গাঁও, ১৮ মে' ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁৱৰ গৰৈমাৰীত ড্ৰাগছসহ দুজন লোকক ছয়গাঁও আৰক্ষীয়ে আটক কৰিছে। ছয়গাঁৱৰ গৰৈমাৰী পহৰা চকীৰ অন্তৰ্গত গৰৈমাৰী টাউনত ড্ৰাগছ বিক্ৰী কৰিবলৈ আহোতে আৰক্ষীৰ হাতত দুই ড্ৰাগছ বেপাৰী গ্ৰেপ্তাৰ হয়। ধৃত ড্ৰাগছ বেপাৰী দুজন ক্ৰমে আজমল হক আৰু ছহিদুল ইছলাম। দুয়োৰে ঘৰ গৰৈমাৰী সত্ৰত। সম্প্ৰতি ছয়গাঁও আৰক্ষীয়ে দুয়োকে গুৱাহাটীৰ কেন্দ্ৰীয় কাৰাগাৰলৈ প্ৰেৰণ কৰে। আৰক্ষীয়ে ধৃত দুজনৰ পৰা পাঁচটা ভৰ্তি কণ্টেইনাৰ উদ্ধাৰ কৰে।

# ভৱানীপুৰৰ নহাটী নামঘৰত ১৯৯ সংখ্যক তিনিদিনীয়া অখণ্ড পালনাম সম্পন্ন

**বিশেষ সংবাদদাতা**
**পাঠশালা, ১৮ মে' ঃ** ভৱানীপুৰৰ ঐতিহাসিক নহাটীৰ নামঘৰত উদ্‌যাপিত ১৯৯ সংখ্যক তিনিদিনীয়া অখণ্ড পালনাম মহোৎসৱৰ আজি সামৰণি পৰে। সন্ধিয়া ৭-৩০ বজাত তিনিদিনীয়া অখণ্ড পালনামৰ সামৰণিৰ পাছতে ছিপাঝাৰৰ মৰমী শইকীয়া আৰু সংগীবৃন্দই আকৰ্ষণীয়ভাৱে নাগাৰা নাম পৰিৱেশন কৰে। উল্লেখ্য যে ১৬ মে'ৰ পৰা নহাটীৰ নামঘৰত তিনিদিনীয়াকৈ উদ্‌যাপিত অখণ্ড পালনামৰ প্ৰথমদিনা পুৱা নামধৰ্মৰ একনিষ্ঠ সাধক বিনয় অধিকাৰীয়ে পালনাম স্থাপন কৰে। ইয়াৰ পূৰ্বে পৰম্পৰা ৰীতিৰে নহাটীৰ নামঘৰৰ চৌপাশে নাম-কীৰ্তনেৰে ভকত-আয়তীয়ে সাতপাক পৰিভ্ৰমণ কৰে। উল্লেখ্য যে তিনিদিনীয়া অখণ্ড পালনামত অগণন ভকত-আয়তীয়ে অবিৰতভাৱে নাম-কীৰ্তন, ভাগৱত পাঠ কৰে। পালনাম মহোৎসৱত লোকাৰণ্য হৈ পৰে ঐতিহ্যমণ্ডিত নহাটীৰ নামঘৰ।

# হাতীগড়ত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱ

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ১৮ মে' ঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ উদ্যোগত আৰু হাতীগড় আঞ্চলিক শাখাৰ আতিথ্যত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৪ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ অহা ২৯ মে'ত হাতীগড় আঞ্চলিক শাখাৰ শংকৰী সংস্কৃতি বিকাশ কেন্দ্ৰত আয়োজন কৰিছে। পুৱা পৰিৱেশ নিকাকৰণৰ পাছত গছপুলি ৰোপণ কৰিব দেৱেন গগৈয়ে। পতাকা উত্তোলন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ যোৰহাট জিলা শাখাৰ সভাপতি মুকুল গগৈয়ে। ভাগৱতসহ সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত মুকুল গগৈৰ সভাপতিত্বত অনুষ্ঠিতব্য মুকলি সভা উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই। নিৰ্দিষ্ট বক্তাৰূপে ড° মৃণাল কুমাৰ বৰুৱা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ আচাৰ্য কমলাকান্ত গগৈ, ভুৱন শইকীয়া আৰু ডম্বৰুধৰ বৰুৱা উপস্থিত থাকিব। মহোৎসৱ সাফল্যমণ্ডিত কৰিবলৈ ভকত বৈষ্ণৱৰ উপস্থিতি কামনা কৰিছে আদৰণি সমিতিৰ সভাপতি ফণীধৰ গগৈ, কাৰ্যকৰী সভাপতি ভুৱন গগৈ আৰু সম্পাদক ডিম্বেশ্বৰ গগৈয়ে।

# গোৱালপাৰাৰ সোনাহাৰাত অবৈধ কাঠফলা কল উৎখাত

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ১৮ মে' ঃ** গোৱালপাৰাৰ আঞ্চলিক বন বিভাগ আৰু গোৱালপাৰা বন সুৰক্ষা বাহিনীৰ দলে যৌথভাৱে অভিযান চলাই আজি খৰমুজাৰ সোনাহাৰাৰ পৰা এটা অবৈধ কাঠফলা কলৰ সম্পূৰ্ণ যন্ত্ৰাংশৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা প্ৰায় অৰ্ধ লক্ষাধিক টকা মূল্যৰ চোৰাং কাঠ জব্দ কৰে। উল্লেখ্য যে জিলাখনৰ বিভিন্ন প্ৰান্তত অসাধু চক্ৰই অবৈধ কাঠফলা কল স্থাপন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে।

# মৰাণত মাধৱদেৱৰ আবিৰ্ভাৱ মহোৎসৱৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**
**মৰাণ, ১৮ মে' ঃ** উত্তৰ-পূব ভাৰতৰ অন্যতম সাংস্কৃতিক, ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলাৰ মৰাণ আঞ্চলিক শাখাই অহা ২২ মে'ত বৰ্ণাঢ্য কাৰ্যসূচীৰে মৰাণ আঞ্চলিক শাখা সংঘৰ নামঘৰত মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ ৫৩৪ সংখ্যক আৰ্বিভাৱ মহোৎসৱ পালন কৰিবলৈ লৈছে বুলি মৰাণ আঞ্চলিক শাখাৰ সম্পাদক দ্বীজেন্দ্ৰ নাথ দত্তই এক বিবৃতিযোগে জনাইছে। কাৰ্যসূচী অনুসৰি পুৱা বৃক্ষৰোপণৰ পাছতে পতাকা উত্তোলন কৰিব মৰাণ আঞ্চলিক শাখাৰ সভাপতি নগেন ৰাজখোৱাই। পুৱা মুনিন ওজাৰ পৰিচালনাত নাম প্ৰসংগ হোৱাৰ পাছতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত হ'ব লগা বিভিন্ন সাহিত্যমূলক প্ৰতিযোগিতা উদ্বোধন কৰিব মৰাণ মহকুমা সাংবাদিক মঞ্চৰ কাৰ্যকৰী সভাপতি বাছা বৰাই। বিয়লি 'মাধৱদেৱৰ দাস্য ভক্তি' শীৰ্ষক অনুষ্ঠিতব্য আলোচনাচক্ৰ উদ্বোধন কৰিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ চৰাইদেউ জিলা সাহিত্য শাখাৰ সম্পাদক ৰণ্টু খনিকৰে। মুখ্য আলোচক হিচাপে উপস্থিত থাকিব শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন পদাধিকাৰ ৰজনীকান্ত দত্ত। মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰি উলিওৱা স্মৃতিগ্ৰন্থ 'বঢ়াৰ পো' উন্মোচন কৰিব সংঘৰ চৰাইদেউ জিলা শাখাৰ সভাপতি দুৰ্লভ বৰাই। বিশিষ্ট অতিথি হিচাপে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন মুলৰ সদস্য লোকনাথ বুঢ়াগোহাঁই, প্ৰবীণ কোঁৱৰ, চৰাইদেউ জিলা শাখাৰ প্ৰাক্তন সভাপতি খগেন শইকীয়া, মৰাণ আঞ্চলিক শাখাৰ প্ৰাক্তন সভাপতি শোভন চাংমাই আৰু মিলন গাঁও পঞ্চায়তৰ সভাপতি নৱ বৰুৱা উপস্থিত থাকিব বুলি মৰাণ আঞ্চলিকৰ সম্পাদক দ্বীজেন্দ্ৰ নাথ দত্তই জনাইছে।

# ওদালগুৰিত দুৰ্ঘটনাত মৃত্যু এজনৰ

**বিশেষ সংবাদদাতা**
**ওদালগুৰি, ১৮ মে' ঃ** ওদালগুৰি জিলাৰ সদৰ আৰক্ষী থানাৰ অন্তৰ্গত কাপোৰপুৰাত আজি পুৱা সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। নিজৰ নাতি-কন্যাক স্কুটী

দৈনিক অগ্ৰদূত

ক্ৰীড়াভূমি/ক্ৰীড়াভূমি

গুৱাহাটী, ১৯ মে' ২০২২
বৃহস্পতিবাৰ, পৃষ্ঠা ১৫

# অসম ৰ'ক এণ্ড স্পৰ্টছ ক্লাইম্বিং সন্থাৰ অসম এভাৰেষ্ট ডে' পালন

## সৰ্বোচ্চ শিখৰত আৰোহণকাৰীক সম্বৰ্ধনা

**গুৱাহাটী, ১৮ মে' ঃ** অসম ৰ'ক এণ্ড স্পৰ্টছ ক্লাইম্বিং সন্থাই আজি গুৱাহাটী প্ৰেছ ক্লাবত আয়োজন কৰে অসম এভাৰেষ্ট ডে' শীৰ্ষক এক অনুষ্ঠান। উল্লেখ্য যে ২০১৩ ৰ আজিৰ দিনটোতে (১৮ মে') অসম সন্তান তৰুণ শইকীয়াই প্ৰথম অসমীয়াৰূপে পৃথিৱীৰ সৰ্বোচ্চ শিখৰ মাউন্ট এভাৰেষ্ট আৰোহন কৰিছিল। আজি ১০ বছৰত ভৰি দিলে সেই ঐতিহাসিক সাফল্যই। সেয়ে অসম ৰ'ক এণ্ড স্পৰ্টছ ক্লাইম্বিং সন্থাই ৰাজ্যৰ সকলো পৰ্বতাৰোহীক একত্ৰিত কৰি প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম এভাৰেষ্ট ডে'। আজিৰ এই অনুষ্ঠানত তৰুণ শইকীয়াইৰ লগতে সম্বৰ্ধনা জনোৱা হয় ২০১৩ৰ ২৪ মে'ৰ দ্বিতীয়জন অসমীয়াৰূপে এভাৰেষ্টৰ শীৰ্ষ বিন্দুত থিয় হোৱা মনীষ কুমাৰ ডেকা, ২০১৬ত পুনৰ এভাৰেষ্টত উঠা চাৰি অসম সন্তান নন্দ দুলাল দাস, খৰছিং টেৰাং, ডেভিদ হেনৰী টেৰাং আৰু নৰ ফুকনকো। প্ৰতিজনে নিজৰ সাফল্যৰ ৰোমাঞ্চকৰ ঘটনা আকৌ এবাৰ ৰোমন্থন কৰে প্ৰথম অসম এভাৰেষ্ট ডে'ৰ ব্যতিক্ৰমী অনুষ্ঠানটোত। উক্ত সভাত অতিথিৰূপে উপস্থিত থাকে দুৰ্লভ চমুৱা, প্ৰদীপ কুমাৰ, সুবোধ মল্ল বৰুৱা, নিতুমনি শইকীয়া, অজিত কলিতা, অৰ্চনা ভট্টাচাৰ্য, প্ৰাণ ভাগৱতী, জিষ্ণু বৰুৱা, বিক্ৰম বড়ো, অনুপম নাথ আদি।

# বিশ্ব বক্সিঙৰ ফাইনেলত ভাৰতৰ জাৰিন

## স্বৰ্ণজয়ৰ সুযোগ যুৱ বিশ্ব চেম্পিয়নৰ ঃ ব্ৰঞ্জতে সন্তুষ্ট মনীষা-পাৰবীন

**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ১৮ মে' ঃ** মহিলা বিশ্ব বক্সিং চেম্পিয়নশিপত ভাৰতৰ স্বৰ্ণজয়ৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে নিখাত জাৰিনে। তুৰস্কৰ ইষ্টানবুলত চলি থকা প্ৰতিযোগিতাখনৰ ৫২ কেজি শাখাৰ ফাইনেলত প্ৰৱেশ কৰিলে যুৱ বক্সাৰগৰাকীয়ে। আনহাতে, আজি দুটাকৈ ব্ৰঞ্জৰ পদক নিশ্চিত কৰিলে ভাৰতীয় প্ৰতিযোগীয়ে।

উল্লেখ্য যে প্ৰতিযোগিতাখনত আশাপ্ৰদ সাফল্য নাপালে টকিঅ' অলিম্পিকৰ ব্ৰঞ্জজয়ী লাভলীনা বৰগোহাঁয়ে। অৱশ্যে তেওঁৰ ব্যৰ্থতাক ঢাকি আজি যুৱ বিশ্ব বক্সিঙৰ চেম্পিয়ন জাৰিনে ব্ৰাজিলৰ কেৰ'লিন ডি আলমেইডাক ৫-০ ব্যৱধানত পৰাজিত কৰে। ইয়াৰ জৰিয়তে জাৰিনে প্ৰতিযোগিতাত কমেও ৰূপৰ পদক নিশ্চিত কৰিলে। ফাইনেলত জয়ী হ'ব পাৰিলে জাৰিন হ'ব মহিলা বিশ্ব বক্সিঙৰ স্বৰ্ণপদক জয় কৰা ভাৰতৰ পঞ্চমগৰাকী বক্সাৰ। ইয়াৰ পূৰ্বে এম চি মেৰী কম, সৰিতা দেৱী, জেনী আৰএল আৰু লেখা চিয়ে এই প্ৰতিযোগিতাত বিজয়মাল্য পৰিধান কৰিছিল।

ইপিনে, আজিৰ ছেমিফাইনেলত পৰাজিত হোৱাৰ সূত্ৰে ভাৰতৰ মনীষা মৌন আৰু পাৰবীন হুডা ব্ৰঞ্জৰ পদকতে সন্তুষ্ট থাকে। টকিঅ' অলিম্পিকৰ ব্ৰঞ্জ বিজয়ী ইটালীৰ ইৰ্মা টেষ্টাই মনীষাক ৫-০ আৰু ইউৰোপীয়ান চেম্পিয়নশিপৰ ব্ৰঞ্জ বিজয়ী এমী ব্ৰডহাৰ্ষ্টে পাৰবীনক ৪-১ পইণ্টত পৰাজিত কৰে।

# ফুটবল প্ৰশিক্ষণ শিবিৰৰ সামৰণি

**অগ্ৰদূত বাৰ্তা**
**কাকজান, ১৮ মে' ঃ** কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত কাকজান খেলপথাৰত সাতদিনীয়াকৈ অনুষ্ঠিত হোৱা ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ আজি সামৰণি পৰে। ৰাজ্যিক ফুটবলাৰ, অসম পুলিচ দলৰ প্ৰাক্তন খেলুৱৈ তথা এএফচিচিৰ অনুজ্ঞাপত্ৰ প্ৰাপ্ত প্ৰশিক্ষক লোচন শইকীয়াই আগবঢ়োৱা প্ৰশিক্ষণত অঞ্চলটোৰ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। এই উপলক্ষে সাংবাদিক মানৱজ্যোতি বৰদলৈয়ে আঁত ধৰা সামৰণি তথা সম্বৰ্ধনা সভাখনত জিলা ক্ৰীড়া সন্থাৰ সভাপতি শান্তনু পূজাৰী, ৰাষ্ট্ৰীয় খেলুৱৈ তথা ইণ্ডিয়ান ছুপাৰ লীগৰ মুম্বাই এফচি দলৰ প্ৰাঞ্জল ভূমিজ, দিগন্ত দত্ত, ৰবীন শইকীয়া, হৃদয়ানন্দ দত্ত, ৰূপক ৰঞ্জন শইকীয়া, চিৰাজুল ইছলাম, ৰুমি চেতিয়াৰ লগতে বহু ক্ৰীড়াবিদ, প্ৰশিক্ষণ কেন্দ্ৰৰ অভিভাৱক আদি উপস্থিত থাকে।

*ছাইৰ উদ্যোগত ফুটবল প্ৰশিক্ষণৰ বাবে নিৰ্বাচনী প্ৰক্ৰিয়াৰ এটি মুহূৰ্ত।*

# ওমৰান মালিকৰ অভিলেখ

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ মে' ঃ** চলিত আইপিএলত বলৰ গতিৰে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে হায়দৰাবাদ ছানৰাইজাৰ্ছৰ ফাষ্টবলাৰ ওমৰান মালিকে। আইপিএলত সবাতোকৈ দ্ৰুতগতিত বল কৰাৰ অভিলেখ স্থাপন কৰা শ্ৰীনগৰৰ ২২ বছৰীয়া বলাৰজনক ইতিমধ্যেই জাতীয় দলত অন্তৰ্ভুক্ত কৰাৰ দাবী উঠিছে। ইয়াৰ মাজতে আন এক আইপিএল অভিলেখ স্থাপন কৰিলে ওমৰানে। আইপিএলৰ ইতিহাসত সবাতোকৈ কম বয়সীয়া বলাৰৰূপে এটা সংস্কৰণত কমেও ২০টা উইকেট দখলৰ নতুন অভিলেখ গঢ়িলে তেওঁ। ২২ বছৰ ১৭৬ দিনত ২০টা উইকেট দখল কৰি তেওঁ যশপ্ৰীত বুমৰাহৰ অভিলেখ ভংগ কৰে। মুম্বাই ইণ্ডিয়ানছৰ বুমৰাহে ২৩ বছৰ ১৬৫ দিনত ২০টাৰ অধিক উইকেট দখল কৰিছিল।

# ২৭-২৯ মে'ত গোলাঘাটত হ'ব ৰাজ্যিক ভিত্তিত দশম বাৰ্ষিক কুংফু

## জিলা কুংফু স্পৰ্টছ এছ'চিয়েছনৰ উদ্যোগত প্ৰতিযোগিতাৰ ব্যাপক প্ৰস্তুতি

**বিশেষ সংবাদদাতা**
**গোলাঘাট, ১৮ মে' ঃ** গোলাঘাট জিলা কুংফু স্পৰ্টছ এছ'চিয়েছনৰ উদ্যোগত তথা অসম কুংফু স্পৰ্টছ এছ'চিয়েছনৰ সহযোগত গোলাঘাট ইনডৰ ষ্টেডিয়ামত অহা ২৭, ২৮ আৰু ২৯ মে'ত তিনিদিনীয়াকৈ অনুষ্ঠিত হ'ব ৰাজ্যিক ভিত্তিত দশম বাৰ্ষিক কুংফু প্ৰতিযোগিতা। প্ৰয়াত দিলীপ বৰুৱা, দেৱজিৎ বাহাদুৰ আৰু মৃদুল বৰুৱাৰ সোঁৱৰণত আয়োজিত প্ৰতিযোগিতাখনি সাফল্যমণ্ডিত কৰি তোলাৰ অৰ্থে পূৰ্ণ ৰাজখোৱাক মুখ্য উপদেষ্টা, জ্যেষ্ঠ সাংবাদিক দিগন্ত কুমাৰ ভূঞাক সভাপতি, পাৰ্থপ্ৰতিম ৰাজপুতক কাৰ্যকৰী সভাপতি আৰু মৃদুল হাজৰিকাক সম্পাদকৰূপে লৈ গঠন কৰা আদৰণি সমিতিয়ে প্ৰস্তুতি পূৰ্ণগতিত অব্যাহত ৰাখিছে। গোলাঘাট জিলা কুংফু সন্থাৰ মুখ্য উপদেষ্টা চিফু ৰাজকুমাৰ, সভাপতি চিফু প্ৰদ্যুৎ শৰ্মা আৰু কাৰ্যকৰী সভাপতি নেকিবুৰ ৰহমানে এক প্ৰেছ বিবৃতিযোগে প্ৰকাশ কৰা মতে, উক্ত প্ৰতিযোগিতাত অসমৰ জিলাসমূহৰ চাৰি শতাধিক প্ৰতিযোগীৰ সমাৱেশ ঘটিব। ৰাজ্যিক ভিত্তিত আয়োজিত প্ৰতিযোগিতাখনি ল'ৰা আৰু ছোৱালীৰ ভিভাগত জুনিয়ৰ, ছিনিয়ৰ আৰু ছাব-জুনিয়ৰ শাখাত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি নিনজা প্ৰদৰ্শনীত বিশেষভাৱে তিনিজন সমৰকলাবিদে অংশগ্ৰহণ কৰিব। প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ, শোভাযাত্ৰা, কাৰ্যকৰী সভাৰ পাছতেই অনুষ্ঠিত হ'ব প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান। প্ৰতিযোগিতা উদ্বোধন কৰিব গোলাঘাট জিলাৰ উপায়ুক্ত মৃগেশ নাৰায়ণ বৰুৱাই। ২৯ এপ্ৰিলৰ বিয়লি ছয় বজাত অনুষ্ঠিত হ'ব মুকলি সভা আৰু বঁটা বিতৰণী সভা। আদৰণি সমিতিৰ সভাপতি, জ্যেষ্ঠ সাংবাদিক ভূঞাৰ পৌৰোহিত্যত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা আৰু বঁটা বিতৰণী সভা উদ্বোধন কৰিব গোলাঘাট জিলাৰ উপায়ুক্ত বৰুৱাই। মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰিব সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে। সভাত সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰিব নুমলীগড় শোধনাগাৰৰ মানৱ সম্পদ বিভাগৰ উপ-মহাপ্ৰবন্ধক মিণ্টু সন্দিকৈ, গোলাঘাট জিলাৰ আৰক্ষী অধীক্ষক সুমিত শৰ্মা, বিশিষ্ট লেখক, নিবন্ধকাৰ, গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ সভাপতি ডাঃ অজিত বৰুৱা, বিশিষ্ট অতিথিৰূপে অসম কুংফু স্পৰ্টছ এছ'চিয়েছনৰ সভাপতি চিফু ৰাজকুমাৰ, কাৰ্যকৰী সভাপতি চিফু এল ৰতন সিং, গ্ৰেণ্ড মাষ্টাৰ হৰেন চুতীয়া, সাধাৰণ সম্পাদক আজাহাৰুল আমিন, মুখ্য উপদেষ্টা চিফু দেৱ প্ৰসাদ ভাগৱতী, গ্ৰেণ্ড মাষ্টাৰ অমৰ সিং দেউৰী, কাৰিকৰী সঞ্চালক শংকৰ দত্ত, জিলা ক্ৰীড়া বিষয়া চেমী শইকীয়া, প্ৰবীণ সাংবাদিক দ্বীপেন দত্ত, বিশিষ্ট শিক্ষাবিদ, ছবি পৰিচালক দীনেশ গগৈ, অতিৰিক্ত আৰক্ষী অধীক্ষক অঞ্জন পণ্ডিত, বিশিষ্ট সমাজকৰ্মী পূৰ্ণ ৰাজখোৱা, পৌৰপতি দুলুমণি বৰবৰা, উপ-পৌৰপতি সীমান্ত বৰা, সমাজকৰ্মী মৃদুস্মিতা নেওগ, আছুৰ মুখ্য সাংগঠনিক সম্পাদক অভিৱৰ্তন গোস্বামী, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সাধাৰণ সম্পাদক জিতুল ৰাজখোৱা আদিয়ে। মুকলি সভাত 'সমৰকলা' শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰিব নুমলীগড় শোধনাগাৰ লিমিটেডৰ মানৱ সম্পদ বিভাগৰ মুৰব্বী, মহাপ্ৰবন্ধক কাজল শইকীয়াই।

# ইংলণ্ড দললৈ উভতিল এণ্ডাৰছন-ব্ৰড

**নিউজ ব্যুৰ'**
**লণ্ডন, ১৮ মে' ঃ** প্ৰবীণ ফাষ্টবলাৰদ্বয় জেমছ এণ্ডাৰছন আৰু ষ্টুৱাৰ্ট ব্ৰডৰ ইংলণ্ড টেষ্ট দললৈ প্ৰত্যাৱৰ্তন ঘটিছে। নিউজিলেণ্ডৰ বিপক্ষে আগন্তুক শৃংখলাৰ প্ৰথম দুখন টেষ্টৰ বাবে ইংলণ্ডৰ ১৩জনীয়া দল ঘোষণা কৰা হৈছে। তিনিখনীয় মেচৰ এই শৃংখলাৰ পৰাই ইংলণ্ডৰ টেষ্ট দলক নেতৃত্ব দিব অলৰাউণ্ডাৰ বেন ষ্ট'ক্‌ছে।

উল্লেখ্য যে এণ্ডাৰছন আৰু ব্ৰডে শেহতীয়াকৈ নিয়মিতৰূপে টেষ্ট দলত স্থান পোৱা নাছিল। শেহতীয়া ৱেষ্টইণ্ডিজ ভ্ৰমণৰ বাবেও তেওঁলোকে দলত স্থান পোৱা নাছিল। অৱশ্যে আগন্তুক ঘৰুৱা শৃংখলাটোৰ বাবে প্ৰবীণ তাৰকাদ্বয়ৰ ওপৰতে নিৰ্বাচকে ভৰসা ৰাখিছে। ষ্ট'ক্‌ছ অধিনায়ক নিৰ্বাচিত হোৱাৰ পাছতে দুয়োৰে প্ৰত্যাৱৰ্তনৰো ইংগিত দিছিল। পেচবলাৰ মেথিউ প'ট্‌ছ আৰু বেটাৰ হেৰী ব্ৰুকে প্ৰথমবাৰলৈ টেষ্ট দললৈ আমন্ত্ৰণ লাভ কৰিছে। ঘোষিত দলটো— বেন ষ্ট'ক্‌ছ (অধিনায়ক), জো ৰুট, জেমছ এণ্ডাৰছন, জনী বেয়াৰষ্ট', ষ্টুৱাৰ্ট ব্ৰড, হেৰী ব্ৰুক, জেক ক্ৰ'লী, বেন ফ'ক্‌ছ, জেক লীচ, এলেক্স লীজ, ক্ৰেইগ অভাৰটন, অ'লী প'প আৰু মেথিউ প'ট্‌ছ।

*আইপিএলৰ খেল উপভোগ কৰাৰ সময়ত শচীন-কন্যা ছাৰা তেণ্ডুলকাৰ, মঙলবাৰে।*

# ইংলণ্ড ভ্ৰমণত অনিশ্চিত ৰাহানে

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ মে' ঃ** আঘাতৰ বাবে চলিত আইপিএলৰ পৰা বাহিৰ হ'ল কলকাতা নাইট ৰাইডাৰ্ছৰ অজিংক্য ৰাহানে। গ্ৰেড থ্ৰী হেমষ্ট্ৰিঙৰ আঘাতৰ বাবে অভিজ্ঞ বেটাৰজনে আগন্তুক কিছুদিনলৈ বিশ্ৰামত থাকিব লাগিব বুলি নাইট ৰাইডাৰ্ছৰ তৰফৰ পৰা জনাইছে। ফলত আগন্তুক ইংলণ্ড ভ্ৰমণৰ বাবেও ৰাহানে প্ৰায় অনিশ্চিত হ'ল। কিয়নো সম্পূৰ্ণ সুস্থ হ'বলৈ তেওঁক কমেও চাৰি সপ্তাহৰ প্ৰয়োজন হ'ব বুলি দলীয় সূত্ৰই জনাইছে। উল্লেখ্য যে সম্প্ৰতি ৰাহানে ভাৰতৰ টেষ্ট দলৰ পৰা বাদ পৰিছিল। যদিও ইংলণ্ড ভ্ৰমণৰ গুৰুত্ব আৰু ৰঞ্জী ট্ৰফীত সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱাৰ প্ৰতি লক্ষ্য ৰাখি অভিজ্ঞ বেটাৰজনক টেষ্ট দলত ৰখাৰ সম্ভাৱনা আছিল।

# ভাৰতৰ টি-২০ দলৰ প্ৰশিক্ষক হ'ব লক্ষ্মণ

## একে সময়তে দুটা ভাৰতীয় দলে খেলিব পৃথক শৃংখলাত

**নিউজ ব্যুৰ'**
**মুম্বাই, ১৮ মে' ঃ** ভাৰতৰ টি-২০ দলৰ অস্থায়ী প্ৰশিক্ষক হ'ল ভিভিএছ লক্ষ্মণ। একালৰ ধ্ৰুপদী বেটাৰজনে দক্ষিণ আফ্ৰিকাৰ বিপক্ষে আগন্তুক ঘৰুৱা শৃংখলাত ভাৰতীয় দলৰ প্ৰশিক্ষকৰ দায়িত্ব পালন কৰিব। কিয়নো ভাৰতৰ মুখ্য প্ৰশিক্ষক ৰাহুল দ্ৰাৱিড় সেই সময়ত ভাৰতৰ মূল দলৰ স'তে ইংলণ্ড ভ্ৰমণত ব্যস্ত থাকিব।

প্ৰায় একে সময়তে ভাৰতে দুটাকৈ ক্ৰিকেট শৃংখলা খেলিব। এখন টেষ্ট আৰু পাঁচখন এদিনীয়া মেচ খেলাৰ বাবে ৰোহিত শৰ্মা নেতৃত্বাধীন ভাৰতীয় দল ইংলণ্ডলৈ যাব। ক'ভিডৰ বাবে যোৱা বছৰৰ অসমাপ্ত হৈ ৰোৱা টেষ্ট শৃংখলাৰ অন্তিমখন মেচ পহিলা জুলাইৰ পৰা আৰম্ভ হ'ব। ভাৰতীয় দল অহা ১৫ বা ১৬ জুনত ইংলণ্ডলৈ ৰাওনা হ'ব। ক'ভিডবিধি অনুসৰি নিৰ্দিষ্ট সময় নিভৃতবাসত থকাৰ পাছত দলে টেষ্টত অৱতীৰ্ণ হোৱাৰ পূৰ্বে এখন প্ৰস্তুতি মেচ খেলিব। ইয়াৰ বিপৰীতে ভাৰতৰ দ্বিতীয়টো দলে ঘৰুৱা পৰিৱেশত ন জুনৰ পৰা দক্ষিণ আফ্ৰিকাৰ বিপক্ষে পাঁচখন টি-২০ মেচ খেলিব। উক্ত শৃংখলাৰ বাবেই ভাৰতৰ দ্বিতীয় দলৰ প্ৰশিক্ষকৰ দায়িত্ব পালন কৰিব লক্ষ্মণে। বিচিচিআইৰ সূত্ৰই জনোৱা মতে, প্ৰশিক্ষক পদৰ বাবে দ্ৰাৱিড়েই হেনো লক্ষ্মণৰ নাম প্ৰস্তাৱ কৰিছিল। লক্ষ্মণেও এই প্ৰস্তাৱ গ্ৰহণ কৰিছে। উল্লেখ্য যে ভাৰতৰ দ্বিতীয়টো দলৰ অধিনায়ক পদৰ বাবে হাৰ্দিক পাণ্ডিয়া আৰু শিখৰ ধৱনৰ নাম চৰ্চাত আছে। ধৱনে ইয়াৰ পূৰ্বে শ্ৰীলংকা ভ্ৰমণত ভাৰতৰ দ্বিতীয় দলক নেতৃত্ব দিছিল। আনহাতে, চলিত আইপিএলত গুজৰাট টাইটান্‌ছৰ অধিনায়কৰূপে হাৰ্দিকে সকলোৰে প্ৰশংসা বুটলিছে। দলটোত চলিত আইপিএলত সুন্দৰ প্ৰদৰ্শন আগবঢ়োৱা তিলক বাৰ্মা, ৰাহুল তেৱাটিয়া, ওমৰান মালিক, মহছিন খান, অৰ্শদীপ সিং, ৰুতুৰাজ গায়কোৱাড়, অভিষেক শৰ্মা আদি নৱাগত ক্ৰিকেটাৰে সুযোগ পোৱাৰ সম্ভাৱনা আছে।

# সম্ভাৱনা সজীৱ কৰি ৰাখিলে লিভাৰপুলে

**নিউজ ব্যুৰ'**
**লিভাৰপুল, ১৮ মে' ঃ** ইংলিছ প্ৰিমিয়াৰ লীগ ফুটবলৰ খিতাপ জয়ৰ সম্ভাৱনা সজীৱ কৰি ৰাখিলে লিভাৰপুলে। কালিৰ এখন লীগ মেচত প্ৰথমে পিছপৰি থাকিও লিভাৰপুলে ছাউদাম্পটনক ২-১ গ'লত পৰাজিত কৰে। ফলত ইংলণ্ডৰ শীৰ্ষ ফুটবল লীগৰ খিতাপ জয়ী নিৰ্ধাৰণৰ বাবে অন্তিম দিনলৈকে অপেক্ষা কৰিব লাগিব।

উল্লেখ্য যে কালিৰ খেলখনত লিভাৰপুল পৰাজিত হোৱা হ'লে মানচেষ্টাৰ চিটীৰ খিতাপ জয় নিশ্চিত হ'লহেঁতেন। খেলৰ ২৩ মিনিটত নেথান ৰেডমণ্ডৰ গ'লেৰে ছাউদাম্পটনে অগ্ৰগতি লোৱাত সেই সম্ভাৱনাই বৃদ্ধি পাইছিল। অৱশ্যে দুৰ্দান্তভাৱে প্ৰত্যাৱৰ্তন ঘটাই লিভাৰপুলে খেলখনত বিজয় সাব্যস্ত কৰে। ২৭ মিনিটত লিভাৰপুলৰ টাকুমি মিনামিন'ৱে সমতা স্থাপন কৰাৰ পাছত ৬৭ মিনিটত জয়সূচক গ'লটো দিয়ে জুৱেল মেটিপে। এই জয়ৰ জৰিয়তে ৩৭খন মেচত ৮৯ পইণ্ট সংগ্ৰহ কৰি লিভাৰপুল তালিকাৰ দ্বিতীয় স্থানত থাকিল। এক নম্বৰ স্থানত থকা মানচেষ্টাৰ চিটীয়ে মাত্ৰ এটা পইণ্টতহে আগবাঢ়ি আছে। দুয়োটা দলৰ এখনকৈ খেল বাকী আছে।

# থাইলেণ্ড অপেনত জয় শ্ৰীকান্ত-সিন্ধুৰ

## অস্মিতাৰ লগতে বিদায় ল'লে ছাইনা-প্ৰণয়ে

**নিউজ ব্যুৰ'**
**বেংকক, ১৮ মে' ঃ** ঐতিহাসিক থমাছ কাপ জয়ৰ সাফল্যৰ ধাৰা অব্যাহত ৰাখি থাইলেণ্ড অপেন বেডমিণ্টনতো অগ্ৰগতি অৰ্জন কৰিলে কিদাম্বি শ্ৰীকান্তে। অৱশ্যে বেংককত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ প্ৰথম ৰাউণ্ডৰ পৰাই বিদায় ল'লে ঐতিহাসিক জয়ৰ আন এক নায়ক এইছ এছ প্ৰণয়ে। দুটাকৈ অলিম্পিক পদক বিজয়ী পি ভি সিন্ধুৱে মহিলাৰ ছিংগল্‌ছত দ্বিতীয় ৰাউণ্ডলৈ অগ্ৰসৰ হৈছে। ইয়াৰ বিপৰীতে আজি পৰাজিত হ'ল আন এগৰাকী তাৰকা ছাইনা নেহৱাল আৰু অসমৰ খেলুৱৈ অস্মিতা চলিহা।

আজি পুৰুষ ছিংগল্‌ছৰ প্ৰথম ৰাউণ্ডৰ খেলত শ্ৰীকান্তে ফ্ৰান্সৰ ব্ৰাইচ লেভাৰডেজক ১৮-২১, ২১-১০, ২১-১৬ গেমত পৰাজিত কৰে। আনহাতে, সিন্ধুৱে আমেৰিকাৰ লৰেন লামক ২১-১৯, ১৯-২১, ২১-১৮ গেমত হৰুৱায়। পুৰুষ ছিংগল্‌ছৰ আন এখন খেলত প্ৰণয় মালয়েছিয়াৰ ডাৰেন লিউৰ বিপক্ষে ১৭-২১, ২১-১৫, ১৫-২১ গেমত পৰাজিত হয়। লণ্ডন অলিম্পিকৰ পদক জয়ী ছাইনাক কোৰিয়াৰ কিম গা ইউনে ১১-২১, ২১-১৫, ২১-১৭ গেমত পৰাজিত কৰে। সেইদৰে অসমৰ খেলুৱৈ অস্মিতা থাইলেণ্ডৰ শীৰ্ষ তাৰকা ৰাটচান'ক ইণ্টাননৰ বিপক্ষে ১০-২১, ১৫-২১ গেমত পৰাজিত হয়। মহিলাৰ ছিংগল্‌ছত আজি জয়ী হোৱা আন এগৰাকী ভাৰতীয় খেলুৱৈ মালৱিকা বানচুড়ে ইউক্ৰেইনৰ মাৰিয়া উল্টিনাক ১৭-২১, ২১-১৫, ২১-১১ গেমত পৰাজিত কৰে।

# নুৰুদ্দিন ক্ৰিকেটত তেজপুৰৰ সবল স্থিতি

## তিনিখন খেলত বতৰৰ বিধিপথালি ঃ খেল নহ'ল কাৰ্বি আংলং-বৰপেটাৰ

**অগ্ৰদূত বাৰ্তা**
**গুৱাহাটী, ১৮ মে' ঃ** অসম ক্ৰিকেট সন্থাৰ দ্বাৰা আয়োজিত নুৰুদ্দিন আহমেদ ট্ৰফী ছিনিয়ৰ আন্তঃজিলা ক্ৰিকেটৰ চূড়ান্ত ৰাউণ্ডৰ খেলত পৰিছে বতৰৰ প্ৰভাৱ। আজি গুৱাহাটীৰ চাৰিখন ষ্টেডিয়ামত চূড়ান্ত ৰাউণ্ডৰ চাৰিখন খেল আৰম্ভ হয় যদিও মাত্ৰ এখন খেলতহে সম্পূৰ্ণ অভাৰ সম্ভৱ নহয়। যোৱা নিশাৰ বৰষুণ আৰু সিক্ত খেলপথাৰৰ বাবে দুখন মেচত কম অভাৰৰ খেল হয় যদিও জজ ফিল্ডত কাৰ্বি আংলং আৰু বৰপেটাৰ মাজৰ প্ৰথম দিনাৰ খেলত এটাও বল নপৰিল।

বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত গুৱাহাটীয়ে টছত জয়ী হৈ তেজপুৰক পোনতে বেটিং কৰিবলৈ পঠায়। তেজপুৰে সমগ্ৰ দিনটোত ১০২.৪ অভাৰ বেটিং কৰি ৩৭৪ ৰাণ সংগ্ৰহ কৰি সকলো উইকেট হেৰুৱায়। দলটোৰ সবল সৃষ্টিৰ মূলতে আছিল বাস্তৱৰ দায়িত্বশীল ৯২ আৰু সিদ্ধাৰ্থ শৰ্মাৰ আক্ৰমণাত্মক ৫৬ ৰাণ। যোগেন দাসেও ৪৮ ৰাণৰ বৰঙণি যোগায়। গুৱাহাটীৰ ৰোহিত সিঙে পাঁচটা আৰু গকুল শৰ্মাই তিনিটা উইকেট দখল কৰে।

ইফালে, নেহৰু ষ্টেডিয়ামত ডিব্ৰুগড় আৰু উত্তৰ-পূব ৰেলৰ মাজৰ খেলখনত ৩৩ অভাৰৰ খেলহে সম্ভৱ হয়। সেইখিনি সময়ত ডিব্ৰুগড়ে প্ৰথমে বেটিং কৰি চাৰি উইকেটত ১১৪ ৰাণ সংগ্ৰহ কৰে। সন্দীপ শৰ্মাই ৩৩ ৰাণৰ বৰঙণি যোগায়। ঈশান আহমেদে ২৩ আৰু ৰাছিম আহমেদে সাত ৰাণত অপৰাজিত হৈ থাকে। আনহাতে, আমিনগাঁও ষ্টেডিয়ামত নগাঁও আৰু শিলচৰৰ মাজৰ খেলখনত আজি প্ৰথম দিনা ৩০ অভাৰৰ খেল হয়। পোনতে বেটিং কৰাৰ সিদ্ধান্ত লৈ নগাঁৱে দিনান্তলৈ চাৰি উইকেট হেৰুৱাই ৯০ ৰাণ কৰে। অনুপম হাজৰিকাই ৩৬ ৰাণ কৰে। সেইদৰে দেৱজিৎ বৰুৱাই ২২ আৰু ৰাজ আগৰৱালাই ১০ ৰাণত অপৰাজিত হৈ থাকে।

## বিলাসনন্দন চ'ৰা

# অহ্ মাই গড! বিকাছ হৈছে

**চকু** চৰহাবোৰে সদায় এটা অভিযোগেই কৈ ফুৰে যে দিল্লীৰ বাদশ্বাহৰ মুখতহে বিকাছ থাকে, মাটিত বিকাছৰ কোনো অস্তিত্ব নাই। এইবোৰ কথা শুনি শুনি বাদশ্বাহৰ মুখেদি কেতিয়াবা আপোনা আপুনি ওলাই আহে—অহ্ মাই গড! সদ্যহতে বাদশ্বাহৰ মুখেদি ইউৰোপত নিৰ্গত হোৱা এই 'অহ্ মাই গড' কথাষাৰে ছ'চিয়েল মিডিয়াত বৰ বেলেগ ধৰণে ভাইৰেল হৈছে। বহুতে আশ্চৰ্য প্ৰকাশ কৰি অনাৰ্যৰ দৰে প্ৰশ্ন কৰি—তাজমহল, কুতুবমিনাৰৰ তলতো মন্দিৰ বিচাৰি ফুৰা বাদশ্বাহে 'হে ভগৱান' বা 'হে প্ৰভু ঈশ্বৰ' বুলি ন'কৈ যে 'অহ্ মাই গড' বুলি কৈছে। কিয়? এইটো কিবা প্ৰশ্ন কৰিবলগীয়া কথা নেকি? মানুহবোৰে নাজানে নেকি সৰ ভগৱানেই ফৰেইনলৈ গৈ গড হৈ যায়। গতিকে বাদশ্বাহৰ ভগৱানো ইউৰোপলৈ গৈ গড হৈ গৈছে। গড মাতিব লাগিলে অহ্ মাই গড বুলিয়েতো মাতিব লাগিব। ইউৰোপলৈ গৈ ভগৱান ভগৱান বুলি চিঞৰি থাকিলে গডে ৰেছপণ্ড নকৰিব নহয়? ক'ত গড বুলিব লাগে, ক'ত ভগৱান বুলিব লাগে, সেইবোৰ অংক আমাৰ বাদশ্বাহৰ পূৰা জনা আছে। মানুহবোৰে এনেয়ে কৈ থাকে যে আমাৰ বাদশ্বাহ কমিউনেল। কিন্তু এইবাৰ অহ্ মাই গড বুলি কৈ বাদশ্বাহে দেছবাচীক বুজাই দিলে যে তেওঁ গড আৰু ভগৱান আটাইৰে নাম লয়। তেওঁৰ সমান ধৰ্মনিৰপেক্ষ কোনো নাই, হ'বও নোৱাৰে।

সেই বাদশ্বাহৰ বিৰুদ্ধে সদায় কৈ থকা হয় যে তেওঁ যি বিকাছৰ কথা কৈ থাকে, মাটিত তাৰ অস্তিত্ব দেখা নাযায়। এইবোৰ কথা শুনিলেও বাদশ্বাহৰ মুখেদি অ' এম জি মানে অহ্ মাই গড ওলাই আহিব খোজে। ফৰেইনত থাকিলে অ' এম জি আৰু ইণ্ডিয়াত থাকিলে হাইপ্ৰ' মানে 'হায় ঈশ্বৰ প্ৰভু' বুলি ওলাই আহে বাদশ্বাহৰ মুখেদি এই ধৰণৰ অভিযোগবোৰ শুনিলে। ৰাজসভাত বহি 'হাইপ্ৰ' বুলি চিঞৰি উঠি বাদশ্বাহে সভাসদসকলক কয়—'শুনিছানে অপ'জিছনে কিমান মিছা কথা কয়।'

ঃ কি ক'লে জাহাপনা?
ঃ গোকাট মিছা কথা কৈছে।
ঃ কি কৈছে?
ঃ কৈছে যে মই কৰা বিকাছ বোলে ক'তো দেখা নাযায়। আৰে চাব নাজানিলেতো নেদেখিবই।
ঃ হয় জাহাপনা।
ঃ আগেয়ে আমাৰ দেছত কি আছিল?
ঃ কি আছিল জাহাপনা?
ঃ মানুহৰ হাতে হাতে ব্লেকমানী আছিল।
ঃ হয় জাহাপনা।
ঃ এতিয়া কি আছে মানুহৰ হাতত?
ঃ ফুটাকড়ি এটাও নাই জাহাপনা।
ঃ চোৱা ব্লেকমানীৰ পৰা কেনেকৈ মই নো মানী কৰি পেলাইছো. এয়া কি বিকাছ নহ'ল?
ঃ হয় জাহাপনা।
ঃ আগেয়ে আমাৰ দেছে কি কৰিছিল?
ঃ কি কৰিছিল জাহাপনা?
ঃ বেলেগৰ পৰা কিনি কিনি চলি আছিল।
ঃ হয় জাহাপনা?
ঃ এতিয়া নিজৰ সৰ বেচি বেচি চলি আছে। এয়া কি বিকাছ নহ'ল?
ঃ হয় জাহাপনা।
ঃ আগেয়ে সৰ সস্তা বস্তু কিনি কিনি মানুহবোৰ সস্তীয়া হৈ গৈছিল।
ঃ হয় জাহাপনা।
ঃ এতিয়া মাৰ্কেটত সস্তা বস্তু নাইকিয়া হৈ গৈছে। সৰ দামী দামী বস্তু। সেয়া কি বিকাছ নহ'ল?
ঃ হয় জাহাপনা।
ঃ আগেয়ে আমি ৰথ চলাইছিলো। ৰথ চলাই চলায়ে এইখিনি পাইছো।
ঃ হয় জাহাপনা।
ঃ এতিয়া আমি জধে-মধে বুলডজাৰ চলাওঁ।
বাদশ্বাহে সুধিলে ঃ ৰথৰ পৰা বুলডজাৰ! এয়া কি বিকাছ নহয়!

# অসমত এলাগী হৈ পৰিছে বাঁহ-বেতৰ শিল্প

## প্লাষ্টিকৰ আগ্ৰাসনে চাহিদাবিহীন কৰিছে বাঁহ-বেতৰ শিল্প

**অগ্ৰদূত বাৰ্তা**
**শুৱালকুছি, ১৮ মে' ঃ** আধুনিকতাৰ খামখুমীয়া প্ৰতিযোগিতাত বৰ্তমান এলাগী হৈছে অসমৰ বাঁহ-বেতৰ শিল্প। বাঁহৰে নিৰ্মিত ধাৰি, মুঢ়া, খৰাহি, পাচি, চালনী, বিচনি আদি বিভিন্ন হস্তনিৰ্মিত সামগ্ৰীৰ প্ৰতি গ্ৰাহকৰ আকৰ্ষণ নাই। যাৰ ফলত যিসকল পৰিয়ালে এই সামগ্ৰীসমূহ তৈয়াৰ কৰি পৰিয়ালৰ ভৰণ-পোষণ কৰিছিল এতিয়া দিনতে আন্ধাৰ দেখিছে। প্লাষ্টিকৰ আগ্ৰাসনে সমুলঞ্চে ধ্বংস কৰিছে বাঁহ-বেতৰ উদ্যোগ। উল্লেখ্য যে অসমীয়া সমাজৰ প্ৰতিটো পৰিয়ালৰ নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ তালিকাত বাঁহৰে তৈয়াৰী পাচি, খৰাহি, চালনি ধাৰি, পাটী আদি বিভিন্ন সামগ্ৰীৰ ভৰি আছিল। বৰ্তমান প্লাষ্টিকৰ আগ্ৰাসনে এই সামগ্ৰীসমূহৰ মৃত্যু ঘণ্টা বাজিছে। বৰ্তমান প্লাষ্টিকৰে নিৰ্মিত অতি সুলভ মূল্যৰ সামগ্ৰীসমূহে গ্ৰাহকৰ মন-মগজুত খোপনি পুতি বাঁহ-বেতৰ সামগ্ৰীসমূহক এলাগী কৰি বিদায় দিয়াত উদ্যোগবোৰৰ শ্মশান যাত্ৰা আৰম্ভ হৈছে। প্লাষ্টিকৰ চাহিদা আৰু জনপ্ৰিয়তাই থলুৱা সামগ্ৰীক মাধমাৰ দিছে। যাৰ ফলত নৱ প্ৰজন্মই উদ্যোগটোৰ প্ৰতি আগ্ৰহ প্ৰদৰ্শন কৰা নাই। আনহাতে, চৰকাৰেও এইসকল উদ্যোগীৰ প্ৰতি মাহী আই দৃষ্টি দিয়াৰ অভিযোগ। এসময়ত বাঁহ-বেতৰ সামগ্ৰীয়ে বিশ্বৰ বজাৰ দখল কৰি বিদেশী মুদ্ৰা উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল। বৰ্তমান প্লাষ্টিকৰ সামগ্ৰীয়ে বজাৰ দখল কৰাত থলুৱা উৎপাদনকাৰীয়ে মূৰে-কপালে হাত দিছে। যিদৰে হস্ততাঁত বস্ত্ৰ শিল্পত পাৱাৰলুমত নিৰ্মিত জাতীয় বস্ত্ৰৰ ওপৰত চৰকাৰে নিৰ্দেশনা জাৰি কৰিছে। তেনেদৰে প্লাষ্টিকৰ ওপৰতো চৰকাৰে নিৰ্দেশনা জাৰি কৰি ঐতিহ্যপূৰ্ণ বাঁহ-বেতৰ সামগ্ৰীসমূহৰ স্বকীয়তা ৰক্ষা কৰিবলৈ অনুৰোধ জনাইছে থলুৱা উদ্যোগীসকলে। অন্যথা অতি কমদিনৰ ভিতৰত নিঃশেষ হৈ যাব বাপতি সাহোন বাঁহ-বেতৰ শিল্প।

কথাতে কয় যে ৰাখে হৰি মাৰে কোনে? সম্প্ৰতি ইউক্ৰেইনৰ এজন যুৱকৰ ক্ষেত্ৰতো সেই ঘটনাই ঘটিল। ঠিক যেন পুনৰ্জন্ম লাভ কৰিলে তেওঁ। চকুৰ সন্মুখতে নিহত হ'ল দুজন ভ্ৰাতৃ। নিজৰ কাণ আৰু গালো স্পৰ্শ কৰিছিল উত্তপ্ত বুলেটে। তাৰ উপৰি হাত-ভৰি বন্ধা অৱস্থাত শুই পৰিবলগীয়া হৈছিল কবৰত। তৎসত্ত্বেও 'জীৱন্ত' অৱস্থাত কবৰলৈ গ'লেও উভতি আহিবলৈ সক্ষম হ'ল ইউক্ৰেইনৰ মাইকোলা নামৰ যুৱকজন। তেওঁৰ এই উভতি অহাৰ কাহিনীও চমকপ্ৰদ।

# মুখমণ্ডলত গুলীয়াই জীৱন্তে কবৰ দিছিল ৰুছ সেনাই

## মৃত্যুকো জয় কৰি যমৰ দুৱাৰডলিৰ পৰা উভতিল ইউক্ৰেইনৰ যুৱক

**নিউজ ব্যুৰ'**
**কিয়েভ, ১৮ মে' ঃ** কথাতে কয় যে ৰাখে হৰি মাৰে কোনে? সম্প্ৰতি ইউক্ৰেইনৰ এজন যুৱকৰ ক্ষেত্ৰতো সেই ঘটনাই ঘটিল। ঠিক যেন পুনৰ্জন্ম লাভ কৰিলে তেওঁ। চকুৰ সন্মুখতে নিহত হ'ল দুজন ভ্ৰাতৃ। নিজৰ কাণ আৰু গালো স্পৰ্শ কৰিছিল উত্তপ্ত বুলেটে। তাৰ উপৰি হাত-ভৰি বন্ধা অৱস্থাত শুই পৰিবলগীয়া হৈছিল কবৰত। তৎসত্ত্বেও 'জীৱন্ত' অৱস্থাত কবৰলৈ গ'লেও উভতি আহিবলৈ সক্ষম হ'ল ইউক্ৰেইনৰ মাইকোলা নামৰ যুৱকজন। তেওঁৰ এই উভতি অহাৰ কাহিনীও চমকপ্ৰদ।

যোৱা ২৪ ফেব্ৰুৱাৰীত ইউক্ৰেইন আক্ৰমণ কৰে ৰাছিয়াই। তাৰ পাছৰ পৰাই সংঘৰ্ষ অব্যাহত আছে। অৱশ্যে উত্তৰ ইউক্ৰেইনৰ চেৰনিহিভ অঞ্চলৰ বাসিন্দা মাইকোলা আৰু তেওঁৰ পৰিয়ালে যুদ্ধৰ বিশেষ ভয়াৱহতাৰ মুখত পৰা নাছিল। যদিও সকলো হিচাপ সলনি হৈ পৰে যোৱা ১৮ মাৰ্চত। আন্তৰ্জাতিক সংবাদ মাধ্যম চিএনএনক এই কথা জনাইছে যুৱকজনে। সেই সময়ত ইউক্ৰেইনৰ সেনাৰ প্ৰত্যাক্ৰমণত উক্ত অঞ্চলত ৰুছ সেনা অতি জটিল অৱস্থাত পৰিছিল। ইয়াৰ পাছতে প্ৰবল গতিত বোমা বৰ্ষণ আৰম্ভ কৰে ৰাছিয়াই আৰু এটা সময়ত অঞ্চলটো দখলৈ আনি ৰুছ সেনাই তালাচী আৰম্ভ কৰে। ইয়াৰ মাজতে এদল ৰুছ সেনা উপস্থিত হৈছিল মাইকোলাৰ ঘৰত। সেই সময়ত তেওঁলোকৰ ভগ্নী ঘৰত নাছিল যদিও মাইকোলাৰ লগতে দুই ভ্ৰাতৃ ইয়েভেন আৰু ডিমিত্ৰ উপস্থিত আছিল। ইয়েভেনৰ হাতত এটা সেনাৰ বেগ আছিল। ইয়াৰউপৰি তেওঁলোকৰ ককাকে ইউক্ৰেনীয় সেনাৰে যুক্ত আছিল আৰু পদকো অৰ্জন কৰিছিল। সেইবোৰ দেখা পাই ৰুছ সেনাই তিনি ভ্ৰাতৃক ইউক্ৰেনীয় সেনাৰ স'তে যুক্ত বুলি ধৰি লয়।

মাইকোলাই জনায় যে ইয়াৰ পাছতে তেওঁলোকৰ ওপৰত জ্ঞান নেহেৰুৱা পৰ্যন্ত অবৰ্ণনীয় অত্যাচাৰ অব্যাহত থাকে। চেতনা অহাৰ পাছত তেওঁলোকে নিজক মাটিৰ তলৰ এটা ঘৰত আৱিষ্কাৰ কৰিলে। তাত তিনি দিন ধৰি জেৰা চলে আৰু চতুৰ্থ দিনাৰ পৰা আৰম্ভ হয় নিৰ্যাতন। ইয়াৰ পাছত হাত-ভৰি বান্ধি তিনিওকে এক নিৰ্জন স্থানলৈ নিয়া হয়। তাৰ পাছতে তেওঁলোকলৈ গুলিচালনা আৰম্ভ হয়। লগে লগে ৰুছ সেনাই কাষতে এটা কবৰ খান্দে। ইয়েভেন আৰু ডিমিত্ৰৰ গুলিবিদ্ধ নিথৰ দেহ উক্ত কবৰত পৰি যায়। সৌভাগ্যক্ৰমে গুলিত প্ৰাণৰক্ষা পৰে মাইকোলাৰ। গুলিয়ে তেওঁৰ কাণ আৰু গাল স্পৰ্শ কৰি পাৰ হৈ যায় যদিও বিশেষ গুৰুতৰ আঘাত নাপালে। তথাপি তেওঁ মৃতৰ ভাও ধৰি মাটিত বাগৰি পৰে। ইয়াৰ পাছতে মাইকোলাকো ভৰিৰে ঠেলি ৰুছ সেনাই কবৰত পেলাই দি তাত মাটি জাপি দি আঁতৰি যায়।

জীৱন্ত অৱস্থাতে কবৰত শুবলগীয়া হৈছিল মাইকোলাই। হাত আৰু ভৰি বন্ধা আছিল। চকুৰ সন্মুখত মৃত্যুক দেখিও কিন্তু আশা আৰু ধৈৰ্য তেওঁ নেহেৰুৱালে। অশেষ চেষ্টা কৰি মাইকোলাই নিজক কোনোমতে বন্ধ কবৰৰ পৰা উলিয়াই আনিবলৈ সক্ষম হয়। ইয়াৰ পাছত তেওঁ নিৰ্জন পথাৰৰ কাষতে থকা এটা ঘৰত নিশাটো আশ্ৰয় লয়। পাছত অৱশ্যে সুস্থ হোৱাত তেওঁ নিজৰ ঘৰলৈ উভতি যায়। নিজৰ এই ভয়ানক অভিজ্ঞতাৰ কথা সদৰী কৰি মাইকোলাই কয়, 'এই কাহিনী সকলোৱেই শুনা উচিত। কেবল ইউক্ৰেইনতে নহয়, সমগ্ৰ বিশ্বতে এনে ঘটনা সংঘটিত হয়।'

মূৰ্তি চুৰিৰ পাছৰে পৰাই ভয়ানক সপোন দেখি আহিছো। সেয়ে মূৰ্তিবোৰ নিজৰ কাষত ৰখাৰ সাহস নহ'ল। ঘূৰাই দি গ'লো। এই ঘটনা উত্তৰপ্ৰদেশৰ তাৰাউনাৰ বালাজী মন্দিৰৰ।

# চোৰে পত্ৰসহ ঘূৰাই দিলে চুৰি মূৰ্তি

## মন্দিৰত চুৰি কৰাৰ পাছৰে পৰা দেখিছিল ভয়ানক স্বপ্ন

**নিউজ ব্যুৰ'**
**লক্ষ্ণৌ, ১৮ মে' ঃ** কে'বা কোটি টকাৰ অষ্টধাতুৰ মূৰ্তি চুৰি কৰি নিছিল এদল চোৰে। অথচ চুৰিৰ কিছুদিনৰ পাছতে মূৰ্তিবোৰ পুনৰ যথাস্থানত ৰাখি গ'ল তেওঁলোকে। লগতে পুৰোহিতৰ উদ্দেশ্যে ৰাখি গ'ল এখন পত্ৰও। সেই পত্ৰত লিখা আছিল, 'মূৰ্তি চুৰিৰ পাছৰে পৰাই ভয়ানক সপোন দেখি আহিছো। সেয়ে মূৰ্তিবোৰ নিজৰ কাষত ৰখাৰ সাহস নহ'ল। ঘূৰাই দি গ'লো।' এই ঘটনা উত্তৰপ্ৰদেশৰ তাৰাউনাৰ বালাজী মন্দিৰৰ।

দেওবাৰে বস্তাৰ ভিতৰত ৰখা মূৰ্তিবোৰ প্ৰথমে প্ৰত্যক্ষ কৰে মন্দিৰৰ পুৰোহিতে। তেওঁ লগে লগে আৰক্ষীক খবৰ দিয়ে। আৰক্ষীয়ে আহি মূৰ্তিসমূহ উদ্ধাৰ কৰি নিয়ে। আৰক্ষী সূত্ৰই জনোৱা মতে, বালাজী মন্দিৰৰ পৰা কিছুদিনৰ পূৰ্বে এদল চোৰে ১৬টা অষ্টধাতুৰ মূৰ্তি চুৰি কৰি নিছিল। মন্দিৰৰ পৰা মূৰ্তি অন্তৰ্ধান হোৱাৰ পাছতে পুৰোহিত মহান্ত ৰামবালকে আৰক্ষীক এজাহাৰ দিছিল। তাৰ পাছৰে পৰাই আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছিল, কিন্তু কোনো শুংসূত্ৰ পোৱা নাছিল। অৱশ্যে আৰক্ষীয়ে বেছি দৌৰাদৌৰি কৰিবলগীয়া নহ'ল।

কেইদিনমানৰ ভিতৰতে মূৰ্তি ঘূৰাই দি গ'ল চোৰে। তাৰ লগতে চোৰে নিজৰ 'দুঃস্বপ্ন'ৰ কথাও লিখি পত্ৰ দি গ'ল। এই 'দুঃস্বপ্ন'ই হেনো তেওঁলোকক আতংকিত কৰি তুলিছে। সেইবাবেই মূৰ্তিবোৰ পুনৰ ঘূৰাই দি গ'ল বুলি চোৰৰ দলে লিখিছে।

অৱশ্যে ১৬টাৰ পৰিৱৰ্তে ১৪টা মূৰ্তিহে আৰক্ষীৰ হাতত পৰিছে। সম্প্ৰতি বাকী দুটাৰ অনুসন্ধান অব্যাহত ৰাখিছে আৰক্ষীয়ে। সেই দুটা মূৰ্তিও চোৰে নিজেই ঘূৰাই দি যায় নেকি, তাৰ ওপৰতো আৰক্ষীয়ে দৃষ্টি ৰাখিছে।

# কলিয়াবৰৰ শিলঘাটৰ ঐতিহাসিক জাহাজঘাটত খহনীয়াৰ বিভীষিকা

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ১৮ মে' ঃ** ব্ৰিটিছৰ দিনতে স্থাপিত ৰাজ্যৰ দ্বিতীয় আন্তঃৰাষ্ট্ৰীয় জলপথত অৱস্থিত ঐতিহাসিক শিলঘাট জাহাজঘাট এতিয়া খহনীয়াৰ কবলত। ইয়াৰ লগতে ব্ৰহ্মপুত্ৰৰ খহনীয়াই ভাবুকি কঢ়িয়াই আনিছে ব্ৰিটিছ নগৰী শিলঘাটৰ লগতে এই স্থানতে অৱস্থিত উত্তৰ-পূবৰ অন্যতম সমবায় ভিত্তিত বৃহৎ উদ্যোগ অসম সমবায় মৰাপাট কলৈলে। ভয়াবহ খহনীয়াৰ কবলত পৰিছে শিলঘাটৰ ৰৱৰবাৰী গাঁওখনো। ত্ৰিশূলধাৰী বনভোজস্থলীও এতিয়া খহনীয়াৰ কবলত। বাৰিষা আৰম্ভ হোৱাৰ পূৰ্বেই এতিয়া ব্ৰহ্মপুত্ৰৰ পানী বৃদ্ধি পোৱাত নদীয়ে কালৰূপ লৈ কলিয়াবৰত সৃষ্টি কৰিছে ভয়ংকৰ খহনীয়াৰ। ইয়াৰ লগতে অশোকাষ্টমী মেলা পতা স্থানৰ অংশ নদীয়ে ইতিমধ্যেই খহাই নিছে। ৰৱৰবাৰী গাঁৱৰ বিঘাই-বিঘাই মাটি এতিয়া নদীৰ বুকুত খহনীয়াৰ কবলত পৰি জাহ যোৱাৰ লগতে নদীৰ বুকুত বিলীন হোৱাৰ উপক্ৰম হৈছে এক বৃহৎ অঞ্চল। উল্লেখ্য যে প্ৰতিবছৰে এই অঞ্চলত খহনীয়া হয় যদিও এইবৰ্ষত খহনীয়াই লৈছে ভয়ংকৰ ৰূপ। খহনীয়াৰ এনে ভয়ংকৰ ৰূপ দেখি ব্ৰিটিছে পাতি যোৱা শিলঘাট চহৰকে ধৰি সমগ্ৰ ৰৱৰবাৰীৰ অঞ্চলবাসী এতিয়া ভয় আৰু শংকাত বিনিদ্ৰ ৰজনী কটাব লগাত পৰিছে। এই খহনীয়াত ইতিমধ্যেই ঘৰ মাটি হেৰুওৱা স্থানীয় অঞ্চলবাসীয়ে এতিয়া জলসম্পদ বিভাগলৈ অনুৰোধ জনাইছে অতি শীঘ্ৰেই বিজ্ঞানসন্মতভাৱে বান্ধ দি খহনীয়া ৰোধ কৰিব লাগে সমগ্ৰ অঞ্চলটোত। অন্যথা শীঘ্ৰেই এক ঐতিহাসিক স্থান জাহ যাব লুইতৰ বুকুত। অদূৰভৱিষ্যতে খহনীয়া ৰোধ কৰিব নোৱাৰিলে নগাঁও জিলাৰ মানচিত্ৰৰ পৰা ৰৱৰবাৰী গাঁও হেৰাই যোৱাৰ শংকাবোধ কৰিছে স্থানীয় গাঁওবাসীয়ে।

# প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও ঠন ধৰি উঠা নাই নগাঁও জিলাৰ ৰেছম উদ্যোগ

## নিশকতীয়া অৱস্থাত আছে নগাঁৱৰ ১৫ খনকৈ চৰকাৰী ৰেছম পাম

**বিশেষ সংবাদদাতা**
**নগাঁও, ১৮ মে' ঃ** বিশ্বৰ বজাৰত এক বিশেষ স্থান লাভ কৰা অসমৰ সোণালী সূতাৰ কাপোৰৰ এক সুকীয়া পৰিচয় আছে। অসমৰ অৰ্থনীতি-সাংস্কৃতিক দিশৰে অভিন্ন সম্পৰ্ক থকা ছাঁতে শুকুৱা মুঠিতে লুকুৱা ৰেছম এতিয়া কেনে আছে সেইটোহে বিচাৰ্য বিষয়। সম্ভৱতঃ ১১শ শতিকাতে অসমত ৰেছম শিল্পই খোপনি পোতাৰ পাছত ১৯৩০ৰ আগলৈকে ৰেছম শিল্প এক বিশেষ জনগোষ্ঠীৰ মাজত আবদ্ধ হৈ আছিল।

অৱশ্যে পাছলৈ অসমত বসবাস কৰা সকলো জনগোষ্ঠীৰ লোকে ৰেছম শিল্পক আঁকোৱালি লৈছিল। ৰাজ্যৰ আন স্থানৰ দৰে নগাঁও জিলাটো ৰেছমৰ উৎপাদনৰ বাবে চৰকাৰীভাৱে কাৰ্যকৰী পদক্ষেপ হাতত লোৱা হৈছিল। স্বাধীনতাৰ পূৰ্বে ১৯৪১তে নগাঁৱৰ শেনচোৱাত স্থাপন কৰা হৈছিল ৰেছম পাম। ৮.৮৩ হেক্টৰ মাটিত ৰেছম পাম স্থাপন কৰি ৰেছম সূঁতা উৎপাদনৰ বাবে পলু পোহা কাম হাতত লোৱা হৈছিল। পাছলৈ নগাঁও জিলাত ১৭ খনকৈ ৰেছম পাম স্থাপন কৰা হৈছিল। বৰ্তমান এই ১৭ খন পামৰ ভিতৰত ১৫খন পামৰহে অস্তিত্ব আছে। এই পামকেইখন আছে নলতলি, পদুমনি, ৰাইদঙীয়া, তুলসীমুখ, কন্দলি (মুগা), কন্দলি (এৰী), দগাঁও, চামধৰা, দেউৰী চিলাবন্ধা, ভেলেউগুৰি (এৰী), ভেলেউগুৰি (মুগা), অকৰাবৰী, প্ৰমিলা আৰু জখলাবন্ধাত। ইয়াৰে তুলসীমুখত আছে মুগা আৰু পাটৰ পাম। জিলাখনৰ ভিতৰতে তুলসীমুখৰ ৰেছম পামৰ মাটিকালি অধিক। ২৫০ বিঘা মাটিৰ ৰেছম পামখন বেদখলৰ কবলত পৰি বৰ্তমান ৫০ বিঘা মান মাটিতহে মুগা আৰু পাটৰ পলু পালনৰ ব্যৱস্থা আছে। ভেলেউগুৰিত থকা ৰেছম পাম দুখনৰো অৱস্থা তথৈবচ। বেদখলকাৰীৰ কবলত পৰি এসময়ত লাভজনক পামখন অস্তিত্বৰ প্ৰতি ভাবুকি আহিছে। পামৰ ভূ-খণ্ডত এতিয়া আছে পুখুৰী। ১৯৪১তে স্থাপিত শেনচোৱা ৰেছম পাম চৌহদতে আছে সহকাৰী ৰেছম সঞ্চালকৰ কাৰ্যালয়ো। শীৰ্ষ বিষয়াৰ কাৰ্যালয় থকাৰ পাছতো ৰেছম পামখনৰ অৱস্থা দেখিলে ৰাইজৰ চকু কপালত উঠে। পামৰ সমুখৰ পলুৰ খাদ্যবৃক্ষ কলম কৰি চূণ সানি থোৱা হৈছে যদিও পাছৰ বৃক্ষসমূহ অপৰিষ্কাৰ। বৃক্ষৰ কোনো পৰিচৰ্যা নথকাৰ বাবে পাছলৈ থকা এজোপা গছটো পলু নথকা হ'ল। ইপিনে, শেনচোৱা ৰেছম পামৰ কেতবোৰ আন্তঃগাঁথনিৰ কাম চৰম প্ৰহসন হোৱা বুলিও অভিযোগ উত্থাতি হৈছে। শেনচোৱা ৰেছম পামখনৰ ফাংছনেল ভৱনটো সাত লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা হৈছিল যদিও পৰিত্যক্ত হৈ আছে। ভাৰমিকম্পচট ইউনিটটো ব্যৱহাৰ নোহোৱাকৈ আছে। মডাৰ্ণ বিয়েৰিং হাউছটোৰ অৱস্থা পয়ালগা। ১৪.২৭ লাখ টকা ব্যয়ৰে ৰেছম পামখনৰ চৌহদত পকী বেৰা নিৰ্মাণ কৰা হৈছিল। এক সুৰক্ষিত চৌহদত ৰেছম পামখনে যেনেদৰে উৎপাদন কৰিব লাগিছিল সেইদৰে বৰ্তমান উৎপাদন নাই। একে দৰে পামখনৰ চৌহদত পচিছে পাৱাৰটিলাৰকে ধৰি অন্যান্য সামগ্ৰী। জানিব পৰা মতে, নগাঁৱৰ ৰেছম বিভাগে ২০২১-২২ত এৰী উৎপাদনৰ লক্ষ্য স্থিৰ কৰাছিল ১,৯৭,৯৭০ কিলোগ্ৰাম। মুগা উৎপাদনৰ লক্ষ্য স্থিৰ কৰা হৈছিল ১,৭৯৫ কিলোগ্ৰাম আৰু পাট ৰেছমৰ লক্ষ্য স্থিৰ কৰা হৈছিল ৫৫০ কিলোগ্ৰাম। উত্থাপিত অভিযোগ মতে বিভাগটোয়ে নগাঁৱত এৰী, মুগা আৰু পাট ৰেছমৰ কেঁচা মাল উৎপাদনত প্ৰকৃত লক্ষ্যত উপনীত হ'ব নোৱাৰিলে। প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও ৰেছম বিভাগে নগাঁৱত ৰেছম শিল্প উদ্যোগটোক ঠন ধৰাই তুলিব নোৱাৰাত ইয়ালৈ চৰম সংকট নামি অহা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভত চৰকাৰক বিশেষ পদক্ষেপ গ্ৰহণ কৰিবলৈ ৰাইজে অনুৰোধ জনাইছে।

# সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে অনন্যালৈ ফ্ৰণ্টলাইনাৰ্ছ বঁটা

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**গুৱাহাটী, ১৮ মে' ঃ** জনজাতীয় অধিকাৰ কৰ্মী আৰু শিক্ষয়িত্ৰী অনন্যা পাল ড'ডমানিয়ে লাভ কৰিছে ২০২১ৰ ফ্ৰণ্টলাইনাৰ্ছ বঁটা। তেওঁ অসমৰ লামডিঙৰ নিৱাসী। অলপতে জনপ্ৰিয় অভিনেত্ৰী মহিমা চৌধুৰীয়ে ব'ম্বে ষ্টক এক্সেঞ্জত তেওঁক বঁটা প্ৰদান কৰে। এই বঁটা হৈছে 'নৰ্থ-ইষ্ট আনছাং হিৰোজ ৰেড কাৰ্পেট ছ'চিয়েল এৱাৰ্ডজ ২০২১'ৰ ১৪সংখ্যক সংস্কৰণ। বিগত ২০ বছৰে অঞ্চলটোত অনন্যা নিজ ক্ষেত্ৰত কৰ্মৰত হৈ আছে আৰু একক প্ৰচেষ্টাৰে অঞ্চলটোত ১৪৬টা শিক্ষণ আৰু সমূহীয়া কেন্দ্ৰ স্থাপন কৰিছে। এই কেন্দ্ৰসমূহত বিনামূলীয়া শিক্ষাৰ লগতে সকলো ছাত্ৰ-ছাত্ৰীকে দিনটোত তিনিবাৰ আহাৰৰ যোগান ধৰা হয়। ভাৰতৰ পাঁচখন ৰাজ্যত তেওঁ সমূহীয়া ৰান্ধনীঘৰ পৰিচালনা কৰে। এইসমূহত প্ৰস্তুত কৰা খাদ্য বঞ্চিতসকলক যোগান ধৰা হয়। ২০১৯ত তেওঁ কৰণবীৰ চক্ৰ বঁটাও লাভ কৰিছিল। তদুপৰি তেওঁ একাধিক ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বঁটা লাভ কৰিছে।

# জামুগুৰিহাটত কৃত্ৰিম বানৰ ভয়াৱহ ৰূপ

## পানী উলিয়াই দিবৰ বাবে খান্দি দিয়া হ'ল চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় পথ

**অগ্ৰদূত বাৰ্তা**
**নদুৱাৰ, ১৮ মে' ঃ** জামুগুৰিহাট চহৰৰ পাৰ্শ্বৱৰ্তী অঞ্চলৰ কে'বাখনো গাঁৱত সৃষ্টি হোৱা ভয়াৱহ কৃত্ৰিম বানৰ পৰা ৰক্ষা পাবলৈ খান্দি দিয়া হ'ল নিৰ্মীয়মাণ চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় পথ। চকীঘাটৰ পৰা জামুগুৰিহাটৰ মাধৱলৈ নিৰ্মাণ কৰি থকা চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় পথ নিৰ্মাণকাৰী সংস্থা 'ছিমপ্লেক্স' কোম্পানীয়ে ৰাইজৰ অভিযোগৰ প্ৰতি কোনো ধৰণৰ গুৰুত্ব নিদি পানী ওলাই যোৱাৰ বাবে বিজ্ঞানসন্মতভাৱে নলা নিৰ্মাণ নকৰাৰ বাবেই ভয়াৱহ কৃত্ৰিম বানৰ কৱলত পৰিছে জামুগুৰিহাট। মুষলধাৰ বৰষুণত জমা হোৱা পানী ওলাই যাব নোৱাৰৰ ববেই জামুগুৰি চহৰৰ এটা অংশৰ লগতে মাধৱ, কোঁচগাঁও, বৰাচুক, মাজগাঁও, পাতলৰচুককে ধৰি কে'বাখনো গাঁৱত ভয়াৱহ কৃত্ৰিম বানৰ সৃষ্টি হয়। মানুহৰ ঘৰ-বাৰীৰ ভিতৰত পানী সোমোৱাত আশ্ৰয় শিবিৰত অৱস্থান গ্ৰহণ কৰিব লগা হৈছে বহু পৰিয়ালে। চতিয়াৰ বিধায়ক পদ্ম হাজৰিকা, শোণিতপুৰ জিলাৰ উপায়ুক্তই আজি জামুগুৰিহাটত সৃষ্টি হোৱা কৃত্ৰিম বান পৰিস্থিতি পৰ্যবেক্ষণ কৰে। অঞ্চলটোত দেখা দিয়া ভয়াৱহ কৃত্ৰিম বানৰ পৰা সাময়িকভাৱে ৰক্ষা পাবলৈ অৱশেষত পানী ওলাই যাবৰ বাবে অঞ্চলটোৰ কোৱামৰাৰ ওচৰত নিৰ্মীয়মাণ চাৰিশাৰীযুক্ত ৰাষ্ট্ৰীয় পথ এক্সকেভেটৰ লগাই খান্দি দিয়া হয়। ইফালে, চতিয়াৰ বিধায়ক হাজৰিকাই নিৰ্মীয়মাণ চাৰিশাৰীযুক্ত পথ নিৰ্মাণকাৰী সংস্থাৰ প্ৰতিনিধি, গড়কাপ্টানী বিভাগৰ বিষয়া-কৰ্মচাৰীৰ লগত এক আলোচনাত মিলিত হয়। আগন্তুক সময়ত যাতে এই অঞ্চ